# আনন্দ
# আৰু
# বেদনাৰ সন্ধানত

# আনন্দ

# আৰু

# বেদনাৰ সন্ধানত

হোমেন বৰগোহাঞি

STATE CENTRAL LIBRARY
Call No.
ASSAM.

অসম প্ৰকাশন পৰিষদ

প্ৰকাশক
চন্দ্ৰপ্ৰসাদ শইকীয়া
সচিব
অসম প্ৰকাশন পৰিষদ
গুৱাহাটী-৭৮১০২১

প্ৰথম সংস্কৰণ
জানুৱাৰী, ১৯৮১

মূল্য : দহ টকা

মুদ্ৰক
শ্ৰীকালীচৰণ পাল
নৱজীৱন প্ৰেছ
৬৬ গ্ৰে ষ্ট্ৰীট, কলিকতা-৭০০ ০০৬

You :wakened this book in my mind, you gave it to me; for the words I spoke in delight and from a full heart were echoed back from your sweet life......

*Goethe : West-Eastern Divan*

# পাতনি

এই গ্ৰন্থখনত সন্নিবিষ্ট কেইবাটাও প্ৰবন্ধ অসম প্ৰকাশন পৰিষদৰ দ্বাৰা প্ৰকাশিত মাহেকীয়া আলোচনী 'প্ৰকাশ'ত ছোৱা-ছোৱাকৈ ইতিমধ্যে প্ৰকাশ কৰা হৈছিল, যদিও ইয়াত সেইবোৰৰ উপৰিও কিছুমান অপ্ৰকাশিত ৰচনাও সংযোজন কৰা হৈছে। যশস্বী লেখক শ্ৰীহোমেন বৰগোহাঞিয়ে তেওঁৰ সাৱলীল গদ্যেৰে এই গ্ৰন্থত বিশ্বৰ কেইবাগৰাকী বিৰল প্ৰতিভাধৰ ব্যক্তিৰ জীৱনৰ বিচিত্ৰ কাহিনীৰ পটভূমিত তেওঁলোকৰ অসাধাৰণ সৃষ্টিৰ সোৱাদ পাঠকক দিবলৈ যত্ন কৰিছে। তেওঁ বাছি লোৱা ব্যক্তি কেইগৰাকী হ'ল, আৰ্জেন্টিনাৰ কবি-গল্পকাৰ জৰ্জ্ লুই বৰ্খেছ্, আমেৰিকাৰ কবি এড্গাৰ লী মাষ্টাৰছ্, জাৰ্মানীৰ বিশ্ববিখ্যাত কবি-প্ৰতিভা গ্যেটে, জাৰ্মানীৰে আন এগৰাকী মহৎ কবি হাইন্‌ৰিখ্ হাইনে, ৰাষ্ট্ৰসংঘৰ প্ৰাক্তন সচিব-প্ৰধান ছুইডেনৰ ডাগ্ হেমাৰ্‌খুল্ড্ আৰু ফ্ৰান্সৰ অতি-বাস্তৱবাদী কবি আৰ্থাৰ ৰ্‍যাবো—এওঁলোকৰ প্ৰত্যেকৰে জীৱনত লেখকে লক্ষ্য কৰিছে আনন্দ আৰু বেদনাৰ অপৰূপ সমাবেশ : কেতিয়াবা জীৱনৰ চৰম দুৰ্দশা আৰু বেদনাৰ অভিজ্ঞতাই তেওঁলোকৰ মহৎ প্ৰতিভাৰ বলত কাব্য সৃষ্টিৰ পৰম আনন্দৰ ৰূপ লাভ কৰিছে; কেতিয়াবা অসাধাৰণ কৃতকাৰ্যতাৰ আনন্দৰ মাজতো কাৰোবাৰ গোপন অন্তৰ্জীৱন ৰচিত হৈছে মৃত্যু-চিন্তাৰে পূৰ্ণ ডায়েৰীৰ পাতত। ব্যক্তি-জীৱনৰ অসম্পূৰ্ণতা, যন্ত্ৰণা, হতাশাই কবি-শিল্পীৰ মহত্তৰ স্বপ্ন আৰু সৃষ্টিৰ মাজেদি শাশ্বত, চিন্ময় ৰূপ লাভ কৰিছে। জীৱনৰ এই দ্বিমুখী ৰূপটোকে লেখকে এই গ্ৰন্থত সন্নিৱিষ্ট ভাবোদ্দীপক প্ৰবন্ধ কেইটাত আঁকিবলৈ প্ৰয়াস কৰিছে।

এই গ্ৰন্থখনৰ আন এটা মূল্যৱান দিশ হ'ল—'পৰিশিষ্ট'ত সংযোজিত আলোচ্য ব্যক্তি কেইজনৰ ৰচনাৰ নিৰ্বাচিত মূল ৰচনা নাইবা ৰচনা-ভাগৰ অসমীয়া অনুবাদ। শ্ৰীবৰগোহাঞিয়ে তেওঁৰ স্বাভাৱিক দক্ষতাৰে এই ভাঙনিবোৰ কৰি বিশ্বৰ খ্যাতনামা কেইগৰাকীমান কবি-সাহিত্যিকৰ ৰচনাৰ সোৱাদ পাঠকলৈ আগবঢ়াব পাৰিছে বুলি আমাৰ বিশ্বাস।

গ্ৰন্থখনে সহৃদয় পঢ়ুৱৈ সমাজৰপৰা উপযুক্ত সমাদৰ লাভ কৰিব বুলি আমি আশা কৰোঁ।

গুৱাহাটী

জানুৱাৰী, ১৯৮১ চন্দ্ৰপ্ৰসাদ শইকীয়া

## সূচীপত্র


| | |
|---|---|
| পাতনি | ... |
| জৰ্জ্ লুই বৰ্ঝেছ্ | ১ |
| এডগাৰ লী মাষ্টাৰছ্ | ২২ |
| গ্যেটে আৰু চাৰ্লট্ ফন্ ষ্টেইন্ | ৪৬ |
| গ্যেটেৰ সৰ্বশেষ প্ৰেমৰ কবিতা | ৭৮ |
| হাইন্‌ৰিখ্ হাইনে | ১০৫ |
| ডাগ্ হেমাৰ্‌শ্বল্ড | ১১৯ |
| অৰ্ধ-পশু অৰ্ধ-দেৱতা | ১৩৬ |
| পৰিশিষ্ট | |
| গ্যেটে ( ফাউষ্টৰপৰা ) | ১৫১ |
| কেইটামান কবিতা | ১৬২ |
| হাইন্‌ৰিখ্ হাইনে | ১৭০ |
| জৰ্জ্ লুই বৰ্ঝেছ্ | ১৭৩ |
| এডগাৰ লী মাষ্টাৰছ্ | ১৭৯ |

# জৰ্জ্ লুই বৰ্ঝেছ্

Shakespeare led a life of allegory ; his works are the comments on it. —*Keats*

প্ৰত্যেক লেখকেই জীৱনৰ এটা নহয় এটা সময়ত ভাবে : মই যদি অমুক লেখকৰ নিচিনাকৈ লেখিব পাৰিলোহেঁতেন ! সম্প্ৰতি মই নিজৰ কাৰণে তেনে এজন লেখক আবিষ্কাৰ কৰিছোঁ। তেওঁ হ'ল আৰ্জেন্টিনাৰ কবি আৰু গল্পকাৰ জৰ্জ্ লুই বৰ্ঝেছ্। বৰ্ঝেছে নিজে এজন ইৰাণীয়ান পদাৰ্থ-বিজ্ঞানীৰ 'বৃত্তাকাৰ সময়' সম্পৰ্কীয় তত্ত্বৰ উল্লেখ কৰি তেওঁৰ এখন আত্মজীৱনীমূলক ৰচনাত লেখিছে,— I do not quite understand it but hope someday to plagiarise—অৰ্থাৎ তত্ত্বটো মই ভালকৈ বুজি নাপালেও কোনোবা এদিন তাক নকল কৰিবলৈ আশা ৰাখিছো। পৰা হ'লে ময়ো বৰ্ঝেছক নকল কৰিলোহেঁতেন ; কিন্তু সেইটো সম্পূৰ্ণ অসম্ভৱ। প্ৰত্যেক মহৎ লেখকেই অননুকৰণীয়। বৰ্ঝেছ্ আৰু বেছি অননুকৰণীয়।

১৮৯৯ চনত বুয়েনছ্ আয়াৰ্ছৰ এটা সম্ভ্ৰান্ত পৰিয়ালত বৰ্ঝেছৰ জন্ম হয়। দেউতাকৰ ফালৰপৰা তেওঁ স্পেনিশ্ বংশোদ্ভূত হ'লেও তেওঁৰ মাকৰ ঠালটো সম্পূৰ্ণৰূপে ইংৰাজ। তেওঁ নিজে স্পেনিশ ভাষাত লেখে যদিও কোলাৰ কেচুৱা হৈ থকাৰ দিন ধৰি ইংৰাজী ভাষা-সাহিত্যৰ লগত তেওঁৰ পৰিচয় অতি নিবিড়। তেওঁ ইংৰাজী সাহিত্যক পৃথিৱীৰ ভিতৰত আটাইতকৈ চহকী সাহিত্য বুলি ভাবে আৰু কেইবাজনো ইংৰাজ লেখকে তেওঁক গভীৰভাৱে প্ৰভাৱিত কৰিছে। অৱশ্যে উন্নাসিক বুদ্ধিজীৱী মহলত তেওঁক প্ৰভাৱিত কৰা

এই ইংৰাজ লেখক কেইজনৰ বৰ বেছি কদৰ নাই। তেওঁলোক হ'ল ৰবাৰ্ট্ লুই ষ্টিভেনছন, ৰুডিয়াৰ্ড্ কিপলিং আৰু জি. কে. চেষ্টাৰটন্। বৰ্খেছৰ আত্মজীৱনীমূলক ৰচনা আৰু নিজৰ গল্পৰ ওপৰত কৰা টিকা-টিপ্পনীবোৰত অতি সঘনাই কিপ্‌লিং আৰু ষ্টিভেনচনৰ উল্লেখ পোৱা যায়। মানুহ হিচাপে বৰ্খেছৰ চৰিত্ৰ ইমান মধুৰ আৰু সৰল যে যেতিয়াই তেওঁ কোনো লেখকৰপৰা প্ৰেৰণা বা সমল বা আৰ্হি গ্ৰহণ কৰিছে, তেতিয়াই তেওঁ স্বতঃ-প্ৰণোদিত ভাৱে আৰু অকুণ্ঠচিত্তে সেই ঋণ স্বীকাৰ কৰিছে। সি যি কি নহওক, ইংৰাজী ভাষা-সাহিত্যৰ প্ৰতি তেওঁৰ অনুৰাগ ইমান গভীৰ যে কোনো কোনো উগ্ৰ জাতীয়তাবাদী স্বদেশীয় লোকৰপৰা তাৰ কাৰণে তেওঁ বক্ৰোক্তিও শুনিব লগা হৈছে। এই লোকসকলে তেওঁক 'ইংৰাজ' বুলি বিদ্ৰূপ কৰে। তাৰ উত্তৰত বৰ্খেছে কেৱল কয় যে ইংৰাজ-চৰিত্ৰৰ বহুতো বৈশিষ্ট্য কিন্তু তেওঁৰ গাত সমূলি নাই। চাহ, ৰাজ-পৰিয়াল বা 'পুৰুষসুলভ' খেল-ধেমালিৰ প্ৰতি তেওঁৰ সমূলি আসক্তি নাই, আৰু 'অসতৰ্ক' শ্বেক্সপীয়েৰে লেখা প্ৰতি শাৰী কথাকে ইংৰাজসকলে যেনেকৈ পূজা কৰে, তেওঁ কিন্তু তেনেকৈ নকৰে।

ইংৰাজী ভাষাত বৰ্খেছৰ অসামান্য দখল আছে যদিও তেওঁ কিন্তু নিজে সেই ভাষাত কেতিয়াও নেলেখে। তেওঁৰ প্ৰায়বোৰ ৰচনা নৰমান্ টমাছ ডি. গিয়ভান্নি নামৰ এজন আমেৰিকান লেখকে ইংৰাজী ভাষালৈ অনুবাদ কৰিছে। বৰ্খেছে যোৱা প্ৰায় অৰ্দ্ধ-শতাব্দীকাল ধৰি সাহিত্য-সৃষ্টিত লাগি আছে যদিও স্পেনিশ্‌ভাষী জগতৰ বাহিৰৰ মানুহে তেওঁৰ খবৰ পোৱা বৰ বেছি দিন হোৱা নাই। ষাঠিৰ দশকৰ আৰম্ভণিতহে য়ুৰোপ আৰু আমেৰিকাই তেওঁক আবিষ্কাৰ কৰে, আৰু সেই আবিষ্কাৰ সম্ভৱ হয় ঘাইকৈ গিয়ভান্নিৰ অনুবাদৰ যোগেদি। এই ডেকা আমেৰিকান লেখকজন বৰ্খেছৰ ৰচনাৰ ইমান বেছি অনুৰক্ত যে তেওঁ যোৱা কেইবাবছৰ

ধৰি বৰ্হেছৰ বুয়েনছ্ আয়াৰ্ছৰ ঘৰত তেওঁৰ একে পৰিয়ালভুক্ত হৈ বাস কৰিছে আৰু বৰ্হেছৰ ৰচনাৰ ইংৰাজী-অনুবাদৰ কামতেই গোটেই জীৱন উছৰ্গা কৰিছে। এই ইংৰাজী-অনুবাদৰ কামত বৰ্হেছে তেওঁক সক্রিয়ভাৱে সহায় কৰে। অনুবাদ সম্পৰ্কে নিজৰ মন্তব্য দি বৰ্হেছে এনে এষাৰ কথা কৈছে—যিষাৰ কথা প্ৰত্যেক লেখকেই, আৰু লগতে অনুবাদকেও, জপ-মন্ত্ৰৰ দৰে ধ্যান কৰা উচিত। তেওঁ কৈছে: "আমি এই গল্পবোৰ এনেভাৱে ইংৰাজীলৈ অনুবাদ কৰিবলৈ চেষ্টা কৰিছোঁ, যাতে সেইবোৰ মূল ইংৰাজীত লেখাৰ দৰেই হয়। আমি ইংৰাজী আৰু স্পেনিশ্ ভাষাক সহজে পৰস্পৰৰ লগত সলনি কৰিব পৰা সমাৰ্থক শব্দ-সমষ্টি বুলি নাভাবোঁ। দৰাচলতে দুয়োটা ভাষাই বিশ্ব-বীক্ষাৰ দুটা স্বকীয়া মাধ্যম, আৰু প্ৰত্যেকটো ভাষাৰে একোটা নিজস্ব চৰিত্ৰ আছে। উদাহৰণ স্বৰূপে, ইংৰাজী ভাষা স্পেনিশতকৈ বেছি পৰিমাণে শৰীৰ-বিশিষ্ট……।"

ভাষাৰ প্ৰসংগ ওলাওঁতেই আৰু এষাৰ কথা কৈ থোৱা উচিত। যোৱা কেইবাবছৰ ধৰি বৰ্হেছে বুয়েনছ্ আয়াৰ্ছ্ বিশ্ববিদ্যালয়ত ইংৰাজী আৰু আমেৰিকান সাহিত্যৰ অধ্যাপনা কৰি আছে। এই পদৰ কাৰণে বৰ্হেছৰ বাহিৰেও অন্যান্য বহুতো প্ৰাৰ্থী আছিল, আৰু তেওঁলোকে নিজৰ প্ৰাৰ্থীত্বৰ সমৰ্থনত নানা প্ৰশংসাপত্ৰ আৰু কৃতিত্বৰ তালিকা দাখিল কৰিছিল। বৰ্হেছে তেওঁৰ আবেদন-পত্ৰত মাত্ৰ এষাৰ কথা লেখিছিল: "বিশেষ নভবা-নিচিন্তাকৈয়ে গোটেই জীৱন ধৰি মই কেৱল এই পদটোৰ কাৰণেই যোগ্যতা অৰ্জন কৰিছো।" অধ্যাপকৰ পদটো তেৱেঁই পালে। যি হওক, অধ্যাপনাৰ জীৱন আৰম্ভ কৰি তেওঁ প্ৰাচীন ইংৰাজী মহাকাব্য 'বিওৱালফ্' পঢ়াব লগা হ'ল, আৰু তাকে কৰিবলৈ যাওঁতে প্ৰাচীন ইংৰাজী ভাষাৰ গোপন ঐশ্বৰ্য-ভাণ্ডাৰে তেওঁৰ মন প্ৰবলভাৱে আলোড়িত কৰি তুলিলে। সেই তেতিয়াৰেপৰা যোৱা ১৫ বছৰ ধৰি তেওঁ পৰম মনোযোগেৰে প্ৰাচীন ইংৰাজী ভাষা অধ্যয়ন কৰি আছে।

"মই জানো যে এই অভিযানৰ ক'তো অন্ত নাই আৰু জীৱনৰ বাকী থকা দিনকেইটা মই কেৱল 'প্ৰাচীন ইংৰাজী' অধ্যয়ন কৰিয়েই কটাই দিব পাৰো।"—শব্দৰ জন্ম-বৃদ্ধি-মৃত্যুৰ ইতিহাস বা তাৰ অন্তৰ্নিহিত ৰহস্যই বৰ্ঝেছৰ মন কিভাবে আবিষ্ট কৰি ৰাখিছে—তেওঁৰ এই উক্তিয়েই তাৰ প্ৰমাণ। ভাষাৰ অধ্যয়নে তেওঁৰ কল্পনাক এনেভাৱে উদ্দীপিত কৰি তুলিছে যে সেই বিষয়ে তেওঁ কেইবাটাও কবিতাও লেখিছে। তাৰে এটাৰ নাম—Embarking on the study of Anglo-Saxon Grammar—ব্যাকৰণ পঢ়িও কোনোবাই কবিতা লেখিবলৈ উদ্বুদ্ধ হ'ব পাৰেনে? এই প্ৰশ্ন কেৱল আমাৰ মনতে নহয়, তেওঁৰ এজন সতীৰ্থ অধ্যাপকৰ মনতো উদয় হৈছিল। তেওঁ বৰ্ঝেছক প্ৰশ্ন কৰিছিল—"তোমাৰ মতলব কি? Embarking on the study of Anglo-saxon Grammar—এনে এটা নামৰ কবিতা প্ৰকাশ কৰি তুমি কি বুজাব খুজিছা?" বৰ্ঝেছে উত্তৰ দিছিল—"মোৰ কাৰণে এংলো-ছেক্সনৰ অধ্যয়ন সূৰ্যাস্তৰ দৃশ্য উপভোগ কৰা বা প্ৰেমত পৰাৰ নিচিনাই এটা অতি অন্তৰংগ অভিজ্ঞতা।"

বৰ্ঝেছৰ জীৱন আৰু জগত বুজাত সহায় হ'ব বুলি ভাবিয়েই এই কথাখিনি ইমান সবিস্তাৰে উল্লেখ কৰা হ'ল।

অনুবাদ সম্পৰ্কে ওপৰত উল্লেখ কৰা বৰ্ঝেছৰ মন্তব্যৰ পিছত তেওঁৰ কোনো ৰচনাৰে ভাষান্তৰ কৰাৰ দুঃসাহস নহয়। তথাপি, বৰ্ঝেছৰ এই কবিতাটোৰ ভাবাৰ্থ হ'ল: "প্ৰায় পঞ্চাশ পুৰুষৰ পিছত মই এখন বিশাল নদীৰ সুদূৰ পাৰলৈ ঘূৰি আহিছো। নৰ্ছমেনৰ দীঘলীয়া জাহাজবোৰে এই পাৰ কেতিয়াও স্পৰ্শ কৰা নাছিল। মই ঘূৰি আহিছো সেই কঠোৰ আৰু শ্ৰম-ক্লান্ত শব্দবোৰলৈ—যিবোৰ শব্দ মই বৰ্ঝেছ্ বা হাছলাম্ হোৱাৰ আগতে মোৰ নৰ্ডাম্‌ব্ৰিয়া আৰু নাচিয়াৰ দিনবোৰত এতিয়া ধূলিত পৰিণত হোৱা এখন জিভাৰে মই ব্যৱহাৰ কৰিছিলো।...মোৰ চকুত এই শব্দবোৰ যেন অন্যান্য

প্ৰতীকৰ প্ৰতীক, ইংৰাজী বা তাৰ বংশোদ্ভূত জাৰ্মানৰেই ভিন্ন ৰূপ, কিন্তু তথাপি কোনো এক বিশেষ সময়ত সিহঁত আছিল নতুন সতেজ ভাব-মূৰ্ত্তি, আৰু এজন মানুহে সিহঁতক ব্যৱহাৰ কৰিছিল সাগৰক বা তৰোৱালক প্ৰাৰ্থনা কৰিবলৈ। অহা কালিলৈ সিহঁত আকৌ জীৱন্ত হৈ উঠিব; অহা কালিলৈ fyr পুনৰ fire নহ'ব, বৰং সি হ'ব কোনো পোহ-মনা পৰিবৰ্তনক্ষম দেৱতাৰ স্মৃতি-অৱশেষ, আৰু এটা প্ৰাচীন ভয় অনুভৱ নকৰাকৈ কোনেও তাৰ সম্মুখীন হ'ব নোৱাৰিব। কাৰ্য-কাৰণৰ অন্তহীন দুৰ্লক্ষ্য-নিৰ্গম আবৰ্ত্তক প্ৰণিপাত, যিথন দাপোণত মই কাকো নেদেখিম বা মোৰ বাহিৰে আন কাৰোবাক দেখিম, সেই দাপোণ মোৰ চকুৰ আগত উন্মোচিত কৰাৰ আগতে সি মোক দান কৰিছে এটা ভাষাক তাৰ উষা-লগ্নতে ধ্যান কৰাৰ সুযোগ।"

সমগ্ৰ জীৱন ধৰি বৰ্ঝেছে ভাষাৰ ধ্যান কৰিছে, শব্দৰ ধ্যান কৰিছে। যদিও তেওঁ পঞ্চাশ বছৰ ধৰি একাণপতিয়াভাৱে কেৱল সাহিত্য-সৃষ্টিতেই লাগি আছে, তথাপি সেই অনুপাতে তেওঁৰ ৰচনাৰ পৰিমাণ বিপুল নহয়। তেওঁৰ ৰচনাৰ পৰিমাণ অতি সামান্য। মাত্ৰ কেইখনমান ক্ষুদ্ৰকায় গল্প আৰু কবিতাৰ কিতাপ —এয়েই হ'ল তেওঁৰ অৰ্দ্ধশতাব্দীজোৰা সাহিত্য-সাধনাৰ ফচল আৰু প্ৰভাৱৰ ভিত্তি। কিন্তু দুৰূহ শব্দ-সাধনাৰ দ্বাৰা তেওঁ তেওঁৰ এই সামান্য ৰচনাৱলীকে এনে এক অনিৰ্বচনীয় গুণেৰে অন্বিত কৰি তুলিছে যে তাৰ মাজতে মানুহৰ আধ্যাত্মিক অভিজ্ঞতাৰ এখন সমস্ত জগত আলোকিত হৈ উঠিছে। বৰ্ঝেছে চুটি-গল্প আৰু কবিতাৰ বাহিৰে বিশেষ আন একো নেলেখে। তেওঁ উপন্যাস কিয় নেলেখে বুলি সোধা এটা প্ৰশ্নৰ উত্তৰত এবাৰ বৰ্ঝেছে কৈছিল: "মোৰ পক্ষে উপন্যাস লেখা সম্ভৱ নহয়, কাৰণ মই ভীষণ এলেহুৱা। তদুপৰি উপন্যাসে গল্পৰ সমান মোক আকৃষ্ট কৰিব নোৱাৰে। কিপ্‌লিং মোৰ খুব প্ৰিয় লেখক, কিন্তু তেওঁৰ উপন্যাসতকৈ গল্পবোৰ মই

বেছি ভাল পাওঁ। এটা কলাৰূপ হিচাপে উপন্যাস চিৰকাল নাথাকিবও পাৰে, নিঃসন্দেহে ই নাথাকিব; কিন্তু গল্প সদায় থাকিব। মানুহে কেতিয়াবা যদি গল্প লেখিবলৈ এৰিও দিয়ে, তথাপি গল্প কোৱাটো কেতিয়াও নিশ্চয় বন্ধ নহ'ব। এখন উপন্যাস হয়তো কেইবাবাৰো পঢ়িব পাৰি, কিন্তু মুখেৰে তাক ক'ব নোৱাৰি। কিন্তু গল্প মুখেৰে কৈ থাকিব পাৰি……।"

অতএব, বৰ্ঝেছে কেৱল গল্পহে লেখে। আৰু মাজে মাজে কবিতা। যোৱা কেইবছৰমান তেওঁ ঘাইকৈ কবিতা লেখাতেই মনোনিবেশ কৰিছে। তাৰো এটা কাৰণ আছে। বৰ্ঝেছৰ পৰিয়ালত বংশানুক্ৰমিকভাৱে চকুৰ বেমাৰ আছে। ফলত তেওঁৰ পৰিয়ালৰ বহুতো মানুহ জীৱনৰ আধা বয়সতেই অন্ধ হৈ পৰে। বৰ্ঝেছেও প্ৰায় জন্মৰপৰাই চকুৰ বেমাৰত ভুগিছে। জীৱনৰ বিভিন্ন সময়ত প্ৰায় আঠবাৰমান চকুত অস্ত্ৰোপচাৰ কৰাৰ পিছত কেইবছৰমানৰ আগতে তেওঁ সম্পূৰ্ণ অন্ধ হৈ পৰে। লগতে কাণ এখনো কলা হয়। বৰ্ঝেছৰ চুটি-গল্পবোৰ আক্ষৰিক অৰ্থতেই অতি চুটি। একো একোটা গল্প প্ৰায় ত্ৰিশটামান বাক্যতেই সীমাবদ্ধ। কিন্তু তাৰ একমাত্ৰ কাৰণ কঠোৰ সংযম বা শব্দৰ আত্যন্তিক পৰিমিত ব্যৱহাৰেই নহয়; তাৰ আন এটা প্ৰধান কাৰণ হ'ল তেওঁৰ অন্ধতা। সম্পূৰ্ণ অন্ধ হৈ যোৱাৰ আগতে দুৰ্বল দৃষ্টিশক্তিক বেছি পীড়ন নকৰিবলৈ তেওঁ গল্পবোৰ যিমান পাৰে চুটি কৰিবলৈ চেষ্টা কৰিছিল; ফলত শাপেই বৰ হোৱাৰ দৰে তেওঁৰ শাৰীৰিক অন্ধতাই জন্ম দিলে এক অসামান্য গুণবিশিষ্ট ঘন-সন্নিবদ্ধ চুটি-গল্পৰ। বৰ্ঝেছৰ গল্পৰ প্ৰধান বৈশিষ্ট্যবোৰ হ'ল কল্পনাতীত সংক্ষিপ্ততা, শব্দ-প্ৰয়োগত অসাধাৰণ পৰিমিতি, প্ৰতীক-ধৰ্মিতা আৰু স্পষ্টতা। তাৰ লগতে এক প্ৰবল ৰস-বোধ। যি হওক, যোৱা কেইবছৰমান তেওঁ ঘাইকৈ কবিতা ৰচনাতেই মনোনিবেশ কৰাৰ কাৰণ হ'ল এই যে দৃষ্টি-হীনতাৰ কাৰণে তেওঁ কাগজ-কলম লৈ লেখিবলৈ বহিব নোৱাৰে

যদিও ছন্দোবদ্ধ কবিতা মনে মনে ৰচনা কৰাও সম্ভৱ, সেই কাৰণে সম্প্ৰতি তেওঁ গল্পতকৈ কবিতাহে বেছিকৈ লেখে।

বৰ্খেছৰ কবিতাও বিপুলভাৱে সমাদৃত হৈছে, তথাপি তেওঁ আজি বিশ্ব-বিখ্যাত হাইকৈ তেওঁৰ চুটি-গল্পবোৰৰ কাৰণেহে।

তেওঁনো কেনে ধৰণৰ চুটি-গল্প লেখে?

বৰ্খেছৰ ৰহস্যময় জগতখনৰ সঁচাৰ-কাঠী বিচাৰি পাবলৈ কেৱল এযাৰ কথা উল্লেখ কৰিলেই যথেষ্ট হ'ব। ১৯৬০ চনত প্ৰকাশিত তেওঁৰ 'The Maker' বা 'নিৰ্মাতা' নামৰ গল্প-গ্ৰন্থখনৰ শেষৰ পৃষ্ঠাত তেওঁ এজন মানুহৰ কথা লেখিছে: সেই মানুহজনে সমগ্ৰ বিশ্বজগতৰ এখন ছবি আঁকিবলৈ আৰম্ভ কৰিছিল। বহুত বছৰ ধৰি তেওঁ জাহাজ, স্তম্ভ, ঘোঁৰা, অস্ত্ৰ আৰু মানুহৰ ছবি আঁকি এখন শূন্য দেৱাল ভৰাই পেলালে। কিন্তু মৃত্যুৰ সময়ত তেওঁ দেখিলে যে দেৱালখনত ফুটি উঠিছে কেৱল তেওঁৰ নিজৰ মুখৰ অবিকল প্ৰতিকৃতি। বৰ্খেছে কৈছে—"সকলো কিতাপৰ বিষয়েই বোধহয় এই কথা ক'ব পাৰি; মোৰ এই বিশেষ কিতাপখনৰ বিষয়েতো এই কথা নিশ্চয় ক'ব পাৰি।"

অৱশ্যে ইয়াৰপৰা এনে ধাৰণা কৰা উচিত নহ'ব যে বৰ্খেছ্ সম্পূৰ্ণৰূপে আত্ম-কেন্দ্ৰিক বা আত্ম-নিমগ্ন। বৰং তেওঁ সকলো সময়তে সমগ্ৰ মানৱজাতিৰ লগত আৰু লগতে মানুহৰ সমস্ত ইতিহাসৰ লগত এক অবিচ্ছেদ্য ঐক্য বা আত্মীয়তাৰ বন্ধন অনুভৱ কৰে। আৰু তেওঁৰ ক্ষেত্ৰত এই বন্ধনৰ যোগসূত্ৰ হ'ল ব্যক্তিগত ত্যাগ আৰু যন্ত্ৰণাৰ মাজেদি সমগ্ৰ দুঃস্থ মানৱতাৰ লগত সহমৰ্মিতা-বোধ। ওপৰত উল্লেখ কৰা 'The Maker' বা 'নিৰ্মাতা' গল্পটো বৰ্খেছে লেখিছিল তেওঁ সম্পূৰ্ণ অন্ধ হৈ যোৱাৰ কিছুদিনৰ পিছতে, ১৯৫৮ চনত। ইলিয়াদ আৰু ওডিছিৰ কবি হোমাৰো আছিল অন্ধ। কিন্তু গল্পটোত শতাব্দীৰ ব্যৱধান নোহোৱা হৈছে, একেটা গল্পতে ফুটি উঠিছে বৰ্খেছ্ আৰু হোমাৰ উভয়ৰে কণ্ঠস্বৰ। মাত্ৰ সাত

শতকৈয়ো কম শব্দৰ ভিতৰতে অস্তিত্ব-পীড়া, যন্ত্রণা আৰু নৈৰাশ্যৰ অন্ধকাৰৰ মাজত বাট হেৰুৱাই নেপেলোৱা অপৰাজেয় মানৱাত্মাৰ উজ্জ্বল গৰিমা কি আশ্চৰ্য দক্ষতাৰে ফুটাই তোলা হৈছে—গল্পটো নিজে নপঢ়িলে তাৰ কোনো ধাৰণা কৰিব নোৱাৰি। দৃষ্টিশক্তি থকালৈকে তেওঁৰ (বৰ্ঝেছৰ বা হোমাৰৰ) স্মৃতিৰপৰা আনন্দ আহৰণ কৰাৰ কোনো প্ৰয়োজন নাছিল। জীৱনৰ বিভিন্ন অভিজ্ঞতা—কুমাৰৰ নক্সা, তৰা-বছা আকাশ, জোন—য'ৰপৰা এটা সিংহ খহি পৰিছিল, আঙুলিৰ আগেৰে হাত বুলাই অনুভৱ কৰা মাৰ্বলৰ মসৃণতা, গাহৰিৰ মাংসৰ জুতি, এটা ফীনিশিয় শব্দ, হালধীয়া বালিৰ ওপৰত জাঠিৰ ক'লা ছাঁ, সাগৰ বা তিৰোতাৰ সান্নিধ্য, মৌ-জোলৰ লগত মিহলাই খোৱা চোকা মদৰ জুতি—এই সকলোবোৰকে তেওঁ উপভোগ কৰিছিল আৰু লগে লগে পাহৰি গৈছিল।…কিন্তু এই সুন্দৰ পৃথিৱীখনে অকণ-অকণকৈ তেওঁক পৰিত্যাগ কৰিবলৈ ধৰিলে। চিৰস্থায়ী কুঁৱলীয়ে তেওঁৰ হাতৰ ৰেখাবোৰ মচি পেলালে, ৰাতিয়ে তাৰ তৰাবোৰ হেৰুৱাই পেলালে, তেওঁৰ ভৰিৰ খোজৰ তলত মাটিৰ স্থিৰতা নোহোৱা হ'ল। তেওঁ বুজিলে যে তেওঁ অন্ধ হৈ গৈছে, তেওঁ চিঞৰি উঠিল। কিন্তু সকলো শেষ হৈ গ'লেও থাকি গ'ল স্মৃতি। কেৱল সেয়েই নহয়, স্মৃতিৰ পোহৰত জীৱনৰ আটাইতকৈ অৰ্থপূৰ্ণ মুহূৰ্তবোৰ এতিয়াহে উজ্জ্বলতম ৰূপত দেখা দিলে। "মন্থৰ বিস্ময়েৰে তেওঁ সকলো কথা বুজি পালে। তেওঁৰ পাৰ্থিৱ চকুৰ যি ৰাতিৰ মাজলৈ তেওঁ নামি গৈছিল, তাত প্ৰেম আৰু বিপদেও, আৰেছ্ আৰু আফ্ৰডিটেও তেওঁৰ কাৰণে অপেক্ষা কৰি আছে, কাৰণ তেওঁৰ কাণত ইতিমধ্যেই বাজি থকাৰ কাৰণে তেওঁ প্ৰত্যক্ষ কৰিলে ষষ্ঠপদী ছন্দ আৰু গৰিমাৰ অস্তিত্ব, তেওঁ শুনিবলৈ পালে দেৱতাসকলে ৰক্ষা কৰিব নোখোজা এখন পুণ্যপীঠক মানুহে ৰক্ষা কৰিবলৈ চেষ্টা কৰাৰ জনশ্ৰুতি, প্ৰিয় এক দ্বীপৰ সন্ধানত সাগৰত ঘূৰি-ফুৰা ক'লা জাহাজবোৰৰ গল্প। তেওঁ শুনিবলৈ

পালে ইলিয়াদ আৰু ওডিছিৰ জনশ্ৰুতি। সেইবোৰৰ গান গোৰা আৰু মানৱজাতিৰ শূন্যগৰ্ভ স্মৃতিৰ মাজত চিৰকালৰ কাৰণে তাক ৰজনজনাই থাকিবলৈ এৰি যোৱাটোৱেই আছিল তেওঁৰ ভাগ্যলিপি। এই সকলোবোৰ কথা আমি জানো, কেৱল নাজানো অন্তিম অন্ধকাৰৰ মাজলৈ সোমাই যোৱাৰ আগতে তেওঁ কি অনুভৱ কৰিছিল সেই কথা।”

বৰ্খেছৰ কিছুমান গল্প আত্মজীৱনীমূলক—যিবোৰৰ নায়ক তেওঁ নিজে। কিছুমান গল্প দাৰ্শনিক পেৰাব্‌ল্ ( parable )। আন কিছুমান গল্পত তেওঁ স্বদেশ আৰ্জেণ্টিনাৰ অতীত আৰু বৰ্তমানৰ জীৱনধাৰাক চিত্ৰিত কৰিবলৈ চেষ্টা কৰিছে। এই শেষোক্ত শ্ৰেণীৰ গল্পবোৰৰ পটভূমি আঞ্চলিক হলেও সেইবোৰৰ আবেদন কিন্তু বিশ্ব-জনীন আৰু চিৰকালীন, কাৰণ বৰ্খেছৰ অন্বিষ্ট সদায় জীৱনৰ কেতবোৰ মৌলিক প্ৰত্যয় আৰু অভিজ্ঞতা। আৰ্জেণ্টিনাৰ ‘গ’চো’ ( Gaucho—য়ুৰোপীয় আৰু ৰেড্-ইণ্ডিয়ানসকলৰ সংমিশ্ৰণত সৃষ্টি হোৱা এবিধ বৰ্ণসঙ্কৰ লোক )-সকলক লৈ বৰ্খেছে কেইবাটাও স্মৰণীয় গল্প লেখিছে। হিংসা, হত্যা আৰু ৰক্তপাত এইসকল লোকৰ জীৱনত প্ৰায় নিত্য-নৈমিত্তিক ঘটনা। কিন্তু বৰ্খেছে হিংসাক এটা নতুন ৰূপত চাবলৈ চেষ্টা কৰিছে। ‘ডেগাৰ’ নামৰ এটা কবিতাত তেওঁ লেখিছে :

“ডেৰাজত এখন ডেগাৰ পৰি আছে।
যোৱা শতাব্দীৰ শেষ ভাগত টলেডোত এই ডেগাৰখন গঢ়া হৈছিল। লুই মেলিয়ান লাফিনুৰে উৰুগুৱেৰপৰা আনি।
সেই ডেগাৰখন দিছিল মোৰ দেউতাক।
সেই ডেগাৰখন এদিন হাতত তুলি লৈছিল এভাৰিষ্ট’ কেৰিয়েগ’ই।
ডেগাৰখনৰ ওপৰত যাৰেই চকু পৰে—
তেৱেঁই তাক এবাৰ হাতত তুলি লৈ লিৰিকি-বিদাৰি চাবলৈ বাধ্য হয়।

যেন চিৰকাল তেওঁ সেই ডেগাৰখনৰ সন্ধানতহে আছিল।
ডেগাৰখনৰ অপেক্ষমান হাতলটো মুঠি মাৰি ধৰিবলৈ
হাতখন নিজে নিজেই জোৰেৰে আগবাঢ়ি যায়—
আৰু শক্তিমান বাধ্য ছুৰীখনে
খাপৰপৰা সশব্দে ওলোৱা-সোমোৱা কৰে।
কিন্তু ডেগাৰখনে যিটো বিচাৰে, সি এইটো নহয়।
ই কেৱল ধাতুৰে নিৰ্মিত সজুলি মাত্ৰ নহয়;
এটা মাত্ৰ লক্ষ্য মনত ৰাখি।
মানুহে তাৰ কল্পনা কৰিছিল আৰু তাক গঢ় দিছিল।
যিথন ডেগাৰে মাত্ৰ যোৱা নিশা টেকুৰাবেম্ব'ত এজন
মানুহৰ বুকু ফালিছিল আৰু যিবোৰ ডেগাৰ চীজাৰৰ
গাৰ ওপৰত বৰষুণৰ দৰে পৰিছিল—
কিবা এটা শাশ্বত উপায়েৰে সি আছিল একেখনেই ডেগাৰ।
ডেগাৰে হত্যা কৰিব বিচাৰে, ই বিচাৰে চকুৰ পচাৰতে
ৰক্তপাত ঘটাবলৈ।
মোৰ লেখা টেবুলৰ ডেৰাজত, পাণ্ডুলিপি আৰু পুৰণি চিঠিৰ
মাজত।
ডেগাৰখনে ঘূৰি ঘূৰি কেৱল একেটাই সপোন দেখে:
তাৰ সবল-মতি বাঘৰ সপোন। তাক হাতত খামুচি ধৰি হাতখন
জীৱন্ত হৈ উঠে, কাৰণ যিমানবাৰ তাক ধৰা যায় সিমানবাৰেই
সেই খুনীৰ স্পৰ্শ অনুভৱ কৰি জীৱন্ত হৈ উঠে ধাতু-পিণ্ড
যি খুনীৰ কাৰণে গঢ়া হৈছিল ডেগাৰখন।
মাজে মাজে মই তাৰ কাৰণে দুখ অনুভৱ কৰো। ইমান তাৰ
শক্তি।
আৰু একাগ্ৰতা, নিজৰ অহংকাৰত সি ইমান নিৰ্বিকাৰ
আৰু নিষ্পাপ।
অথচ তাৰ প্ৰতি ভ্ৰূক্ষেপ নকৰাকৈয়ে পাৰ হৈ যায় বছৰবোৰ।"

বৰ্খেছৰ ধাৰণা—মানুহে নিজৰ চিন্তা বা চেতনাত হিংসাৰ তাড়না অনুভৱ কৰে বুলিহে যে হিংসা কৰে এনে নহয়; বৰং মানবিক ইচ্ছাৰ বাহিৰত হিংসাৰ যেন এটা স্বয়ংনিৰ্ভৰ স্বতন্ত্ৰ অস্তিত্ব আছে। হিংসাই নিজে নিজেই মানুহৰ চেতনাৰ ওপৰত নিজকে আৰোপ কৰে। ওপৰৰ কবিতাৰ 'ডেগাৰ'খন এই মানব-চেতনা বহিৰ্ভূত স্বয়ংনিৰ্ভৰ হিংসাৰ প্ৰতীক। বৰ্খেছৰ বেছিভাগ গল্পতে এই ধৰণৰ হিংসাৰ প্ৰকাশ দেখা যায়। তেওঁ যেন ক'ব খোজে যে ডেগাৰখন বা পিষ্টলটো মানুহৰ হাতত হাতিয়াৰ নহয়, বৰং মানুহহে ডেগাৰ বা পিষ্টলৰ হাতত হাতিয়াৰ। 'The Meeting' নামৰ এটা গল্পত জুৱা খেলি থাকোতে দুজন ডেকা মানুহৰ কাজিয়া লাগিল। ওচৰৰে এটা কোঠা প্ৰাচীন কালৰ বিখ্যাত দ্বন্দ্ব-যোদ্ধাসকলৰ তৰোৱালেৰে পৰিপূৰ্ণ হৈ আছিল। কোঠাটোৰে ডেকা দুজনক টানি নিয়াৰ দৰে নিলে আৰু দুয়ো গৈ তাত যুদ্ধ কৰিবলৈ আৰম্ভ কৰিলে। এজন থিতাতে মৰিল, আনজন তেতিয়া এই অৰ্থহীন হত্যাকাণ্ডৰ কাৰণে অনুতাপ কৰি কান্দিবলৈ ধৰিলে। গল্পটোৰ বিষয়ে মন্তব্য কৰি বৰ্খেছে নিজে লেখিছে: "এই একেটা গল্পকে মই বাৰে বাৰে কৈ থকা যেন লাগিছে। একাধিক গল্প আৰু কবিতাত মই এই একেটা কাহিনীকে কৈছো। স্পীনোজাৰ মতে বস্তুবোৰৰ নিজস্ব একোটা জীৱন আছে আৰু সিহঁতে নিজৰ সেই সত্তা অব্যাহত ৰাখিব বিচাৰে। একোটা বিশেষ উদ্দেশ্যত নিৰ্মিত অস্ত্ৰ আদিৰ নিচিনা বস্তুৰ ক্ষেত্ৰত স্পীনোজাৰ এই মত মোৰ অতি সঁচা যেন লাগে। উদাহৰণ স্বৰূপে, এখন ডেগাৰে তাৰ বিধি-লিপিক মানি চলিবই লাগিব। গল্পটোত (The Meeting) ডেগাৰ দুখনৰ নিজস্ব একোটা জীৱন আছে; যদিও ডেকাদুজনে ডেগাৰ দুখন চলোৱা বুলি ভাবিছে, আচলতে কিন্তু ডেগাৰ দুখনেহে তেওঁলোকক পৰিচালনা কৰিছে। ডানকান্ আৰু উৰিয়েট্ দুজন ভদ্ৰলোক, কিন্তু ডেগাৰে তেওঁলোকক 'গ'চো'ত পৰিণত কৰিছে। এই

কথাটো স্পষ্ট কৰি দেখুৱাবৰ কাৰণেই মই তেওঁলোক দুজনৰ ভিতৰত যিজন কাপুৰুষ তেওঁকেই অৰ্থাৎ উৰিয়েটকেই বিজয়ীৰ সন্মান দিছো।”

বৰ্ষেছৰ বেছিভাগ পাঠকৰ মতে তেওঁৰ ‘The Circular Ruins’ অৰ্থাৎ ‘বৃত্তাকাৰ ধ্বংস’ নামৰ গল্পটোৱেই তেওঁৰ সৰ্বশ্ৰেষ্ঠ গল্প। কিন্তু বৰ্ষেছ্ নিজে এই বিষয়ত একমত নহয়। এই গল্পটো ১৯৪০ চনত লেখা হৈছিল। বৰ্ষেছৰ প্ৰকৃতিত এটা আচৰিত কথা লক্ষ্য কৰা যায় যে তেওঁ নিজৰ অতীতৰ লেখাক বিশেষ একো মূল্য দিব নোখোজে; তেওঁ সদায় নিজৰপৰা আৰু নিজৰ সৃষ্টিৰ-পৰা আঁতৰি পলাব খোজে; তেওঁ সদায় এখন জগতৰপৰা পলাই আহি নতুন নতুন জগতৰ সন্ধান কৰিব খোজে। তেওঁৰ যিবোৰ ৰচনা আধুনিক সাহিত্যৰ মহৎ সৃষ্টি বুলি পৰিকীৰ্তিত হৈছে—তেনেবোৰ আগবয়সৰ ৰচনাৰ বিষয়েও তেওঁ ইমান লজ্জিত যে ধন থাকিলে তেওঁ বোলে সেই আটাইবোৰ কিতাপ কিনি পুৰিয়েই পেলালেহেঁতেন! বৰ্ষেছৰ ধাৰণা যে কোনো মানুহেই গোটেই জীৱন ধৰি একেজন মানুহ হৈ নাথাকে; প্ৰত্যেক মানুহেই, অন্ততঃ বৰ্ষেছে, নিজকে সদায় ন ন ৰূপত সৃষ্টি কৰে। এবাৰ এজন লেখকে এটা সাক্ষাৎ-প্ৰসংগত তেওঁক সুধিছিল: “১৯৪৫ চনত আপুনি এটা বক্তৃতাত কৈছিল যে……।” বৰ্ষেছে বাক্যটো শেষ কৰিবলৈ নিদি টপৰাই উত্তৰ দিলে: “হয়, কৈছিলো, কিন্তু ১৯৪৫ চনত মই এজন বেলেগ মানুহ আছিলো। সেই কাৰণে মই তেতিয়া কোৱা কথাৰ কাৰণে এতিয়া দায়ী হ'ব নোৱাৰো। ১৯৪৫ চনৰ বৰ্ষেছৰ লগত মই কাজিয়াও কৰিব পাৰো। অৱশ্যে তেওঁৰ লগত মই একমত হ'বও পাৰো।”

বহুজন-প্ৰিয় এই গল্পটো বৰ্ষেছে নিজে ভাল নোপোৱাৰ আন এটা কাৰণ দেখুৱাই তেওঁ কৈছে যে fine writing হ'ল মানুহে লেখক-জীৱনৰ আৰম্ভণিতে কৰা এটা ভুল, আৰু এই গল্পটো fine writingৰ এটি চানেকি। Fine writing-ৰ প্ৰতি বৰ্ষেছৰ

ইমানেই অনীহা যে তেওঁ তাক এটা সাহিত্যিক পাপ বুলি গণ্য কৰে। তেওঁৰ মতে আন আন সাহিত্যিক পাপকেইটা হ'ল সাহিত্য-সৃষ্টিত স্থানীয় ৰং সনাৰ চেষ্টা, অপ্ৰত্যাশিত বা অভাৱনীয়ৰ সন্ধান আৰু সপ্তদশ-শতকীয় ষ্টাইল। এই 'পাপ'কেইটা থকাৰ কাৰণেই তেওঁ নিজৰ আগবয়সৰ কেইবাখনো কিতাপক কঠোৰ ভাষাৰে নিন্দা কৰিছে। প্ৰসংগতঃ উল্লেখযোগ্য যে বৰ্খেছ্ নিজেই নিজৰ কঠোৰতম সমালোচক। আন বহুতো লেখকেও হয়তো নিজৰ স্বভাৱত এই গুণ থকা বুলি দাবী কৰিব পাৰে, কিন্তু তেনে দাবী বেছিভাগ ক্ষেত্ৰতেই অন্তঃসাৰশূন্য আৰু অনান্তৰিক বুলি প্ৰমাণিত হয়। কিন্তু বৰ্খেছৰ সততা ইমান স্বচ্ছ, প্ৰজ্ঞা ইমান গভীৰ, স্বভাৱ ইমান মধুৰ যে তেওঁৰ আন্তৰিকতাৰ বিষয়ে কোনো প্ৰশ্নই উঠিব নোৱাৰে। তেওঁ নিজে এঠাইত লেখিছে: "মানুহে মোক অহেতুক-ভাৱে অপৰিসীম মৰম দেখুৱাই আহিছে। মোৰ কোনো শত্ৰু নাই। যদি কোনোবাই শত্ৰুৰ ভাও ধৰিছেও, তেওঁলোকৰ স্বভাৱ ইমান ভাল যে আজিলৈকে কোনেও মোক মনোকষ্ট দিয়া নাই। যেতিয়াই কোনোবাই মোৰ বিৰুদ্ধে লেখা কথা মই পঢ়ো, তেতিয়া মই যে কেৱল তেওঁৰ লগত সম্পূৰ্ণ একমতেই হওঁ সেইটো নহয়; মই অনুভৱ কৰো যে মই মোৰ বিৰুদ্ধে তেওঁতকৈ আৰু বেছিকৈহে লেখিব পাৰিলোহেঁতেন। ভৱিষ্যতে হ'ব পৰা মোৰ শত্ৰুসকলক মই উপদেশ দিব খোজো যে তেওঁলোকে তেওঁলোকৰ অভিযোগ বা আপত্তিবোৰ যেন মোলৈ আগতীয়াকৈ পঠাই দিয়ে; মই তেওঁ-লোকক সম্পূৰ্ণ আশ্বাস দিব পাৰো যে মোৰপৰা তেওঁলোকে সকলো সহায়-সমৰ্থন পাব। মই আনকি এটা ছদ্মনামত মোৰ নিজৰ বিৰুদ্ধে এটা নিৰ্মম নিন্দাসূচক সমালোচনা লেখিবলৈকো এটা গোপন আশা পুহি ৰাখিছো।"

'বৃত্তাকাৰ ধ্বংস' নামৰ গল্পটো বৰ্খেছে নিজে ভাল পাওক বা নাপাওক, মাত্ৰ দুহাজাৰ শব্দৰ এই গল্পটো লেখিবলৈ তেওঁক পুৰা

এসপ্তাহ সময় লাগিছিল। তেওঁৰ নিজ স্বীকাৰোক্তি মতেই গল্পটোৰ ৰচনাকাৰ্যই তেওঁৰ চেতনাক এনেভাৱে আচ্ছন্ন কৰি পেলাইছিল যে তেওঁৰ সুদীৰ্ঘ লেখক-জীৱনত তাৰ আগতে বা পিছতো দ্বিতীয় তেনে এটা অভিজ্ঞতা তেওঁৰ হোৱা নাছিল। গল্পটোৰ বিষয়-বস্তু হ'ল এটা স্বপ্ন ; কিন্তু বৰ্খে'ছে লেখিছে যে এসপ্তাহ ধৰি গল্পটো লেখিবৰ সময়ত একমাত্ৰ গল্পটোৱেই আছিল তেওঁৰ জীৱনত বাস্তৱ সত্য ; দৈনন্দিন জীৱনৰ বাকীবোৰ কাম-কাজ—লাইব্ৰেৰীত তেওঁৰ চাকৰিৰ কাম, চিনেমা চোৱা, বন্ধু-বান্ধবৰ লগত ৰাতিৰ আহাৰ খোৱা—এই সকলো-বোৰ কামেই হৈ পৰিছিল স্বপ্ন-সদৃশ।

"And if he left off dreaming about you…" লিৱিছ্ কেৰলৰ 'Through the Looking-glass' কিতাপৰ এই কথা-ফাকি পঢ়িয়েই বৰ্খে'ছে তেওঁৰ 'বৃত্তাকাৰ ধ্বংস' গল্পটো লেখিবলৈ প্ৰেৰণা পাইছিল। বৰ্খে'ছ্ প্ৰায় আক্ষৰিক অৰ্থতেই কিতাপৰ পোক। জ্ঞান হ'বৰ দিন ধৰি এতিয়ালৈকে তেওঁ কেৱল কিতাপৰ মাজতেই দিন কটাইছে। তেওঁৰ দেউতাকৰ এটা ডাঙৰ গ্ৰন্থাগাৰ আছিল, মাক আৰু আইতাক দুয়ো কিতাপ পঢ়ি খুব ভাল পাইছিল, বৰ্খে'ছেও বৰ্ণ-পৰিচয় হবৰ দিন ধৰি কেৱল কিতাপৰ মাজতেই জীৱন কটাইছে। তেওঁ কৰ্ম-জীৱনো আৰম্ভ কৰিছিল মিউনিচিপেল লাইব্ৰেৰীৰ গ্ৰন্থা-গাৰিক হৈ, আৰু প্ৰায় গোটেই জীৱন সেই চাকৰিতে থাকি অৱশেষত তেওঁ আৰ্জেন্টিনাৰ জাতীয় গ্ৰন্থাগাৰৰ পৰিচালক নিযুক্ত হৈছিল। মাজতে কেৱল পেৰণ আৰ্জেন্টিনাৰ ডিক্টেটৰ হোৱাৰ সময়ত বৰ্খে'ছক কুকুৰা-পামৰ পৰিদৰ্শক হিচাপে তেওঁৰ প্ৰাণাধিক প্ৰিয় লাইব্ৰেৰীৰ-পৰা আঁতৰাই পঠোৱা হৈছিল। পেৰণ ক্ষমতা-চ্যুত হোৱাৰ পিছত বৰ্খে'ছ আকৌ তেওঁৰ লাইব্ৰেৰীলৈ ঘূৰি আহিল, কিন্তু ইতিমধ্যে তেওঁ দৃষ্টিশক্তি সম্পূৰ্ণৰূপে হেৰুৱাই পেলাইছে। এই সময়তে লেখা তেওঁৰ 'উপহাৰৰ কবিতা' নামৰ কবিতাত বৰ্খে'ছে ঈশ্বৰৰ চমৎকাৰ পৰিহাসৰ কথা উল্লেখ কৰি লেখিছে যে ঈশ্বৰে একেসময়তে তেওঁক

দিলে আঠলাখ কিতাপ আৰু অন্ধত্ব! বৰ্খেছে তেওঁৰ একান্ত গ্ৰন্থ-নিৰ্ভৰতাৰ কথা উল্লেখ কৰি এঠাইত নিজেই লেখিছে যে কিতাপৰ যোগেদিহে জীৱনৰ সকলো অভিজ্ঞতাৰ লগত তেওঁৰ প্ৰথম পৰিচয় ঘটিছে ( I have always come to things after coming to books )। বৰ্খেছৰ বহুতো গল্পৰে ভূমিকা হিচাপে কোনো নহয় কোনো এখন কিতাপৰ একোটা বাক্যৰ উদ্ধৃতি দেখা যায়। কোনোবা এখন কিতাপত তেওঁ হয়তো কিবা এষাৰ মনত লগা কথা পঢ়ি পালে, লগে লগে তেওঁৰ কল্পনাৰ পাখি গজিল। লিৱিছ্ কেৰলৰ ওপৰত উল্লেখ কৰা কথাফাকিয়েও তেওঁক 'বৃত্তাকাৰ ধ্বংস' গল্পটো লেখিবলৈ প্ৰেৰণা যোগালে। অৱশ্যে তেওঁ নিজেই কৈছে—লিৱিছ্ কেৰলৰ ওপৰোক্ত কথাফাকি তেওঁৰ গল্পটোৰ বীজ মাত্ৰ; অন্যান্য লাখ লাখ মানুহেও হয়তো সেই কথাফাকি পঢ়িছে, কিন্তু অথলত পৰাৰ কাৰণে তাৰপৰা গজালি ওলাব পৰা নাই।

বৰ্খেছৰ কাৰণে জীৱনটো এটা স্বপ্ন মাত্ৰ। কিন্তু এই স্বপ্ন কোনে দেখে? স্পীনোজা প্ৰমুখ্যে বহুতো দাৰ্শনিকে কব খোজে যে যি কোনো এটা বস্তু বা সত্তা নিজেই নিজৰ সৃষ্টিৰ বা অস্তিত্বৰ কাৰণ হ'ব পাৰে। কিন্তু বৰ্খেছে এই মত মানি নলয়। তেওঁৰ মতে কথা থাকিলেই তাৰ এজন বক্তা থাকিব লাগিব, স্বপ্ন থাকিলেই তাৰ এজন দ্ৰষ্টা থাকিব লাগিব। ডবাখেলৰ গুটিবোৰে নাজানে যে সিহঁতক চলাইছে এজন খেলোঁতাই; খেলোঁতাজনে নাজানে যে তেওঁক চলাইছে হয়তো কোনোবা দেৱতাই; দেৱতাই নাজানে যে তেওঁক চলাইছে হয়তো আন কোনোবা দেৱতাই।......এই প্ৰক্ৰিয়া অন্তহীন। বৰ্খেছৰ 'বৃত্তাকাৰ ধ্বংস' নামৰ গল্পটো সৃষ্টিৰ এই ৰহস্য-ভেদৰ চেষ্টা। "......এদিন হঠাৎ ক'ৰবাৰপৰা এজন যাদুকৰ আহি ওলালহি আৰু এটা পৰিত্যক্ত মন্দিৰত শুই শুই তেওঁ এজন মানুহৰ স্বপ্ন দেখিবলৈ চেষ্টা কৰিলে; He wanted to dream a man; he wanted to dream him down to the last

detail and project him into the world of reality. …
"বহুদিন চেষ্টা কৰি কৰি অৱশেষত তেওঁ এজন ডেকা মানুহৰ সপোন দেখা সম্পূর্ণ কৰিলে, অর্থাৎ সপোনতে গোটেই মানুহজনক ভাবি উলিয়ালে, কিন্তু তেওঁৰ সপোনৰ সেই মানুহজনে থিয় হোৱা, কথা কোৱা বা চকু মেলা আদি কোনো এটা কাম কৰাৰে শক্তি অর্জন কৰিব নোৱাৰিলে। মানুহজনক সেইবোৰ শক্তি দিবলৈ পৃথিবী আৰু নদীৰ সকলোবোৰ দেৱতাকে প্রার্থনা কৰি কৰি তেওঁ ভাগৰি পৰিল, অৱশেষত হতাশাৰ শেষ সীমাত উপনীত হৈ তেওঁ এটা শিলৰ মূর্তিৰ সমুখত দীঘল দি পৰি তাৰ অন্ধ সাহায্যৰ কাৰণে প্রার্থনা কৰিলে। সেই ৰাতিলৈকে তেওঁ শিলৰ মূর্তিটোৰ সপোন দেখিলে আৰু জানিব পাৰিলে যে তেওঁ এজন দেৱতা আৰু তেওঁৰ পার্থিৱ নাম অগ্নি। দেৱতাই যাদুকৰজনক আদেশ দিলে যে তেওঁ তেওঁৰ স্বপ্নজ শিষ্যজনক নদীৰ ভাটিলৈ থকা এটা ভগ্নপ্রায় মন্দিৰলৈ পঠাই দিব লাগে যাতে সেই পৰিত্যক্ত স্থানত কোনোবা মানুহৰ কণ্ঠস্বৰে তেওঁক আনন্দৰ শিহৰণেৰে জগাই তুলিব পাৰে। "সপোন দেখোঁতাজনৰ সপোনত সপোনত-পোৱা মানুহজন সাৰ পাই উঠিল।"

যাদুকৰে দেৱতাৰ আদেশ আখৰে আখৰে পালন কৰিলে। তেওঁৰ জীৱনৰ উদ্দেশ্য সফল হ'ল, আনন্দৰ উল্লাসৰ মাজত তেওঁ জীৱন কটাবলৈ ধৰিলে। কেইবছৰমানৰ পিছত এদিন দুজন নাৱৰীয়া আহি মাজৰাতি তেওঁক জগাই ক'লে যে উত্তৰৰ এটা মন্দিৰত এজন যাদুকৰে জুইৰ ওপৰত খোজ কাঢ়ি ফুৰিছে, কিন্তু জুইয়ে তেওঁক নোপোৰে। বুঢ়া যাদুকৰজনৰ হঠাতে দেৱতাই কোৱা কথা এষাৰ মনত পৰিল ; দেৱতাই তেওঁক কৈছিল যে সকলো পার্থিৱ সৃষ্টিৰ ভিতৰত একমাত্র অগ্নিয়ে জানে যে তেওঁৰ পুত্র এটা বাস্তৱ সত্তা নহয়, সি এটা মায়াবী ভৌতিক অস্তিত্ব মাত্র। তেতিয়াৰেপৰা যাদুকৰজনৰ মনত ভীষণ দুশ্চিন্তা হ'বলৈ ধৰিলে : জানোচা তেওঁৰ সন্তানে আবিষ্কাৰ কৰে যে তেওঁ প্রকৃততে এটা সৎ-বস্তু (Reality)

নহয়, এটা বাস্তব সত্তা নহয়, তেওঁ আচলতে এটা প্ৰতিভাসহে ( appearance ) মাত্ৰ! Not to be a man but to be the projection of another man's dreams—what an unparalleled humiliation, how bewildering!

"অকস্মাতে এইবোৰ দুশ্চিন্তাৰ অবসান ঘটিল, কিন্তু তাৰ কিছুমান নির্ভুল আগজাননী পোৱা গৈছিল। প্ৰথমতে ( এটা দীঘলীয়া খৰাং বতৰৰ পিছত ) দূৰণিৰ পাহাৰৰ ওপৰত চৰাইৰদৰে আলফুলীয়া এচপৰা ডাৱৰ; পিছত, দক্ষিণৰ ফালে, নাহৰফুটুকী বাঘৰ দাঁতৰ আলুৰ গুলপীয়া ৰং লোৱা আকাশখন; তাৰ পিছত, আকাশৰ ধাতুবোৰ মামৰত পৰিণত কৰা ধোঁৱাৰ স্তম্ভ; অৱশেষত, অৰণ্যৰ জন্তুবোৰৰ উধাতু-খোৱা সন্ত্ৰাস। বহু শতাব্দীৰ আগতে যি ঘটিছিল, সি আকৌ ঘটিবলৈ ধৰিছে। অগ্নি-দেৱতাৰ মন্দিৰৰ ভগ্নাৱশেষ অগ্নিয়েই ভস্মস্তূপত পৰিণত কৰিলে। চৰাই-নোহোৱা এটা বাতিপুৱাত যাদুকৰজনে দেখিলে যে ঘূৰ্ণমান অগ্নিশিখাই তেওঁক চাৰিওফালৰপৰা বেঢ়ি ধৰিছে। একমুহূৰ্তৰ কাৰণে তেওঁ নদীত আশ্ৰয় লোৱাৰ কথা চিন্তা কৰিলে, কিন্তু পিছমুহূৰ্তত তেওঁ উপলব্ধি কৰিলে যে মৃত্যু আহিছে· তেওঁৰ বছৰবোৰক শেষ গৰিমাৰে মণ্ডিত কৰিবলৈ আৰু তেওঁক জীৱন জোৰা পৰিশ্ৰমৰপৰা মুক্তি দিবলৈ। তেওঁ অগ্নিশিখাৰ জপিয়াই উঠা সাতসৰীৰ মাজলৈ খোজ কাঢ়ি সোমাই গ'ল। জুইয়ে তেওঁৰ মাংসক দংশন নকৰিলে, কিন্তু তাপ নিদিয়াকৈ বা দগ্ধ নকৰাকৈ সি তেওঁক আলিংগন কৰিলে আৰু প্লাবিত কৰি তুলিলে। স্বস্তি, বিনয় আৰু আতংকৰ মাজত তেওঁ উপলব্ধি কৰিলে যে তেওঁৰো কেৱল এটা প্ৰতিভাস মাত্ৰ, তেওঁকো আন কোনোবাইহে স্বপ্নত দেখিছে।"

এই গল্পটো হ'ল জীৱন আৰু সময় সম্পৰ্কে বৰ্খেছৰ নিজস্ব ব্যাখ্যা।

বৰ্খেছে কেইবছৰমানৰ আগতে এটা সাক্ষাৎ প্ৰসংগত তেওঁৰ

'The Intruder' নামৰ এটা গল্পৰ কথা বিশেষ সন্তোষৰ মনোভাৱেৰে সৈতে উল্লেখ কৰিছে—It completely satisfies me, more so than other stories of mine। বৰ্খেছৰ কোনো গল্পৰে সাৰাংশ দিয়া সম্ভৱ নহয়, কাৰণ তেওঁৰ ৰচনাৰ অসাধাৰণত্বৰ এটা প্ৰধান কাৰণ হ'ল তেওঁৰ লেখাৰ ষ্টাইল। লেখক হিচাপে বৰ্খেছৰ কোনবোৰ গুণে অন্যান্য লেখকসকলক প্ৰভাবিত কৰিছে বুলি সোধা এটা প্ৰশ্নৰ উত্তৰত তেওঁ নিজেই ষ্টাইলক প্ৰথম স্থান দিছে: My style, my obsessive themes, the subjects.

সি যি কি নহওক, 'The Intruder' গল্পটোৰ কাহিনী থুলমূলকৈ হ'ল এই: (অন্যান্য বহুতো গল্পৰ দৰে এই গল্পটোৰো মুখবন্ধ হিচাপে এটা উদ্ধৃতি দিয়া হৈছে: "......Passing the love of women." 2 Samuel I : 26) টুৰডেৰা চহৰত এডুৰাৰ্ডো আৰু ক্ৰিষ্টিয়ান নামেৰে দুজন ভাই-ককাই আছিল। সিহঁত দুয়ো দুয়োকো লৈ আপোনমনে আছিল; সিহঁতেও আন কাৰো সংগ নিবিচাৰিছিল আৰু আনেও সিহঁতৰ সংগ পৰিহাৰ কৰি চলিছিল। প্ৰয়োজন হ'লে চকুৰ পছাৰ এটা নেপেলোৱাকৈ মানুহ মাৰিব পাৰে বুলি সিহঁতৰ এটা কুখ্যাতি আছিল। এদিন ক্ৰিষ্টিয়ানে জুলিয়ানা নামৰ এজনী ছোৱালীক সিহঁতৰ ঘৰলৈ আনি তাইৰ লগত সহবাস কৰিবলৈ ধৰিলে। তাৰ কিছুদিনৰ পিছতে এডুৰাৰ্ডোৱেও বাটতে এজনী ছোৱালী পাই বুটলি আনিলে। কিন্তু সি বেছিদিন তাইৰ লগত ঘৰ কৰিব নোৱাৰিলে, কাৰণ সি ক্ৰিষ্টিয়ানৰ তিৰোতাজনী অৰ্থাৎ জুলিয়ানাৰ প্ৰেমত পৰিছিল। সি এদিন তাৰ নিজৰ তিৰোতাজনীক ঘৰৰপৰা বাহিৰ কৰি দি এটা বিষণ্ণ নিঃসংগ জীৱন যাপন কৰিবলৈ ধৰিলে। ক্ৰিষ্টিয়ানে কথাটো লক্ষ্য কৰি আছিল। এদিন সি ভায়েকক ক'লে—"মই ফেৰিয়াচলৈ যাওঁ, তাত মোৰ এখন কাজিয়া কৰিব লগা আছে। জুলিয়ানাক ৰাখি গ'লোঁ, ইচ্ছা হ'লে তই তাইক ব্যৱহাৰ কৰিব পাৰ।" সেই দিনাৰপৰা দুয়ো

জুলিয়ানাক ভাগ কৰি ভোগ কৰিবলৈ ধৰিলে। কিন্তু কিছুদিনৰ পিছত দেখা গ'ল যে সিহঁতৰ মাজত আৰু আগৰ মিল নাই, যি কোনো তুচ্ছ অজুহাতত দুয়োৰে মাজত খিটিং-খাটাং লাগিবলৈ ধৰিলে। দুয়ো জানে যে অশান্তিৰ মূল কাৰণ হ'ল জুলিয়ানা, কাৰণ সিহঁত দুয়ো তাইৰ প্ৰেমত পৰিছিল; কিন্তু সিহঁতৰ কোনোৱে জুলিয়ানাৰ নাম মুখলৈ নানে। অশান্তি দূৰ কৰিবলৈ সিহঁতে এদিন তিৰোতাজনীক ঘৰৰপৰা লৈ গৈ এটা বেশ্যালয়ত বিক্ৰী কৰি দিলে। তাৰ পিছৰপৰা দেখা গ'ল যে সিহঁত ঘৰত নথকা হ'ল; যি কোনো অজুহাতত সিহঁত ঘৰৰপৰা আঁতৰি থকা হ'ল। আচলতে সিহঁত দুয়ো ইটোৱে সিটোৰ কথা নজনাকৈ বেশ্যালয়ত জুলিয়ানাৰ লগত সময় কটাইছিলগৈ। কিন্তু এদিন দুয়ো পৰস্পৰে পৰস্পৰক জুলিয়ানাৰ ঘৰত আবিষ্কাৰ কৰিলে। দেখা গ'ল যে এই নিৰ্মম সমাধানটোও কোনো কামত নাহিল। এদিন ক্ৰিষ্টিয়ানে এডুৱাৰ্ডোৰ আগত ঘোষণা কৰিলে—আজি মই তাইক মাৰি পেলালোঁ। তাই সালংকৃতা হৈ ইয়াতে শুই থাকক; ভৱিষ্যতলৈ যেন তাই আমাৰ একো অপকাৰ কৰিব নোৱাৰে।

"সিহঁতে প্ৰায় চকুপানী টুকি টুকি ইটোৱে সিটোক আলিংগন কৰিলে। সিহঁতৰ মাজত এতিয়া এটা অতিৰিক্ত যোগসূত্ৰ স্থাপিত হ'ল—বিষন্ন হৃদয়েৰে বলি দিয়া তিৰোতাজনী আৰু তাইক পাহৰি যোৱাৰ অনিবাৰ্য প্ৰয়োজন।"

এইজনেই হ'ল লেখক বৰ্ঘেছ্। তেওঁৰ ৰচনাৰ মৌলিক ৰস-বিচাৰ বা সমালোচনা কৰা এই প্ৰবন্ধৰ উদ্দেশ্য নহয়; এনে সংক্ষিপ্ত পৰিসৰত সেইটো সম্ভৱো নহয়। কেৱল এই ভূ-খণ্ডত স্বল্প-জ্ঞাত অথচ আধুনিক কালৰ এজন অতি শক্তিশালী মহৎ লেখকৰ ৰচনাৰ প্ৰতি অসমীয়া পাঠকৰ মনত কৌতূহল জগাবৰ কাৰণেহে তেওঁৰ ৰচনাৰ সামান্য আভাস মাত্ৰ দাঙি ধৰা হ'ল। বৰ্ঘেছে নিজৰ বিষয়ে নিজে এঠাইত লেখিছে:

"ঘটনাবোৰ ঘটে আনজন মানুহ, অৰ্থাৎ বৰ্ঝে'ছৰ জীৱনত। মই বুয়েনছ্ আয়াৰ্ছৰ আলিবাটত খোজ কাঢ়ি ফুৰোঁ, আৰু খুব সম্ভৱ অভ্যাস-বশতঃ কোনো এটা প্ৰাচীন প্ৰবেশ-পথৰ তোৰণ বা গ্ৰিল্ওৱৰ্কৰ গেট এখন চাবলৈ মাজে মাজে ঠমকি ৰওঁ। চিঠিপত্ৰৰ যোগেদি মই বৰ্ঝে'ছৰ বতৰা পাওঁ আৰু অধ্যাপক সমিতি বা কোনো জীৱনী-কোষত তেওঁৰ নামটো বিচাৰি পাওঁ। আৱাৰগ্লাছ, মেপ্, ওঠৰ শতিকাৰ টাইপ'গ্ৰাফী, শব্দৰ মূল, কফিৰ গোন্ধ, ষ্টিভেনছনৰ গদ্য—এইবোৰ বস্তু মই ভাল পাওঁ; আনজন মানুহেও এইবোৰ বস্তু ভাল পায়, কিন্তু তেওঁ যেন আনৰ আগত জহাই কৰবলৈহে এইবোৰ বস্তু ভাল পায়—যাৰ ফলত সি হৈ পৰে মঞ্চৰ মুদ্ৰাদোষৰ নিচিনা। আমাৰ পৰস্পৰৰ মাজৰ সম্পৰ্ক ভাল নহয়—তেনেকৈ কোৱাটো নিশ্চয় অতিশয়োক্তি হব; মই জীয়াই থাকোঁ, মই নিজকে জীয়াই থাকিবলৈ দিওঁ—যাতে বৰ্ঝে'ছে তেওঁৰ গল্প আৰু কবিতাবোৰ তৈয়াৰ কৰিব পাৰে। সেই গল্প আৰু কবিতাবোৰেই মোৰ সাৰ্থকতা। তেওঁ যে কেইটামান মূল্যবান পৃষ্ঠা লেখিছে সেই কথা স্বীকাৰ কৰি লোৱাটো মোৰ কাৰণে একো টান কথা নহয়, কিন্তু সেই পৃষ্ঠাবোৰে মোক ৰক্ষা কৰিব নোৱাৰে। কাৰণ, খুব সম্ভৱ, ভাল বস্তু কাৰো এজনীয়া সম্পত্তি হৈ নাথাকে, আনকি সি আনজন মানুহৰো সম্পত্তি নহয়; সি আচলতে ভাষা বা পৰম্পৰাৰ অংগীভূত হৈ পৰে। সি যি কি নহওক্, মই চিৰকালৰ কাৰণে হেৰাই যাম, সেয়েই মোৰ ভাগ্যলিপি, কেৱল মোৰ কেইটামান মুহূৰ্ত জীয়াই থাকিব আনজন মানুহৰ মাজত। যদিও তেওঁ কথাবোৰ বিকৃত আৰু অতিৰঞ্জিত কৰে বুলি মোৰ হাতত প্ৰমাণ আছে, তথাপি অকণ অকণকৈ মোৰ সকলো বস্তু মই তেওঁক এৰি দিছো। স্পীনোজাই বিশ্বাস কৰিছিল যে প্ৰত্যেক বস্তুৱেই নিজৰ অস্তিত্ব অব্যাহত ৰাখিব খোজে; এটা শিলে সদায় শিল আৰু এটা বাঘে সদায় বাঘ হৈ থাকিবলৈ বিচাৰে। মই বৰ্ঝে'ছৰ মাজত থাকিম, মোৰ মাজত নহয়

( যদিহে অৱশ্যে মই কোনোবা এজন ), কিন্তু মই আনৰ কিতাপতকৈ বা গীটাৰৰপৰা কষ্ট কৰি উলিওৱা এটা সুৰতকৈ বৰ্খেছৰ কিতাপত নিজক কমকৈ চিনি পাওঁ। বহু বছৰৰ আগতে মই তেওঁৰপৰা নিষ্কৃতি পাবলৈ চেষ্টা কৰিছিলো আৰু মই চহৰৰ উপকণ্ঠৰ বস্তিৰ 'মীথ'ৰপৰা সময় আৰু অনন্তৰ সৈতে কৰা খেলালৈ গতি কৰিছিলো। কিন্তু সেই খেলাবোৰ এতিয়া বৰ্খেছৰ অংশ; এতিয়া মই আন কথাত ধৰিব লাগিব। আৰু সেই কাৰণে মোৰ জীৱন এক ক্রমশঃ পলায়ন; মই প্রত্যেক বস্তুকে হেৰুৱাই পেলাওঁ, প্রত্যেক বস্তুকে হেৰুৱাই মই এৰি দিওঁ পাহৰণিলৈ বা আনজন মানুহলৈ।

"এওঁলোক দুজনৰ কোনজনে এই পৃষ্ঠাটো লেখিছে সেই কথা মই নাজানো।"

# এড্‌গাৰ লী মাষ্টাৰছ্

ল'ৰাকালত আইতাৰ মুখত এটা সাধুকথা শুনিছিলো। এজন মানুহৰ বহুবছৰৰ প্ৰাৰ্থনাত সন্তুষ্ট হৈ শিৱই তেওঁক এটা বৰ দিব খুজিলে। মানুহজনে কলে—"প্ৰভো, মোক এই বৰ দিয়ক—যাতে মই সকলো মানুহৰ মনৰ কথা জানিব পাৰো।" শিৱই ক'লে—"তথাস্তু!" শিৱৰ বৰত সেই দিনাৰপৰা মানুহজনে সকলো মানুহৰ মনৰ কথা জানিব পৰা হ'ল। তাৰ ফল হ'ল এয়ে যে কিছুদিনৰ ভিতৰতে জীৱনটো মানুহজনৰ কাৰণে এটা দুৰ্বিসহ অভিশাপত পৰিণত হ'ল। তেওঁ প্ৰায় উন্মাদ হৈ পৰিল। পুনৰ তেওঁ শিৱৰ প্ৰাৰ্থনাত বহিল। শিৱই তেওঁৰ আগত আকৌ দেখা দি সুধিলে—"যি বৰ বিচাৰিছিলা তাকেই দিলো। আৰু কি লাগে তোমাক?"

ভূতে-পোৱা মানুহৰ দৰে আতংকিত মুখেৰে মানুহজনে ক'লে—"প্ৰভো, এতিয়াহে বুজিছো, মানুহৰ মনৰ আচল সত্য জনাতকৈ ডাঙৰ অভিশাপ আন একো নাই। মানুহে ইজনে সিজনৰ মনৰ আচল কথা নাজানে কাৰণেই মানুহৰ কাৰণে সমাজ আৰু সংসাৰ পাতি বাস কৰা সম্ভৱ হৈছে। এই অজ্ঞতাই হ'ল জীৱনৰ একমাত্ৰ আশ্ৰয়-ভূমি। মোৰ নিচিনাকৈ জগতৰ আন সকলো মানুহেই যদি ইজনে সিজনৰ মনৰ আচল সত্য জনাৰ শক্তি লাভ কৰিলেহেঁতেন, তেন্তে স্বামী-স্ত্ৰী, পিতা-পুত্ৰ, বন্ধু-মিত্ৰ, প্ৰেমিক-প্ৰেমিকাৰ সম্পৰ্ক-স্থাপন কেতিয়াও সম্ভৱ নহ'লহেঁতেন, আৰু জীৱনটোৱেই হ'লহেঁতেন মানুহৰ কাৰণে আটাইতকৈ ভয়াবহ অভিজ্ঞতা। আপোনাৰ বৰত মানুহৰ মনৰ কথা জনাৰ শক্তি লাভ কৰি এইকেইদিনতে মই দেখিলো যে যিজন মানুহে হাঁহি-মুখেৰে পৰম বন্ধুত্ব-পূৰ্ণ ভাবেৰে

মোৰ লগত কথা পাতি আছে, ঠিক সেই মুহূৰ্ত্ততে তেওঁ মনৰ ভিতৰত অনুভৱ কৰিছে মোৰ প্ৰতি তীব্ৰতম ঘৃণাৰ মনোভাব, আনকি মোক হত্যা কৰাৰ বাসনা। যিজন সৰ্বত্যাগী সন্ন্যাসীৰ ওচৰলৈ অগণিত নৰ-নাৰীয়ে পৰমাৰ্থৰ সন্ধান বিচাৰি গৈছে, তেওঁৰ নিজৰ মনৰ ভিতৰতে চলিব লাগিছে কামনা-বাসনাৰ কুৰুক্ষেত্ৰ-যুদ্ধ। যিজন সজ্জন বন্ধুৱে মোৰ ঘৰলৈ আহি মোৰ পত্নীৰ লগত পৰম শ্ৰদ্ধা আৰু সৌজন্যেৰে বাক্যালাপ কৰিছে, তেওঁ কিন্তু সেই মুহূৰ্ত্ততে মনৰ ভিতৰত অনুভৱ কৰিছে মোৰ পত্নীৰ প্ৰতি তীব্ৰ কাম-ভাব। ......মুঠতে মই এইকেইদিনৰ ভিতৰতে বুজিলো যে মানুহৰ মনৰ আচল সত্য জনাতকৈ ডাঙৰ অভিশাপ আন একো নাই; সেই সত্য-জ্ঞানৰ শক্তি লৈ কোনো মানুহেই শান্তিৰে জীয়াই থাকিব নোৱাৰে। আপুনি আপোনাৰ বৰ ঘূৰাই লওক প্ৰভো, মোক শান্তিত জীয়াই থাকিবলৈ দিয়ক। এতিয়া এইটোৱেই মোৰ একমাত্ৰ প্ৰাৰ্থনা।”

গল্পটোৰ মাজেদি জীৱনৰ এটা নিৰ্মম সত্য প্ৰকাশ পাইছে। প্ৰত্যেক মানুহেই দুটা জীৱন যাপন কৰে ঃ এটা হ'ল তেওঁৰ একান্ত ব্যক্তিগত মনৰ জীৱন, আনটো হ'ল তেওঁৰ বাহিৰৰ সাংসাৰিক জীৱন। কোনো মানুহেই তেওঁৰ গোপন মানসিক জীৱনৰ সম্পূৰ্ণ সত্য বাহিৰত কেতিয়াও প্ৰকাশ কৰিব নোৱাৰে, সেই সত্য তেওঁ নিজৰ সমাধিলৈ কঢ়িয়াই লৈ যায়। টলষ্টয়ে যেতিয়া কৈছিল যে তেওঁ নিজৰ এখন ভৰি কবৰত থৈহে তিৰোতাৰ বিষয়ে আচল সত্যটো ক'ব পাৰিব, তেওঁ ঠিক এই কথাকেই ক'ব খুজিছিল। কিন্তু কেৱল তিৰোতাৰ বিষয়েই নহয়, নিজৰ বিষয়েও কোনো মানুহেই সম্পূৰ্ণ সত্য কথা ক'ব নোৱাৰে। সমস্ত জীৱন ধৰি এজন মানুহৰ মনৰ মাজেদি যি চিন্তাৰ সোঁত বৈ থাকে, তাত যি বিচিত্ৰ ভাব, অনুভূতি আৰু বাসনাৰ চাকনৈয়া উঠে, মনৰ মাজত সুৰাসুৰৰ যি অবিৰাম সংগ্ৰাম চলি থাকে, সেই সকলোবোৰ কথা পৰম্পৰৰ

মানস-গোচৰ হ'বলৈ হ'লে মানুহৰ পক্ষে সঁচাকৈয়ে সমাজ আৰু সংসাৰ পাতি বাস কৰা সম্ভৱ নহ'ব। মনৰ গোপন জীৱনত মানুহ একান্তভাৱে বিচ্ছিন্ন আৰু নিঃসংগ, আৰু সেইটোৱেই কাম্য।

কেৱল সিয়েই নহয়; মানুহে নিজৰ মনৰ ভিতৰতো, সেই গোপন দুৰ্ভেদ্য দুৰ্গৰ ভিতৰতো, কেতিয়াও নিৰাবৰণ সত্য বা বাস্তৱতাৰ মুখামুখি হ'বলৈ সাহস কৰিব নোৱাৰে। আন কথাত ক'বলৈ গলে, জীৱনৰ নগ্ন সত্যক অবলম্বন কৰি মানুহে কেতিয়াও জীৱন কটাব নোৱাৰে; সত্যক সহনীয় কৰিবলৈ মানুহে সদায় তাৰ ওপৰত illusion বা মায়াৰ আৱৰণী পিন্ধাই লব লগা হয়। জোছেফ কন্‌ৰাড্ৰে সেয়েহে কৈছে যে মানুহে কেতিয়াও বাস্তৱতাৰ মৰ্মস্থলীলৈ পোনে পোনে দৃষ্টি-নিক্ষেপ কৰিব নোৱাৰে, কৰিলে মুহূৰ্ততে তেওঁ ধ্বংস হৈ যাব। Medusa of existence বা অস্তিত্বৰ মেডুছাৰ কাল-দৃষ্টিৰ বিৰুদ্ধে ৰক্ষা-কবচ হিচাপে সদায় illusion বা মায়াৰ মুখা পিন্ধি লব লগা হয়। (ভয়াল তৰংগ-মুখৰ মহাসমুদ্ৰৰ মাজৰ এটা নিৰ্জন দ্বীপত তিনিজনী বাই-ভনী বাস কৰিছিল; সিহঁতৰ অৰ্ধাংগ নাৰী, বাকী অৰ্ধাংগ ড্ৰেগন। সিহঁতৰ মূৰত চুলিৰ পৰিবৰ্তে আছিল অজস্ৰ কিলবিলিয়া বিষাক্ত সাপ। কিন্তু সিহঁতৰ আটাইতকৈ ভয়াবহ বস্তু আছিল সিহঁতৰ চকুৰ দৃষ্টি; যিয়েই সিহঁতৰ চকুলৈ চায়, সিয়েই চকুৰ পলকতে শিল হৈ যায়। গৰ্গন্ নামেৰে জনাজাত এই তিনি বাই-ভনীৰ ভিতৰত আটাইতকৈ ভয়ংকৰী আছিল মেডুছা। সিহঁতক হত্যা কৰিবলৈ পাৰ্ছিয়ুছ যেতিয়া আদিষ্ট হ'ল, তেতিয়া দেৱতাসকল তেওঁক সহায় কৰিবলৈ আগবাঢ়ি আহিল। প্লুটোৱে তেওঁক দিলে মন্ত্ৰঃপূত শিৰস্ত্ৰাণ, মাৰ্কিয়ে দিলে পাখি-লগা পাদুকা, আৰু মিনাৰ্ভাই দিলে স্বচ্ছ স্বৰ্ণ-জ্যোতি বৰ্ম। মেডুছাৰ মুখ-মণ্ডল সেই বৰ্মত প্ৰতিবিম্বিত হ'ল, আৰু পাৰ্ছিয়ুছে তাইৰ মুখলৈ নোচোৱাকৈয়ে তাইক হত্যা কৰিলে। গ্ৰীক পুৰাণৰ এই ৰূপক কাহিনীৰ মাজত জোছেফ কন্‌ৰাডে জীৱনৰ

এটা ডাঙৰ সত্য আবিষ্কাৰ কৰিছে—ঠিক যেনেকৈ পাণ্ডুৰাৰ কাহিনীৰ মাজত আলবেয়াৰ কামুৱে আবিষ্কাৰ কৰিছে আন এটা সত্য। পাণ্ডুৰাৰ কাহিনীৰ বিষয়ে কামুৱে লেখিছে: From Pandora's box in which swarmed the evils of humanity, the Greeks let out hope after all the others, as the most terrible of all. I know of no more moving symbol. For hope, contary to what people believe, is the equivalent of resignation."

—*The Spirit of Algiers.*

* * *

জীৱন-কালত মানুহে সম্পূৰ্ণ সঁচা কথা কেতিয়াও ক'ব নোৱাৰে। আনকি যি সঁচা কথা ক'লে নিজৰ বা আনৰ মঙ্গল হয়, অনেক সময়ত তেনেকুৱা সঁচা কথাও মানুহে নোকোৱাকৈ থাকে—খঙত, অভিমানত, লোক-নিন্দাৰ ভয়ত, বা কেৱল প্ৰকাশৰ ক্ষমতাৰ অভাৱত। খোলাখুলি ভাব-বিনিময়ৰ অভাৱত কেতিয়াবা আনকি বহুতৰ জীৱনেই চাৰখাৰ হৈ যায়; কিন্তু মানুহ এনেকুৱাই বিচিত্ৰ জটিল প্ৰাণী যে তথাপি অন্তৰৰ আচল কথা মুখেদি বাহিৰ হৈ নোলায়। গতিকে কোনো মানুহৰেই জীৱনৰ সম্পূৰ্ণ সত্য ইতিহাস কেতিয়াও জনা সম্ভৱ নহয়। সেই সত্য একমাত্ৰ জনা সম্ভৱ—যদিহে মৰা মানুহে কথা ক'ব পাৰে। কিন্তু মৰা মানুহে কথা নকয়।

এড্‌গাৰ লী মাষ্টাৰছে তেওঁৰ বিশ্ব-বিখ্যাত 'স্পুন্‌ ৰিভাৰ এন্থলজী' নামৰ কাব্য-গ্ৰন্থত মৰা মানুহৰ মুখেদি কথা কোৱাই জীৱনৰ সত্য প্ৰকাশ কৰিবলৈ চেষ্টা কৰিছে।

এড্‌গাৰ লী মাষ্টাৰছ্‌ আছিল এজন উকীল। ১৮৬৮ চনত আমেৰিকা যুক্তৰাষ্ট্ৰৰ কেন্‌ছাছত তেওঁৰ জন্ম হয়। আইন-ব্যৱসায়ত যথেষ্ট কৃতকাৰ্যতা অৰ্জন কৰিছিল যদিও তেওঁৰ আনন্দৰ প্ৰকৃত উৎস আছিল সাহিত্য-চৰ্চা। ১৯১৫ চনত তেওঁৰ চাঞ্চল্যকাৰী কাব্য-গ্ৰন্থ 'স্পুন্‌ ৰিভাৰ এন্থলজী' প্ৰকাশ হোৱাৰ আগলৈকে তেওঁ কবিতা,

নাটক আৰু প্ৰবন্ধৰ এঘাৰখন কিতাপ প্ৰকাশ কৰিছিল, কিন্তু মৌলিকতাৰ অভাবত কোনো এখন কিতাপেই পাঠক বা সমালোচকৰ বিশেষ মনোযোগ আকৰ্ষণ কৰিব পৰা নাছিল। কিন্তু 'স্পুন্ ৰিভাৰ এন্থলজী' প্ৰকাশ হোৱাৰ লগে লগে তেওঁ প্ৰায় ৰাতিটোৰ ভিতৰতে সমগ্ৰ আমেৰিকাত বিখ্যাত হৈ পৰিল। এতিয়া এই অদ্বিতীয় কাব্য-গ্ৰন্থ পৃথিবীৰ বহু ভাষালৈ অনূদিত হৈছে আৰু ই বিংশ-শতাব্দীৰ আটাইতকৈ জনপ্ৰিয় গ্ৰন্থবোৰৰ ভিতৰত অন্যতম বুলি স্বীকৃত হৈছে। তদুপৰি কাৰ্ল ছেণ্ড্বাৰ্গ আৰু ভাচেল্ লিণ্ড্ছেৰ লগতে তেওঁ আমেৰিকাৰ কাব্যিক নব-জাগৰণৰ তৃতীয়টো স্তম্ভ বুলিও সমালোচকসকলৰ দ্বাৰা স্বীকৃত হৈছে। হুইটিয়াৰ, এ'মাৰছন আৰু হুইট্‌মেন আদি পূৰ্ববৰ্তী কবিসকলৰ গভীৰ আবেগময় আদৰ্শ-বাদিতাৰ বিপৰীতে এই নতুন কবিসকলে আমেৰিকান কবিতাত এক নতুন বাস্তববাদৰ সূচনা কৰে। 'The man and the hoe'ৰ কবি এডুইন্ মাৰ্খামৰ মানসিকতাত পিউৰিটানিজ্‌মৰ প্ৰাবল্য কিছু বেছি। আনহাতে মাষ্টাৰছ্ আছিল পিউৰিটানিজ্‌মৰ ঘোৰ শত্ৰু। গতিকে মাৰ্খামে মাষ্টাৰছক খুব বেছি পছন্দ কৰিব বুলি আশা কৰিব নোৱাৰি। 'স্পুন্ ৰিভাৰ এন্থলজী'ৰ বিষয়ে মন্তব্য কৰি মাৰ্খামে এঠাইত লেখিছে ঃ

"It is marked by a biting, vigorous satirical style, and is pervaded with a materialism that sometimes shocks the sensibilities."—কিন্তু তথাপি তেওঁ ক'বলৈ বাধ্য হৈছে ঃ "It is a work that shows that he lives hard and deep and knows the extremes, the agonies."

আগতেই কোৱা হৈছে যে 'স্পুন্ ৰিভাৰ এন্থলজী'ত মাষ্টাৰছে মৰা মানুহৰ মুখেদি কথা কোৱাইছে, অৰ্থাৎ তেওঁৰ চৰিত্ৰবোৰে জীৱন-কালত যিবোৰ কথা কেতিয়াও ক'ব নোৱাৰিলেহেঁতেন, সেই

কথাবোৰকে তেওঁ সেই মানুহবোৰৰ স্ব-কথিত বা স্ব-লিখিত এপিটাফ্‌ অৰ্থাৎ সমাধি-ফলকৰ ৰূপত প্ৰকাশ কৰিছে। মাষ্টাৰছে তেওঁৰ এই অভিনব কাব্য-গ্ৰন্থ লেখিবলৈ কেনেকৈ প্ৰেৰণা পালে সেই বিষয়ে একাধিক কাহিনী প্ৰচলিত আছে। এটা কাহিনী মতে তেওঁ চেণ্ট্‌ লুইৰ Reedy's Mirror নামৰ যিখন আলোচনীৰ কাৰণে সদায় কবিতা লেখি আছিল, সেই আলোচনীৰ সম্পাদকে ১৯১৩ চনৰ কোনোবা এদিন তেওঁক Epigrams from the Greek Anthology নামৰ এখন কিতাপ পঢ়িবলৈ দিলে। সেই কিতাপখন পঢ়াৰ পিছতেই তাৰ দ্বাৰা অনুপ্ৰাণিত হৈ মাষ্টাৰছে তেওঁৰ 'স্পুন্‌ ৰিভাৰ এন্থলজী'ৰ প্ৰথমটো কবিতা লেখিবলৈ আৰম্ভ কৰে আৰু Reedy's Mirror-ৰ ১৯১৪ চনৰ ২৯ মে'ৰ সংখ্যাত তেওঁৰ The Unknown নামৰ এই কবিতাটো প্ৰকাশ পায়। 'স্পুন ৰিভাৰ এন্থলজী'ত গ্ৰন্থ-বদ্ধ ২৪৪টা কবিতা-মালাৰ ভিতৰত এইটোৱেই আছিল প্ৰথম লেখিত কবিতা। কিন্তু গ্ৰন্থাকাৰে প্ৰকাশ পাবৰ সময়ত এই কবিতাটোক কিতাপখনৰ আৰম্ভণিতে ঠাই নিদি সোঁমাজত ঠাই দিয়া হৈছে।

প্ৰসংগত, মাষ্টাৰছৰ প্ৰেৰণাৰ যাই উৎস গ্ৰীক এন্থলজীৰ বিষয়েও চমুকৈ কেইআষাৰমান কোৱাটো উচিত হ'ব। প্ৰাচীন গ্ৰীকসকলে তেওঁলোকৰ মৃতকৰ সমাধিত, মন্দিৰত বা ৰাজহুৱা ঘৰত সৰু সৰু কবিতা লেখিছিল আৰু এই কবিতাবোৰ যাইকৈ শিলত উৎকীৰ্ণ কৰা হৈছিল। খ্ৰীষ্টপূৰ্ব ৬০ চনৰপৰা খ্ৰীষ্টীয় ষষ্ঠ শতিকালৈকে দীৰ্ঘকাল ধৰি লেখা এই কবিতাবোৰ খ্ৰীষ্টীয় দশম শতিকাত চেফালাছ নামৰ কনষ্টাণ্টিনোপলৰ এজন পণ্ডিতে প্ৰথমবাৰৰ কাৰণে গ্ৰন্থ-বদ্ধ কৰে। ১৬০৬ চনত নিতান্ত আকস্মিকভাৱে হাইডেল্‌বাৰ্গৰ পালাটাইন্‌ পুথি-ভঁৰালত এই গ্ৰন্থখনি আবিস্কৃত হয় আৰু ১৬২৩ চনত পঞ্চদশ পোপ গ্ৰেগৰীক এই গ্ৰন্থখন উপহাৰ দিয়া হয়। এই মূল গ্ৰন্থখন এতিয়াও ভেটিকান পুথি-ভঁৰালত আছে।

গ্ৰীক এন্থলজী বিশ্ব-সাহিত্যৰ এটি অমূল্য সম্পদ। প্ৰায় সোতৰশ বছৰ ধৰি ৩২০ জন কবিয়ে লেখা ৬০০০-তকৈ বেছি কবিতা এই কবিতা-মালাত (গ্ৰীকৰপৰা অহা 'এন্থলজী' শব্দৰ অৰ্থ মালা) সন্নিবিষ্ট হৈ আছে। সমাধি-ফলক, শোক-গাথা, নীতি-বচন, প্ৰেমৰ কবিতা আদি বিভিন্ন ৰূপত লেখা এই সংক্ষিপ্ত কবিতাবোৰৰ মাজত প্ৰাচীন গ্ৰীক-জীৱনৰ পুংখানুপুংখ চিত্ৰ পোৱা যায়। কবিতাবোৰৰ অৰ্থ আৰু শব্দ-চয়ন এনে ঘন-সন্নিবদ্ধ যে সেইবোৰৰ যথাৰ্থ অনুবাদ প্ৰায় দুৰূহ। দাৰ্শনিক প্লেটোৱে তেওঁৰ বন্ধু এষ্টাৰৰ এপিটাফ্ হিচাপে লেখা এটা কবিতাৰ শ্বেলীয়ে কৰা ইংৰাজী অনুবাদেই সৰ্বোত্তম বুলি কোৱা হয়:

Thou wert the morning star among the living
Ere thy fair light had fled;
Now, having died, thou art as Hesperus giving
New splendour to the dead.

ইতিহাস-বিখ্যাত থাৰ্মপলিৰ যুদ্ধত মৃত্যু-বৰণ কৰা সৈনিকসকলৰ স্মৃতিত ছাইমনিডিছ্ নামৰ এজন গ্ৰীক কবিয়ে লেখা তলৰ কবিতা-টোক ৰাস্কিনে পৃথিৱীৰ এটি সুন্দৰতম সৃষ্টি বুলি বৰ্ণনা কৰিছে:

Go, stranger, and at Sparta say,
Here is our grave:
The word she gave
We heard and we obey.

(এ. জে. বাটলাৰৰ অনুবাদ)

এই গ্ৰীক এন্থলজী পঢ়িয়েই মাষ্টাৰছে তেওঁৰ স্পুন ৰিভাৰ এন্থলজী' লেখিবলৈ প্ৰেৰণা পালে বুলি কোৱা হয়। স্পুন নৈ কাল্পনিক নৈ নহয়। ইলিঅনইৰ লুইছটাউন নামৰ যিখন স'ৰু চহৰত মাষ্টাৰছৰ জন্ম হৈছিল আৰু তেওঁৰ শৈশৱ অতিবাহিত হৈছিল, তাৰ কাষেদিয়ে এই স'ৰু নৈখন বৈ গৈ হাভানাৰ ওচৰত ইলিঅনই নৈৰ লগ লাগিছেগৈ। আমাৰ নিজৰ গাৱেঁ-ভূঞে থকাৰ দৰে স্পুন

নৈৰ পাৰতো আছে মাষ্টাৰছৰ স'ৰু চহৰখনৰ ৰাজহুৱা মৰিশালী। মাষ্টাৰছে বোলে প্ৰথমতে সেই মৰিশালীত চিৰকালৰ কাৰণে শুই থকা মানুহবোৰৰ অব্যক্ত গোপন জীৱন-কাহিনীক লৈ এখন উপন্যাস লেখাৰ পৰিকল্পনা কৰিছিল। কিন্তু পিছলৈ তেওঁ সেই পৰিকল্পনা বাদ দি গ্ৰীক এন্থলজীৰ আৰ্হিত এলানি কবিতা লেখিবলৈ আৰম্ভ কৰে।

মাষ্টাৰছে 'স্পূন ৰিভাৰ এন্থলজী' কেনেকৈ লেখিবলৈ আৰম্ভ কৰিলে, সেই বিষয়ে আৰু এটা কাহিনী প্ৰচলিত আছে। ওকালতী কৰি তেওঁ চিকাগোত স্থায়ীভাৱে বাস কৰাৰ সময়ত তেওঁৰ মাকে গাঁৱৰ ঘৰৰপৰা মাজে মাজে দুই-এদিনৰ কাৰণে তেওঁৰ লগত থাকিবলৈ আহে। তেতিয়া স্বাভাবিকতেই মাষ্টাৰছে মাকৰ মুখৰপৰা গাঁৱৰ মানুহবোৰৰ, বিশেষকৈ তেওঁৰ সৰুকালৰ লগৰীয়াবোৰৰ বা-বাতৰি শুনিবলৈ বিচাৰে। এনেকৈ মাক এবাৰ আহোঁতে মাষ্টাৰছে তেওঁক সুধিলে: "Where are Elmer, Herman, Bert, Tom and Charley? Whatever became of them?" (এলমাৰ, হাৰমেন, বাৰ্ট, টম আৰু চাৰ্লি—এওঁলোক এতিয়া ক'ত আছে? কি খবৰ তেওঁলোকৰ?) মাকে বোলে উত্তৰ দিলে: "They were all 'sleeping on the hill'." (তেওঁলোক সকলো পাহাৰৰ ওপৰত শুই আছে)। মাষ্টাৰছৰ মাকৰ মাত্ৰ এই এষাৰি কথাই জন্ম দিলে আমেৰিকান কবিতাত এটা নতুন মাইলৰ খুটি ৰূপে পৰিগণিত এটি অভিনৱ বিখ্যাত কবিতাৰ, আৰু সেই কবিতাটোৱেই হ'ল 'স্পূন ৰিভাৰ এন্থলজী'ৰ ৰচনাৰ সূচনা।

'পাহাৰ' নামৰ এই কবিতাটো 'স্পূন ৰিভাৰ এন্থলজী'ৰ মুখবন্ধ-ৰূপে ব্যৱহৃত হৈছে:

এলমাৰ, হাৰমেন, বাৰ্ট, টম আৰু চাৰ্লি—
সিহঁত আছিল দুৰ্বল-চিত্ত, বাহুবলী, বহুৱা, মদাহী, খটাসুৰ,

এতিয়া সিহঁত ক'ত ?
সিহঁত আটাইবোৰ, আটাইবোৰ পাহাৰৰ ওপৰত শুই আছে।
এটা জ্বৰ হৈ মৰিল,
এটা খনিৰ তলত পুৰি মৰিল,
এটাই মদ খাই কাজিয়া কৰি মৰিল,
এটা ফাটেকত মৰিল,
এটাই ল'ৰা-তিৰোতা পুহিবৰ কাৰণে গাধাৰ দৰে খাটি
দলঙৰপৰা পৰি মৰিল,—
সিহঁত আটাইবোৰ শুই আছে, শুই আছে, শুই আছে
পাহাৰৰ ওপৰত।
এ'লা, কে'ট, মেগ, লিজি আৰু এডিথ—
কোমল-হৃদয়া, সৰলা, দন্দুৰী, গৰবিনী আৰু সুখী,
এতিয়া সিহঁত ক'ত ?
সিহঁত আটাইবোৰ, আটাইবোৰ পাহাৰৰ ওপৰত শুই আছে।
এজনী মৰিল অবৈধ গৰ্ভ-ধাৰণ কৰি প্ৰসব-যন্ত্ৰণাত,
এজনী মৰিল নিষ্ফল প্ৰেমৰ যন্ত্ৰণাত,
এজনী মৰিল গুণ্ডাৰ হাতত বেশ্যালয়ত,
এজনী মৰিল হৃদয়ৰ বাসনাৰ পিছে পিছে দৌৰি চূৰ্ণিত
অহংকাৰৰ যন্ত্ৰণাত,
এজনী গৈছিল জীৱনৰ সন্ধানত সুদূৰ পেৰিচ আৰু লণ্ডনলৈ—
এ'লা আৰু কে'ট আৰু মেগে তাইকো লৈ আহিল
তাইৰ চিৰ-নিদ্ৰাৰ অকণমানি ঠাইখিনিলৈ ;
সিহঁত আটাইবোৰ, আটাইবোৰ শুই আছে, শুই আছে,
শুই আছে পাহাৰৰ ওপৰত।

স্পুন নৈৰ পাৰৰ পাহাৰৰ ওপৰত চিৰ-নিদ্ৰাত শুই থকা এই মৰা মানুহবোৰৰ মুখেদি মাষ্টাৰছে কথা কোৱাইছে, আৰু সিহঁতৰ এই স্বীকাৰোক্তিৰ মাজেদি ফুটি উঠিছে জীৱনৰ চিৰন্তন ট্ৰেজেডী,

ভাগ্যৰ হাতত মানুহৰ অসহায়তা, দোষী-নিৰ্দোষী নিৰ্বিশেষে সকলোৰে প্ৰতি জীৱনৰ ব্যাখ্যাতীত আৰু বৈষম্য-মূলক শাস্তি বিধান। জীৱনে মানুহক—বিশেষকৈ কিছুমান মানুহক—কিয় নিৰ্মমভাৱে শাস্তি দিয়ে, তাৰ কোনো সন্তোষজনক ব্যাখ্যা মানুহে আজিলৈকে বিচাৰি পোৱা নাই। গ্ৰীকসকলৰ কাৰণেই আছিল দেৱতাৰ ক্ৰোধ বা অমোঘ নিয়তি; শেক্সপীয়েৰে ক'ব খুজিছিল—'Character is Destiny'—যদিও ব্যক্তিবিশেষৰ character-ৰ কাৰণে কোন দায়ী সেই প্ৰশ্নৰ কোনো উত্তৰ তেওঁৰো নাই; আধুনিক মানুহৰ চকুত হয়তো প্ৰধান ভিলেইন হ'ল জিন (Gene)। কিন্তু কাৰণটো যিয়েই নহওক, এই সত্য অবিসংবাদিত যে As flies to wanton boys are we the gods; they kill us for their sport.

মাষ্টাৰছে জীৱনৰ ইতিহাস ৰচনা কৰিবৰ কাৰণে ২৪৪টা চৰিত্ৰ বাছি লৈছে। বেছি ভাগ চৰিত্ৰ লোৱা হৈছে স্পুন নৈৰ পাৰৰ মৰিশালীৰ সমাধি-ফলকৰপৰা; আন বহুতক লোৱা হৈছে গীৰ্জা আৰু ইলিঅনই ৰাজ্যৰ চৰকাৰী নথি-পত্ৰৰপৰা। অৰ্থাৎ চৰিত্ৰবোৰ তেওঁৰ কল্পনাৰ সৃষ্টি নহয়, বেছিভাগেই সঁচাসঁচি তেজ-মঙহৰ মানুহ। কেৱল চৰিত্ৰবোৰক সহজে চিনি নোপোৱা কৰিবলৈ তেওঁ ইজনৰ নাম সিজনৰ উপাধিৰ লগত বা ইজনৰ উপাধি সিজনৰ নামৰ লগত লগ লগাই পাঠকক বিভ্ৰান্ত কৰিবলৈ চেষ্টা কৰিছে। কিন্তু তেওঁৰ সেই চেষ্টা সফল নহ'ল। 'স্পুন বিভাৰ এন্থলজী'ৰ কাল্পনিক স্বীকাৰোক্তিৰ মাজেদি নিজৰ জীৱনৰ অন্ধকাৰ দিশ উন্মোচিত কৰা কেইবাটাও চৰিত্ৰ আছিল মাত্ৰ কিছুদিনৰ- আগতে মৃত্যু হোৱা স্থানীয় প্ৰভাবশালী মানুহ; কিতাপখন প্ৰকাশ হোৱাত পাঠকসকলে তেওঁলোকক চিনি পালে। ফল স্বৰূপে কিতাপখনে চাৰিওফালে এনে চাঞ্চল্যৰ সৃষ্টি কৰিলে যে মাত্ৰ কেইদিনমানৰ ভিতৰতে ই আমেৰিকাৰ সৰ্বাধিক বিক্ৰীত কাব্য-গ্ৰন্থত পৰিণত হ'ল।

কিতাপখনত ২৪৪ টা চৰিত্ৰই এপিটাফৰ ৰূপত নিজৰ নিজৰ অন্তৰ্জীৱনৰ গোপন ৰহস্য ব্যক্ত কৰিছে। জীৱনৰ এই চিত্ৰ-শালাত মাষ্টাৰছে পাপী আৰু পুণ্যাত্মাক ( sinners and saints ) সমানে ঠাই দিছে। কিতাপখনৰ পৰিকল্পনাৰ বিষয়ে মাষ্টাৰছে নিজে লেখিছে : "There are nineteen stories developed by interrelated portraits......practically every ordinary human occupation is covered......when the book was put together in its definitive order, the fools, the drunkards and the failures came first, the people of one-birth minds got second place and the heroes and the enlightened spirits came last, a sort of Divine Comedy."

আগতেই কোৱা হৈছে যে এই কবিতা-মালাৰ প্ৰথম কবিতাটো আছিল The Unknown বা 'অজ্ঞাত' নামৰ কবিতাটো। জীৱন-ৰহস্যৰ সন্ধান কৰিবলৈ মাষ্টাৰছে কিভাৱে আগবাঢ়িছিল, এই কবিতাটোৱে আমাক তাৰ আভাস দিয়ে :

হে জীৱন-সন্ধানী, এই অজ্ঞাত মানুহজনৰ কাহিনী
শুনি লোৱা ;
তেওঁ শুই থকা ঠাইডোখৰৰ চিন দেখুৱাবলৈ
এটুকুৰা শিল পৰ্যন্ত নাই।
মই আছিলো এটা উদণ্ড উৎপতীয়া ল'ৰা ;
আৰণ্ হেট্‌ফিল্ডৰ প্ৰাসাদৰ ওচৰৰ হাবিডবাত
হাতত বন্দুক লৈ মই ঘূৰি ফুৰিছিলো ;
এজোপা মৰা গছৰ টিং-খোপত বহি আছিল এটা
শেন চৰাই,
মই তাক গুলিয়াই বগৰাই দিলো।
ডিঙিৰপৰা এটা অদ্ভুত শব্দ কৰি

সি মোৰ ভৰিৰ কাষত পৰি গ'ল,
তাৰ ডেউকা দুখন ভাগিল।
মই তাক এটা সজাত ভৰাই থলো।
খাবলৈ দিলেই সি খঙেৰে চিঞৰি উঠে;
বহুত দিন সি তেনেকৈয়ে থাকিল।
প্ৰতিদিনেই মই মৃত্যুৰ ৰাজ্যত
সেই শেনটোৰ আত্মাক বিচাৰি ফুৰো—
জীৱনে যাক ঘূণীয়া কৰি সজাত বন্দী কৰি ৰাখিছে,
তাক মই দিব খোজো তেনে এজন মানুহৰ বন্ধুত্ব।

কিতাপখনৰ এক-তৃতীয়াংশ চৰিত্ৰ গুণ্ডা, বেশ্যা, মদাহী, লম্পট, খুনী, ঠগ······কিন্তু সিহঁতৰ কাৰো বিৰুদ্ধে মাষ্টাৰছৰ কোনো অভিযোগ নাই, নিজে বিচাৰকৰ আসনত বহি তেওঁ কাৰো বিৰুদ্ধে নৈতিক ৰায় দিব খোজা নাই। তেওঁৰ চকুত জীৱনে এই মানুহবোৰক কেৱল ঘূণীয়া কৰিয়েই ক্ষান্ত থকা নাই, জীৱনে সিহঁতক কেনিও পলাই সাৰিব নোৱাৰাকৈ বন্দী কৰিও ৰাখিছে; তেওঁ সিহঁতক দিব খোজে তেওঁৰ বন্ধুত্ব।······'ইনডিগ্নেশ্যন' জোনছ্ আছিল এজন কাঠ-মিস্ত্ৰী। বেচেৰা কিন্তু আছিল ভাল মানুহ। সদ্বংশত তেওঁৰ জন্ম হৈছিল, পঢ়া-শুনা কৰিছিল, এটা সৎ সবল জীৱন যাপন কৰিবলৈ সকলো প্ৰকাৰে চেষ্টা কৰিছিল। কিন্তু হ'লে কি হব?

Here was I, a carpenter, mired in a bog of life
Into which I walked, thinking it was a meadow....

ধাঁহনি বুলি ভৰি আগবঢ়াই বেচেৰা গৈ পৰিলগৈ জীৱনৰ পিতনিত! বুকু ভাগি যোৱা পৰম দুখেৰে তেওঁ কৈছে: "অবিৰাম ধঁহনি খাই খাই, আঘাত পাই পাই, মানুহৰ জীৱনটোৱেই কেতিয়াবা

পৰিণত হয় কৰ্কট ৰোগত। মোৰ ঘৈণীজনী আছিল এলাইবাহু। আৰু মোৰ স্ত্ৰী-জনী, মিনাৰ্ভা, তোমালোকে তাইক অত্যাচাৰ কৰি কৰি মৰণৰ মুখলৈ ঠেলি দিলা। মই এতিয়া শামুকৰ দৰে জীৱনৰ দিনবোৰৰ মাজেদি বগুৰা বাই বাই গৈ আছো।" কলৈ ?

ঘাঁহনি বুলি ভুল কৰি কিমান মানুহযে পিতনিত পৰেগৈ, তাৰ লেখ কোনে লয় ? মাষ্টাৰছে সেই মানুহবোৰৰে লেখ লবলৈ চেষ্টা কৰিছে। অ'লি আৰু ফ্লেৎচাৰ মেক্‌গি আছিল গিৰিয়েক-ঘৈণীয়েক। অ'লিয়ে কৈছে: "তলমুৰা হৈ ভাগৰুৱা মুখেৰে গাঁৱৰ বাটেদি ঘূৰি-ফুৰা এজন মানুহক কেতিয়াবা মন কৰিছানে ? তেওঁ আছিল মোৰ স্বামী। কি গোপন নিষ্ঠুৰতাৰে তেওঁ মোৰ যৌৱন আৰু সৌন্দৰ্য হৰণ কৰিলে সেই কথা মই কাকো ক'ব নোৱাৰো। অৱশেষত মোৰ মুখ সোতোবা-সোতোব হ'ল, দাঁত হালধীয়া হ'ল, অহংকাৰ মষিমুৰ হ'ল, মই ঠাই ললোহি মৰিশালীত। কিন্তু মোৰ স্বামীৰ হৃদয় কিহে খুলি খুলি খাব ধৰিছে তোমালোকে জানানে ? এসময়ত মোৰ কি মুখ আছিল, আৰু সেই মুখৰ তেওঁ কি গতি কৰিলে—সেই চিন্তাই ! মই য'ত শুই আছো সেই ঠাইলৈকে তেওঁকো সেই চিন্তাই অৱশেষত টানি আনিছে। মৃত্যুত তেওঁৰ ওপৰত মোৰ প্ৰতিশোধ লোৱা হৈ গ'ল।"— এয়া হ'ল ঘৈণীয়েক অ'লিৰ কথা। কিন্তু ফ্লেৎচাৰ মেক্‌গিয়ে বা ঘৈণীয়েকৰ কথা কি বুলি ভাবে ?—"তেওঁ মিনিটে মিনিটে মোৰ শক্তি হৰণ কৰিছিল, ঘণ্টাই ঘণ্টাই হৰণ কৰিছিল মোৰ জীৱন। জ্বৰ-তপ্ত চন্দ্ৰই যেনেকৈ ঘূৰ্ণীয়মান পৃথিৱীৰ শক্তি হৰণ কৰে, তেনেকৈ মোক নিঃশেষিত কৰিছিল তেওঁ। ছাঁৰ নিচিনাকৈ দিনবোৰ পাৰ হৈ গৈছিল, তৰাৰ নিচিনাকৈ বাগৰি গৈছিল মুহূৰ্তবোৰ। মোৰ হৃদয়ৰপৰা কৰুণা বাহিৰ কৰি তাক তেওঁ পৰিণত কৰিছিল হাঁহিত। তেওঁ আছিল ভাস্কৰৰ হাতৰ এলডা মাটি, মোৰ গোপন চিন্তাবোৰ আছিল আঙুলি : তেওঁৰ বিষণ্ণ কপালৰ আঁৰত সেই আঙুলিবোৰে কাম কৰি কপালত আঁকি দিছিল বেদনাৰ গভীৰ ৰেখা। মোৰ সেই

গোপন চিন্তাৰ আঙুলিবোৰে তেওঁৰ ওঁঠদুখন কঠিন কৰি তুলিছিল, গালদুখন শুকুৱাই ওলোমাই পেলাইছিল, আৰু চকু দুটা আনত কৰি তুলিছিল গভীৰ বিষাদেৰে। সাতোটা চয়তানৰ নিচিনাকৈ যুদ্ধ কৰি মোৰ আত্মা সোমাই গৈছিল সেই বোকা-লডাৰ মাজলৈ। ই মোৰ নাছিল, ই তেওঁৰো নাছিল ; তেওঁ তাক বাধা দিছিল। কিন্তু তাৰ খুঁজ-বাগৰে তেওঁৰ মুখখনক এনে এটা ৰূপ দিছিল, যিখন মুখক তেওঁ ঘিণ কৰিছিল আৰু যিখন মুখ চাবলৈ মোৰ ভয় লাগিছিল। দুৱাৰ-খিৰিকী বন্ধ কৰি মই এটা চুকত পলাই আছিলো, এনেতে তেওঁ মৰিল আৰু ভূত হৈ মোক খেদিবলৈ আৰম্ভ কৰিলে। গোটেই জীৱন ধৰি সেই ভূতে মোক লগ এৰা নিদিলে।”

আৰু এহাল স্বামী-স্ত্ৰীৰ কথা। লুইজি স্মিথে কৈছে ঃ “আনাবেল যেতিয়া পঢ়াশালীৰ শিক্ষা সাং কৰি ঘূৰি আহিল, হাৰ্বাৰ্টে মোৰ লগত আঠবছৰৰ বিবাহ-বন্ধন ছিন্ন কৰিলে। মই যদি আন একো নকৰি মোৰ হৃদয়ত তেওঁৰ প্ৰতি কেৱল প্ৰেমকেই পুহি ৰাখিলো-হেঁতেন, তেতিয়াহ’লে ই হয়তো এটা সুন্দৰ বিষাদত পৰিণত হ’ল-হেঁতেন, আৰু কোনে জানে, ই হয়তো শান্তি-দায়িনী সুৰভিৰে মোৰ গোটেই জীৱন ভৰাই ৰাখিলেহেঁতেন। কিন্তু মই তাক ক্ষত-বিক্ষত কৰিলো, বিষাক্ত কৰিলো, তাৰ চকু কণা কৰি দিলো, অৱশেষত ই পৰিণত হ’ল ঘৃণাত। ······মোৰ আত্মা আশ্ৰয়-চ্যুত হ’ল, তাৰ শুংবোৰ শুকাই মৰহি গ’ল। ‘যেতিয়ালৈকে তুমি নিশ্চিত নোহোৱা যে তোমাৰ ইচ্ছা তোমাৰ আত্মাৰ স্বভাবতকৈ বেছি জ্ঞানী, তেতিয়া-লৈকে সেই ইচ্ছাক তোমাৰ আত্মাৰ মালী হ’বলৈ কেতিয়াও নিদিবা।”—লুইজিয়ে তেওঁৰ জীৱন-কালত হাৰ্বাৰ্টৰ মনৰ কথা জানো গম পালে ? হাৰ্বাৰ্টৰ উক্তি : “লুইজি, তোমাৰ বিষাদ আৰু মোৰ প্ৰতি তোমাৰ ঘৃণাৰ একমাত্ৰ উৎস হ’ল তোমাৰ ভুল ধাৰণা। তুমি ভাবি আছা যে মোৰ স্বভাবৰ লাম্পট্য আৰু তোমাৰ হৃদয়ৰ অধিকাৰৰ প্ৰতি মোৰ উদাসীনতাই মোক আনাবেলৰ ওচৰলৈ ঠেলি দিছে আৰু

তোমাক পৰিত্যাগ কৰিবলৈ বাধ্য কৰিছে। মোৰ প্ৰতি প্ৰেম থকাৰ কাৰণেই তুমি মোক ঘৃণা কৰিবলৈ আৰম্ভ কৰিছা; কাৰণ মই আছিলো তোমাৰ আত্মাৰ আনন্দ। তোমাৰ জীৱনটো তোমাৰ কাৰণে সমাধান কৰি দিবলৈকে যেন মোৰ সৃষ্টি হৈছিল, কিন্তু তাকে মই নকৰিলো। কিন্তু তুমি আছিলা মোৰ দুখৰ কাৰণ। তোমাৰ-পৰা যদি মই সুখ পালোহেঁতেন, তেন্তে মই তোমাকেই সাৰটি ধৰি নাথাকিলোহেঁতেননে? এইটোৱেই হ'ল জীৱনৰ বিষাদ: দুজন মানুহ য'ত থাকে কেৱল তাতেইহে তেওঁলোক সুখী হ'ব পাৰে; কিন্তু আমাৰ হৃদয় ধাবিত হয় দূৰ নক্ষত্ৰলৈ—যি নক্ষত্ৰই আমাক কেতিয়াও নিবিচাৰে।"

মানুহৰ জীৱনৰ আটাইতকৈ ডাঙৰ আৰু প্ৰধান সমস্যাবোৰৰ উৎস হ'ল মানবিক সম্পৰ্কৰ জটিলতা ব্যক্তিৰ লগত ব্যক্তিৰ আৰু ব্যক্তিৰ লগত সমাজৰ সুষম সম্পৰ্ক স্থাপনেই মানুহৰ জীৱনৰ এটা প্ৰধান সমস্যা। তাৰে ভিতৰত যিবোৰ সম্পৰ্কৰ লগত প্ৰবল হৃদয়-বৃত্তি আৰু আবেগ-অনুভূতি জড়িত হৈ থাকে, সেইবোৰ সম্পৰ্ক-জনিত সমস্যাই কেতিয়াবা জীৱনৰ ভাগ্যনিৰ্ণয়কাৰী শক্তিৰূপে দেখা দিয়ে। স্বামী-স্ত্ৰী বা প্ৰেমিক-প্ৰেমিকাৰ সম্পৰ্ক তেনে এটা অশনি-গৰ্ভ সমস্যা। মাষ্টাৰছে তেওঁৰ কবিতামালাত এনে বহুতো দম্পতিৰ চিত্ৰ আঁকিছে—যিসকলৰ জীৱন পাৰম্পৰিক বুজাবুজিৰ অভাৱ বা আবেগৰ প্ৰচণ্ড তাড়নাই সম্পূৰ্ণৰূপে ধ্বংস কৰি দিছে। বেঞ্জামিন্ পেন্টিয়াৰ নামৰ এজন উকীলে আপত্তি কৰিছে যে জীৱনৰ ৰাতি-পুৱাতে তেওঁ এটা সোণালী ভৱিষ্যত আৰু গৌৰৱময় জীৱনৰ স্বপ্ন দেখিছিল; কিন্তু এজনী তিৰোতাই (ঘৈণীয়েকে) তেওঁক ফান্দত পেলাই লৈ তেজ শুহি শুহি তেওঁৰ সৰ্বনাশ কৰিলে। অৱশেষত ভগ্ন-দেহ আৰু ভগ্ন হৃদয় লৈ জীৱনৰ এটা অন্ধকাৰ কোণত মৃত্যুৰ প্ৰতীক্ষা কৰি তেওঁ পৰি ৰ'ল, সংগী থাকিল মাত্ৰ এটা কুকুৰ। তেওঁৰ জীৱনৰ কাহিনীও চিৰ-নীৰৱতাৰ মাজত হেৰাই গ'ল। বেঞ্জামিনৰ

এই অভিযোগৰ উত্তৰত ঘৈণীয়েকৰো নিশ্চয় কিবা এষাৰ ক'ব লগা আছে! শ্ৰীমতী পেন্টিয়াৰে কৈছে: "তেওঁ সকলোতে কৈ ফুৰিছে যে মই তেওঁৰ হৃদয়খন ফান্দত পেলালো আৰু সেই ফান্দেই তেওঁক তেজ বমি কৰাই মাৰিলে; তেওঁ যে এনেকৈ কৈ ফুৰিছে সেই কথা মই জানো। কিন্তু ধৰি লোৱা, তুমি আচলতেই এগৰাকী সন্মানিতা মহিলা আৰু তোমাৰ ৰুচি মাৰ্জিত। মদ আৰু পিয়াঁজৰ গোন্ধ তুমি ঘিণ কৰা। তোমাৰ কাণত গুঞ্জন কৰি থাকে ওৱৰ্ডছৱৰ্থৰ 'অ'ড'ৰ ঝংকাৰপূৰ্ণ ছন্দই। কিন্তু তেওঁ পুৱাৰপৰা ৰাতিলৈকে ঘেণ-ঘেণাই থাকে—'মৰণশীল মানুহৰ আত্মা ইমান গৰ্বিত হ'ব লাগে কিয়?' তুমি এগৰাকী গুণৱতী তিৰোতা। কিন্তু আইন আৰু নৈতিকতাই তোমাক সহবাস কৰিবলৈ অনুমতি দিছে কেৱল সেইজন মানুহৰ লগত—যাৰ কথা চিন্তা কৰিলেই প্ৰত্যেক বাৰেই তোমাৰ অন্তৰ ঘৃণাৰে পূৰ্ণ হৈ উঠে, আৰু যিমানবাৰ তুমি তেওঁক দেখা, সিমানবাৰেই তুমি সেই কথা চিন্তা কৰা। সেই কাৰণেই মই তেওঁক ঘৰৰপৰা বাহিৰ কৰি দিলো আৰু অফিচৰ পিছফালৰ এটা জেকা এন্ধাৰ কোঠাত তেওঁ এটা কুকুৰৰ লগত বাস কৰিবলৈ ললে।"

কিন্তু জীৱনটো সদায় ইমান ভয়াবহ আৰু স্ব-বিনাশী নহয়। বেঞ্জামিন পেন্টিয়াৰৰ পুতেক ৰুবেন পেন্টিয়াৰ জাহান্নামত গৈছিল। মদ আৰু মাইকীৰ মাজত তেওঁ বিচাৰিবলৈ চেষ্টা কৰিছিল জীৱনৰ আনন্দ। এদিন তেনেকৈ তেওঁ এগৰাকী পণ্যা তিৰোতাৰ বক্ষ-লগ্ন হৈ থাকোঁতে হঠাতে তেওঁৰ দুই চকু অশ্ৰুৰে ভৰি উঠিল। বেশ্যা-গৰাকীয়ে ভাবিলে—ই নিশ্চয় কামোত্তেজনাৰ অশ্ৰুজল। কিন্তু ৰুবেন পেন্টিয়াৰে কৈছে: "এমিলি স্পাৰ্কছ, তোমাৰ স্নেহ আৰু প্ৰাৰ্থনা অথলে যোৱা নাই, সিয়েই মোক ৰক্ষা কৰিলে। মই যেতিয়া বেশ্যাৰ বাহু-বন্ধনত আছিলো, তেতিয়া মোৰ আত্মাটো আছিল তিনিহাজাৰ মাইল দূৰৰ স্পুন নৈৰ পাৰত—য'ত তুমি মোক এদিন পঢ়াশালীত পঢ়াইছিলা। আজি মই ইমান দূৰত যে তুমি মোক

মৰম কৰিব নোৱাৰা, মোৰ কাৰণে প্ৰাৰ্থনা কৰিব নোৱাৰা, মোলৈ চিঠি লেখিব নোৱাৰা। সেইবোৰৰ পৰিবৰ্তে তোমাৰ অনন্ত নীৰবতাই মোৰ কাণত কথা কৈ আছে। এই তিৰোতা গৰাকীয়ে ভাবিছে যে মই তেওঁৰ প্ৰতি কামনাৰ আবেগত চকুপানী টুকিছো। কিন্তু নহয়, হঠাতে মোৰ তোমাৰ কথা মনত পৰিল, আৰু সেই মুহূৰ্তৰপৰাই মই এটা নতুন জীৱনৰ সপোন দেখিবলৈ ধৰিলো।”

এমিলি স্পাৰ্কছ্ আছিল ৰুবেন পেণ্টিয়াৰৰ শিক্ষয়িত্ৰী। তেওঁ ৰুবেনৰ কাৰণে মনে মনে প্ৰাৰ্থনা কৰিছিল: “মোৰ সোণ, য'তেই তুমি নাথাকা, সদায় আত্মাৰ মঙ্গলৰ কাৰণে কাম কৰিবা। তোমাৰ মাজত থকা জুইকুৰাই যেন তোমাৰ মাজত থকা ময়লা আৰু মামৰক পুৰি পুৰি অৱশেষত সি এটা উজ্জ্বল পোহৰত পৰিণত হয়···।”

ছাৰা ব্ৰাউন আছিল এগৰাকী বিবাহিতা তিৰোতা, কিন্তু তেওঁ মৰিছ নামৰ এজন মানুহক ভাল পাইছিল। মৃত্যুৰ সিপাৰৰপৰা ছাৰা ব্ৰাউনে কৈছে: “মৰিছ, নাকান্দিবা, মই এই পাইন গছজোপাৰ তলত শুই থকা নাই। বসন্তৰ জুৰ বতাহে ঘাঁহনিৰ মাজেদি সুহুৰিয়াই গৈছে, তৰাবোৰে তিৰবিৰাইছে, চৰাইবোৰে কলকলাইছে, কিন্তু মোৰ আত্মা যেতিয়া অনন্ত পোহৰৰ পূত নিৰ্বাণত আনন্দত মগ্ন হৈ আছে, তুমি তেতিয়া বিষাদত হাহাকাৰ কৰি মৰিছা। মোৰ সুন্দৰ-হৃদয় স্বামীৰ ওচৰলৈ যোৱা; আমাৰ প্ৰেমক তেওঁ পাপ বুলি ভাবে আৰু তেওঁ তাৰেই কথা চিন্তা কৰি কৰি বিমৰ্ষ হৈ আছে। তুমি তেওঁক কোৱাগৈ—তেওঁৰ প্ৰতি মোৰ প্ৰেমে যেনেকৈ মোৰ ভাগ্যক গঢ় দিছিল, তোমাৰ প্ৰতি মোৰ প্ৰেমে তাতোকৈ অকণো কম কৰা নাই। তুমি তেওঁক কোৱাগৈ—দেহৰ মাজেদি মই আত্মাক জয় কৰিছিলো আৰু আত্মাৰ মাজেদি লাভ কৰিছিলো শান্তি। স্বৰ্গত বিবাহ নাই, কিন্তু তাত আছে প্ৰেম।”

কালৰ বিনাশী-শক্তিয়ে মানুহৰ ৰূপ, যৌৱন, শক্তি তিলে তিলে হৰণ কৰি তাক এদিন ধ্বংস-স্তূপত পৰিণত কৰে, তুকুৰা জ্বলা জুইৰ

ঠাইত পৰি থাকে দুমুঠি ছাই। অনন্ত প্ৰেমৰ কাৰণে অংগীকৃত এহাল স্বামী-স্ত্ৰীয়ে সৰ্বহৰ বাৰ্দ্ধক্যৰ প্ৰান্তসীমাত উপনীত হৈ পৰস্পৰৰ ফালে চাই দেখে যৌৱনৰ স্বপ্ন আৰু কামনাৰ দুখন মৰিশালী। আৰম্ভ হয় জীৱনৰ করুণতম আত্ম-প্ৰতাৰণাৰ চেষ্টা। পলিন বেৰেটে কৈছেঃ “কোমল শেলুৰৈ আৰু ঘাঁহনিয়ে ঢকা বাটেদি আমি এদিন অৰণ্যত ফুৰিবলৈ গৈছিলো। আমি কোনেও কাৰো চকুলৈ চাব পৰা নাছিলো। তোমাৰ মূৰৰ চুলি পকিবলৈ আৰম্ভ কৰিছে, মোৰ দেহ শুকাই জকাত পৰিণত হৈছে। গভীৰ বিষাদেৰে আমাৰ হৃদয় পৰিপূৰ্ণ। আমি কিহৰ বিষয়ে কথা পাতিছিলো? মনৰ আচল ভাব গোপন কৰিবলৈ আমি ঘাইকৈ আকাশ আৰু নদীৰ বিষয়ে কথা পাতিছিলো। ৰাতিৰ আহাৰ খাবৰ সময়ত তুমি টেবুলত এথোপা বনবীয়া গোলাপ থৈছিলা। বেচেৰা! অতীতৰ যি আনন্দময় দিনবোৰ এতিয়া কেৱল স্মৃতিমাত্ৰ, তাকে কল্পনা কৰিবলৈ আৰু পুনৰ যাপন কৰিবলৈ তুমিযে কি প্ৰাণপণ চেষ্টা কৰিছিলা! ৰাতি হৈ অহাৰ লগে লগে বিষাদে মোৰ বুকুখন হেঁচি ধৰিলে। মই ন-কইনা হৈ সোমাবৰ দিনা কৰাৰ নিচিনাকৈ তুমি অলপ সময়ৰ কাৰণে মোক কোঠাটোত অকলে এৰি থৈ বাহিৰলৈ ওলাই গ'লা। মই আইনাত মোৰ মুখখন চালো আৰু কোনোবাই যেন মোক কলেঃ ‘মানুহ যেতিয়া আধা-মৰা হয়, তেতিয়াই মানুহ মৰা উচিত। জীৱনক কেতিয়াও ভেঙুচালি নকৰিবা, প্ৰেমক কেতিয়াও প্ৰতাৰণা নকৰিবা।’ আইনাৰ ফালে চাই চাই মই ঠিক তাকেই কৰিছিলো। অ' মোৰ প্ৰিয়, তুমি বাৰু সেই কথা কেতিয়াবা বুজিছিলানে?”

এইসকল ভাগ্য-হত পুৰুষ-তিৰোতাৰ প্ৰতি মাষ্টাৰছৰ অশেষ অনুভূতি; ‘জীৱনে ঘৃণীয়া কৰি সজাত ভৰাই বন্দী কৰি থোৱা এই মানুহবোৰক তেওঁ দিব খোজে বন্ধুত্ব।” কিন্তু এই মানুহবোৰৰ জীৱন আদৰ্শ জীৱন বুলি তেওঁ গ্ৰহণ কৰিব পৰা নাই। তেওঁৰ

শ্ৰদ্ধা আকৰ্ষণ কৰে তেওঁৰ আইতাকৰ আনন্দময়, অকুতোভয়, বলিষ্ঠ জীৱনে—'লুচিন্দা মেটলক' নামৰ এটা কবিতাত তেওঁ যি আইতাকৰ ছবি আঁকিছে : 'চেন্দলাৰভাইলত আমি নাচিবলৈ গৈছিলো, উইন-চেষ্টাৰত স্নেপ্-আউট্ খেলিছিলো। এবাৰ আমি নাচৰ সংগী সলনি কৰিছিলো। জুনৰ মাজ-ভাগৰ জোনাক ৰাতি এদিন গাড়ীৰে ঘৰলৈ যাওঁতে মই ডেভিছক লগ পালো। আমাৰ বিয়া হ'ল আৰু সত্তৰ বছৰ একেলগে জীৱন কটালো। আমি আনন্দ কৰিলো, কাম কৰিলো, বাৰটা ল'ৰা-ছোৱালী তুলিলো আৰু মোৰ ষাঠি বছৰ হোৱাৰ আগতেই তাৰে আঠটা হেৰুৱালো। মই সূতা কাটিছিলো, তাঁত বৈছিলো, ঘৰ চলাইছিলো, ৰোগীৰ শুশ্ৰূষা কৰিছিলো, ফুলৰ বাগিছা কৰিছিলো, আৰু বন্ধৰ দিনত ভৱত-পথীয়ে গান গাই ফুৰা হাবি-বননিত ঘূৰি ফুৰিছিলো, স্পুন্ নৈৰ পাৰত শামুক বুটলিছিলো, বনৰীয়া ফুল আৰু বন-দৰাই বুটলিছিলো, বননিয়ে ঢাকি থোৱা পাহাৰবোৰলৈ চাই চিঞৰিছিলো আৰু সেউজীয়া উপত্যকাৰ ফালে চাই গান গাইছিলো। ছিয়ান্নবৈ বছৰলৈকে মই এটা পৰিপূৰ্ণ জীৱন কটালো, যথেষ্ট হ'ল, তাৰ পিছত মই মধুৰ জিৰণিৰ কোলাত ঢলি পৰিলো। এতিয়া মই কি এইবোৰ বেজাৰ, ভাগৰ, খং, অসন্তোষ আৰু নিৰাশাৰ কথা শুনো? অধঃপাতে যোৱা মোৰ ল'ৰা-ছোৱালীবোৰ, জীৱন তোমালোকৰ কাৰণে অতিশয় কঠিন। জীৱনক ভাল পাবলৈ জীৱন লাগে।"

জীৱনৰ কাৰুণ্যৰ তথাপি শেষ নাই। যি সময়ত মানুহে জীৱনৰ সত্য-জ্ঞান পাব লাগে সেই সময়ত নাপায়; যেতিয়া পায়, তেতিয়া আৰু সি বিশেষ কামত নালাগে, ইতিমধ্যে জীৱনটোৱেই শেষ হৈ যায়। আলেকজেণ্ডাৰ থক্‌মৰ্টনে আমাৰ সকলোৰে হৈ জীৱনৰ এই পৰম ট্ৰেজিক সত্য ব্যক্ত কৰিছে : "যৌৱন-কালত মোৰ ডেউকা আছিল শক্তিশালী আৰু অক্লান্ত, কিন্তু তেতিয়া মই পৰ্বতবোৰ চিনি পোৱা নাছিলো। এতিয়া বুঢ়াকালত মই পৰ্বতবোৰ চিনি

পাইছো, কিন্তু মোৰ ভাগৰুৱা ডেউকাই মই যাব খোজা ঠাইলৈ যাব নোৱাৰে। প্ৰতিভা হ'ল জ্ঞান আৰু যৌৱনৰ সমন্বয়।"

আমাৰ সকলোৰে হৈ জৰ্জ গ্ৰে নামৰ আন এটা চৰিত্ৰয়ো কৈছে: "পাল তৰি থোৱা এখন নাও ঘাটত বান্ধি থোৱা আছে: মাৰ্বলত খোদিত কৰি মোক উপহাৰ দিয়া এই ছবিখনৰ কথা মই বহুদিন ভাবিছো। দৰাচলতে ই মোৰ লক্ষ্য-স্থলক চিত্ৰিত কৰা নাই, চিত্ৰিত কৰিছে মোৰ জীৱন। প্ৰেম মোৰ জীৱনলৈ আহিছিল, কিন্তু মোহ-ভংগৰ ভয়ত মই তাক গ্ৰহণ কৰাৰপৰা বিৰত থাকিলো। উচ্চাকাংক্ষাই মোক আহ্বান কৰিছিল, কিন্তু ভাগ্যৰ লগত খেলা কৰিবলৈ মই ভয় কৰিলো। অথচ সকলো সময়তে জীৱনৰ অৰ্থৰ কাৰণে মোৰ অন্তৰত আছিল অন্তহীন ক্ষুধা। আজি মই জানো যে অদৃষ্টৰ বতাহৰ বিপৰীতে পাল তৰি আমি নাও মেলি দিব লাগিব আৰু সেই বতাহে য'লৈকে নাওখন লৈ যায় তালৈকে আমি যাব লাগিব। জীৱনত অৰ্থ আৰোপ কৰিবলৈ কৰা চেষ্টা অৱশেষত উন্মাদনাত পৰ্যবসিত হ'ব পাৰে, কিন্তু অৰ্থহীন জীৱন হ'ল অস্থিৰতা আৰু অস্পষ্ট বাসনাৰ নিপীড়ন। ই হ'ল এনে এখন নাও—যি সাগৰলৈ যাবলৈ বিচাৰে, অথচ যাবলৈ সাহস গোটাব নোৱাৰে।"

মাষ্টাৰছৰ চিত্ৰশালাত পাপী আৰু পুণ্যাত্মাই সমানেই ঠাই পাইছে, সেই কথা আগতেই কোৱা হৈছে। আমি যিহেতু বেছি-ভাগেই পাপী, সেই কাৰণে স্বাভাবিকতেই পাপীসকলৰ জীৱনে আমাৰ মনোযোগ আৰু সহানুভূতি বেছিকৈ আকৰ্ষণ কৰে। ৰবাৰ্ট ফুলটন টেনাৰৰ নিচিনাকৈ জীৱনৰ কৰুণতম আৰু দুঃসহতম মুহূৰ্ত-বোৰত আমি বহুতেই অনুভৱ কৰো: "জীৱন নামৰ নৰ-খাদক দৈত্যটোৰ ওপৰত আমি কেতিয়াও প্ৰতিশোধ ল'ব নোৱাৰো।" লুচিয়াছ এথাৰটনৰ নিচিনাকৈ আমি বহুতেই ক'ব পাৰো: "ইয়াত এটা শক্তিশালী ছাঁয়ামূৰ্তি আছে, যি বিয়েত্ৰিচ্ নামৰ এগৰাকী ছোৱালীৰ বন্দনা-গান গাইছিল। এতিয়া মই দেখিছো যে যিটো

শক্তিয়ে তেওঁক মহৎ কৰি তুলিছিল, সেই একেটা শক্তিয়েই মোক জীৱনৰ আবৰ্জনাৰ মাজলৈ ঠেলি দিলে।” আৰু আমি বহুতেই সমস্ত জীৱন ধৰি সেই মুহূৰ্তটোলৈ অপেক্ষা কৰি নাথাকোনে—যি মুহূৰ্তত ‘বাছিয়ান ছ’নিয়া’ৰ দৰেই আমিও ক’ব পাৰো:

This oak tree near me is the favourite hunt
Of blue jays chattering, chattering all the day.
And why not? for my very dust is laughing
For thinking of the humorous thing called life.

মাষ্টাৰছে তেওঁৰ বিচিত্ৰ চিত্ৰশালাত কেৱল অজ্ঞাত অখ্যাত লোকসকলকেই ঠাই দিয়া নাই, কেইবাজনো ইতিহাস-বিখ্যাত লোকৰো ব্যক্তিত্বৰ নিৰ্যাস তেওঁ কেইটামান কবিতাত ফুটাই তুলিবলৈ চেষ্টা কৰিছে। সেইসকলৰ ভিতৰত বিশেষভাৱে উল্লেখযোগ্য হ’ল টমাছ জেফাৰছন আৰু থিয়োডৰ ড্ৰাইজাৰ। মাষ্টাৰছ জেফাৰছনৰ পৰম ভক্ত আছিল। আনহাতে ড্ৰাইজাৰ আছিল তেওঁৰ অন্তৰংগ বন্ধু। ‘থিয়োডৰ ডা প’য়েট’ নামৰ কবিতাটোত এই বিখ্যাত ঔপন্যাসিকজনৰ (He had only genius, no talents!) বিষয়ে মাষ্টাৰছে লেখিছে: ‘তুমি যেতিয়া ল’ৰা হৈ আছিলা, থিয়োডৰ, ঘোলা-পানীৰ স্পুন্ নৈৰ পাৰত তুমি ঘণ্টাৰ পিছত ঘণ্টা ধৰি বহি আছিলা। গাঁতত সোমোৱা চকু দুটাৰে তুমি একেথিৰে চাই ৰৈছিলা মাছবোৰৰ গাঁতৰ দুৱাৰ-মুখলৈ; খেৰৰ নিচিনা শুং, শিলবৰণীয়া গা আৰু মুক্তাৰ নিচিনা জিলিকি থকা গভাৰ ক’লা চকুদুটাৰে সৈতে সিহঁতে কেতিয়া তোমাৰ আগত গা-দেখা দিব তালৈকে তুমি বাট চাই আছিলা। আৰু তন্ময় হৈ তুমি ভাবিবলৈ চেষ্টা কৰিছিলা—মাছটোৱে কি জানে, সি জীৱনত কি বিচাৰে, সি কিহৰ কাৰণে জীয়াই থাকে। কিন্তু পিছৰ জীৱনত তোমাৰ দৃষ্টিৰ লক্ষ্য হ’ল মানুহ—পুৰুষ আৰু তিৰোতা—যিসকলে মহানগৰবোৰত ভাগ্যৰ গাঁতত আত্ম-গোপন কৰি থাকে। তেওঁলোকৰ আত্মাই

ভাগ্যৰ গাঁতৰপৰা৷ ওলাই আহি কেতিয়া তোমাৰ আগত গা-দেখা দিয়ে, তাকে চাবলৈ তুমি অপেক্ষা কৰিছিলা। তুমি জানিবলৈ চেষ্টা কৰিছিলা—তেওঁলোকে কেনেকৈ জীয়াই থাকে, কিহৰ কাৰণে জীয়াই থাকে, আৰু বাৰিষা শেষ হৈ অহাৰ লগে লগে পানী যেতিয়া শুকাই যায়, তেতিয়া কিয় তেওঁলোকে বালিয়নী বাটেদি ইমান ব্যস্তভাৱে বগুৰাবাই গৈ থাকিবলৈ নেৰে।”

স্পুন ৰিভাৰ এন্থলজীৰ এটা সুন্দৰতম কবিতা হ'ল 'এন ৰাটলেজ'। বহুতো সমালোচকৰ মতে ই আমেৰিকান সাহিত্যৰ সৰ্বোত্তম কবিতাবোৰৰ ভিতৰত অন্যতম। এন ৰাটলেজ আছিল আব্ৰাহাম লিংকনৰ প্ৰথমা প্ৰেয়সী। এন ৰাটলেজৰ মুখেদি মাষ্টাৰছে কোৱাইছে:

মোৰ এই অজ্ঞাত আৰু অখ্যাত বুকুৰপৰা
স্পন্দিত হৈ উঠে মৃত্যুহীন সংগীতৰ ঝংকাৰ:
'কাৰো প্ৰতি অসূয়া নাৰাখি, সকলোৰে প্ৰতি প্ৰেমেৰে।'
মোৰ বুকুৰপৰা উদ্‌গত হয় লক্ষজনৰ প্ৰতি লক্ষজনৰ ক্ষমা,
আৰু এটা জাতিৰ মঙ্গল-মণ্ডিত মুখ
সত্য আৰু ন্যায়ৰ দ্যুতিৰে ভাস্বৰ।
মই এন ৰাটলেজ, এই ঘাঁহনিৰ তলত শুই আছো নীৰৱে,
আব্ৰাহাম লিংকনৰ মই প্ৰেয়সী;
তেওঁৰ লগত মই একাত্ম, মিলনেৰে নহয়,
চিৰ-বিৰহৰ বেদনাত।
মোৰ বুকুৰ এই ধুলিৰাশিৰ মাজৰপৰা
তুমি চিৰ-প্ৰস্ফুটিত হোৱা—হে সাধাৰণতন্ত্ৰ।

স্পুন ৰিভাৰ এন্থলজী'ৰ ২৪৪টা চৰিত্ৰৰ মাজত মাষ্টাৰছে সৃষ্টি কৰিছে এখন সম্পূৰ্ণ জগত। সকলো ধৰণৰ মানুহ তেওঁলোকৰ মাজত আছে—উকীল, বিচাৰক, পুলিচ, ডাক্তৰ, বেংকাৰ, বেপাৰী, ধৰ্ম-যাজক, সম্পাদক, কবি, দাৰ্শনিক, শিল্পী, গুণ্ডা, খুনী, বেশ্যা,

ধুবুনী, নাচনী, মিস্ত্ৰী, খেতিয়ক, নিষ্কৰ্মা খোদ ; তেওঁলোকৰ মাজত আছে জীৱনৰ যুদ্ধত পৰাজিত ক্ষত-বিক্ষত মানুহ আৰু সহস্ৰ আঘাত সত্ত্বেও চিৰ-অপৰাজেয় অকুতোভয় আত্মা ; প্ৰাত্যহিক জীৱনৰ নকল মুখা খুলি তেওঁলোকে নিজৰ নগ্ন আত্মাক আমাৰ চকুৰ আগত উদঙাই দেখুৱাইছে আৰু আমি তাৰ মাজত দেখিবলৈ পাইছো জীৱন কি করুণ, কি দুঃসহ, কি ৰক্তাক্ত, কি ভীষণ সুন্দৰ! এই মানুহবোৰ কেৱল স্পুন নৈৰ পাৰৰ মানুহ নহয়, কেৱল এটা বিশেষ যুগৰ মানুহ নহয় ; এজন সমালোচকে কবৰ দৰে—"It is small town anywhere, at any time. Ancient Greece knew Cassius Hueffer and Daisy Fraser and Dora Willams and Lucius Atherton, and so did Elizabethan England. With the rest of Master's curious stable, they are historic anonyms, members of the rabble in good standing ( or bad ), and their stories are the very warp and woof of life, as they are of literatur"e. ( *Vincent Starret.* )

এড্‌গাৰ লী মাষ্টাৰছৰ ১৯৫০ চনত মৃত্যু হয়। মৃত্যুৰ সময়লৈকে তেওঁ প্ৰায় পঞ্চাশখন মান কিতাপ লেখিছিল, কিন্তু তেওঁ অমৰ হৈ থাকিব মাত্ৰ এই এখন কিতাপৰ কাৰণেহে। নিজেকে পাচিভেল শ্বাৰ্প নাম দি তেওঁ 'স্পুন ৰিভাৰ এন্থলজী'ত নিজৰো এটা এপিটাফ লেখিছেঃ "......এই সকলোবোৰ কথাই বোধহয় সঁচা ; কিন্তু নিজৰ বিষয়ে মই জানো যে স্পুন্ নৈত মই কেইটামান খলকণি তুলিছিলো আৰু সেইবোৰেই হ'ল মোৰ আচল এপিটাফ্। শিলতকৈয়ো সিহঁত বেছিদিন থাকিব।"

কবি-কল্পনাৰ মহৎ, সুন্দৰ, চিৰায়ত সৃষ্টি বুলিলে আমি যিবোৰ কিতাপৰ কথা বুজো, এড্‌গাৰ লী মাষ্টাৰছ্‌ৰ 'স্পুন্ ৰিভাৰ এন্থলজী' তেনে এখন কিতাপ হয়তো নহয়। কিন্তু কোনোবাই যদি কেতিয়াবা লংফেলোৰ নিচিনাকৈ অনুভব কৰেঃ

Come, read to me some poem
Some simple and heartfelt lay,
That shall soothe this restless feeling
And banish the thoughts of day.
Not from the grand old masters
Not from the bards sublime,
whose distant footsteps echo
Through the corridors of Time.
Read from some humbler poet,
whose songs gushed from his heart,
As Showers from the clouds of Summer
Or tears from the eyelids start.

তেনেহ'লে তেওঁ জীৱনৰ সেই বিষণ্ণ নির্জন মুহূর্তবোৰত স্পুন্ বিভাৰ এন্থলজী' মেলি ল'ব পাৰে আৰু খন্তেকৰ কাৰণে জীৱনৰ নগ্ন স্বৰূপৰ মুখামুখি হৈ ৰহিব পাৰে।

# গ্যেটে আৰু চাৰ্লট্ ফন্ ষ্টেইন্

জাৰ্মানীত গ্যেটে প্ৰায় দেৱতা ৰূপে পূজিত। তেওঁ তিনিজন 'গ্ৰেট ইউৰোপীয়ান'ৰ অন্যতম। (আন দুজন ডাণ্টে আৰু শেক্সপীয়েৰ)। ডাণ্টেৰ 'ডিভাইন্ কমেডি'ৰ পিছতেই গ্যেটেৰ 'ফাউষ্ট্' পাশ্চাত্য-জগতৰ সৰ্বশ্ৰেষ্ঠ গুটীয়া কবিতাৰূপে স্বীকৃত। এ'মাৰ্ছনৰ মতে তেওঁ সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ লেখক। কাৰ্লাইলে গ্যেটেৰ বিষয়ে কৈছিল: "To that man there was given what we may call a life in the Divine Idea of the world; vision of the inward divine mystery: and strangely, out of his books, the world rises imaged once more as godlike, the workmanship and temple of a god, illuminated all, not in fierce impure fire-splendour as of Mahomet, but in mild celestial radiance; really a prophecy in these most prophetic times; to my mind by far the greatest, though one of the quietest, among all the great things that have come to pass in them.—" মেথ্যু আৰ্ণল্ডৰ বিখ্যাত প্ৰশস্তিও এই প্ৰসংগত স্মৰণীয়:

When Goethe's death was told, we said:
Sunk then, is Europe's sagest head.
Physician of the iron age,
Goethe has done his pilgrimage.
He took the suffering human race,
He read each wound, each weakens clear;
And struck his finger on the place,
And said: Thou ailest here, and here!

He looked on Europe's dying hour
Of fitful dream and feverish power;
His eye plunged down the weltering strife,
The termoil of expiring life—
He said: The end is everywhere;
Art still has truth, take refuge there!
And he was happy, if to know
Causes of things, and far below
His feet to see the lurid flow
Of terror, or insane distress,
And headlong fate, be happiness.

গ্যেটেৰ পৰিচয় ইমানতেই শেষ নহয়। য়ুৰোপৰ নব-জাগৰণে যি 'পূৰ্ণ মানৱ'ৰ আদৰ্শ ডাঙি ধৰিছিল, সেই অৰ্থত গোটে আছিল এজন 'পূৰ্ণ মানৱ'। তেওঁ আছিল একাধাৰে কবি, ৰাজ-বিষয়া, নাট্যকাৰ, ঔপন্যাসিক, বিজ্ঞানী, চিত্ৰকৰ আৰু সংগীত-ৰসিক। বিশ্ব-সাহিত্যৰ ইতিহাসত কবি হিচাপে অমৰত্ব অৰ্জন কৰা এই অসাধাৰণ মানুহজনে বিজ্ঞানৰ ক্ষেত্ৰতো এনে কেইটামান যুগান্তকাৰী আবিষ্কাৰ কৰি থৈ গৈছে যে ডাৰউইনে সম্পূৰ্ণতা দান কৰা বিৱৰ্তন-বাদৰ তেওঁকেই প্ৰথম জনক বুলি কোৱা হয়। তেওঁ কেৱল পূৰ্ণ মানৱেই নাছিল, তেওঁ আছিল প্ৰকৃত অৰ্থত এজন বিশ্বমানৱ। তেওঁ কোনো ভৌগোলিক, সাংস্কৃতিক আৰু ৰাষ্ট্ৰীয় সীমান্ত স্বীকাৰ নকৰিছিল, সংকীৰ্ণ দেশপ্ৰেম আৰু জাতীয়তাবাদক তেওঁ ঘৃণা কৰিছিল, তেওঁৰ দূৰাভিসাৰী মনৰ বিচৰণ-ক্ষেত্ৰ আছিল সমগ্ৰ বিশ্ব আৰু সমস্ত ইতিহাস। তেৱেঁই প্ৰথম 'বিশ্ব-সাহিত্য'ৰ ধাৰণাৰ জন্ম দিছিল। কেৱল এটা জীৱনৰ গাইগুটীয়া সাধনাৰে তেওঁ য়ুৰোপীয় মানসক প্ৰাচীন গ্ৰীক্ মানসিকতা আৰু মধ্যযুগীয় মানসিকতাৰপৰা আধুনিক কালত উত্তীৰ্ণ কৰি থৈ গৈছিল।" আজিৰপৰা ডুশবছৰৰ আগতেই তেওঁ কেনেকৈ বিশ্ব-নাগৰিকত্বৰ আদৰ্শ প্ৰচাৰ কৰিছিল

সেই কথা ভাবিলে আবেগত শিহৰিত নোহোৱাকৈ থাকিব নোৱাৰি। নেপোলিয়নৰ বিৰুদ্ধে জাৰ্মানীৰ সৰু সৰু ৰাষ্ট্ৰবোৰ যুদ্ধত লিপ্ত থকাৰ সময়ত তেওঁ জাৰ্মান দেশপ্ৰেমৰ গান ৰচনা নকৰাৰ কাৰণ দৰ্শাই কৈছিল: "নিজৰ অন্তৰত ঘৃণা অনুভৱ নকৰাকৈ ঘৃণাৰ গান মই কেনেকৈ ৰচনা কৰিব পাৰো? জাতীয়তাবাদী ঘৃণা এটা অতি অদ্ভুত বস্তু। নিম্নতম পৰ্যায়ৰ সংস্কৃতিহে এনে ধৰণৰ ঘৃণা প্ৰবলতম আৰু হিংস্ৰতম ৰূপত প্ৰকাশ পায়। সাংস্কৃতিক বিকাশৰ এটা বিশেষ স্তৰত এই ঘৃণাৰ ভাব সমূলি নোহোৱা হৈ যায়। তেতিয়া মানুহে জাতীয়তাৰ সীমা অতিক্ৰম কৰি তাৰ উৰ্দ্ধত ঠিয় হয় আৰু সকলো প্ৰতিবেশী মানুহৰ দুখ-বেদনা নিজৰ ব্যক্তিগত দুখ-বেদনা বুলি অনুভৱ কৰে। সাংস্কৃতিক বিকাশৰ এই স্তৰটোহে মোৰ নিজৰ প্ৰকৃতিৰ লগত খাপ খায়।"

কবি, বিজ্ঞানী, দাৰ্শনিক আৰু মানৱ-তন্ত্ৰী হিচাপে ইয়েই আছিল গ্যেটেৰ পৰিচয়। কিন্তু এই পৰিচয়ো সম্পূৰ্ণ নহয়। তেওঁ আছিল প্ৰায় অলৌকিক প্ৰতিভাৰ অধিকাৰী। মাত্ৰ সাত বছৰ বয়সতে তেওঁ ছটা বিদেশী ভাষা আয়ত্ত কৰিছিল। বিজ্ঞানৰ বিভিন্ন ক্ষেত্ৰত সমস্ত জীৱন ধৰি তেওঁ যি অক্লান্ত অনুশীলন চলাইছিল, তাৰো সূচনা হৈছিল তেওঁৰ বাল্যকালতেই। তেওঁৰ বিপুল ৰচনা-ৰাজি গ্ৰন্থবদ্ধ কৰিবলৈ বৃহৎ কলেবৰৰ ১৫০টা খণ্ডৰ প্ৰয়োজন হৈছে। মধ্যযুগীয় য়ুৰোপৰ ফাউষ্টৰ ৰূপক কাহিনীয়ে তেওঁৰ লেখনীত এনে এক গভীৰ দাৰ্শনিক আৰু আধ্যাত্মিক ৰূপ পৰিগ্ৰহ কৰিলে যে আজি সি য়ুৰোপীয় মানসৰ চিৰন্তন প্ৰতীকত পৰিণত হৈছে। অলৌকিক প্ৰতিভাৰ যাদু-দণ্ডেৰে গ্যেটেই এনে এখন বিশাল বিশ্ব নিৰ্মাণ কৰিছিল। কিন্তু তথাপিতো কোৱা হয় যে গ্যেটেৰ সৰ্বশ্ৰেষ্ঠ সৃষ্টি তেওঁৰ বিপুল-বিচিত্ৰ ৰচনাৰাজি নহয়, তেওঁৰ সৰ্বশ্ৰেষ্ঠ সৃষ্টি হ'ল তেওঁৰ জীৱন। বস্তুতঃ শিল্প, সাহিত্য, বিজ্ঞান আদি মানৱিক সাধনাৰ বিভিন্ন ক্ষেত্ৰত অসামান্য প্ৰতিভাৰ পৰিচয় দিয়া

মানুহ পৃথিৱীত বহুতো ওলাইছে, কিন্তু নিজৰ জীৱনটোকে এক সুসংহত আৰু অনুপম শিল্প-কৰ্মত পৰিণত কৰিবলৈ গ্যেটেৰ দৰে অনলস সাধনা কৰা মানুহ পৃথিৱীত বিৰল। এজন পণ্ডিতে এই বিষয়ে মন্তব্য কৰি লেখিছে: "গ্যেটেৰ সৰ্বশ্ৰেষ্ঠ মাষ্টাৰপিছ্ আছিল গ্যেটে নিজেই। তেওঁৰ চৰিত্ৰ ত্ৰুটিপূৰ্ণ আছিল, কিন্তু ই আছিল এটা শিল্প-কৰ্ম। তেওঁৰ জীৱন আছিল প্ৰায়েই অসহনীয়ভাৱে অসুখী, কিন্তু ই আছিল এক অদ্বিতীয় সিদ্ধি। তেওঁৰ বিশাল আৰু বিচিত্ৰ প্ৰতিভাই দুৰন্ত বনৰীয়া ঘোঁৰাৰ নিচিনাকৈ একেসময়তে তেওঁক চাৰিওফালে টানিছিল, প্ৰচণ্ড আবেগৰ তাড়নাত ছিন্ন-ভিন্ন হোৱাৰ সম্ভাৱনাৰ দ্বাৰা আতংকিত হৈ তেওঁ গোটেই জীৱন ধৰি নিজৰ ব্যক্তিত্বৰ মূল কেন্দ্ৰ-বিন্দুৰ অন্বেষণ কৰিছিল। যি কেন্দ্ৰ-বিন্দু বা secret nodeত তেওঁৰ সকলো সংঘাতে সমন্বয় লাভ কৰিব, তাৰ সন্ধানেই আছিল গ্যেটেৰ জীৱনৰ ঐকান্তিক লক্ষ্য। এই লক্ষ্যৰ সন্ধানতে তেওঁ মনৰ অন্ধকাৰ মহাদেশত এনে নতুন নতুন পথ মুকলি কৰিছিল—যিবোৰ পথেদি আগবাঢ়ি এক শতাব্দীৰ পিছত ফ্ৰয়ড্ আৰু য়ুঙে তেওঁলোকৰ মহত্তম আৱিষ্কাৰবোৰ কৰিব পাৰিছিল।"

সকলো সংঘাতৰ সমন্বয় ঘটাই জীৱনত প্ৰশান্তি আৰু ভাৱ-সাম্য বিচাৰি পাবলৈ গ্যেটেই উপায় বিচাৰি পাইছিল দুটা: জ্ঞান আৰু কৰ্মৰ সমন্বয় আৰু দ্বিতীয়তে শিল্প-সৃষ্টি। তেওঁ বাৰে বাৰে নিজকে আৰু আনকো উপদেশ দিছিল: "মানুহে নিজকে কেনেকৈ জানিব পাৰে? কেতিয়াও চিন্তাৰ দ্বাৰা নহয়; কেৱল কামৰ দ্বাৰাহে মানুহে নিজকে জানিব পাৰে। নিজৰ কৰ্তব্য কৰিবলৈ চেষ্টা কৰা, তেতিয়াই তুমি নিজৰ আচল মূল্য জানিব পাৰিবা।" তেওঁৰ মহাকাব্য ফাউষ্টৰো শেষ শিক্ষা হ'ল সেইটোৱেই; সুদীৰ্ঘ জীৱনৰ অন্তহীন ৰক্তাক্ত অভিজ্ঞতাৰ মাজেদি পাৰ হৈ এশবছৰীয়া অন্ধ বৃদ্ধ ফাউষ্টে অৱশেষত কামৰ মাজত জীৱনৰ অৰ্থ আৰু শান্তি বিচাৰি পাইছে।

তেওঁ মথাউৰি বান্ধি সাগৰৰপৰা নতুন নতুন মাটি উলিয়াইছে আৰু সেই মাটিত মানুহৰ নতুন বসতি স্থাপন কৰিছে। (ইয়াৰ এটা প্ৰতীকী অৰ্থও আছে ; সেইটো হ'ল নিশ্চেতনাৰ গৰ্ভৰপৰা অবিৰতভাৱে চেতনাক উদ্ধাৰ কৰা। ) সাগৰৰ উদ্দাম জলৰাশিয়ে হয়তো বাৰে বাৰে মথাউৰি ভাঙি সেই মাটিক পুনৰ গ্ৰাস কৰিব, কিন্তু মানুহেও অদম্য সাহসেৰে সাগৰৰ বিৰুদ্ধে যুঁজ কৰিয়েই থাকিব। মানুহ কোনোদিনেই নিৰাপদ নহয় ; কিন্তু নিজৰ কামৰ মাজত মানুহ সদায় মুক্ত আৰু সুখী। এই ফাউষ্টিয়ান স্পিৰিটেই হ'ল ইউৰোপীয় মানসৰ অবিৰাম কৰ্মোন্মাদনাৰ মূল ৰহস্য। মৃত্যুৰ আগমুহূৰ্তত ফাউষ্টে ঘোষণা কৰিছে :

A marshland flanks the mountainside,
Infecting all that we have gained ;
Our gain would reach its greatest pride.
If all this noisome bog were drained.
I work that millions may possess this space,
If not secure, a free and active race.
Here man and beast, in green and fertile fields,
Will know the joys that new-won region yields,
Will settle on the firm slopes of a hill
Raised by a bold and zealous people's skill.
A paradise our closed-in land provides,
Though to its margin rage the blustering tides ;
When they eat through, in fierce devouring flood,
All swiftly join to make the damage good.
Ay, in this thought I pledge my faith unswerving,
Here wisdom speaks its final word and true,

None is of freedom or of life deserving
Unless he daily conquers it anew.
With dangers thus begirt, defying fears,
Childhood, youth, age shall strive through
strenuous years.
Such busy, teeming throngs I long to see,
Standing on freedom's soil, a people free.
Then to the moment could I say :
Linger you now, you are so fair!
Now records of my earthly day
No flight of aeons can impair—
Foreknowledge comes, and fills me with such
bliss,
I take my joy, my highest moment this.

( ফিলিপ ওৱেইনৰ অনুবাদ )

বিজ্ঞান বা প্রযুক্তি-বিদ্যাই পাশ্চাত্য জগতৰ কৃতকাৰ্যতাৰ ঘাই কাৰণ নহয়, ঘাই কাৰণ হ'ল ইউৰোপৰ প্ৰমিথিয়ান বা ফাউষ্টিয়ান স্পিৰিট। প্ৰসংগত, প্ৰমিথিউছৰ মুখেদিও গ্যেটেই এটি সৰু কবিতাত কোৱাইছে ( গিয়ৰ্গ ব্ৰাণ্ডেছৰ মতে গ্যেটেৰ 'প্ৰমিথিউছ' বিশ্ব-সাহিত্যৰ শ্ৰেষ্ঠতম বিপ্লবী কবিতা—ৰাজনৈতিক বা সামাজিক অৰ্থত নহয়—নৈতিক অৰ্থত ) ঃ

"জিউছ, বাষ্পীয় মেঘেৰে তুমি আকাশখন ঢাকি ধৰা, আৰু সৰু ল'ৰাই জোপোহা গছবোৰৰ আগবোৰ মুচৰি পেলোৱাৰ দৰে তুমিও ওক্ গছ আৰু গিৰি-শৃংগবোৰৰ ওপৰত তোমাৰ সৰ্বশক্তি প্ৰয়োগ কৰা ; তথাপিও তুমি মোৰ পৃথিৱীখনৰ নোম এডালকে ল'ব নোৱাৰা ; 'মোৰ যিটো পঁজা-ঘৰ তুমি সাজি দিয়া নাই সিও একেই থাকিব ; আৰু মোৰ জুইশালৰ যি মধুৰ উত্তাপে তোমাৰ বুকুত ঈৰ্ষাৰ পোৰণি তোলে তাৰো তুমি একো ক্ষতি সাধিব নোৱাৰা।

"এই বিশ্ব-চৰাচৰত তোমালোক দেৱতাবোৰতকৈ ক্ষুদ্ৰতৰ আন

কোনো বস্তুৰ অস্তিত্ব মই নাজানো। তোমালোক দুৰ্ভগীয়া, পূজা-পাতল আৰু প্ৰাৰ্থনাৰ বতাহ খাই তোমালোকৰ মাহাত্ম্য পুষ্ট হয়, আৰু আশাপূৰ্ণ হৃদয়ৰ শিশু আৰু ভিক্ষাৰীৰ নিচিনা মূৰ্খবোৰ নথকা হ'লে তোমালোক অনাহাৰত মৰিলাহেঁতেন।

"মই যেতিয়া এটা সৰু ল'ৰা হৈ আছিলো, তেতিয়া কি বিচাৰি কোনফালে মুখ ঘূৰাম সেই কথা জনা নাছিলো। মই তেতিয়া মোৰ বিপথে পৰিচালিত চকু দুটা সূৰ্যৰ ফালে তুলি ধৰিছিলো; ভাবিছিলো যে তাৰ সিপাৰেই এখন কাণ আছে যি মোৰ আব্দাৰ-বোৰ শুনিব, মোৰ নিজৰ হৃদয়ৰ নিচিনাই এনে এখন হৃদয় আছে যি মোৰ বেদনাত সহানুভূতি জনাব।

"মদগৰ্বী দেৱতাবোৰৰ বিৰুদ্ধে মোক কোনে সহায় কৰিছিল? মৃত্যু আৰু দাসত্বৰপৰা মোক কোনে ৰক্ষা কৰিছিল? অ' মোৰ পবিত্ৰ উজ্জ্বল হৃদয়, তুমি নিজেই তোমাৰ নিজৰ কাৰণে এই সকলোখিনি কৰা নাছিলানে? আৰু তোমাৰ যৌৱন-সুলভ সদিচ্ছা-পূৰ্ণ ভুল-ভ্ৰান্তিৰ মাজত তোমাৰ মুক্ত বা পৰিত্ৰাণৰ কাৰণে উৰ্দ্ধত বিৰাজ কৰা সেই চিৰসুপ্তজনৰ প্ৰতি কৃতজ্ঞতাত তোমাৰ হৃদয় উচ্ছ্বসিত হৈ উঠা নাছিলনে?

"তোমাক সন্মান কৰো, মই? যি বেদনাই মোক পাষাণ-ভাৰৰ দৰে পিষ্ট কৰিছিল তাৰ সামান্য উপশম ঘটাবলৈ তুমি কেতিয়াবা চেষ্টা কৰিছিলানে? আতংকত যেতিয়া মোৰ চকু ফাটি পানী ওলাই-ছিল তুমি তাক কেতিয়াবা শুকুৱাই দিছিলানে? যি সৰ্বশক্তিমান কাল নিয়তি মোৰ আৰু তোমাৰো প্ৰভু, একমাত্ৰ সিয়েই মোক মানুহত পৰিণত কৰা নাছিলনে?

"বোধহয় তুমি ভাবিছিলা যে মই এই জীৱনটোক ঘিণ কৰি অৰণ্যলৈ পলাই যোৱা উচিত আছিল, কাৰণ মোৰ সকলোবোৰ সপোন দিঠকত পৰিণত নহ'ল!

"কিন্তু চোৱাঁ, মই ইয়াতেই বহি আছো। নিজৰ আৰ্হিতেই মই

মানুহ সৃষ্টি কৰিছো। মই এনে মানুহ সৃষ্টি কৰিছো—যি মানুহ ঠিক মোৰেই নিচিনা হব, যি মানুহে কান্দিব আৰু যন্ত্ৰণা ভুগিব, আনন্দ আৰু উল্লাস অনুভৱ কৰিব, আৰু ঠিক মোৰেই নিচিনাকৈ তোমাক অকণো পৰোৱাই নকৰিব !"

গ্যেটেই যি মানুহৰ বন্দনা কৰিছে সেই মানুহ কেনেকুৱা ? মানুহ কেনেকুৱা হোৱাটো তেওঁ বিচাৰে ?

"মানুহ মহৎ, উদাৰ আৰু সৎ হওক। কাৰণ কেৱল ইয়েই আমি জনা আন সকলো প্ৰাণীৰপৰা মানুহক পৃথক কৰিছে।

"আমি বন্দনা: কৰোহক সেইসকল. উচ্চতৰ সত্তাক—যিসকলক আমি নাজানো, কেৱল তেওঁলোকৰ অস্তিত্ব অনুমান কৰি ল'ব পাৰো। মানুহ তেওঁলোকৰ নিচিনাই হওক; সেইসকল উচ্চতৰ সত্তাৰ অস্তিত্বত বিশ্বাস কৰিবলৈ মানুহৰ উদাহৰণেই আমাক শিক্ষা দিয়ক।

"প্ৰকৃতিৰ কোনো অনুভব শক্তি নাই: সূৰ্যই ভাল-বেয়া সকলোৰে ওপৰত সমানে পোহৰ দিয়ে; জোন আৰু তৰাৰ উজ্জ্বলতা পাপী আৰু পুণ্যাত্মা সকলোৰে চকুত সমানে ধৰা দিয়ে।

"বতাহ-বৰষুণ, ধুমুহা-ঢেৰেকনিয়ে গৰ্জন কৰি কৰি নিজৰ বাটত আগুৱাই যায় আৰু নিৰ্বিচাৰে সকলোকে আলিংগন কৰে।

"ঠিক সেইদৰে ভাগ্যয়ো কণামুনাকৈ মানুহৰ জুমত সোমাই পৰে আৰু এবাৰ এটা নিষ্পাপ শিশুৰ কেকোৰা চুলিত, আন এবাৰ দুৰাত্মা পাপীৰ টপা মূৰত হাতেৰে খামুচি ধৰে।

"আমি সকলোৱেই বিশ্ব-বিধানৰ মহৎ, চিৰন্তন আৰু আমাৰ নিয়ম পালন কৰি নিজৰ অস্তিত্বৰ চক্ৰ সম্পূৰ্ণ কৰিবই লাগিব।

"একমাত্ৰ মানুহেই অসম্ভৱক সম্ভৱ কৰিব পাৰে: তেওঁ ইটোৰ পৰা সিটোক পৃথক কৰি চিনি পাব পাৰে, বাছি লব পাৰে, বিচাৰ কৰিব পাৰে। একমাত্ৰ মানুহেই মুহূৰ্তক শাশ্বত কৰিব পাৰে।

"একমাত্ৰ মানুহেই সতৰ্কক পুৰস্কৃত কৰিব পাৰে, অসতৰ্কক শাস্তি দিব পাৰে, নিৰাময় আৰু ত্ৰাণ কৰিব পাৰে, এনি-তেনি বিক্ষিপ্ত

আৰু বিচ্ছুৰিত হোৱা সকলো বস্তুকে উদ্দেশ্যপূৰ্ণভাবে গ্ৰথিত কৰিব পাৰে।

"অমৰ দেৱতাসকলক মানুহৰ ৰূপতেই আমি পূজা কৰো; মানুহৰ ভিতৰত সৰ্বশ্ৰেষ্ঠজনেও যিটো কাম অতি সামান্য ৰূপতহে কৰিব পাৰে বা কৰিব খোজে তাকো মানুহে মহৎ ৰূপত সমাধা কৰিব পাৰে।

"যি মানুহ মহৎ তেওঁ উদাৰ আৰু সৎ হওক। সৎ আৰু শুভ কাৰ্য সমাধা কৰিবলৈ তেওঁ এনে অক্লান্তভাৱে চেষ্টা কৰক—যাতে আমি কল্পনা কৰা দেৱতাসকলক আমি যেন মানুহৰ আৰ্হিতেই সৃষ্টি কৰিব পাৰো।"

* * *

মানুহক এনেভাৱে মহিমামণ্ডিত আৰু জীৱনক এনেভাৱে সৌন্দৰ্য-মণ্ডিত কৰিছিল গ্যেটেই; তেওঁ আছিল মানৱ জাতিৰ মহত্তম শিক্ষক আৰু মুক্তিদাতাসকলৰ ভিতৰত অন্যতম।

সেই গ্যেটেক তেওঁৰ সত্তৰবছৰ বয়সত কোনোবা এজনে প্ৰশ্ন কৰিছিল: "আপোনাৰ জীৱনৰ ওপৰত আটাইতকৈ কাৰ বেছি প্ৰভাৱ পৰিছে?" এক মুহূৰ্তও চিন্তা নকৰাকৈ গ্যেটেই লগে লগে উত্তৰ দিছিল: "শ্বেক্সপীয়েৰ আৰু চাৰ্লট ফন্ ষ্টেইন্।"

শ্বেক্সপীয়েৰ! খুব সহজেই সেই কথা বুজিব পাৰি। শ্বেক্সপীয়েৰৰ বিনিময়ত বেলি মাৰ নোযোৱা বৃটিছ সাম্ৰাজ্যকে বিসৰ্জন দিবলৈ প্ৰস্তুত আছিল কাৰ্লাইল। যি-কোনো শিক্ষিত আৰু সভ্য মানুহেই কাৰ্লাইলৰ সেই অনুভূতিৰ অংশীদাৰ হ'ব পাৰিব। উইল ডুৰাণ্টৰ ভাষাতে—"On every page of Shakespeare is a god-like energy of soul; and for that we will forgive a man anything. Life is beyond criticism; and Shakespeare is more alive than life."—গ্যেটেৰ চকুত শ্বেক্সপীয়েৰ আছিল দেৱতা। সমগ্ৰ জীৱন ধৰি তেওঁ শ্বেক্সপীয়েৰৰ ৰস-সমুদ্ৰত নিমজ্জিত হৈ আছিল। ১৭৭৩ চনত গ্যেটেই তেওঁৰ

চৌবিশ বছৰ বয়সত 'গোয়েটছ্ ফন্ বেৰ্লিখিঙ্গেন্' নামৰ যিখন নাটক লেখি প্ৰথম উল্লেখযোগ্য সাহিত্যিক খ্যাতি অৰ্জন কৰিছিল সেইখনো আছিল শ্বেক্সপীয়েৰৰ দুৰ্বল অনুকৰণ মাত্ৰ।

কিন্তু চাৰ্লট্ ফন্ ষ্টেইন্? কোন সেই তিৰোতা—যিগৰাকীয়ে গ্যেটেৰ নিচিনা মহাকবিৰ জীবন আৰু কাব্য-সাধনাত শ্বেক্সপীয়েৰৰ সমানেই প্ৰভাব বিস্তাৰ কৰিব পাৰিছিল? সাহিত্য আৰু শিল্পৰ ইতিহাসত আমি এনে বহুতো তিৰোতাৰ নাম পাওঁ, যিসকলে প্ৰত্যক্ষভাৱে শিল্পী-সাহিত্যিকৰ জীৱনত গভীৰ প্ৰভাব পেলাইছে বা প্ৰেৰণাৰ উৎস হিচাপে কাম কৰিছে। কিন্তু শিল্প-সাহিত্যৰ ইতিহাসত এনে তিৰোতা নিশ্চয় বিৰল—বোধহয় দ্বিতীয় এগৰাকী নায়েই—গ্যেটেৰ নিচিনা বিৰাট প্ৰতিভাসম্পন্ন কবিৰ জীৱনত যাৰ প্ৰভাব শ্বেক্সপীয়েৰৰ সমতুল্য। এই প্ৰসংগতে এই কথাও স্মৰ্তব্য যে গ্যেটেৰ আঠত্ৰিশ বছৰ বয়সতেই চাৰ্লটৰ লগত তেওঁৰ সকলো সম্পৰ্কৰ ওৰ পৰিছিল। তাৰ পিছতো গ্যেটেৰ জীৱনলৈ বহুতো তিৰোতা আহিছিল; আনকি তেওঁ বিয়াও কৰিছিল; তথাপি তেওঁ সত্তৰবছৰ বয়সত অৰ্থাৎ চাৰ্লটৰ লগত চিৰ-বিচ্ছেদ হোৱাৰ বিয়াল্লিশ বছৰৰ পিছত পৰম কৃতজ্ঞতাৰে চাৰ্লটৰ কথা স্মৰণ কৰি ক'ব লগা হৈছিল যে তেওঁৰ জীৱনত শ্বেক্সপীয়েৰৰ লগতে একেশাৰীতেই তেওঁৰ একালৰ প্ৰণয়িনী চাৰ্লট ফন্ ষ্টেইনৰো স্থান। পৃথিৱীৰ খুব কম তিৰোতা, খুব কম প্ৰেমিকাইহে এনে শ্ৰদ্ধা আৰু স্বীকৃতি লাভ কৰিছে।

গ্যেটে ৮৩ বছৰ জীয়াই আছিল, আৰু এই সুদীৰ্ঘ জীৱনত তেওঁ বহুতো তিৰোতাৰ প্ৰেমত পৰিছিল। সেইসকলৰ ভিতৰত অন্ততঃ ওঠৰ গৰাকীৰ নাম, পৰিচয় আৰু আনুপূৰ্বিক ঘটনা বিশদভাৱে জনা যায়। অৱশ্যে তাৰ কাৰণে কোনো গবেষণাৰ প্ৰয়োজন হোৱা নাই। গ্যেটেই নিজেই কৈ গৈছে যে তেওঁৰ বিপুল পৰিমাণৰ সমস্ত ৰচনা-ৰাজি আছিল 'fragments of a great confession'। জীৱনৰ প্ৰতিটো সৰু বৰ ঘটনা আৰু অভিজ্ঞতাৰ বিবৰণ তেওঁ এনেভাৱে

লিপিবদ্ধ কৰি থৈ গৈছে যে গ্যেটেৰ বিষয়ে আমি যিমান কথা জানো, পৃথিবীৰ আন কোনো লেখকৰ বিষয়েই সিমান কথা নাজানো। গ্যেটেই তেওঁৰ প্ৰত্যেকটো প্ৰেমৰ অভিজ্ঞতাকে কাব্য-সৃষ্টিৰ উপকৰণ হিচাপে ব্যৱহাৰ কৰিছিল। তেওঁৰ নাৰী-ঘটিত অভিজ্ঞতা সকলো সময়তে সুখকৰ নাছিল; বেছিভাগ ক্ষেত্ৰতে সি আছিল দুঃসহভাৱে বেদনা-দায়ক। ঈৰ্ষা, বিৰহ, প্ৰত্যাখ্যান, মোহভংগ—প্ৰেমৰ সমস্ত আনুষংগিক যন্ত্ৰণা তেওঁ অতি তীব্ৰভাৱে অনুভৱ কৰিব লগা হৈছিল। কিন্তু এই সমস্ত যন্ত্ৰণাৰপৰা পৰিত্ৰাণৰ পথো তেওঁ বিচাৰি পাইছিল:

"He possessed to an exceptional, even an eccentric degree, the gift of being able to sublimate his emotions, and to rid himself of his most disturbing passions by describing them on paper. Once he had written about his own 'sturm und drang'; it ceased to worry him and he resumed the wonderful intellectual and emotional quietude that has rendered him one of the mightiest and most comforting of human influences." (*The Age of Reason: Harold Nicolson*) গ্যেটেৰ বহু বছৰৰ পিছত লুইজি পিৰান্‌ডেলোৱেও জীৱনৰপৰা এই শিক্ষাই পাইছিল আৰু আনকো দিছিল: "জীৱনত মাত্ৰ দুটাই কৰিবলগীয়া কাম আছে; হয় জীৱনটো যাপন কৰিবা, নহয় জীৱনৰ বিষয়ে লেখিবা।'

গ্যেটেই তেওঁৰ মহাকাব্য 'ফাউষ্ট'ৰ সামৰণি মাৰিছে এইকেইটা বাক্যেৰে:

All that is transient
Is but reflection;
The insufficient
Here finds perfection:

What never could be said,
Here it is done ;
Eternal womanhead
Summons us on.

তিৰোতাৰ প্ৰতি গোটেৰ এই সপ্ৰেম সশ্ৰদ্ধ মনোভাবৰ মূলতে আছিল তেওঁৰ এই গভীৰ বিশ্বাস যে একমাত্ৰ তিৰোতাৰ প্ৰেম আৰু সৌন্দৰ্যই মানুহক শক্তি দিয়ে, মানুহক সভ্য কৰে ; তেওঁ এই কথাও বিশ্বাস কৰিছিল যে একমাত্ৰ প্ৰেমেই পৃথিৱীখনক অৰ্থপূৰ্ণ কৰি তোলে ; অসাধাৰণ আত্ম-সংযমেৰে নিজৰ জীৱনটো কঠোৰভাৱে নিয়ন্ত্ৰিত কৰি গ্যেটেই আদৰ্শ জীৱন-যাপনৰ মহত্তম শিক্ষা মানুহক দি গৈছে, কিন্তু জীৱনৰ প্ৰায় শেষ দিন পৰ্যন্ত তেওঁ স্বেচ্ছাই প্ৰেমৰ ৰক্তাক্ত বেদনাৰ ওচৰত আত্ম-সমৰ্পণ কৰিছে। এই প্ৰেমেই তেওঁৰ জীৱনলৈ repeated puberty আনিছিল, তেওঁক চিৰসৃষ্টিশীল কৰি ৰাখিছিল, জীৱনটোক তেওঁৰ চকুত চিৰ-নতুন আৰু ৰহস্যময় কৰি ৰাখিছিল। তিৰোতাৰ দ্বাৰা নিৰ্মমভাৱে প্ৰত্যাখ্যাত হৈ সমস্ত জীৱন ধৰি নীৎসেই তিৰোতাক এনেভাৱে ঘিণ কৰিছিল যে অৱশেষত তেওঁ মানুহক উপদেশ দিছিল : "তিৰোতাৰ ওচৰলৈ যাওঁতে হাতত এডাল সোকা নিবলৈ নাপাহৰিবা।" সেই নীৎসেয়ো প্ৰেমৰ বিষয়ে কৈছিল : "আমি জীৱন-যাপনত অভ্যস্ত ; কেৱল সেই কাৰণেই আমি জীৱনটো ভাল নাপাওঁ। আমি জীৱনটো ভাল পাওঁ এই কাৰণেই যে আমি প্ৰেমত অভ্যস্ত। সকলো ধৰণৰ প্ৰেমতেই কিছু উন্মাদনা আছে ; কিন্তু এই কথাও সত্য যে সকলো ধৰণৰ উন্মাদনাতেই আছে কিছু যুক্তি।" ডেভিদ লুকৰ মতে নীৎসেৰ এই উক্তিটোকেই গ্যেটেৰ এপিটাফ্ হিচাপে ব্যৱহাৰ কৰিব পাৰি।

গ্যেটেৰ জীৱনলৈ বহুতো তিৰোতা আহিছিল। তেওঁৰ যেতিয়া মাত্ৰ পোন্ধৰ বছৰ বয়স, তেতিয়াই তেওঁ গ্ৰেৎচেন্ নামৰ এজনী ছোৱালীৰ প্ৰেমত পৰিছিল। এই ছোৱালীজনীৰ স্মৃতিতেই তেওঁ

'ফাউষ্ট'ৰ প্ৰথম খণ্ডৰ সৰল-হৃদয়া মধুৰ স্বভাৱা নায়িকাৰ নাম ৰাখিছিল গ্ৰেৎচেন। সৰ্বশেষবাৰৰ কাৰণে তেওঁ প্ৰেমত পৰিছিল উল্‌ৰিকে ফন্ লেভেট্‌জউ নামৰ এজনী ওঠৰবছৰীয়া ছোৱালীৰ। তেতিয়া গ্যেটেৰ বয়স ৭৪ বছৰ। সেই ছোৱালীজনীক বিয়া কৰিবলৈ তেওঁ প্ৰায় উন্মাদ হৈ পৰিছিল। গ্যেটেৰ পৃষ্ঠপোষক ৱাইমাৰৰ ডিউক কাৰ্ল আউগুস্তৰ আন্তৰিক ঘটকালি স্বত্বেও সেই বিয়া সম্ভৱ নহ'ল। নিস্ফল প্ৰত্যাখ্যাত প্ৰেমৰ এই অভিজ্ঞতাক অৱলম্বন কৰি গ্যেটেই লেখিলে 'মেৰিয়েনবাদ ইলিজি' নামৰ এটা কবিতা—বিশ্ব-সাহিত্যৰ এটি সৰ্বোত্তম চণ্ডোন্মাদী প্ৰেমৰ কবিতা। গ্যেটেৰ পোন্ধৰ বছৰ বয়সৰ কশোৰ-প্ৰেম গ্ৰেৎচেন আৰু চৌসত্তৰ বছৰ বয়সৰ বৃদ্ধ-প্ৰেম উল্‌ৰিকে—এই দুয়োটা ঘটনাৰ মাজত তেওঁৰ জীৱনলৈ আহিল ফ্ৰিয়েড্‌ৰিকে ব্ৰিয়ঁ, যাক তেওঁ বিয়া কৰিম বুলিও প্ৰতাৰণা কৰিলে আৰু ফলত সমস্ত জীৱন ধৰি ভোগ কৰিলে 'guiltless guilt'ৰ যন্ত্ৰণা ( শ্বিলেৰৰ বিখ্যাত উক্তি এই প্ৰসংগত স্মৰ্তব্য : "The greatest tragedy of life is to be guilty without true guilt" ); আনৰ বাগদত্তা চাৰ্লট্টি বাফ—যাৰ লগত হোৱা প্ৰেমৰ অভিজ্ঞতাক কেন্দ্ৰ কৰি তেওঁ লেখিলে 'ডেকা ভেৰ্থেৰৰ বিষাদ' নামৰ অত্যাশ্চৰ্য উপন্যাস—'পেৰুৰপৰা কেথেলৈকে' যিখন উপন্যাসে 'ব্লু প্লেগ' বিয়পাই দিলে আৰু শ শ ডেকাই সেই উপন্যাস পঢ়ি প্ৰেমৰ নামত আত্মহত্যা কৰিলে ; ( গ্যেটেৰ জীৱনৰ এই ঘটনাক অবলম্বন কৰি টমাছ মানে তেওঁৰ Lotte in Weimar নামৰ উপন্যাস ৰচনা কৰিছে ); কেৎচেন্ স্কন্‌কপ্‌ফ্—যাৰ লগত হোৱা প্ৰেমৰ বিষয়ে গ্যেটেই বিশদ বিবৰণ আমালৈ এৰি থৈ গৈছে ; অভিজাত বংশৰ বিদুষী গাভৰু লিলি স্কনেমান—গ্যেটেৰ জীৱনত একমাত্ৰ তিৰোতা, যাৰ লগত বিয়াৰ সকলো বন্দবস্ত সম্পূৰ্ণ হৈছিল, কিন্তু শেষ মুহূৰ্তত বিয়া নকৰি গ্যেটে চুইজাৰলেণ্ডলৈ পলাই গ'ল ; ৱাইমাৰত গ্যেটেৰ দ্বাৰা পৰিচালিত ৰঙ্গমঞ্চত তেওঁৰেই নাটকৰ

সুন্দৰী বিদুষী নায়িকা কৰোণা স্ক'টাৰ—যাক কেন্দ্ৰ কৰি এহাতে গ্যেটেৰ প্ৰেমিকা চাৰ্লট্ ফন্ ষ্টেইন্ আৰু আন হাতে তেওঁৰ পৃষ্ঠ-পোষক কাৰ্ল আউগুস্ত দুয়ো ঈৰ্ষাগ্নিত দগ্ধ হৈছিল; ক্ৰিষ্টিয়েন ভুল্পিয়াছ—যাক ১৭৮৮ চনত গ্যেটেই নিজয় প্ৰণয়িনী হিচাপে গ্ৰহণ কৰি ৱাইমাৰৰ অভিজাত মহলৰ নিন্দাভাজন হৈছিল, গ্যেটেৰ বন্ধু-বান্ধৱে যাক 'গাহৰি-পোৱালি' আৰু মাকে গ্যেটেৰ bed-treasure বুলি অভিহিত কৰিছিল, সুদীৰ্ঘ বিশ বছৰৰ অবিবাহিত যুগ্ম-জীৱনৰ পিছত ১৮০৬ চনত যাক গ্যেটেই পুতেৰ বশবৰ্তী হৈ বিয়া কৰিছিল; মিনা হাৰ্জলিয়েৰ—গ্যেটেৰ বিস্ময়কৰ উপন্যাস Elective Affinitiesৰ নায়িকা, তেওঁৰ বহুতো সুন্দৰতম কবিতাৰ প্ৰেৰণাৰ উৎস, আৰু গ্যেটেৰ নামত প্ৰচলিত বহুতো কবিতাৰ ৰচয়িত্ৰী; মেৰিয়ান্ ফন্ ৱিলেমাৰ—গ্যেটেৰ The West-Eastern Divan নামৰ কবিতা-গুচ্ছৰ নায়িকা; সৰ্বশেষত উল্‌ৰিকে ফন্ লেভেট্‌জউ—যাৰ কথা আগতেই কৈ অহা হৈছে। গ্যেটেৰ সমস্ত জীৱন ধৰি এগৰাকীৰ পিছত এগৰাকীকৈ তিৰোতাৰ মিছিল, তিৰোতাৰ প্ৰেমৰ অবিহনে তেওঁ জীয়াই থাকিব নোৱাৰিছিল, কবিতা লেখিব নোৱাৰিছিল। শ্যেলীৰ নিচিনাকৈ তেৰোঁ যেন বিশ্বাস কৰিছিল:

True love in this differs from gold and clay,
That to divide is not to take away.
Love is like understanding, that grows bright,
Gazing on many truths; 'tis like the light,
Imagination, which from earth and sky,
And from the depths of human fantasy,
As from a thousand prisms and mirrors, fills
The universe with glorious beams, and kills,
Error the worm with many a sun-like arrow,
Of its reverberated lightening. Narrow,

The heart that loves, the brain that
contemplates,
The life that wears, the spirit that creates,
One object and one form, and builds thereby
A sepulchre for its eternity.

*( Epipsychidion )*

প্ৰেম আছিল গ্যেটেৰ আত্মাৰ আহাৰ। বাৰম্বাৰ তেওঁ প্ৰেমত পৰিছিল বাৰম্বাৰ তেওঁ ঘূৰাই পাইছিল জীৱনৰ বসন্ত-ঋতু। এই কথাও সত্য যে বিবাহ-বন্ধনৰ প্ৰতি তেওঁৰ আছিল নিউৰটিক আতংক; কোনো তিৰোতাৰ ওচৰত স্থায়ীভাৱে ধৰা নিদিয়াৰ মাজতেই তেওঁ বিচাৰি পাইছিল বেদনাময় প্ৰেম আৰু লগতে মুক্তিৰ আনন্দ। তেওঁৰ জীৱনলৈ বহুবাৰ বহুতো তিৰোতা আহিছিল, কিন্তু চাৰ্লট্ ফন্ ষ্টেইন্ আহিছিল মাত্ৰ এবাৰ। তেওঁৰ সকলো জীৱনী-লিখকেই আন সকলো তিৰোতাৰ নাম একে উশাহতেই কৈ পেলায়, কিন্তু চাৰ্লট্ ফন্ ষ্টেইনৰ কাৰণে আছুতীয়াকৈ ৰাখে সুকীয়া এটা অধ্যায়। গ্যেটেই নিজেও প্ৰেমৰ অজস্ৰ ৰক্তাক্ত অভিজ্ঞতা অতিক্ৰম কৰি জীৱনৰ শেষ প্ৰান্তত থিয় হৈ ঘোষণা কৰে যে শ্বেক্সপীয়েৰৰ সমানেই তেওঁৰ জীৱনত যাৰ প্ৰভাৱ সৰ্বগ্ৰাসী, সেই তিৰোতাগৰাকী হ'ল চাৰ্লট্ ফন্ ষ্টেইন্।

* * *

গ্যেটেৰ সময়ত জাৰ্মানী বহুতো ক্ষুদ্ৰ উপৰাজ্য বা জমিদাৰীত বিভক্ত আছিল, আৰু তেনে এখন জমিদাৰী ৱাইমাৰৰ ডিউক আছিল ওঠৰবছৰীয়া কাৰ্ল আউগুস্ত। কবি, পণ্ডিত আৰু বিদ্বান লোকসকলক তেওঁ নিজৰ ৰাজসভাত একত্ৰিত কৰিবলৈ চেষ্টা কৰিছিল। ইতি-মধ্যেই গ্যেটেই 'গোয়েটছ্ ফন্ বেৰ্লিখিঙ্গেন্' নাটকৰ নাট্যকাৰ আৰু তৰুণ জাৰ্মানীৰ 'ষ্টুৰ্ম উণ্ড ড্ৰাং' (ধুমুহা আৰু বিক্ষোভ) ভাব-বিপ্লৱৰ নায়কৰূপে বিখ্যাত হৈ পৰিছে। আউগুস্তে গ্যেটেক

ৱাইমাৰলৈ নিমন্ত্ৰণ কৰিলে। গ্যেটেই সেই নিমন্ত্ৰণ ৰক্ষা কৰি ১৭৭৫ চনৰ ৭ নবেম্বৰত ৱাইমাৰত উপস্থিত হ'লগৈ। ই আছিল গ্যেটেৰ জীৱনৰ অন্যতম যুগান্তকাৰী ঘটনা। বাকী সমস্ত জীৱনৰ কাৰণে ৱাইমাৰেই হ'ল তেওঁৰ ঘৰ আৰু কৰ্মক্ষেত্ৰ। ৱাইমাৰক তেওঁ আধুনিক ইউৰোপৰ এথেন্সত পৰিণত কৰিলে।

গ্যেটে ৱাইমাৰত গৈ উপস্থিত হোৱাৰ আঠদিনৰ পিছতেই চাৰ্লট্ ফন্ ষ্টেইনৰ লগত তেওঁৰ দেখা-সাক্ষাৎ হ'ল। চাৰ্লটৰ গিৰিয়েক আছিল ডিউক কাৰ্ল্ আউগুস্তৰ অশ্বশালাৰ ভাৰপ্ৰাপ্ত বিষয়া। সেই-সময়ত চাৰ্লটৰ বয়স হৈছিল তেত্ৰিশ, সাতোটা ল'ৰা-ছোৱালীৰ মাতৃ, কিন্তু তেওঁলোকৰ বিবাহিত জীৱন সুখৰ নাছিল। চাৰ্লট্ ফন্ ষ্টেইন্ আছিল বিদুষী মহিলা। তেওঁ আনকি কবিতাও ৰচনা কৰিছিল। গিৰিয়েকৰ লগত তেওঁৰ কোনো মানসিক মিল নাছিল। অশ্বশালাৰ ৰথীয়া বেৰণ ফন্ ষ্টেইন্ বেছিভাগ সময় নিজৰ ঘোঁৰা, চিকাৰ আৰু আমোদ-প্ৰমোদতেই ব্যস্ত আছিল। আনহাতে চাৰ্লট্ আছিল বিষণ্ণ প্ৰকৃতিৰ, অন্তৰ্মুখী আৰু কাব্যদৰ্শনৰ প্ৰতি অনুৰাগিণী। তেওঁ যথেষ্ট বুদ্ধিমতী আছিল, কিন্তু দেখিবলৈ সুন্দৰী নাছিল। চাৰ্লটে যে সেইসময়ৰ জাৰ্মানীৰ আটাইতকৈ বিখ্যাত আৰু প্ৰতিভাশালী তৰুণ লিখক গ্যেটেৰ নাম শুনিব সেই কথা খুবেই স্বাভাবিক; কিন্তু ৱাইমাৰৰ বিদ্বৎ-সমাজত চাৰ্লটো ইমান সুপৰিচিতা আছিল যে তেওঁক লগ পোৱাৰ আগতেই গ্যেটেয়ো তেওঁৰ নাম শুনিছিল।

গ্যেটে গৈ ৱাইমাৰ পোৱাৰ দুই-এদিনৰ ভিতৰতে ডঃ জিমাৰমান নামৰ তেওঁৰ এজন বন্ধুৱে চাৰ্লট্ ফন্ ষ্টেইনৰ এখন ছিলুৱেট্ (silhouette) আনি তেওঁক উপহাৰ দিলে। সেই সময়ত আলোক-চিত্ৰৰ প্ৰচলন নাছিল, তাৰ পৰিবৰ্তে ব্যৱহাৰ কৰা হৈছিল ছিলুৱেট্। বন্ধুত্ব স্থাপন বা প্ৰেম-নিবেদনৰ কাৰণে ছিলুটেৰৰ আদান-প্ৰদান ওঠৰশতিকাৰ জাৰ্মানীৰ অভিজাত মহলৰ এটা সামাজিক দস্তুৰ আছিল। গ্যেটেই চাৰ্লট্ ফন্ ষ্টেইনৰ ছিলুৱেট-

খনলৈ বহুতপৰ চাই ৰ'ল, তাৰ পিছত মন্তব্য কৰিলে: "সেই আত্মাত বিশ্ব-জগত কেনেকৈ প্ৰতিফলিত হৈছে, সেইটো চাবলৈ পোৱাটো নিশ্চয় এটা বিস্ময়কৰ অভিজ্ঞতা হ'ব।"

গ্যেটেই ৱাইমাৰত ভৰি দিয়াৰ আঁঠদিনৰ পিছতেই সেই বিস্ময়কৰ অভিজ্ঞতা লাভ কৰিবলৈ তেওঁ সুযোগ পালে। চাৰ্লটে তেওঁৰ কচ্ বাৰ্গৰ ক্ষুদ্ৰ প্ৰাসাদত ল'ৰা-ছোৱালীকেইটিৰে সৈতে প্ৰায় নিঃসঙ্গ জীৱন-যাপন কৰিছিল। নিমন্ত্ৰিত হৈ গ্যেটেই তেওঁক দেখা কৰিবলৈ গ'ল, আৰু লগে লগে আৰম্ভ হ'ল তেওঁলোকৰ দহবছৰীয়া বিস্ময়কৰ ৰহস্যময় প্ৰেম। চাৰ্লটৰ বয়স তেতিয়া তেত্ৰিশ, গেট্যেৰ ছাব্বিশ। চাৰ্লটু অসুন্দৰী, গম্ভীৰা আৰু প্ৰবীণা; গ্যেটে গ্ৰীক্ দেৱতাৰ দৰে সুন্দৰ, দুৰন্ত, প্ৰাণোচ্ছল। চাৰ্লটৰ মাজত গ্যেটেই কি দেখিলে, কি পালে, সেই কথা একমাত্ৰ তেৱেঁই জানে, কিন্তু প্ৰথম দৰ্শনতেই গ্যেটেই তেওঁৰ সমস্ত মন-প্ৰাণ চাৰ্লটৰ হাতত সঁপি দিলে। গ্যেটেৰ সকলো জীৱনীকাৰেই এই দেখা-সাক্ষাতক fatal meeting বুলি বৰ্ণনা কৰিছে। চাৰ্লটে গ্যেটেৰ জীৱনৰ গতি-পথ সম্পূৰ্ণভাৱে সলনি কৰি দিলে, এক কথাত কবলৈ গ'লে তেৱেঁই গ্যেটেক গ্যেটে কৰিলে।

গ্যেটেৰ পিছতেই জাৰ্মানীৰ সৰ্বশ্ৰেষ্ঠ কবি ৰাইনাৰ মাৰিয়া ৰিল্‌কেয়ো তেওঁৰ ২৩ বছৰ বয়সত ৩৫ বছৰ বয়সীয়া আৰু আনৰ লগত বিবাহিতা লউ চালোমিক প্ৰথমবাৰৰ কাৰণে লগ পায়েই তেওঁৰ প্ৰেমত পৰিছিল আৰু অনুভৱ কৰিছিল যে "She took him into her arms and gently rocked his soul"। গ্যেটেৰ নিচিনাকৈয়ে ৰিল্‌কেৰ জীৱনলৈকো আৰু বহুতো তিৰোতা আহি-ছিল, কিন্তু গ্যেটেই চাৰ্লটৰ বিষয়ে ভবাৰ দৰে ৰিল্‌কেয়ো জীৱনৰ শেষ মুহূৰ্ত পৰ্যন্ত অনুভৱ কৰি থাকিল যে চালোমিয়েই আছিল তেওঁৰ চিৰ-বাঞ্ছিতা আদৰ্শ নাৰীৰ প্ৰতীক। প্ৰসংগতঃ উল্লেখ কৰি থব পাৰি যে চালোমিৰ বিশবছৰ বয়সতে নীৎসেই তেওঁক লগ পাই

উন্মাদৰ দৰে তেওঁৰ প্ৰেমত পৰিছিল, কিন্তু চালোমিয়ে সেই প্ৰেমৰ প্ৰতিদান দিব নোৱাৰি নীৎসেৰ লগ এৰা দিবলৈ সমগ্ৰ ইউৰোপ টহলি ফুৰিব লগা হৈছিল। চালোমিৰ দ্বাৰা নিষ্ঠুৰভাৱে প্ৰত্যাখ্যাত হৈয়েই নীৎসে ভীষণ নাৰী-বিদ্বেষী হৈ পৰিছিল আৰু পিছলৈ আন সকলোকে উপদেশ দিছিল: "তিৰোতাৰ ওচৰলৈ গ'লে হাতত সোঁকাডাল লৈ যাবলৈ নাপাহৰিবা।" সি যি কি নহওক, গ্যেটেয়ো চাৰ্লটক লগ পায়েই নিশ্চয় অনুভৱ কৰিছিল— "She took him into her arms and gently rocked his soul."

চাৰ্লটে কিন্তু প্ৰায় আক্ষৰিকভাৱেই গ্যেটেক নিজৰ বাহু-বন্ধনত সুমুৱাই লৈ শিশুৰ দৰে তেওঁক দোলা দিবলৈ ধৰিলে। তেওঁ হৈ পৰিল গ্যেটেৰ মাতৃ, শিক্ষয়িত্ৰী, অভিভাবিকা, প্ৰিয়া, সচিবা, সখী। গ্যেটেৰ আছিল অফুৰন্ত প্ৰাণশক্তি আৰু প্ৰতিভা, কিন্তু বনৰীয়া ঘোঁৰাৰ দৰে সি আছিল অনিয়ন্ত্ৰিত। নিজৰ বিচিত্ৰ আৰু বহুমুখী প্ৰতিভাক সুসংহত আৰু সমন্বিত কৰি কেনেকৈ তাক এটা বিশেষ উদ্দেশ্যত কামত লগাব লাগে, সেই শক্তি তেতিয়াও গ্যেটেৰ আয়ত্ত হোৱা নাছিল। চাৰ্লটে গ্যেটেৰ সম্পূৰ্ণ দায়িত্ব নিজৰ হাতত তুলি ল'লে আৰু তেওঁৰ দৈনন্দিন জীৱনৰ প্ৰতিটো খুটি-নাতিকো কঠোৰভাৱে নিয়ন্ত্ৰণ কৰি তেওঁৰ এটা উদ্দেশ্যধৰ্মী ব্যক্তিত্ব গঢ়ি তুলিলে। মফঃস্বলীয়া ফ্ৰেংকফ'ৰ্ট চহৰৰপৰা অহা গ্যেটেই বিদ্বান অভিজাত সমাজৰ আদব-কায়দা ভালকৈ জনা নাছিল, চাৰ্লটে তেওঁক সামাজিক সৌজন্য আৰু সদাচাৰৰ শিক্ষা দিলে। সবাতোকৈ ডাঙৰ কথা— চাৰ্লটে অনিৰ্বচনীয় প্ৰেমৰ আবেগেৰে গ্যেটেৰ কামনাক অপাৰ্থিব দ্যুতিৰে বঞ্জিত কৰি তুলিলে। চাৰ্লটৰ স্নেহচ্ছায়াত গ্যেটেৰ দুৰ্দম অনিয়ন্ত্ৰিত ব্যক্তিত্ব শান্ত আৰু সংহত হ'ল, চাৰ্লটৰ প্ৰেমৰ প্ৰেৰণাত গ্যেটেৰ কল্পনাৰ সোণালী পাখি গজিল, চাৰ্লটৰ কঠোৰ অনুশাসনত গ্যেটেৰ ব্যক্তিত্বই এটা সুষম ৰূপ লাভ কৰিলে। গ্যেটেৰ সমগ্ৰ জীৱনৰ সাধনা আছিল মানসিক উৎকৰ্ষ আৰু চৰিত্ৰ গঠনৰ

সাধনা— bildung—আৰু তেওঁৰ জীৱনলৈ অহা প্ৰত্যেক গৰাকী তিৰোতাকেই তেওঁ এই সাধনাৰ সোপান হিছাপে ব্যৱহাৰ কৰিছিল। তেওঁৰ এই সাধনাত আটাইতকৈ বেছি বৰঙণি যোগাইছিল যিগৰাকী তিৰোতাই তেওঁ আছিল চাৰ্লট্ ফন্ ষ্টেইন্। সেয়েহে তেওঁৰ নিজৰ স্বীকাৰোক্তি মতেই চাৰ্লট্ ফন্ ষ্টেইন্ আছিল তেওঁৰ জীৱনৰ সূৰ্য, তেওঁৰ দেৱী, তেওঁৰ জীৱনৰ চালিকা-শক্তি।

গ্যেটে কাৰ্ল্ আউগুস্তৰ অন্যতম প্ৰধান সভাষদ নিযুক্ত হ'ল, কিন্তু তেওঁৰ আচল কাম হ'ল চাৰ্লটৰ ওচৰত শিক্ষা-নবিছী। সেইসময়ত ৱাইমাৰৰ অভিজাত সমাজৰ লোকসকলে ল'ৰা-ছোৱালীক পঢ়া-শালিলৈ নপঠাই ঘৰতে গৃহশিক্ষক ৰাখি সিহঁতৰ শিক্ষাৰ ব্যৱস্থা কৰিছিল। ওঠৰ শতিকাত জাৰ্মান সাহিত্য-সংস্কৃতিৰ নব-জাগৰণ অনা বহুতো পণ্ডিতেই গৃহশিক্ষক হৈ নিজৰ কৰ্মজীৱন আৰম্ভ কৰিছিল। চাৰ্লটে কিছুদিনৰ ভিতৰতে গ্যেটেক নিজৰ ল'ৰা-ছোৱালী-কেইটাৰ গৃহ-শিক্ষক নিযুক্ত কৰিলে। গ্যেটেৰ বেছিভাগ সময় অতিবাহিত হ'বলৈ ধৰিলে চাৰ্লটৰ ঘৰত। তেওঁ এহাতে চাৰ্লটৰ ল'ৰা-ছোৱালীক পঢ়ায়, আনহাতে চাৰ্লটৰপৰা জীৱনৰ শিক্ষা আহৰণ কৰে। চাৰ্লটৰ ঘৰত বহি বহি তেওঁ কাব্য আৰু দৰ্শন আলোচনা কৰে, কবিতা লেখে, চাৰ্লটক কবিতাৰ শ্ৰুতলিপি দিয়ে। জীৱনৰ বহুতো সুন্দৰতম কবিতা তেওঁ লেখিছিল চাৰ্লটৰ ঘৰত, চাৰ্লটৰ প্ৰেমৰ প্ৰেৰণাত।

সকলো সময়তেই তেওঁ চাৰ্লটক লগ পাই থাকে, কিন্তু কেৱল লগ পাই বা কথা পাতিয়েই তেওঁৰ মন নভৰে। তেওঁ নিজেই স্বীকাৰ কৰি থৈ গৈছে যে চাৰ্লটৰ চিন্তাই মাত্ৰ এৰাতিৰ ভিতৰতে তেওঁৰ মনত যি বিপুল আবেগ আৰু চিন্তাৰ প্ৰবাহ সৃষ্টি কৰে, সেই গোটেইবোৰ লিপিবদ্ধ কৰিবলৈ হ'লে এহেজাৰ পৃষ্ঠাৰ এখন কিতাপ লেখাৰ প্ৰয়োজন হ'ব। সেইটো সম্ভৱ নাছিল, কিন্তু তেওঁ অবিৰাম-ভাৱে চাৰ্লটলৈ চিঠি লেখিছিল। কেতিয়াবা দিনে দুই-তিনিখনকৈ

চিঠি। দহবছৰৰ ভিতৰত গ্যেটেই চাল´টলৈ সৰ্বমুঠ পোন্ধৰশ চিঠি লেখিছিল। চাল´টে গ্যেটেৰ জীৱনত কি বিস্ময়কৰ প্ৰভাব পেলাইছিল— এই চিঠিবোৰেই তাৰ যুগমীয়া সাক্ষী হৈ আছে। কিন্তু গ্যেটেৰ তুলনাহীন প্ৰেম আৰু আনুগত্যই চাল´টৰ হৃদয়ত কি ধৰণৰ ভাবৰ হেন্দোলনি তুলিছিল সেই কথা আমি কোনোদিনেই নাজানিম, কাৰণ চাৰ্ল´টে তেওঁ গ্যেটেলৈ লেখা চিঠিবোৰ পুৰি পেলালে।

আগতেই কৈ অহা হৈছে যে গ্যেটেই চাল´টক প্ৰথম লগ পাবৰ সময়ত তেওঁৰ বয়স আছিল ২৬ বছৰ। সকলো প্ৰতিভাশালী মানুহৰ দৰেই তেওঁৰ যৌন-বাসনাও আছিল প্ৰবল। তদুপৰি ওঠৰ শতিকাৰ জাৰ্মানীত নৈতিক আৰু সামাজিক বাধা-নিষেধো খুব বেছি কটকটীয়া নাছিল। কিন্তু তথাপি চাল´ট্ ফন্ ষ্টেইনে গ্যেটেৰ লগত তেওঁৰ প্ৰেমৰ সম্পৰ্কক প্লেটনিক্ পৰ্যায়তেই সীমাবদ্ধ ৰাখিলে, তাৰ চুলি এডালমানো ইফাল-সিফাল হ'বলৈ তেওঁ গ্যেটেক অনুমতি নিদিলে। তেওঁ গ্যেটেৰ ওপৰত এনে কঠোৰ আত্মানুশাসন আৰু কৃচ্ছ্ৰ-সাধন জাপি দিলে যে অৱশেষত ঠিক সেই কাৰণতেই গ্যেটেই মুক্তি বিচাৰি চাল´টৰপৰা পলাবলৈ বাধ্য হ'ল। তেওঁৰ জীৱন-দৰ্শন আছিল সম্পূৰ্ণ স্বকীয়া। তেওঁৰ ৰচনাৱলী পঢ়িয়েই আঁদ্ৰে জিদে এই শিক্ষা পাইছিল যে "God can speak through senses also," অৰ্থাৎ ইন্দ্ৰিয়ানুভূতিৰ মাজেদিও ঈশ্বৰৰ বাণী প্ৰকাশিত হ'ব পাৰে। গ্যেটেই তেওঁৰ 'এ'গমণ্ট' নামৰ নাটকৰ নায়িকা ক্লাৰাৰ চৰিত্ৰৰ মাজেদি free love without a bad conscience অৰ্থাৎ অপৰাধবোধে স্পৰ্শ কৰিব নোৱৰা মুক্ত প্ৰেমৰ আদৰ্শ প্ৰচাৰ কৰি সেইসময়ত জাৰ্মানীত এক নতুন ধৰণৰ যৌন-নৈতিকতাৰ সূচনা কৰিছিল, আৰু তাকে কৰি নিজৰ দেশবাসীক ফিলিষ্টাইনসকলৰ কবলৰপৰা মুক্ত কৰা বুলি দাবী কৰিছিল। কোৱা বাহুল্য মাথোন যে চাৰ্ল´টে 'ক্লাৰা'ৰ প্ৰতি তীব্ৰ বিৰূপ মনোভাব পোষণ কৰিছিল।

অথচ পৰম বিস্ময়ৰ কথা যে এনেহেন ভোগবাদী, ইন্দ্ৰিয়পৰায়ণ,

প্ৰাণবন্ত গ্যেটেই এবছৰ নহয়, দুবছৰ নহয়, সুদীৰ্ঘ দহবছৰ কাল ধৰি ইন্দ্ৰিয়ৰ সমস্ত দাবী অস্বীকাৰ কৰি চাৰ্লটৰ অতীন্দ্ৰিয় প্লেটনিক্ প্ৰেমত সম্পূৰ্ণভাৱে নিমগ্ন হৈ থাকিল, সমস্ত যৌৱনকাল তেওঁ চাৰ্লটৰ দেহাতীত দাবাৰ বেদীত উছৰ্গা কৰিবলৈ সক্ষম হ'ল। কোনো সন্দেহ নাই যে হৃদয়ৰ এক গভীৰ অনিৰ্বচনীয় প্ৰয়োজনে তেওঁক এনে কঠোৰ আত্ম-সংযমৰ কাৰণে বল যোগাইছিল। চাৰ্লটৰ প্ৰতি তেওঁ এনে ব্যাখ্যাতীত ৰহস্যময় প্ৰেম অনুভব কৰিছিল যে এটা কবিতাত তেওঁ লেখিছিল : "তেওঁৰ লগত মই এনে গভীৰ প্ৰেমত নিমজ্জিত যে মই যেন তেওঁৰ ৰক্ত পান কৰিহে জীয়াই আছো।" আন এটা কবিতাত তেওঁ লেখিছে : "কোনোবা পূৰ্বজন্মত তুমি নিশ্চয় মোৰ ভনী বা পত্নী আছিলা।"

'চাৰ্লট্ ফন্ ষ্টেইনলৈ' নামৰ এটা কবিতাত গ্যেটেই লেখিছিল :

"ভবিষ্যতৰ প্ৰতি এনে গভীৰ অন্তৰ্দৃষ্টি আৰু ভবিষ্যতক আগ-ধৰিয়েই জানিব পৰাৰ এনে শক্তি তুমি আমাক কিয় দিছা—যাৰ ফলত সম্পূৰ্ণ আত্ম-বিস্মৃত হৈ আমি আনন্দৰ প্ৰতিভাসৰ মাজত আমাৰ প্ৰেম আৰু আমাৰ পাৰ্থিব সুখ উপভোগ কৰিব নোৱাৰো? হে আমাৰ ভাগ্য, তুমি কিয় আমাক দিছা সেই প্ৰজ্ঞাদৃষ্টি, কিয় আমাক দিছা ধ্যান কৰিবৰ কাৰণে পৰস্পৰৰ হৃদয়, যাৰ ফলত আমি আমাৰ অনুভূতিৰ সমস্ত বিভ্ৰান্তিকৰ জটাজাল ভেদ কৰি আমাৰ পৰস্পৰৰ সত্য সম্পৰ্কক অবলোকন কৰিব পাৰো?

"এই সংসাৰত এনে হাজাৰ হাজাৰ নৰনাৰী আছে, যিসকলে নিজৰ হৃদয়ক কেতিয়াও ভালকৈ চিনি নাপায়। নিজে একো কব নোৱাৰাকৈ তেওঁলোকে জীৱনৰ মাজেদি লক্ষ্যহীনভাৱে এনি-তেনি উটি-ভাহি গৈ থাকে, অদৃষ্টপূৰ্ব যন্ত্ৰণাৰপৰা তেওঁলোকে আশাহীনভাৱে পলাবলৈ চেষ্টা কৰে, জীৱন্ত আনন্দৰ অপ্ৰত্যাশিত প্ৰভাতত তেওঁলোক পুনৰ উল্লসিত হৈ উঠে। কেৱল আমি দুয়ো—বেচেৰা দুখন প্ৰেমময় হৃদয়—কেৱল আমাৰহে ইজনে-সিজনক সম্পূৰ্ণকৈ বুজি

নোপোৱাকৈ পৰস্পৰক ভাল পাবলৈ একো অধিকাৰ নাই। আমি দুয়ো পৰস্পৰৰ মাজত আবিষ্কাৰ কৰিব লাগিব এনে এক সত্তা—যি আগতে কেতিয়াও নাছিল; কেৱল আমি দুয়ো চিৰকাল নিতৌ নতুনকৈ যাত্ৰা কৰিব লাগিব কাল্পনিক সুখৰ সন্ধানত, কেৱল আমি দুয়ো বাৰম্বাৰ পতিত হ'ব লাগিব কাল্পনিক বিপদৰ মাজত।

"তেওঁলোকেই সুখী—যিসকলে শূন্য-গৰ্ভ স্বপ্নৰ মাজত জীৱন অতিবাহিত কৰিব পাৰে। তেওঁলোকেই সুখী—যিসকলৰ কল্পনা কেতিয়াও বাস্তবত পৰিণত নহয়। কিন্তু হায়, আমাৰ প্ৰত্যেকটো মিলন আৰু প্ৰত্যেকটো দৃষ্টি-বিনিময়েই আমাৰ কল্পনা আৰু স্বপ্নৰ সত্যতা প্ৰতিপন্ন কৰে। অ', মোক কোৱাচোন এবাৰ, আমাৰ ভাগ্যত বাৰু কি আছে? কোৱাচোন মোক, আমাৰ দুয়োৰে মাজত এনে এটা পবিত্ৰ আৰু সুদৃঢ় বন্ধন কেনেকৈ বাৰু সম্ভৱ হ'ল? নিশ্চয় তুমি কোনোবা পূৰ্বজন্মত মোৰ ভনী বা পত্নী আছিলা?

"তেতিয়া তুমি মোৰ স্বভাব নিশ্চয় পুংখানুপুংখভাৱে জানিছিলা, মোৰ হৃদয়-বীণাৰ পবিত্ৰতম ঝংকাৰৰ প্ৰতি তুমি উৎকৰ্ণ হৈ আছিলা, আৰু আন সকলোৰে দৃষ্টিত মই দুৰ্ভেদ্য হ'লে তুমি চকুৰ পলকতে মোক সম্পূৰ্ণভাৱে দেখা পাইছিলা। মোৰ জ্বৰ-তপ্ত ৰক্ত-প্ৰবাহত তুমি ঢালি দিছিলা প্ৰশান্তিৰ স্নিগ্ধতা, মোৰ প্ৰত্যেকটো উদ্‌ভ্ৰান্ত পদক্ষেপকেই তুমি নিয়ন্ত্ৰিত কৰিছিলা, আৰু তোমাৰ প্ৰেমালিংগনত মই বিশ্ৰাম লভিছিলো আৰু মোৰ ক্ষতবিক্ষত আত্মাক পুনৰ সঞ্জীৱিত কৰি তুলিছিলো। মায়াবলেৰে তুমি যেন তোমাৰ প্ৰেমিকক সম্পূৰ্ণভাৱে তোমাৰ বশীভূত কৰি ৰাখিছিলা, আৰু আনন্দৰ আবেশত তেওঁৰ কাৰণে দিনবোৰ বিজুলীবেগেৰে পাৰ কৰাই দিয়াইছিলা। তেওঁ যেতিয়া পৰম কৃতজ্ঞতাত তোমাৰ পদ-প্ৰান্তত পৰি আছিল, আনন্দত স্ফীত হৈ তেওঁৰ বুকুখন তোমাৰ বুকুৰ লগত মিলি গৈছিল, তোমাৰ দৃষ্টিত কাংক্ষিত বুলি তেওঁ নিজকে অনুভৱ কৰিছিল, তেওঁৰ ইন্দ্ৰিয়ানুভূতি পৰিষ্কৃত আৰু উত্তপ্ত ৰক্তধাৰা প্ৰশান্ত হৈছিল, সেই

মুহূৰ্তবোৰৰ লগত আন কি পৰম আনন্দানুভূতিৰ তুলনা হ'ব পাৰে ?

"এই সকলোবোৰৰে এতিয়া যি অৱশেষ বাকী আছে সি হ'ল তেওঁৰ অনিশ্চিত হৃদয়ৰ চাৰিওফালে ভাসমান এটা স্মৃতি মাত্ৰ। প্ৰাচীন সত্য তেওঁৰ অন্তৰত এতিয়াও ধ্ৰুৱ ৰূপত বিৰাজ কৰিছে, সেই কথা তেওঁ অনুভৱ কৰে; কিন্তু তেওঁৰ নতুন অৱস্থাই তেওঁৰ হৃদয় বিষাদেৰে পৰিপূৰ্ণ কৰি তোলে। আমাৰ অনুভৱ হয় যে আমি যেন আধাহে জীয়াই আছো, আৰু উজ্জ্বলতম দিবালোকতো এতিয়া যেন আমাৰ চাৰিওফালে গধূলিৰ অন্ধকাৰ। এয়েই কেৱল আমাৰ সুখ যে ভাগ্যই আমাক নিৰ্মমভাৱে আঘাত কৰিব পাৰে, কিন্তু কেতিয়াও আমাৰ প্ৰেমৰ হানি-বিঘিনি ঘটাব নোৱাৰে!

"তুমি কেৱল মোৰেই, আৰু তুমি ইমান সুন্দৰ! তুমি কেৱল মোৰেই, আৰু তুমি ইমান শোভন স্বভাৱা! কেৱল এটাই তোমাৰ ত্ৰুটি; চুমা খাবৰ সময়ত তুমি ওঠ দুখন এনেভাৱে জোঙা কৰি দিয়া —ঠিক যেন কপৌ চৰায়ে পানীহে খাইছে: তুমি সঁচাকৈয়ে অতি সুন্দৰ।"

চাৰ্লট্ ফন্ ষ্টেইনক বন্দনা কৰি লেখা গ্যেটেৰ আৰু কেইটামান কবিতা:

## পিয়লা

এটা অতি সুন্দৰ পিয়লা মই দুয়োখন হাতেৰে তুলি ধৰিছিলো, আৰু মোৰ দুখ-বেজাৰবোৰ ধুই উটুৱাই পেলাবলৈ উদগ্ৰ লোভেৰে তাৰ পৰা সুস্বাদু সুৰা পান কৰিছিলো।

প্ৰেম সোমাই আহি মোক বহি থকা অৱস্থাত দেখা পালে; বিনয়ী জ্ঞানেৰে তেওঁ মোৰ ফালে চাই হাঁহিলে যেন মোৰ মূৰ্খামিক তেওঁ পুতৌহে কৰিলে।

"মই ইয়াতকৈয়ো এটা সুন্দৰতৰ পাত্ৰৰ কথা জানো—যিটো পাত্ৰ তোমাৰ সমগ্ৰ আত্মাক তাৰ মাজত নিমজ্জিত কৰিবলৈ বেছি উপযুক্ত। যদি মই সেই পাত্ৰটো তোমাক দিওঁ আৰু বেলেগ এবিধ অমৃতেৰে তাক পূৰ্ণ কৰি দিওঁ, তেন্তে তুমি কি নতুন সংকল্প লবা ?"

কি গভীৰ স্নেহেৰে তেওঁ তেওঁৰ প্ৰতিশ্ৰুতি পালন কৰিলে! কাৰণ, লিডা, মোৰ সুদীৰ্ঘ বাসনাৰ অন্ত পেলাই তেওঁ মধুৰ প্ৰেমৰ বন্ধনেৰে তোমাৰ লগত মোৰ মিলন ঘটাই দিলে।

"মই যেতিয়া তোমাৰ কাংক্ষিত দেহটো মোৰ দুই বাহুৰে সাৱটি ধৰো আৰু তাৰ মাজত দীৰ্ঘকাল ধৰি সঞ্চিত হৈ থকা প্ৰেম-সুধা তোমাৰ অনুপম বিশ্বস্ত অধৰৰপৰা পান কৰো, তেতিয়া পৰম আনন্দৰ আৱেশত মই মোৰ নিজৰ আত্মাৰ লগত এনেকৈ আলাপ কৰো—

"সঁচাকৈয়ে, প্ৰেমৰ বাহিৰে আন কোনো দেৱতাই এনে এটা পাত্ৰ কেতিয়াও নিৰ্মাণ কৰা নাছিল বা নিজৰ অধিকাৰত পোৱা নাছিল। ক্ষুৰধাৰ তীক্ষ্ণ বুদ্ধিৰ কোনো ভাস্কৰেও তেওঁৰ সূক্ষ্ম হাতুৰীৰে এনে এটা পাত্ৰক গঢ় দিব নোৱাৰে। সেউজীয়া গছ-বনে আবৰি থকা পাহাৰত বেক্কাছে তেওঁৰ আটাইতকৈ বয়সীয়া আৰু জ্ঞানী পশু-দেৱতাসকলক সুন্দৰতম আঙুৰবোৰ খচকিবলৈ লগাই দিব পাৰে, আৰু তেওঁ নিজে তাৰপৰা ৰহস্যময় সুৰা তৈয়াৰ কৰিব পাৰে; কিন্তু হাজাৰ চেষ্টা কৰিলেও তেওঁ কেতিয়াও এনে আশ্চৰ্য মদিৰা নিষ্কাশন কৰিব নোৱাৰে!"

## লিডালৈ

"লিডা, এজন মানুহ—যাক তুমি ভাল পাব পাৰা, তেওঁক তুমি সম্পূৰ্ণভাৱে আৰু যথাৰ্থতেই নিজৰ বুলি দাবী কৰিব পাৰা। আৰু তেৱেঁ৷ প্ৰকৃততে একমাত্ৰ তোমাৰ বাহিৰে আন কোনো নহয়। কাৰণ তোমাক এৰি আহিবৰ দিন ধৰি জীৱনে তাৰ দ্ৰুততম গতি-

বেগৰ দ্বাৰা সৃষ্টি কৰা কলৰব-মুখৰিত উচ্ছলতাও মোৰ কাৰণে এখন পাতল পৰ্দাৰ বাহিৰে আন একো নহয়; ডাৱৰৰ মাজেদি দেখাৰ দৰে মই তাৰ মাজেদি তোমাৰ অবয়ৱটো দেখা পাওঁ। উত্তৰৰ জ্যোতিমালাৰ কম্পমান শিখাৰ মাজেদি চিৰন্তন তৰাবোৰৰ জিলি-কণিৰ দৰে তোমাৰ সেই মূৰ্তিটোৱে অবিৰলভাৱে আৰু প্ৰেমেৰে মোৰ ওপৰত পোহৰ পেলাই থাকে।

## ৰাতিৰ চিন্তা

"অ' অসুখী তৰাবোৰ, মই তোমালোকক পুতৌ কৰো, কাৰণ যদিও তোমালোক ইমান সুন্দৰ, তোমালোকৰ পোহৰ ইমান উজ্জ্বল, সেই পোহৰেৰে পথভ্ৰান্ত নাবিকক তোমালোকে বাট দেখুৱাই নিয়া, তথাপি মানুহ বা দেৱতা কাৰোপৰা তোমালোকে কোনো প্ৰতিদান নোপোৱা; তাৰ কাৰণ, তোমালোকৰ হৃদয়ত প্ৰেম নাই, প্ৰেম কি বস্তু তোমালোকে চিনি নোপোৱা। অন্তহীন কালে অবিৰামভাৱে তোমালোকক বিশাল স্বৰ্গৰ চাৰিওফালে নচুৱাই ঘূৰাই লৈ ফুৰে। মই মোৰ প্ৰিয়তমাৰ বাহু-বন্ধনত পৰম প্ৰশান্তিত শুই থাকি তোমা-লোকৰ আৰু মাজৰাতিৰ কথা পাহৰি থাকোতেই তোমালোকে যে ইতিমধ্যেই কিমান দীঘল বাট ভ্ৰমণ কৰি আহিলা!

"মই তেওঁৰ প্ৰেমত ইমান গভীৰভাৱে নিমজ্জিত—যেন মই তেওঁৰ ৰক্ত পান কৰিহে জীয়াই আছো!"

গ্যেটেৰ জীৱনত এনেকুৱাই আছিল চাৰ্লট্ ফন্ ষ্টেইনৰ স্থান। গ্যেটেৰ কাৰণে নাৰী আছিল সৃষ্টিশীল জীৱনৰ একমাত্ৰ উৎস, হৃদয় আৰু আত্মাৰ মহত্তৰ বাসনাৰ লক্ষ্য। Eternal womanhead/ Summons us on। চাৰ্লট্ ফন্ ষ্টেইনৰ মাজত গ্যেটেই বিচাৰি পাইছিল হৃদয় আৰু আত্মাৰ এই মহত্তম বাসনাৰ লক্ষ্য। তেওঁৰ জীৱনলৈ অন্যান্য বহুতো তিৰোতা আহিলেও চাৰ্লট্ ফন্ ষ্টেইন্

যে মাত্ৰ এগৰাকীয়েই আহিছিল আৰু তাৰ এক গভীৰ ব্যাখ্যাতীত কাৰণ আছিল, সেই কথা বাৰ্কাৰ ফেয়াৰ্‌লিয়ে তেওঁৰ সৰ্বমান্য পাণ্ডিত্য-পূৰ্ণ আলোচনাত বিশ্লেষণ কৰি দেখুৱাইছে। গ্যেটেৰ বিচিত্ৰ জীৱন-সাধনাৰ এটা অতি সংকটপূৰ্ণ কালত চাৰ্লট্ ফন্ ষ্টেইনৰ প্ৰয়োজন আছিল অপৰিহাৰ্য। গ্যেটেই বাৰম্বাৰ তাৰ কাৰণে কৃতজ্ঞতা জ্ঞাপন কৰিছে চাৰ্লটক তেওঁৰ জীৱনৰ সূৰ্য বুলি কৈ, দেৱী বুলি কৈ, আৰু জীৱনৰ গধূলিপৰত চাৰ্লটক শ্বেক্সপীয়েৰৰ লগত একে শাৰীতে ঠাই দি।

ৰাইমাৰত গৈ পোৱাৰ প্ৰথম অৱস্থাতে অজস্ৰ ৰাজকাৰ্যৰ মাজত ব্যস্ত থাকিও গ্যেটেই "ইফিগেনী আউফ্ টাউৰিছ" নামৰ এখন নাটক মাত্ৰ ছসপ্তাহৰ ভিতৰতে লেখি উলিয়ায়। গ্ৰীক পুৰাণৰ এই কাহিনীক অৱলম্বন কৰি আঢ়ৈ হাজাৰ বছৰৰ আগতে ইউৰিপাইদিছেও এখন অমৰ ট্ৰেজেডী লেখিছিল। কিন্তু গ্যেটেই গ্ৰীক্ জীৱন-ভাৱনা আৰু আধুনিক সংবেদনশীলতাৰ সমন্বয় ঘটাই আধুনিক মানুহৰ দৃষ্টিৰে এখন সম্পূৰ্ণ মৌলিক নাটক ৰচনা কৰে। অমৃতময় কবিত্ব, প্ৰশান্ত সুসংহত জীৱন-দৰ্শন, দেহক দেহাতীতলৈ উত্তীৰ্ণ কৰা গভীৰ আধ্যাত্মিকতা আৰু মহত্তম মানবীয় গুণাৱলীৰ প্ৰশস্তি—এই সকলো-বোৰ গুণৰ কাৰণে গ্যেটেৰ এই নাটকখনক ওঠৰ শতিকাৰ মানবতা-বাদৰ সৰ্বোত্তম নিদৰ্শন বুলি কোৱা হয়। নাটকৰ নায়ক অৰেষ্টেছ মাতৃহত্যাৰ অপৰাধত অপৰাধী ; বিবেক-দংশনত জৰ্জৰিত অৰেষ্টেছক তেওঁৰ ভনীয়েক ইফিগেনীয়ে তেওঁৰ প্ৰেম, করুণা আৰু সৰ্বসন্তাপ-হাৰিণী তিতিক্ষাৰে কেনেকৈ মুক্তি আৰু নব-জন্মৰ পথ দেখুৱাই অৰেষ্টেছৰ আত্মাক ৰক্ষা কৰিলে, সিয়েই নাটকখনৰ বিষয়বস্তু। ইফিগেনী healer—নিৰাময়কাৰিণী। গ্যেটেই চাৰ্লটক বন্দনা কৰি লেখা তেওঁ বিখ্যাত কবিতাতো চাৰ্লটক নিৰাময়কাৰিণী বুলি বন্দনা কৰিছিল ; তেওঁ লেখিছিল : "তেওঁ (গ্যেটে) যেতিয়া পৰম কৃতজ্ঞতাত তোমাৰ পদ-প্ৰান্তত পৰি আছিল, আনন্দত স্ফীত হৈ তেওঁৰ বুকুখন

তোমাৰ বুকুৰ লগত মিলি গৈছিল, তোমাৰ দৃষ্টিত কাংক্ষিত বুলি তেওঁ নিজকে অনুভৱ কৰিছিল, তেওঁৰ সমস্ত ইন্দ্ৰিয়ানুভূতি পৰিষ্কৃত আৰু উত্তপ্ত ৰক্তধাৰা প্ৰশান্ত হৈছিল, সেই মুহূৰ্তবোৰৰ লগত আন কি পৰম আনন্দানুভূতিৰ তুলনা হব পাৰে?”……ইফিগেনীৰ ক্ষমা-সুন্দৰ, প্ৰেমময়, নিৰাময়কাৰিণী চৰিত্ৰ অংকন কৰোতে চাৰ্লটৰ কথাও গ্যেটেৰ মনলৈ আহিছিল। মাতৃহত্যাৰ অপৰাধত অপৰাধী অৰেষ্টেছ বিবেকৰ দংশনত জৰ্জৰিত হৈছিল। গ্যেটে জৰ্জৰিত হৈছিল চাৰ্লটৰ লগত দহবছৰ ধৰি চলা প্লেটনিক্ প্ৰেমৰ ফলত কঠোৰ ইন্দ্ৰিয়-সংযমৰ যন্ত্ৰণাত। কিন্তু চাৰ্লটে তেওঁৰ ব্যক্তিত্ব, চৰিত্ৰ আৰু প্ৰেমৰ দ্বাৰাই গ্যেটেৰ “উত্তপ্ত ৰক্তধাৰাক প্ৰশান্ত কৰি ৰাখিবলৈ” সমৰ্থ হৈছিল। চাৰ্লটৰ প্ৰেমৰ অভিজ্ঞতা নোহোৱা হ’লে গ্যেটেই ইফিগেনীৰ চৰিত্ৰ হয়তো ইমান জীৱন্তভাৱে অংকন কৰিব নোৱাৰিলেহেঁতেন।

কিন্তু তেজ-মাংসৰ মানুহৰ দুৰ্বলতা ইমানেই বেছি যে যে ইফিগেনীৰ চৰিত্ৰৰ প্ৰায় আধাভাগ আছিল চাৰ্লট্ ফন্ ষ্টেইন, সেই ‘ইফিগেনী’ প্ৰথম অভিনীত হবৰ দিনা চাৰ্লট্ অভিনয় চাবলৈ নগ’ল; কাৰণ ইফিগেনীৰ ভূমিকাত অভিনয় কৰা সুন্দৰী বিদূষী কৰোণা স্ক্ৰ’টাৰৰ লগত গ্যেটেৰ বন্ধুত্বই তেওঁক প্ৰবলভাৱে ঈৰ্ষান্বিত কৰি তুলিছিল।

সুদীৰ্ঘ দহবছৰ কাল চাৰ্লট্ ফন্ ষ্টেইনৰ প্ৰেমত সম্পূৰ্ণভাৱে আত্ম-সমৰ্পিত হৈ থকাৰ পিছত অৱশেষত গ্যেটেই মুক্তিৰ পথ বিচাৰি পলাবলৈ বাধ্য হ’ল। চাৰ্লটে তেওঁৰ ওপৰত যি কঠোৰ ইন্দ্ৰিয়-সংযম জাপি দিছিল, সেইটো সহ্য কৰি থকা গ্যেটেৰ পক্ষে অসম্ভৱ হৈ পৰিল। এদিন কোনেও কব নোৱাৰাকৈ তেওঁ মুক্তি আৰু আত্মোপলব্ধিৰ সন্ধানত ইটালীলৈ যাত্ৰা কৰিলে—যি ইটালী-যাত্ৰা তেওঁৰ কাৰণে আছিল এক সময়তে ‘মৃত্যু আৰু নব-জন্মৰ’ সূচনা, পেগান্ স্বাস্থ্য আৰু মুক্তিৰ সন্ধান, গ্ৰীক্-জগতৰ আৱিষ্কাৰ, ‘চিৰন্তন

মানৱ'ৰ আৱিষ্কাৰ, 'সম্পূৰ্ণ মানুহ' হোৱাৰ সাধনাৰ সূচনা। উত্তৰৰ কঠোৰ, বিষণ্ণ, ছাঁয়াচ্ছন্ন প্ৰকৃতি আৰু জীৱনৰপৰা তেওঁ দক্ষিণৰ উজ্জ্বল ৰৌদ্ৰালোকিত প্ৰকৃতি আৰু জীৱনলৈ যাত্ৰা কৰিলে—য'ত তেওঁ বিচাৰি পালে true naked love—উজ্জ্বল ইন্দ্ৰিয়-চেতনাৰ শিহৰণ, দেহ আৰু আত্মাৰ সুষম সমন্বয়ৰ পথ, জীৱন আৰু শিল্প-কলাৰ এটা স্তৰৰপৰা আন এটা স্তৰলৈ উত্তৰণৰ সোপান। ইটালীৰ-পৰা ঘূৰি আহি ক্ৰিষ্টিয়েন্ ভূল্‌পিয়াছৰ লগত সহবাস কৰিবৰ সময়ত তেওঁ ৰচনা কৰিলে 'ৰোমান্ ইলিজী'—তেওঁৰ অন্যতম সৰ্বশ্ৰেষ্ঠ কাব্য-কৃতি—যি কবিতামালা ৰৌদ্ৰালোকিত ইটালাৰ নাৰী আৰু প্ৰকৃতিৰ মধুৰ স্মৃতিৰে উজ্জ্বল আৰু মদিৰ, যি কবিতামালাত তেওঁ দেহ আৰু আত্মাক, আধুনিক জীৱন-ভাবনা আৰু প্ৰাচীন পেগান্ জীৱনাদৰ্শক এক-সূত্ৰত গ্ৰথিত কৰিছে। দহ বছৰৰ কঠোৰ আত্মনিগ্ৰহ আৰু ইন্দ্ৰিয়-সংযমৰ বন্ধনৰপৰা মুক্ত হৈ তেওঁ ইন্দ্ৰিয়-চেতনাৰ আনন্দত এনেভাৱে গা ঢালি দিলে যে 'ৰোমান্ ইলিজী'ৰ বহুতো কবিতাত প্ৰকাশ পোৱা উদ্দাম ইন্দ্ৰিয়-বিলাসৰ বৰ্ণনাই সেই সময়ৰ পাঠক-সকলক সচকিত কৰি তুলিলে, আনকি দুটা কবিতাৰ প্ৰকাশেই বন্ধ কৰি দিব লগা হ'ল। 'ৰোমান্ ইলিজী'ৰ পাঁচ নম্বৰ ইলিজীটোত তেওঁ লেখিছিল ঃ

"এই ক্লাছিকেল্ ভূমিৰ ওপৰত থিয় হৈ মই এতিয়া কিমান আনন্দিত আৰু অনুপ্ৰাণিত অনুভৱ কৰিছো! অতীত আৰু বৰ্তমানৰ দুয়োখন জগতেই ইয়াত মোৰ কাণৰ কাষত অধিক স্পষ্ট আৰু মধুৰভাৱে কথা কব ধৰিছে। মই যিভাৱে উপদিষ্ট হৈছিলো ঠিক সেইভাৱেই মই ইয়াত ব্যস্ত হাতেৰে প্ৰাচীন কবিসকলৰ কাব্যগ্ৰন্থৰ পাত লুটিয়াব ধৰিছো আৰু প্ৰতিদিনেই নতুন নতুন আনন্দ পাব ধৰিছো। কিন্তু ৰাতিৰ সময়খিনিত কামদেৱে মোক বেলেগ ধৰণেৰে ব্যস্ত কৰি ৰাখে। তেতিয়া মোৰ পণ্ডিতালি আধা কমি যায়, কিন্তু মোৰ সুখ দুগুণে বাঢ়ি যায়। মইযে তেওঁৰ সুন্দৰ স্তনযুগলৰ আকৃতি

সুক্ষ্মভাৱে নিৰীক্ষণ কৰো আৰু তেওঁৰ উৰু-যুগলত হাত বুলাই থাকো, সিও এটা বিদ্যাৰ্জন নহয়নে? কাৰণ মই তেতিয়া মাৰ্বলৰ ৰহস্য আৰু বেছি ভালকৈ বুজি পাওঁ; গভীৰভাৱে চিন্তা কৰি আৰু তুলনা কৰি মই এনে দৃষ্টিৰে চাওঁ—যি দৃষ্টিয়ে অনুভৱ কৰিব পাৰে, আৰু হাতেৰে এনেকৈ অনুভৱ কৰো যে হাতেও দৃষ্টি-শক্তি লাভ কৰে। মই যেনিবা দিনৰ ভাগত মোৰ প্ৰিয়তমাক বেছি সময় নাপাৱেই, তাৰপৰানো কি ক্ষতি হয়? ৰাতি তেওঁ মোৰ সকলো ক্ষতিপূৰণ কৰি দিয়ে। আমিতো গোটেই সময়খিনি পৰস্পৰক কেৱল চুমা খায়েই পাৰ কৰি নিদিওঁ; তাৰ মাজে মাজে আমি নানা ভাল কথা-বাৰ্তাও পাতো। আৰু টোপনিয়ে যেতিয়া তেওঁক হেঁচা মাৰি ধৰে, মই তেতিয়া নানা কথা চিন্তা কৰি কৰি সাৰ পাই থাকো। মই আনকি বহুসময়ত তেওঁৰ বাহু-বন্ধনত সোমাই থাকি কবিতাও ৰচনা কৰো, আৰু আলফুলকৈ তেওঁৰ পিঠিত আঙুলি বুলাই ষড়পদী কবিতাৰ পৰ্ব-মাত্ৰও হিচাপ কৰো; মধুৰভাৱে তেওঁ শুই থাকে আৰু দীঘল দীঘলকৈ উশাহ লয়, আৰু তেওঁৰ উশাহবোৰ জুইৰ শিখাৰ দৰে মোৰ বুকুৰেদি সৰকি গৈ মোৰ হৃদয়ৰ গভীৰতম মৰ্মমূলত প্ৰবেশ কৰেগৈ। কামদেৱে ইতিমধ্যে চাকিৰ শলিতা কমাই দিয়ে, আৰু তেওঁ নিশ্চয় স্মৰণ কৰে বহুদূৰ অতীতৰ সেইসময়ৰ কথা—যেতিয়া তেওঁ প্ৰেমৰ তিনিজন সৰ্বশ্ৰেষ্ঠ কবিৰ* কাৰণে ঠিক সেই একেটা কামকে কৰিছিল।"

তৰুণ জাৰ্মানীৰ ভাব-বিপ্লৱৰ নায়ক, ৱাইমাৰৰ ৰাজসভাৰ সৰ্ব-শ্ৰেষ্ঠ ৰত্ন, আৰু শুচিব্ৰতা বিদুষী চাৰ্ল'ট ফন্ ষ্টেইনৰ দীৰ্ঘকালৰ প্ৰেমিক গোটেই ইটালীলৈ গৈ তেওঁৰ নৈশ-সংগিনীৰ উদং পিঠিত আঙুলিৰে ষড়পদী কবিতা ৰচনা কৰাৰ এনে অসংকোচ স্বীকাৰোক্তি শুনি ৱাইমাৰৰ বিদ্বৎ-সমাজ কেনেভাৱে শকড্ হৈছিল—সেই

* তিনিজন প্ৰাচীন লেটিন কবি: প্ৰপাৰটিয়াছ, কেটুলাছ আৰু টিবুলাছ।

কথা দুশবছৰৰ পিছতো আমাৰ কাৰণেও কল্পনা কৰা কঠিন নহয়।

কিন্তু উজ্জ্বল ইন্দ্ৰিয়-বিলাসৰ এই কবিতাত আৰু এটা গভীৰতৰ তাৎপৰ্যপূৰ্ণ কথা আছে। গ্যেটেই তেওঁৰ আগবয়সৰ সাহিত্য-গুৰু হেৰ্ডেৰৰপৰা এই শিক্ষা লাভ কৰিছিল যে দৃষ্টি আৰু শ্ৰুতিৰ দৰে স্পৰ্শয়ো মানসিক বিকাশত সহায় কৰে, সৌন্দৰ্যৰ সম্ভোগ পূৰ্ণতৰ কৰি তোলে। সুন্দৰ নাৰী-দেহ বা সুন্দৰ মাৰ্বলৰ মূৰ্তিৰ সৌন্দৰ্য আৰু অন্তৰ্নিহিত বাণী কেৱল দৰ্শনেন্দ্ৰিয়ৰ দ্বাৰাই সম্পূৰ্ণভাৱে উপলব্ধি কৰিব নোৱাৰি; তাৰ লগতে স্পৰ্শানুভূতিকো যোগ দিলেহে সেই সৌন্দৰ্যৰ উপলব্ধিয়ে পৰিপূৰ্ণতা লাভ কৰে। ইটালীলৈ গৈ গ্যেটেই হেৰ্ডেৰৰ এই শিক্ষা সম্পূৰ্ণভাৱে কামত লগাবলৈ সুযোগ পালে; সুন্দৰী ইটালী-বালাৰ সোনোৱালী শৰীৰ আৰু প্ৰাচীন জগতৰ অনুপম শিল্প-সৃষ্টি মাৰ্বলৰ মূৰ্তিবোৰৰ গাত হাত বুলাই বুলাই দুয়োটাৰে সৌন্দৰ্য-মদিৰা তেওঁ নিঃশেষ কৰি পান কৰিবলৈ চেষ্টা কৰিলে। সেই কাৰণেই তেওঁ লেখিব পাৰিলে: "And is this not learning, to study the forms of her lovely bosom, and slide my hands over her hips? For I understand marble then all the better : reflecting, comparing, I see with an eye that feels and feel with a hand that sees."

গ্যেটে ইটালীলৈ যোৱাৰ লগে লগেই চাৰ্লট্ ফন্ ষ্টেইনৰ লগত তেওঁৰ সকলো সম্পৰ্ক ছিন্ন হ'ল। চাৰ্লটক নজনোৱাকৈ ইটালীলৈ পলাই যোৱাৰ কাৰণে আৰু তাৰপৰা ঘূৰি আহি ক্ৰিষ্টিয়েন্ ভুল্পিয়াছৰ লগত সহবাস কৰিবলৈ লোৱাৰ কাৰণে চাৰ্লটে গোটেক কেতিয়াও ক্ষমা কৰিব নোৱাৰিলে। তাৰ পিছতো গ্যেটেৰ জীৱনলৈ বহুতো তিৰোতা আহিল। সেইসকলৰ ভিতৰত West-Eastern Divan কবিতামালাৰ নায়িকা আৰু নিজেও এগৰাকী প্ৰতিভা-শালিনী কবি মেৰিয়ান্ ফন্ ৱিলেমাৰৰ নিচিনা বিদুষী তিৰোতাও

আছিল। তথাপি জীৱনৰ শেষ প্ৰান্তত উপনীত হৈ গ্যেটেই ঘোষণা কৰিলে—তেওঁৰ জীৱনত আটাইতকৈ বেছি প্ৰভাৱ পেলোৱা দুগৰাকী ব্যক্তি হ'ল—শ্বেক্সপীয়েৰ আৰু চাৰ্ল'ট্ ফন্ ষ্টেইন।

গ্যেটেৰ জীৱনলৈ যে বহুতো তিৰোতা আহিছিল তাৰ অৰ্থ এইটো নহয় যে তেওঁ এজন্ ডন্ জুৱান্ আছিল বা তেওঁৰ ইন্দ্ৰিয়াসক্তি আছিল দুৰ্দমনীয়। জীৱনৰ সমস্ত অভিজ্ঞতাকে এটা কেন্দ্ৰীয় উদ্দেশ্যৰ কাৰণে সংহত আৰু সমন্বিত কৰাৰ আৰু লগতে নিজৰ ব্যক্তিসীমাক বাৰম্বাৰ অতিক্ৰম কৰিব পৰাৰ অতি-মানবিক ক্ষমতা আছিল গ্যেটেৰ। জীৱনৰ সমস্ত কৰ্ম, বাসনা, অনুভূতি আৰু অভিজ্ঞতাক সংহত কৰি এক বিপুল মহা-সংগীতৰ ঐক্যতানত পৰিণত কৰাটোৱেই আছিল তেওঁৰ সমগ্ৰ জীৱনৰ সাধনা আৰু এই সাধনাত সিদ্ধি লাভ কৰি তেওঁ অতিমানবিক প্ৰজ্ঞাৰ অধিকাৰী হৈছিল। কিন্তু তথাপি তেওঁ জীৱনৰ শেষ দিন পৰ্যন্ত প্ৰেমৰ পৰম আনন্দ আৰু দুঃসহ বেদনাৰ ওচৰত নিজকে সমৰ্পণ কৰিবলৈ সদা-সৰ্বদা প্ৰস্তুত হৈ আছিল। তেওঁ আছিল সৌন্দৰ্যৰ পূজাৰী, প্ৰকৃতি আৰু শিল্পকলাৰ সৌন্দৰ্যই তেওঁক চিৰমুগ্ধ কৰি ৰাখিছিল, কিন্তু তেওঁৰ মতে পৃথিৱীৰ সুন্দৰতম বস্তু আছিল নাৰী-দেহৰ সৌন্দৰ্য (গ্যেটে ডি প'য়েট : কাৰ্ল ভিয়েটৰ)। এই সৌন্দৰ্যৰ পোহৰত পৃথিৱীক চিৰসুন্দৰ ৰূপত দেখি থাকিবলৈকে তেওঁ বাৰম্বাৰ নাৰীৰ প্ৰেম আৰু সৌন্দৰ্যৰ অভিজ্ঞতা বিচাৰিছিল।

"What saved Goethe as a human being, thinker, and poet ? Tact ; inexhuastible energy ; and above all, perhaps, the continued readiness to love. This lust is not so much a question of the number ( exeggerated by popular and romanticizing biographers ) of 'women in Goethe's life', or of the fact that youthful incarnation of the eternal feminine could fill him with agonies and

ecstasies even in old age, or of how often or how seldom he was loved in return. It is simply that Goethe appears to have continued to be prepared to give himself to this kind of experience in one way or another—to find the world of visible creatures, specially of personal creatures, lovable and beautiful……?" ( *David Luke* ).

# গ্যেটেৰ সৰ্বশেষ প্ৰেমৰ কবিতা

গ্যেটেৰ বয়স এতিয়া ৭৩ বছৰ। ডেকা বয়সত তেওঁৰ চেহেৰা আছিল গ্ৰীক দেৱতাৰ নিচিনা সুন্দৰ। সেই যৌৱন-সুলভ কমনীয়তা এতিয়া আৰু হয়তো নাই, তথাপি তেওঁৰ দেহশ্ৰী এতিয়াও সযত্ন-ৰক্ষিত আৰু সুন্দৰ। মানুহৰ দৈহিক বিকৃতি তেওঁ সহ্য কৰিব নোৱাৰে। সেই কাৰণেই মৃত্যু-শয্যাত শায়িতা ৰুগ্না বৃদ্ধা মাকক চাবলৈকো তেওঁ অস্বীকাৰ কৰিছিল। তেওঁ জানে যে তীব্ৰ হৃদয়াবেগে মানুহৰ মুখশ্ৰী বিকৃত কৰি তোলে। সেইকাৰণে তেওঁ গোটেই জীৱন ধৰি তেনে হৃদয়াবেগৰ আক্ৰমণ পৰিহাৰ কৰি চলিবলৈ চেষ্টা কৰি আহিছে। নিৰৱচ্ছিন্ন সাধনাৰ দ্বাৰা তেওঁ নিজৰ জীৱনটোকেই এটা সুন্দৰ নিটোল শিল্প-কৰ্মত পৰিণত কৰি তুলিছে। সেই কাৰণেই আজি ৭৩ বছৰ বয়সতো তেওঁৰ উন্নত ঋজু দেহ আৰু সুন্দৰ প্ৰশান্ত মুখত বাৰ্ধক্যই ক্ষীণতম ছায়াও পেলাব পৰা নাই।

অৱশ্যে তেওঁৰ দৰ্শন বিচাৰি অহা সকলো মানুহেই তেওঁৰ মুখত প্ৰশান্তি নেদেখে; দেখে উদ্ধত কাঠিন্য, আনকি নিষ্ঠুৰতাও। তাৰ কাৰণো নোহোৱা নহয়। আজিৰেপৰা ৪৮ বছৰৰ আগতে, ১৭৭৫ চনত, ৱাইমাৰৰ ডিউক কাৰ্ল আউগুস্তৰ দ্বাৰা নিমন্ত্ৰিত হৈ তেওঁ ৱাইমাৰলৈ আহিছিল। তেতিয়া, মাত্ৰ ২৫ বছৰ বয়সতে, তেওঁ আছিল যুৰোপৰ আটাইতকৈ বিখ্যাত লিখক। 'পেৰুৱপৰা কেথেলৈকে ব্লু-প্লেগ্ বিয়পাই দিয়া' তেওঁৰ প্ৰথম আত্মজীৱনীমূলক উপন্যাস 'ডেকা ৱেৰ্থেৰৰ বিষাদ'ত ( Sorrows of Young Werther ) সমসাময়িক যুৰোপে বিচাৰি পাইছিল সেই যুগৰ নামহীন বিষাদ আৰু অনিৰ্বচনীয় অতৃপ্তিৰ পৰিপূৰ্ণ অভিব্যক্তি।

কিন্তু তাৰ পিছৰেপৰা সুদীৰ্ঘ পথ অতিক্ৰম কৰি তেওঁ আজি সমগ্ৰ পৃথিবীৰ সৰ্বশ্ৰেষ্ঠ জীৱিত লিখকত পৰিণত হৈছে, আৰু তেওঁৰ বাসভূমি ৱাইমাৰ পৰিণত হৈছে সমগ্ৰ সভ্য জগতৰ তীৰ্থক্ষেত্ৰত। দেশ-দেশান্তৰৰপৰা অজস্ৰ মানুহ আহে তেওঁক এবাৰ চাবলৈ, তেওঁৰ মুখৰ কথা শুনিবলৈ, তেওঁৰ সান্নিধ্যত কেইটামান মুহূৰ্ত যাপন কৰিবলৈ। দৰ্শনাৰ্থীৰ অবিৰাম অত্যাচাৰত অতিষ্ঠ হৈ তেওঁ এতিয়া বাধ্যত পৰি কৃত্ৰিম কাঠিন্যৰ এখন মুখা পিন্ধি লব লগা হৈছে। কিন্তু তেওঁ নিজে যি কেইজন মুষ্টিমেয় বন্ধুৰ সংগ কামনা কৰে, তেওঁলোক আহিলে সেই মুখা আপোনা-আপুনি খহি পৰে। তেতিয়া ওলাই পৰে তেওঁৰ হাস্যপৰিহাস-উজ্জ্বল, বন্ধু-বৎসল, মানবিক মুখ।

কিন্তু গ্যেটেৰ ব্যক্তিত্ব আৰু খ্যাতিয়ে সম্প্ৰতি এনে এটা ৰূপ লৈছেগৈ যে তেওঁৰ ঘনিষ্টতম বন্ধুসকলেও তেওঁক নিজৰ লগৰ একে শাৰীৰে তেজ-মাংসৰ মানুহ বুলি গণ্য নকৰে। গ্ৰীক পুৰাণৰ দেৱতা-সকলে যেনেকৈ অলিম্পিয়া পৰ্বতত বাস কৰি বহুত ওপৰৰপৰা পাৰ্থিব মানুহৰ জীৱন-যাত্ৰা আৰু ভাগ্য অবলোকন কৰে, গ্যেটেকো মানুহে তেনেকৈ অতি-মানৱিক প্ৰজ্ঞাৰ অধিকাৰী দেৱতা বুলি ভাবিবলৈ আৰম্ভ কৰিছে। 'ফাউষ্ট'ৰ দ্বিতীয় খণ্ডৰ বাহিৰে গ্যেটেই ইতিমধ্যেই তেওঁৰ সকলো সৰ্বশ্ৰেষ্ঠ গ্ৰন্থ লেখি শেষ কৰিছে। সেইবোৰৰ ভিতৰত আছে 'ডিভাইন কমেডী'ৰ পিছতেই বিশ্ব-সাহিত্যৰ সৰ্বশ্ৰেষ্ঠ গোটীয়া কবিতা 'ফাউষ্ট'ৰ প্ৰথম খণ্ড, ওঠৰ শতিকাৰ মানবতাবাদৰ সৰ্বশ্ৰেষ্ঠ চানেকী 'ইফিগেনী আউফ্ টাউৰিছ' নামৰ কাব্য-নাট্য, বিচিত্ৰ অভিজ্ঞতা আৰু আত্মোৎকৰ্ষৰ সাধনাৰ জৰিয়তে মানুহে পূৰ্ণতা আৰু বিশ্বজনীনতা অৰ্জন কৰাৰ কাহিনী 'ৱিল্‌হেল্‌ম্ মাইষ্টেৰৰ শিক্ষানবিছী', আধুনিক কালৰ প্ৰথম মনস্তাত্বিক উপন্যাস 'নিয়তিৰ নিৰ্বাচন' (ইলেক্‌টিভ্ এফিনিটি),—আৰু সৰ্বোপৰি 'সমুদ্ৰ-তীৰৰ সীমা-সংখ্যা নোহোৱা বালিৰ নিচিনা' তেওঁৰ অসংখ্য গীতি-কবিতা। কিন্তু গ্যেটে কেৱল কবি আৰু নাট্যকাৰ নহয়। তেওঁ একাধাৰে সংগীতজ্ঞ,

চিত্ৰকৰ, বিজ্ঞানী, শিক্ষাবিদ, ঔপন্যাসিক, প্ৰশাসক, মঞ্চ পৰিচালক, দাৰ্শনিক—একে আষাৰে ক'বলৈ গ'লে তেওঁ ৰেণেছাঁ-যুগৰ 'পূৰ্ণ-মানৱ'ৰ সৰ্বশেষ প্ৰতিভূ। লিওনাৰ্ডো ডা ভিঞ্চিৰ পিছত এনে দ্বিতীয় এজন বিচিত্ৰ প্ৰতিভাসম্পন্ন পুৰুষ পৃথিৱীয়ে তেতিয়ালৈকে দেখা নাই। অস্তমিত সূৰ্যৰ শেষ কিৰণমালাই বৃক্ষ-শীৰ্ষ যেনেকৈ স্বৰ্ণৰঞ্জিত কৰি থৈ যায়, ঠিক তেনেকৈ 'নৱ-জাগৰণ'ৰ অস্তমিত সূৰ্যয়ো যেন গ্যেটেৰ উচ্চশিৰত তাৰ সৰ্বশেষ সমস্ত বৰ্ণসুষমা বৰ্ষণ কৰি থৈ গ'ল। এই সকলোবোৰেই সত্য। কিন্তু গ্যেটেৰ বিষয়ে শেষ সত্য নহয়। অসামান্য খ্যাতি আৰু অলৌকিক প্ৰজ্ঞাৰ উচ্চ গিৰিশীৰ্ষত অকলে অধিস্থান কৰা গ্যেটেৰ ফালে চাই চাই সমসাময়িক পৃথিৱীয়ে মুগ্ধ বিস্ময়েৰে আৱিষ্কাৰ কৰিলে—'তোমাৰ কীৰ্তিৰ চেয়ে তুমি যে মহৎ'। গ্যেটেৰ সৰ্বশ্ৰেষ্ঠ মাষ্টাৰপিছ্ তেওঁৰ গ্ৰন্থৰাজি নহয়, সেইটো হ'ল তেওঁৰ জীৱন। তেওঁৰ সাহিত্য-সাধনাও আছিল তেওঁৰ জীৱন-সাধনাৰেই এটা অংশ মাত্ৰ—যাৰ কাৰণে তেওঁ ক'ব পাৰিছিল যে তেওঁৰ সমস্ত ৰচনাই হ'ল fragments of a large confession—এক বিৰাট স্বীকাৰোক্তিৰ অংশ-বিশেষ মাত্ৰ।

তেসত্তৰ বছৰ বয়সত এয়েই আছিল গ্যেটেৰ ব্যক্তিত্বৰ ৰূপ। 'মৰ্ত্ত-সীমাত বন্দী ক্ষুদ্ৰ মানুহে বাৰম্বাৰ আৰু অন্তহীনভাৱে নিজকে অতিক্ৰম কৰি যায়, আৰু তাতেই মানুহৰ মহত্ব'—পাস্কেলৰ এই বিখ্যাত উক্তি গ্যেটেই নিজৰ জীৱনত সত্য বুলি প্ৰমাণ কৰিছিল। কিন্তু এনেহেন গ্যেটেয়ো এক বিশেষ ক্ষেত্ৰত মৰ্ত্তসীমাৰ বন্ধনৰপৰা মুক্তি বিচৰা নাছিল, বৰং স্বেচ্ছাই তেওঁ সেই ভয়ংকৰ পাৰ্থিব যন্ত্ৰণাৰ ওচৰত বাৰম্বাৰ আত্ম-সমৰ্পণ কৰিছিল। সেই যন্ত্ৰণা আছিল নাৰীৰ প্ৰেম।

তেসত্তৰ বছৰ বয়সত ভৰি দি গ্যেটেই অতীতলৈ ঘূৰি চাই ভাবিলে: শেষবাৰ তেওঁ কেতিয়া প্ৰেমত পৰিছিল? আজিৰেপৰা ৮ বছৰৰ আগতে, ১৮১৪ চনত। তেতিয়া গ্যেটেৰ বয়স ৬৫ বছৰ।

তেওঁৰ পত্নী ক্ৰিষ্টিয়েন্ ভুল্‌পিয়াছ্ তেতিয়াও জীয়াই আছে; আৰু দুবছৰৰ পিছতে ভগ্ন-হৃদয়ৰ যন্ত্ৰণাত অকালতে তেওঁৰ মৃত্যু হ'ব। মেৰিয়ান্ নামৰ এগৰাকী অষ্ট্ৰিয়ান্ অভিনেত্ৰী আৰু নৰ্তকীৰ লগত গ্যেটেৰ পৰিচয় হ'ল। সুন্দৰী চতুৰিকা মেৰিয়ান্ কেৱল অভিনেত্ৰীয়েই নাছিল, মাজে মাজে তেওঁ কবিতাও লেখিছিল। মেৰিয়ানৰ লগত দেখা হোৱা মাত্ৰে গ্যেটে তেওঁৰ প্ৰতি আকৃষ্ট হ'ল। সেই আকৰ্ষণক গ্যেটেই প্ৰথমতে এটা খন্তেকীয়া মোহ বুলি ভুল কৰিছিল; অলপ দিনৰ ভিতৰতে যে সি এক হৃদয়দ্ৰাৱী গভীৰ প্ৰেমত পৰিণত হব, সেই কথা গ্যেটেই কল্পনাই কৰিব পৰা নাছিল। কিন্তু কাৰ্যক্ষেত্ৰত সিয়েই হ'ল। যিহওক, গ্যেটেক লগ পোৱাৰ অলপ দিনৰ পিছতে মেৰিয়ানে ফন্ ৱিলেমাৰ্ নামৰ গ্যেটেৰ বন্ধু এজনক বিয়া কৰিলে। উদাৰহৃদয় ফন্ ৱিলেমাৰে তেওঁৰ নববিবাহিতা পত্নীৰ লগত গ্যেটেৰ বন্ধুত্ব বা প্ৰণয়ত একো বাধা নিদিলে। অৱশ্যে গ্যেটেয়ো মেৰিয়ানৰ লগত তেওঁৰ প্ৰণয়-সম্পৰ্কক প্লেটনিক্ পৰ্যায়তে সীমাবদ্ধ ৰাখিছিল। কিন্তু হ'লেও দিন যোৱাৰ লগে লগে গ্যেটেই অনুভৱ কৰিবলৈ ধৰিলে যে তেওঁৰ হৃদয়ে লাহে লাহে শাসন নমনা হৈ আহিছে, মেৰিয়ানৰ প্ৰতি তেওঁৰ প্ৰেমানুভূতিয়ে এক প্ৰচণ্ড ৰূপ ল'বলৈ আৰম্ভ কৰিছে। গ্যেটে আতংকিত হ'ল, প্ৰায় দুবছৰমান এনে সম্পৰ্ক চলাৰ পিছত গ্যেটেই মেৰিয়ানক দেখা-সাক্ষাৎ কৰিবলৈ এৰি দিলে। অৱশ্যে দুয়োজনৰ মাজত পত্ৰালাপ কিছুদিনলৈ চলি থাকিল।

অতৃপ্ত প্ৰেমৰ এই দুঃসহ যন্ত্ৰণাৰপৰা গ্যেটেই কেনেকৈ পৰিত্ৰাণ পাইছিল? সৰ্ববিষহৰ এটা মহৌষধ তেওঁ আৱিষ্কাৰ কৰিছিল; সেইটো আছিল হৃদয়ৰ সমস্ত আবেগ, সমস্ত যন্ত্ৰণা কাগজৰ ওপৰত লেখাৰ মাজত ঢালি দিয়া।

"He possessed to an exceptional, even an eccentric degree, the gift of being able to sublimate his emotions, and to rid himself of his most

disturbing passions by describing them on paper. Once he has written about his own 'Sturm und Drang', it ceased to worry him and he resumed the wonderful intellectual and emotional quietude that has rendered him one of the mightiest and most comforting of human influences." ( *Harold Nicolson* : *The Age of Reason*, pp. 456-57 )

জীৱনত অসংখ্যবাৰ তেওঁ প্ৰেমত পৰিছে, কিন্তু কোনো এটা প্ৰেমৰ অভিজ্ঞতাই তেওঁক অবিমিশ্ৰ আনন্দ দিয়া নাই। বৰং তেওঁৰ হৃদয়ৰ পাত্ৰ বাৰম্বাৰ উপচি পৰিছে দুঃসহতম যন্ত্ৰণাৰ গৰলেৰে। আন সকলো প্ৰকাৰে গ্যেটে আছিল বিধাতাৰ বৰপুত্ৰ; ভাগ্যই অকৃপণ হাতেৰে তাৰ সমস্ত দান আৰু আশীৰ্বাদ গ্যেটেৰ শিৰত বৰ্ষণ কৰিছিল। কিন্তু সেই গ্যেটেয়ো তেওঁৰ ডায়েৰিত লেখিছিল: "সকলোৱেই মোক পৃথিৱীৰ ভিতৰত সবাতোকৈ ভাগ্যৱান মানুহ বুলি ভাবে। কিন্তু মোৰ জীৱন আচলতে দুশ্চিন্তা আৰু পৰিশ্ৰমেৰেই পৰিপূৰ্ণ। মোৰ এই দীঘলীয়া ৭৫ বছৰৰ জীৱনত মই মাত্ৰ চাৰিটা সপ্তাহৰ কাৰণেও প্ৰকৃত সুখৰ মুখ দেখা নাই।" অৱশ্যে এনে সুখ হয়তো তেওঁৰ প্ৰাৰ্থিতও নাছিল; 'The Harper's Song' নামৰ এটি ক্ষুদ্ৰ কবিতাত তেওঁ লেখিছে: "যি মানুহে চকুপানী টুকি টুকি নিজৰ আহাৰ খোৱা নাই, যি মানুহে চকুপানী টুকি টুকি গোটেই ৰাতি উজাগৰে কটাই পোৱা নাই, হে দিব্যশক্তি, তেনে মানুহে কেতিয়াও তোমাক জানিব নোৱাৰে।" গ্যেটেৰ জীৱনৰ বেছিভাগ হৃদয়-পেষক যন্ত্ৰণা আহিছিল তেওঁৰ বেদনাময় প্ৰেমৰ অভিজ্ঞতাৰপৰা। বাৰম্বাৰ প্ৰেমে তেওঁৰ হৃদয় পিষ্ট আৰু ৰক্তাক্ত কৰি থৈ গৈছে, বাৰম্বাৰ তেওঁ সেই যন্ত্ৰণাৰ ওচৰত স্বেচ্ছাই আত্মসমৰ্পণ কৰিছে। কিয়? কাৰণ এই প্ৰেমেই আছিল তেওঁৰ কাব্যসৃষ্টিৰ প্ৰধান উদ্দীপিকা শক্তি। প্ৰেম-সঞ্জাত সমস্ত যন্ত্ৰণাক তেওঁ প্ৰতিভাৰ যাদুস্পৰ্শেৰে ৰূপান্তৰিত কৰিছিল অনুপম শিল্প-

সৃষ্টিলৈ।৮ 'নিয়তিৰ নিৰ্বাচন' উপন্যাসত তেওঁ অ'টিলিৰ ডায়েৰিত এষাৰ কথা লেখিছে (যিষাৰ আচলতে তেওঁৰ নিজৰেই কথা): "একমাত্ৰ কলাৰ যোগেদি পৃথিৱীখনক সম্পূৰ্ণভাৱে পৰিহাৰ কৰি চলিব পাৰি; একমাত্ৰ কলাৰ যোগেদি পৃথিৱীৰ লগত নিবিড়তম-ভাৱে সংযুক্ত হব পাৰি।" ইয়েই আছিল গ্যেটেৰ জীৱনৰ মূল-মন্ত্ৰ; ইয়াকে অনুসৰণ কৰি তেওঁ জীৱনটো যাপন কৰিছিল।

পয়ষষ্ঠি বছৰ বয়সত গ্যেটে মেৰিয়ানৰ প্ৰেমত পৰিল। প্ৰেমৰ প্ৰতিদানো তেওঁ পালে, কিন্তু মিলনৰ মাজত তাৰ তৃপ্তি বা পৰি-পূৰ্ণতা নঘটিল। অতৃপ্ত প্ৰেমৰ এই দুঃসহ যন্ত্ৰণাৰ ভাৰ তেওঁ বহন কৰে কেনেকৈ?

ইয়াৰ কেইবছৰমানৰ আগতে গ্যেটেৰ মনত বিশ্ব-সাহিত্যৰ কল্পনাই ঠাই পাইছিল, (তেৱেঁই সৰ্বপ্ৰথমে বিশ্বসাহিত্যৰ ধাৰণাৰ জন্ম দিয়ে) আৰু তেওঁ প্ৰাচ্যৰ সাহিত্যসম্পদৰ প্ৰতি আকৃষ্ট হৈছিল। গ্যেটেই বিশ্বাস কৰিছিল যে সাহিত্য আৰু শিল্পকলাৰ কোনো সীমান্ত নাই; মানসলোকত পৃথিৱীৰ সকলো মানুহ একেখন বিশ্বৰ অধিবাসী। অনুবাদ আৰু ৰসগ্ৰাহীৰ সমালোচনাৰ দ্বাৰা পৃথিৱীৰ বিভিন্ন সাহিত্যৰ মাজত পাৰস্পৰিক আদান-প্ৰদানে মানৱ সভ্যতাৰ বিকাশত সহায় কৰিব, এয়েই আছিল তেওঁৰ বিশ্বাস। য়ুৰোপৰ সমগ্ৰ প্ৰাচীন আৰু আধুনিক সাহিত্য আত্মসাৎ কৰাৰ পিছত চিত্ত-লোকৰ নতুন দিগন্ত উন্মোচন কৰাৰ আশাৰে তেওঁ প্ৰাচীন ভাৰতীয় আৰু মিছৰীয় সাহিত্য আৰু শিল্প-কলাৰ ফালে চকু দিলে। ভাৰতীয় সাহিত্য, বিশেষকৈ কালিদাসৰ শকুন্তলাই কিছুদিনৰ কাৰণে তেওঁক অতিশয় মুগ্ধ কৰিছিল; কিন্তু অতি সোনকালেই তেওঁৰ মোহভংগ হ'ল। গ্যেটেই কালিদাসৰ শকুন্তলাৰ বিষয়ে কৰা সপ্ৰশংস উক্তি ভাৰতীয়সকলে জপমন্ত্ৰৰ নিচিনাকৈ আওৰাই থাকে, কিন্তু ভাৰতীয় সাহিত্যই যে অতি সোনকালেই তেওঁক আমুৱাবলৈ আৰম্ভ কৰিছিল সেই কথা কোনেও মনত পেলাবলৈ ইচ্ছা নকৰে। "While he

felt that Indian and Egyptian mythology was grotesque, he found the Persian myths graceful and orderly, and thus at least relatively classic. ( *Goethe* : *Henry Hatfield*, pp. 113-14 ) এই প্ৰসংগতে কাৰ্ল ভিয়েটৰৰ Goethe The Poet গ্ৰন্থ দ্ৰষ্টব্য। এই কথা সঁচা যে ভাৰতীয় বিষয়বস্তুক অৱলম্বন কৰি গ্যেটেই কেইবাটাও বিখ্যাত কবিতা ৰচনা কৰিছিল ( The Pariah নামৰ কবিতা-গুচ্ছ উল্লেখযোগ্য ), কিন্তু এই সময়ত তেওঁৰ সৃষ্টিশীল কল্পনাক প্ৰবলতম-ভাৱে উদ্দীপিত কৰিলে পাৰ্ছী কবিতাই, বিশেষকৈ হাফিজৰ কাব্যই। পাৰ্ছী কবিতাই তেওঁৰ কল্পনাত নতুনকৈ পাখি গজালে, আৰু ১৮১৪ চনত ৰচনা কৰিবলৈ আৰম্ভ কৰিলে The West-Eastern Divan নামৰ কবিতাগুচ্ছ। সমগ্ৰ উনৈশ শতিকা জুৰি এই কবিতা-গুচ্ছ অৱহেলিত হৈ আছিল; কিন্তু বিংশ শতাব্দীৰ কাব্য-ৰসিক-সকলে আৱিষ্কাৰ কৰিছে যে গ্যেটেৰ এই The West-Eastern Divan তেওঁৰ মহত্তম কাব্যসৃষ্টিসমূহৰ ভিতৰত অন্যতম।

১৮১৪ চনত গ্যেটেই এই কবিতাগুচ্ছ লেখিবলৈ আৰম্ভ কৰিছিল, ঠিক সেইসময়তে আৰম্ভ হ'ল মেৰিয়ানৰ লগত তেওঁৰ প্ৰণয় সম্পৰ্ক। গ্যেটেই 'হাটেম' নাম লৈ এই কবিতাগুচ্ছত তেওঁৰ বক্তব্য ক'বলৈ আৰম্ভ কৰিছিল, এনেতে তেওঁৰ জীৱনলৈ আহিল মেৰিয়ান্, আৰু মেৰিয়ানে 'জুলেখা' নাম লৈ 'হাটেম'ৰ লগত কথোপকথনত প্ৰবৃত্ত হ'ল। এই সমগ্ৰ কাব্যগুচ্ছ হাটেম আৰু জুলেখাৰ প্ৰেমালাপ; 'হাটেম' গ্যেটে নিজে, 'জুলেখা' হ'ল মেৰিয়ান্। আগতেই কৈ অহা হৈছে যে মেৰিয়ানে অভিনয় আৰু নৃত্যচৰ্চা কৰাৰ উপৰিও মাজে মাজে কবিতাও লেখিছিল। কিন্তু গ্যেটেৰ লগত মেৰিয়ানৰ প্ৰেমে মেৰিয়ানৰ জীৱনত এটা আশ্চৰ্য মিৰাকল্ ঘটালে। The West-Eastern Divan কাব্যগুচ্ছত 'জুলেখা'ৰ মুখত যিমানবোৰ কাব্যোক্তি দিয়া হৈছে, সেইবোৰৰ বেছিভাগেই মেৰিয়ানৰ নিজৰ

ৰচনা। প্ৰেমৰ সংজ্ঞাতীত যাদুমন্ত্ৰই মেৰিয়ানক এনে এক আচৰিত কাব্য-প্ৰতিভা দিলে যে তেওঁ জুলেখা নাম লৈ লেখা কবিতাবোৰৰ-পৰা গ্যেটেই হাটেম নাম লৈ লেখা কবিতাবোৰৰ পাৰ্থক্য বুজিবলৈ একো উপায় নাই, অনেক ক্ষেত্ৰত মেৰিয়ানৰ ৰচিত কবিতা গ্যেটেৰ কবিতাতকৈয়ো সুন্দৰতৰ। কিন্তু তাতোকৈ আচৰিত কথা এয়েহে যে যিমানদিন গ্যেটেৰ লগত মেৰিয়ানৰ প্ৰণয়সম্পৰ্ক আছিল, ঠিক সিমান দিনলৈকেহে মেৰিয়ানৰ কাব্যপ্ৰতিভা স্থায়ী হ'ল; গ্যেটেৰ লগত সম্পৰ্কচ্যুত হোৱাৰ পিছৰপৰাই মেৰিয়ানে কবিতাৰ নামত আৰু এটা শব্দও লেখিব নোৱৰা হ'ল।

মেৰিয়ানৰ লগত গোটেৰ প্ৰেমৰ ফলশ্ৰুতি হ'ল সেই অমৰ অনবদ্য কবিতাগুচ্ছ: The West-Eastern Divan। গ্যেটেই আৰু দূৰ অতীতলৈ ঘূৰি চালে। আৰু কিমানবাৰ তেওঁ প্ৰেমত পৰিছিল? কোন কোন তিৰোতা তেওঁৰ জীৱনলৈ আহিছিল? কি আনিছিল তেওঁলোকে? প্ৰেমৰপৰা গ্যেটেই কি পালে? প্ৰেমক গ্যেটেই কি দিলে?

অসংখ্য তিৰোতাৰ ভিতৰত অন্ততঃ কেইটামান নাম অতি সহজেই তেওঁৰ মনলৈ আহে। ১৮০৯ চনত তেওঁৰ জীৱনলৈ আহিছিল মীনা হাৰ্জ্‌লিয়েৰ। গ্যেটেই তেতিয়া লেখিলে 'নিয়তিৰ নিৰ্বাচন' (The Elective Affinity) "The boldest and deepest novel of adultery produced by the moral culture of the West"—*Thomas Mann* সেই একে বছৰতে তেওঁৰ জীৱনলৈ আহিল বেটিনা ব্ৰেণ্টানো—গ্যেটেৰ পত্নী ক্ৰিষ্টিয়েন্ ভুল্‌পিয়াছৰ লগত যাৰ চুলিয়াচুলি লাগিল। সেই বেটিনাও কিন্তু গ্যেটেৰ জীৱনৰপৰা সম্পূৰ্ণৰূপে হেৰাই নগ'ল; তেওঁৰ আত্মজীৱনী 'কবিতা আৰু সত্য'ত তেওঁ অমৰ হৈ থাকিল। গ্যেটেৰ বিখ্যাত উক্তি স্মৰ্তব্য: "An event in our life has no value insofar as it is true, but only insofar as it has been significant." ১৭৮৮

চনত তেওঁৰ জীৱনলৈ আহিল ক্রিষ্টিয়েন্ ভুল্‌পিয়াছ্—ৱাইমাৰৰ ৰাজসভাই যাক হাঁহিছিল গাহৰি-পোৱালি বুলি; গ্যেটেৰ মাকে যাৰ নাম দিছিল গ্যেটেৰ bed-treasure। কিন্তু ক্রিষ্টিয়েন্ ভুল্‌পিয়াছে দিয়া উজ্জ্বল ইন্দ্রিয়চেতনাৰ স্মৃতি ৰোমন্থন কৰি গ্যেটেই ৰচনা কৰিলে এক অত্যাশ্চর্য অমৰ কবিতাগুচ্ছ 'ৰোমান্ ইলিজী'। ক্রিষ্টিয়েন্ ভুল্‌পিয়াছৰ আগমনৰ লগে লগে গ্যেটেৰ জীৱনৰপৰা বিদায় লৈছিল চাৰ্লট্ ফন্ ষ্টেইনে—যিগৰাকী তিৰোতা আছিল তেওঁৰ জীৱনৰ 'সূৰ্য', 'দেৱী', 'অভিভাবিকা'—গ্যেটেৰ জীৱনত যাৰ প্ৰভাৱ একমাত্ৰ শেক্সপীয়েৰৰ লগতেই তুলনীয়। চাৰ্লটৰ আগতেও তেওঁৰ জীৱনলৈ আহিছিল লিলি স্কনেমান্—একমাত্ৰ তিৰোতা, যি গ্যেটেৰ লগত বাগ্‌দত্তা হৈছিল—কিন্তু ৰচকী পখিলা সেই চপলা বালিকাই গ্যেটেৰ মনত তিৰোতাৰ প্ৰেমৰ বিষয়ে মোহভংগ ঘটাই তেওঁক ঠেলি দিছিল প্ৰকৃতিৰ কোলালৈ। লিলি অহাৰ আগতে চাৰ্লট্ বুফ্—'ডেকা ৱেৰ্থেৰৰ বিষাদ'ৰ নায়িকা; তাৰো আগতে ফ্রিয়েড্ৰিক্ ব্রিয়ঁ; তাৰো আগতে গ্ৰেৎচেন—যি অমৰ হৈ থাকিল ফাউষ্টৰ মাৰ্গাৰেট্ ৰূপে……।

সেইসকল সুন্দৰী মোহময়ী তিৰোতা—কালৰ সোঁতত সকলোৱেই তেওঁৰ জীৱনৰপৰা হেৰাই গ'ল। অথবা কোনোৱেই আচলতে হেৰাই নগ'ল, প্ৰত্যেকেই ৰূপান্তৰিত হ'ল একোগুচ্ছ অমৰ কবিতালৈ। নিশ্চয় সেইটো খুব ভাল কথা হ'ল। গ্যেটেই পালে সেইসকল সুন্দৰী মোহময়ী তিৰোতা, তেওঁ পালে প্ৰেমৰ সেই অনিৰ্বচনীয় বিষাদ আৰু যন্ত্ৰণা, আৰু আমি পালো গ্যেটেৰ অমৰ কবিতা। নিক'ছ্ কাজানৎস্কিয়ে তেওঁৰ The Odyssey : A Modern Sequal-ত প্ৰাচীন মিছৰীয় ৰাজসভাৰ বৰ্ণনা কৰি লেখিছে—

"The court fools kicked their caps and bells to the high beams,/the plump pale pageboys giggled shyly, the slaves smiled,/and from a golden cage

that hung beneath an arch,/a tiny parrot awoke and cried out, "Grandpapa !" / The shrivelled young king sighed and called his jesters close : / "Fools, art is a heavy task, more heavy than gold crowns ; / it's more, far more difficult to match firm words than armies,/they're disciplined troops, unconquered, to be placed in rhythm,/ the mind's most mighty foe, and not disperse in air. / I'd give, believe me, a whole land for one good song,/for I know well that only words, that words alone,/like the high mountains, have no fear of age or death." ( কিমন্ ফ্ৰায়াৰ-কৃত অনুবাদ )

মৰ্ত-সীমাত বন্দী সাধাৰণ মানুহৰ কাৰণে তিৰোতাৰ দেহ কেৱল তিৰোতাৰ দেহ ; কিন্তু স্বয়ং ঈশ্বৰৰ দ্বাৰা নিৰ্বাচিত যিসকল লোক, chosen people of God, তেওঁলোকৰ কাৰণে তিৰোতাৰ দেহ বা তিৰোতাৰ সৌন্দৰ্য জীৱনৰ অনন্ত ৰহস্যানুভূতিৰ সংকেত-চিহ্ন-মাত্ৰ। গ্যেটেই তিৰোতাক সেই চকুৰেই চাইছিল ; সেইকাৰণেই তেওঁ বাৰম্বাৰ, বৃদ্ধ বয়স পৰ্যন্ত, তিৰোতাৰ প্ৰেম আৰু সৌন্দৰ্যৰ দ্বাৰা নিজৰ হৃদয় বিদ্ধ আৰু ৰক্তাক্ত হ'বলৈ এৰি দিছিল। প্ৰেমৰ-পৰা বেছিভাগ সময়তে তেওঁ পাইছিল দুঃসহ যন্ত্ৰণা, কিন্তু সেই যন্ত্ৰণাৰ বুকুৰপৰা তেওঁ আজুৰি আনিছিল চিৰ-অবিনাশী কবিতা। জীৱন নশ্বৰ, তিৰোতাৰ সৌন্দৰ্য নশ্বৰতৰ। কিন্তু সেই সৌন্দৰ্যই জগাই তোলা সঙ্গীত পৰ্বতমালাৰদৰেই জৰাহীন আৰু মৃত্যুহীন। মেৰিয়ান্ তথা জুলেখাই আয়নাৰ সমুখত বহি ভাবিছে : আৰু দুদিনৰ পিছতে মোৰ এই ৰূপ-লাৱণ্য জহি-খহি যাব, কিন্তু ঠিক এই মুহূৰ্তত ই সময়হীন সৌন্দৰ্যৰ প্ৰতিফলন। সেই সময়হীন সৌন্দৰ্য চিৰকালৰ কাৰণে বন্দী হৈ ৰ'ল গ্যেটেৰ কবিতাত।

কিন্তু এতিয়া গ্যেটেৰ বয়স ৭৩ বছৰ। তেওঁৰ জীৱনলৈ আৰু

কোনোবা নতুন ভিবোতা আহিবনে ? আহিবৰ সময় আছেনে ? মাত্র নবছৰৰ আগতে তেওঁ অৰণ্যে লেখিছিল : "তোমাৰ চুলি পকিলে কি হ'ব ? এতিয়াও তুমি ভাল পাব পাৰা।" কিন্তু……

স্বাস্থ্য ভালে থাকিলে কি হ'ব ? তেওঁ এতিয়া বুঢ়া হৈছে। তেওঁৰ যৌৱনকালে বন্ধু, সংগী, সতীৰ্থ—ওৱেইলেণ্ড, শ্বিলেৰ, হেৰ্ডেৰ, লেভেটৈৰ্—সকলোৱেই এজন এজনকৈ পৃথিৱীৰপৰা বিদায় ললে। এতিয়া তেওঁ এজন নিঃসংগ বৃদ্ধ। যিসকল দৰ্শনাৰ্থীয়ে তেওঁক অষ্টপ্ৰহৰ বিৰক্ত কৰি থাকে, সেইসকলৰ লগত কথা পাতিবলৈ তেওঁ সমূলি ইচ্ছা অনুভৱ নকৰে। তেওঁৰ মুখৰ এষাৰ কথা শুনিবলৈ যিসকল লোক পৰম আশা কৰি দূৰ-দূৰণিৰপৰা আহে, তেওঁলোক নিৰাশ হৈ উভতি যায়। গ্যেটেই আজিকালি কাৰো লগত বিশেষ কথা নাপাতে, কেৱল আনৰ কথা শুনে। একমাত্র ব্যতিক্রম একাৰ্মান্। গ্যেটেৰ পৰম ভক্ত এই ৩১ বছৰীয়া ডেকাজনে ১৮২৩ চনৰেপৰা গ্যেটেৰ ঘৰত আহি থাকিবলৈ লৈছে, আৰু বিভিন্ন বিষয়ৰ ওপৰত গ্যেটেই যেতিয়া যি কথা কয় সেই সকলোবোৰ তেওঁ এখন বহীত টুকি ৰাখিছে। তেওঁৰ এই টোকা বহীখন Conversations with Goethe নামেৰে এদিন জগদ্বিখ্যাত হ'ব।

ৱাইমাৰৰ ব্যস্ত বিদগ্ধ নাগৰিক জীৱনৰপৰা গ্যেটেৰ মাজে মাজে পলাবৰ প্ৰয়োজন হয়। বহু বছৰ ধৰি তেওঁৰ প্ৰিয় অৱসৰ বিনোদৰ ঠাই আছিল কাৰ্লছ্বাদ্। কিন্তু ১৮২১ চনৰপৰা তেওঁ চোং সলাই মেৰিয়েন্‌বাদলৈ যাবলৈ আৰম্ভ কৰিলে। ১৮২৩ চনত তেওঁ তেনেকৈ মেৰিয়েন্‌বাদলৈ গৈ এটা বিৰাট অট্টালিকা ভাড়া কৰি থাকিবলৈ ল'লে। ঘৰটোৰ গৰাকীৰ জীয়েক ফন্ লভেট্‌জউ— ১৯ বছৰ বয়সত তেওঁৰ বিয়া হবৰ সময়ত গ্যেটেই তেওঁক প্ৰথম লগ পাইছিল। তিনিজনী অনূঢ়া কন্যাৰে সৈতে তেওঁ এতিয়া বিধবা। প্ৰথমা কন্যা উল্‌ৰিকে—বয়স ১৭ বছৰ—গোটে যে এজন মস্ত ডাঙৰ মানুহ সেই কথা লোকশ্ৰুতিৰপৰা তেওঁ জানে, কিন্তু গ্যেটেৰ বিপুল ৰচনাৰাজিৰ

এটা শব্দ, এটা বৰ্ণ-বিসৰ্গও তেওঁ পঢ়ি পোৱা নাই। ৭৩ বছৰীয়া বৃদ্ধ কবি গ্যেটে এই সপ্তদশী বালিকাৰ প্ৰেমত পৰিল।

বুঢ়া হ'লে বোলে মানুহৰ 'পৰ্ কিতি লৰে'; গ্যেটেৰো লৰিল। নাতিনিৰ বয়সৰ ছোৱালীজনীৰ প্ৰেমত পৰিয়েই ক্ষান্ত নাথাকি গ্যেটেই উল্‌ৰিকেক বিয়া কৰিবলৈ পাগল হৈ পৰিল। গ্যেটেই ৱাইমাৰলৈ ঘূৰি আহি তেওঁৰ বন্ধু আৰু পৃষ্ঠপোষক ডিউক কাৰ্ল আউগুস্তক খাটনি ধৰিলে—ঘটকালি কৰি বিয়াখন বন্দবস্ত কৰি দিব লাগে। ডিউকে কথাষাৰ শুনি প্ৰথমে ঠাট্টা বুলি ভাবি হাঁহি উৰুৱায়েই দিব খুজিছিল: "তিনিকাল গৈ একালত পৰিছে, তথাপি এতিয়াও ছোৱালী দেখিলে ৰ'ব নোৱাৰা।" কিন্তু গ্যেটে নাছোৰ-বান্দা! উপায়ান্তৰ হৈ অৱশেষত ডিউকে উল্‌ৰিকেৰ মাকৰ ওচৰলৈ গৈ বিয়াৰ প্ৰস্তাৱ দিলে। কোন মাকে এজন ৭৩ বছৰীয়া বুঢ়ালৈ নিজৰ সোতৰ বছৰীয়া ফুলকুমলীয়া ছোৱালীক বিয়া দিব পাৰে? এটা অস্বস্তিকৰ পৰিস্থিতিৰপৰা উদ্ধাৰ পাবলৈ ফন্ লভেট্‌জউৱে তিনি-কন্যাক লৈ মেৰিয়েনবাদ পৰিত্যাগ কৰিলে।

উল্‌ৰিকেৰ লগত গ্যেটেৰ জীৱনত আৰু দ্বিতীয়বাৰ দেখা নহ'ল। ভগ্ন-হৃদয় লৈ তেওঁ ৱাইমাৰলৈ ঘূৰি আহিল। কিন্তু ৰহস্যময় কথা—উল্‌ৰিকেও জীৱনত কাকো বিয়া নকৰিলে। তেওঁ মঠৰ সন্ন্যাসিনী হ'ল, আৰু প্ৰায় এশ বছৰ বয়সত তেওঁৰ মৃত্যু হ'ল। হৃদয়ৰ নিভৃততম অন্ধকাৰত কোনো কোনো বিৰল মুহূৰ্তত সেই সন্ন্যাসিনীয়ে আপোন সত্তাৰ মুখামুখি হৈ গ্যেটেৰ প্ৰেমনিবেদনৰ স্মৃতি কিভাৱে ৰোমন্থন কৰিছিল, সেই কথা সংসাৰে কোনোদিন নাজানিব।

কিন্তু গ্যেট্যেই কি ভাবিছিল সেই কথা আজি সমস্ত সংসাৰে জানে। অশ্বযানত উঠি তেওঁ ৱাইমাৰ অভিমুখে মেৰিয়ান্‌বাদ ত্যাগ কৰিলে। সমস্ত জীৱন ধৰি তেওঁ অজস্ৰবাৰ প্ৰেমৰ ৰক্তাক্ত যন্ত্ৰণাৰ অভিজ্ঞতা লাভ কৰিছে, কিন্তু এইবাৰৰ অভিজ্ঞতাৰ লগত পূৰ্বৰ কোনো অভিজ্ঞতাৰ তুলনা নাই। যৌৱনৰ যি অমিত শক্তিৰে তেওঁ

অতীতৰ সকলো প্ৰচণ্ড আঘাত গ্ৰহণ কৰিছিল, সেই আঘাত বাৰ্ধক্যই নিশ্চয় ঠিক একেভাৱে গ্ৰহণ কৰিব নোৱাৰে। গ্যেটেই বুজি পালে—তেওঁৰ এই বিদায় কেৱল মেৰিয়েনবাদৰপৰা বিদায় নহয়, কেৱল উল্ৰিকেৰপৰা বিদায় নহয়, ই আচলতে নাৰীসৌন্দৰ্যৰ ধ্যান আৰু প্ৰেমানুভূতিয়ে অনিৰ্বচনীয় আনন্দ-বিষাদেৰে মণ্ডিত কৰি তোলা জীৱনৰপৰাই চিৰবিদায়। তেওঁ হয়তো আৰু কেইবছৰমান জীয়াই থাকিব, সমস্ত জীৱন ধৰি ৰচনা কৰা 'ফাউষ্ট'ৰ অসমাপ্ত দ্বিতীয় খণ্ডত তেওঁ হয়তো আৰু কিছু যোগ-বিয়োগ কৰিব, কিন্তু তেওঁৰ জীৱনলৈ আৰু কেতিয়াও নাহিব কোনো নাৰী দুঃসহ যন্ত্ৰণাৰ নিমিত্ত হৈ, অনিৰ্বচনীয় আনন্দৰ উৎস হৈ, অসীম ৰহস্যলোকৰ দূতী হৈ। গোটেই তেওঁৰ হৃদয়ত এক নিঃসীম শূন্যতা আৰু পৰম বিষাদ অনুভব কৰিলে। আৰু মনৰ এনে অৱস্থাত তেওঁ সদায় যি কৰে, আজিও ঠিক তাকেই কৰিবলৈ আৰম্ভ কৰিলে। মেৰিয়েনবাদ এৰাৰ লগে লগে তেওঁ গাড়ীত বহি এটা কবিতা ৰচনা কৰিবলৈ আৰম্ভ কৰিলে, আৰু ৰাইমাৰ আহি পোৱাৰ আগে আগেই কবিতাটোৰ ৰচনা সম্পূৰ্ণ হ'ল। Marienbad Elegy বা Trilogy of Passion নামেৰে প্ৰসিদ্ধ এই কবিতাটো বিশ্বসাহিত্যৰ অন্যতম সৰ্বশ্ৰেষ্ঠ প্ৰেমৰ কবিতা।

মেৰিয়েনবাদ এৰাৰ লগে লগেই গ্যেটেই অশ্বযানত বহি লেখিবলৈ ধৰিলে :

শোক-স্মৃতি-বিজড়িত হে ছাঁয়া, আকৌ এবাৰ দিনৰ পোহৰত তুমি চুচুক-চামাককৈ মুখ দেখা দিছা ; নতুনকৈ ফুল ফুলিব ধৰা ধাঁহনিডৰাত মোৰ লগত তোমাৰ ভেটাভেটি হৈছে, কিন্তু মোক দেখি তুমি লাজত সংকুচিত হৈ উঠা নাই। তুমি মোৰ মনত জগাই তুলিছা তাহানিৰ সেই পুৰণি দিনবোৰৰ জীৱন্ত স্মৃতি—যেতিয়া একেখন পথাৰৰ নিয়ৰে আমাৰ দুয়োকে সঞ্জীৱিত কৰি তুলিছিল, আৰু দিনটোৰ ক্লান্তিকৰ পৰিশ্ৰমৰ অন্তত অস্তগামী সূৰ্যৰ শেষ ৰশ্মি-ৰেখাই আমাক আনন্দৰ আৱেশত বিহ্বল কৰি তুলিছিল।

মই থাকি যাম, তুমি বিদায় লবা---এয়েই আছিল নিয়তিৰ বিধান। মোক এৰি থৈ তুমি আগ বাঢ়ি গুচি গ'লা, অৱশ্যে তাৰ ফলত তোমাৰ একো হানি-বিঘিনি নহ'ল।

মনুষ্য-জীৱন পোৱাটো নিশ্চয় ভাগ্যৰ কথা; দিনটো কিমান মধুৰ যেন লাগে, আৰু ৰাতিটো কিমান মনোহৰ। কিন্তু আনন্দৰ স্বৰ্গত প্ৰোথিত হৈ আমি গৰীয়ান আৰু প্ৰোন্নত স্পৰ্ধক উপভোগ কৰিবলৈ আৰম্ভ কৰিছোহে মাত্ৰ, ঠিক তেনেতেই এক জটিল আৰু হতবুদ্ধি হৃদয়াবেগৰ লগত একোবাৰ আমাৰ নিজৰ আৰু একোবাৰ আমাৰ পৰিবেশৰ সংঘৰ্ষ আৰম্ভ হৈ যায়; আমি যিমানেই ইচ্ছা নকৰো কিয়, দুয়োটাৰে মাজত সামঞ্জস্য স্থাপিত নহয়; ভিতৰত যেতিয়া উজ্জ্বল পোহৰ বিৰাজ কৰে, বাহিৰত তেতিয়া অন্ধকাৰ ঘনীভূত হয়, আৰু আমাৰ মেঘাচ্ছন্ন দৃষ্টিৰপৰা এক উজ্জ্বল বহিৰ্দৃশ্য গোপন হৈ ৰয়। ঠিক এনেকৈয়ে হাতত পোৱা সুখো আমি চিনি নোপোৱা হৈ পৰো।

তথাপি এতিয়া আমি ভাবো যে সেই সুখ আমাৰ কৰায়ত্ত হৈছে; এগৰাকী তিৰোতাৰ মধুক্ষৰা শৰীৰে আমাক মন্ত্ৰমুগ্ধ কৰে; শৈশৱৰ কুসুমকোৰকত পৰিপূৰ্ণভাৱে সুখী হৈ থকা যুৱকজনে বসন্ত-কালত প্ৰবেশ কৰে আৰু তেওঁ নিজেই হৈ পৰে বসন্ত; তেওঁ আনন্দিত হয়, বিস্মিত হয়, অবাক হৈ তেওঁ ভাবে: কোনে বাৰু তেওঁৰ জীৱনত সম্ভৱ কৰি তুলিলে এই গোটেইবোৰ ঘটনা? চাৰিওফালে তেওঁ চকু ফুৰাই চায় আৰু দেখে যে সমগ্ৰ পৃথিৱীখন তেওঁৰেই। হৃদয়ৰ প্ৰবল উচ্ছ্বাসে তেওঁক দূৰ-দূৰণিলৈ টানি নিয়ে, প্ৰাচীৰ বা প্ৰাসাদ একোৱেই তেওঁক বাধা দি ৰাখিব নোৱাৰে। অৰণ্যাচ্ছাদিত গিৰি-শীৰ্ষৰ চাৰিওফালে চৰাইবোৰে ঘূৰি থকাৰ নিচিনাকৈ তেওঁ নিজৰ প্ৰিয়তমাৰ চাৰিওফালে ঘূৰি ফুৰে; আকাশৰ বহু ওপৰৰপৰা চৰায়ে চোঁ মাৰি নামিবলৈ সাজু হৈ থকাৰ নিচিনাকৈ তেওঁ প্ৰিয়াৰ সপ্ৰেম দৃষ্টিক বিচাৰি থাকে, আৰু তেওঁক বন্দী কৰি ৰাখে সেই দৃষ্টিয়ে।

কিন্তু তেওঁ সাৱধান-বাণী পায় হয় খুব আগতীয়াকৈ, নহয় খুব পলমকৈ ; তেওঁ অনুভব কৰে যে তেওঁৰ উৰণ বাৰে বাৰে বাধাপ্ৰাপ্ত হৈছে, তেওঁ জালত বান্ধ খাইছে। প্ৰিয়াক আকৌ দেখিবলৈ পালেই পৰম সুখ অনুভব হয়, বিদায় লব লগা হ'লেই হৃদয় ভাগি যায়, পুনৰ্দৰ্শনে আনি দিয়ে অধিকতৰ আনন্দ, বহুতো বছৰৰ ক্ষতিপূৰণ হয় এটামাত্ৰ মুহূৰ্ত্ততেই ; কিন্তু অৱশেষত তেওঁৰ কাৰণে অপেক্ষা কৰি আছে বুকুভঙা চিৰ-বিচ্ছেদে।

মোৰ বন্ধু, তুমি হাঁহিছা, আৰু হাঁহিছা যথোচিত অনুভূতিৰে সৈতেই ; কাৰণ এক ভয়ংকৰ বিচ্ছেদে তোমাক কৰি তুলিছে বহু-শ্ৰুত। তোমাৰ সকৰুণ ভাগ্য আমি স্মৰণীয় কৰি ৰাখিছো, আৰু শুভাশুভ যিহৰ কাৰণেই নহওক কিয়, আমাক এৰি থৈ তুমি গুচি গ'লা। প্ৰচণ্ড হৃদয়াবেগৰ অনিশ্চিত কুটিল আবৰ্ত্তই আকৌ এবাৰ আমাক তাৰ বুকুলৈ টানি নিছে : আমাৰ কাৰণে আছে ৰাৰম্বাৰ ঘূৰি অহা সেই জটিল মৰ্ম্মপীড়া, আৰু অৱশেষত চিৰবিদায়—সেই বিচ্ছেদ, মৃত্যু যাৰ নামান্তৰ! এই বিচ্ছেদৰ মৃত্যুতুল্য আঘাতৰ কথা অগ্ৰাহ্য কৰি কবিসকলে কিমান মৰ্ম্মস্পৰ্শীভাৱে তাৰ বিষয়ে গান ৰচনা কৰে! সেই যন্ত্ৰণাৰ জালত নিজেই বন্দী আৰু তাৰ কাৰণে অন্ততঃ আধা দোষৰ ভাগী সেই কবিসকলক যেন কোনোবা দেৱতাই এনে বাণী দান কৰিব পাৰে—যি বাণীৰে তেওঁলোকে নিজৰ অপ্ৰতিহাৰ্য যন্ত্ৰণাৰ অভিজ্ঞতা প্ৰকাশ কৰিব পাৰে।

## ইলিজী

নিপীড়িত মানবাত্মা যদি বাণীহীন, মূক,
কোনোবা দেৱতাই মোক দিছে মোৰ যন্ত্ৰণা প্ৰকাশ কৰাৰ বাণী।
এই পুনৰ্মিলনৰপৰা, এতিয়াও অপ্ৰস্ফুটিত এই দিনটোৰপৰা
মোৰ আশা কৰিবলৈ কি আছে? স্বৰ্গ আৰু নৰকৰ দুৱাৰ মোৰ

সমুখত মুকলি হৈ আছে; কি সংকোচে মোৰ হৃদয় কৰি তুলিছে বিচলিত। দূৰীভূত হোৱা সকলো সংশয়! স্বৰ্গৰ দুৱাৰ-দলিত আছি তেওঁ থিয় দিছেহি আৰু তেওঁ মোক তুলি লৈছে তেওঁৰ বাহু-বন্ধনৰ মাজলৈ।

ঠিক এনেদৰেই কোনো কোনো মানুহক স্বৰ্গই নিজৰ কোলালৈ চপাই লয়—যেন তেওঁ অনন্ত কালৰ কাৰণে সুন্দৰ জীৱন লাভ কৰিবৰ যোগ্য; কোনো এটা ইচ্ছা, কোনো এটা আশা, কোনো বাসনা অপূৰ্ণ নাথাকে—ইয়েই হ'ল মানুহৰ অন্তৰতম আকাংক্ষাৰ অন্তিম লক্ষ্য, আৰু এই অপূৰ্ব সৌন্দৰ্যৰ দৰ্শন লাভ কৰা মাত্ৰকতে মানুহৰ ব্যাকুল অশ্ৰুধাৰাৰ উৎস মুহূৰ্ততে শুকাই যায়।

দিনটোৱে কিমান তীব্ৰ বেগেৰে তাত ডেউকা কোবায়, আৰু মুহূৰ্তবোৰক তাৰ আগে আগে খেদি নিয়া যেন লাগে। সন্ধ্যাবেলাৰ চুমাটো, এটা বিশ্বস্ত বন্ধন, পিছদিনাৰ সূৰ্যোদয়লৈকে যাতে এই বন্ধন অটুট থাকে তাৰেই এটা প্ৰতীক। প্ৰহৰবোৰ মন্থৰ গতিৰে আগবাঢ়ে; সহোদৰা বাই-ভনীৰ দৰে সিহঁত দেখিবলৈ একে, কিন্তু আচলতে এটা প্ৰহৰৰো আন এটা প্ৰহৰৰ লগত সম্পূৰ্ণ মিল নাই।

সৰ্বশেষ চুমাটো, নিৰ্মমভাৱে মধুৰ, অংগাংগীভাৱে জড়িত বিচিত্ৰ বাসনাৰ দৃঢ় পেশী সি বিদীৰ্ণ কৰি থৈ যায়। ভৰিটোৱে স্খলিত—দ্ৰুততাৰে সেই দুৱাৰদলি পাৰ হৈ পলাই যায়, যেন এক ক্ৰুদ্ধ দেৱদূতে ইয়াৰপৰা তাক খেদিহে নিছে; অন্ধকাৰে আচ্ছন্ন কৰি অনা পথটোৰ ফালে চকুৱে হতাশাৰে সৈতে চাই থাকে, আৰু যেতিয়া সি ঘূৰি চায়, তেতিয়াও পদূলিৰ জপানখন বন্ধ হৈয়ে আছে।

আৰু এতিয়া হৃদয়খন নিজৰ ভিতৰতেই বন্দী—কেতিয়াও যেন সি খোল খোৱা নাছিল, কেতিয়াও যেন সি প্ৰিয়াৰ কাষত সেই স্বৰ্গীয় প্ৰহৰবোৰ যাপন কৰি পোৱা নাছিল, আৰু সেইবোৰ মুহূৰ্তত সি যেন আকাশৰ সমস্ত তৰাৰ উজ্জ্বলতাৰ লগত ফেৰ মাৰি পোৱা নাছিল; যন্ত্ৰণা, অনুতাপ, আত্মগ্লানি আৰু দুশ্চিন্তাৰ বোজাই এতিয়া

তাক হেঁচা মাৰি ধৰিছে, আৰু ভাপত সিজাব ধৰা গোমা গৰমৰ বতৰে তাক ঘেৰি ধৰিছে।

কিন্তু এতিয়াও জানো পৃথিৱীখন নাই? শিলাময় গিৰি-শীৰ্ষবোৰ আৰু কি পবিত্ৰ ছাঁয়াই আৱৰি ৰখা নাই? শস্যবোৰ আৰু আগৰ দৰে পকি নুঠেনে? পথাৰ আৰু হাবি-বননিৰে সৈতে সেউজীয়া গাঁও-ভুঁইবোৰ নৈৰ পাৰে পাৰে শোভা পাই থকা নাই? আৰু সেই বিশাল উত্তুঙ্গ তোৰণাকৃতিৰ অম্বৰ এতিয়াও বিচিত্ৰ কায়াৰে পূৰ্ণ হৈ পিছ মুহূৰ্তত পুনৰ শূন্য হৈ নুঠেনে?

মেঘমালাৰ গম্ভীৰ বৃন্দগানৰপৰা কোনোবাই যেন আলফুলকৈ, সুকোমলকৈ, সুস্পষ্টভাৱে আৰু পৰম আদৰেৰে এজন উৰণীয়া দেৱ-দূতৰ আৰ্হিত তাক গঢ়ি তুলিছে—উজ্জ্বল কুঁৱলীৰ এনে এটা ক্ষীণ মূৰ্তি বহু দূৰত আৰু ওপৰত নীল আকাশৰ বিপৰীতে লাহে লাহে উঠি আহিছে—সেই মূৰ্তিটো যেন তেওঁৰেই—এনেকৈয়ে তুমি তেওঁক আনন্দৰ উল্লাসত নাচি থকা দেখা পাইছিলা, বিশ্ব জগতত যাৰ সৌন্দৰ্যৰ কোনো তুলনা নাই।

কিন্তু তেওঁৰ পৰিবৰ্তে এটা বায়বীয় মূৰ্তিকে নিবিড় আলিংগনত ধৰি থকা বুলি মাত্ৰ কেই মুহূৰ্তমানতকৈ বেছি সময় তুমি ভুল কৰি নাথাকিবা; নিজৰ হৃদয়লৈ ঘূৰি আহাঁ, কাৰণ তাতহে বেছি সহজে তুমি তেওঁক পাবা। তোমাৰ হৃদয়ৰ মাজত তেওঁ নিত্য-নব ৰূপত বিৰাজ কৰে আৰু বিচৰণ কৰে: যদিও তেওঁ মূলতে সদায় একেই, তথাপি তেওঁ বিচিত্ৰ ৰূপত আত্ম-প্ৰকাশ কৰে, হাজাৰবাৰ নিজৰ ৰূপ পৰিবৰ্তন কৰে, আৰু প্ৰত্যেকবাৰেই তেওঁ আগতকৈ প্ৰিয়তৰ হয়।

মোক আদৰি লবলৈ তেওঁ পদূলিমুখত বাট চাই আছিল, তাৰ পিছৰেপৰাই প্ৰতি খোজে খোজে তেওঁ মোৰ আনন্দৰ পৰিমাণ বঢ়াই নি আছে। আনকি সৰ্বশেষ চুমাটো দিয়াৰ পিছতো তেওঁ মোৰ পিছে পিছে দৌৰি আহি মোক সাৰটি ধৰিলে আৰু মোৰ ওঁঠত আৰু এটা শেষ চুমা হেঁচি দিলে—মোৰ প্ৰিয়তমাৰ এই ৰূপ, স্পষ্ট

আৰু জীৱন্ত, মোৰ বিশ্বস্ত হৃদয়ৰ ওপৰত জুইৰ আখৰেৰে চিৰকালৰ কাৰণে সি লেখা হৈ ৰ'ল।

লেখা হৈ ৰ'ল মোৰ হৃদয়ৰ ওপৰত, যি নিজকে সাঁচি ৰাখিছে তেওঁৰ কাৰণে আৰু তেওঁক সাঁচি ৰাখিছে নিজৰ মাজত; সু-উচ্চ দুৰ্গ-প্ৰাকাৰৰ দৰে অবিচলিত মোৰ এই হৃদয়; তেওঁ আছে, কেৱল এই কাৰণেই মোৰ হৃদয় নিজৰ অস্তিত্বৰ কাৰণে আনন্দিত; তেওঁ আছে, কেৱল এই বুলি জানিলেহে মোৰ হৃদয়ে নিজৰ অস্তিত্ব অনুভৱ কৰে, কেৱল তেওঁৰ লগত প্ৰেমৰ বন্ধনেই এই হৃদয়ক মুক্তি দিছে, আৰু এতিয়া জীৱনৰ প্ৰতিটো কথাৰ কাৰণে তেওঁৰ প্ৰতি কৃতজ্ঞতাৰ বাহিৰে এই হৃদয়ত আন একো স্পন্দন নাই।

এই হৃদয়ৰ ভাল পাবৰ যি শক্তি আছিল আৰু প্ৰতিদানত ভালপোৱা পোৱাৰ যি প্ৰয়োজন আছিল, সেই সকলোবোৰেই পুৰি ছাই হৈ নিশ্চিহ্ন হৈ গ'ল; কিন্তু পিছ মুহূৰ্ততে মই আকৌ নতুনকৈ আশা কৰিবলৈ, পৰিকল্পনা কৰিবলৈ, সিদ্ধান্ত লবলৈ আৰু সেইমতে দ্ৰুত গতিৰে কাম কৰিবলৈ আনন্দময় প্ৰেৰণা ঘূৰাই পালো! কাৰণ প্ৰেমে যদি কেতিয়াবা প্ৰেমিকক প্ৰেৰণা দিছিল, তেন্তে মোৰ ক্ষেত্ৰত সি দিছিল সবাতোকৈ আনন্দিত হৃদয়েৰে:

আৰু সি আছিল কেৱল মোৰ প্ৰিয়তমাৰেই দান। অন্তৰৰ এক গভীৰ ব্যাকুলতাই দুৰ্বহ পাষাণ-ভাৰৰ দৰে মোৰ দেহ-মন পিষ্ট কৰি পেলাইছিল: মোৰ শ্বাসৰুদ্ধ শূন্য হৃদয়ৰ মৰু-প্ৰান্তৰৰ যিফালেই চাওঁ, সেইফালেই দেখা পাইছিলো কেৱল আতংক! কিন্তু এতিয়া এটা পৰিচিত দুৱাৰদলিত আশাই পুনৰ ভুমুকি মাৰিছে: তেওঁ নিজেই আহি দেখা দিছেহি সূৰ্য-কিৰণৰ কোমল উজ্জ্বলতাৰ মাজত।

যিজনে আমাৰ হৃদয়ত পৰিপূৰ্ণ প্ৰেম জগাই তোলে, তেওঁৰ উপস্থিতিত আমি প্ৰেমৰ যি সৌম্য প্ৰশান্তি অনুভৱ কৰো, সেই প্ৰশান্তিৰ লগত মই তুলনা কৰিব পাৰো ঈশ্বৰে দান কৰা শান্তিক— যি শান্তিয়ে ( আমি পঢ়িবলৈ পাইছো ) এই পৃথিবীলৈ নমাই আনে

সকলো বোধশক্তিৰ অতীত এক মঙ্গলময় আশীৰ্বাদ। হৃদয় তেতিয়া শান্ত হয়, আৰু আন একোৱেই তেতিয়া হৃদয়ৰ সেই গভীৰতম অনুভবক বিঘ্নিত কৰিব নোৱাৰে যে প্ৰিয়তমাৰ লগত আমি সম্পূৰ্ণ একাত্ম।

আমাৰ আত্মাৰ নিৰ্মল গভীৰতাত জাগি উঠে এনে এটা বাসনা—যি বাসনাই আমাক উদ্বুদ্ধ কৰে আমাতকৈ এটা উচ্চতৰ, পবিত্ৰতৰ আৰু অজ্ঞাত শক্তিৰ ওচৰত নিজকে মুক্তভাৱে আৰু পৰম কৃতজ্ঞতাৰে উছৰ্গা কৰিবলৈ, আৰু তাকে কৰি সেই চিৰন্তন সংজ্ঞাহীনৰ ৰহস্য ভেদ কৰিবলৈ ; তাকেই আমি অভিহিত কৰো ধৰ্মিষ্ঠতা বুলি। তেতিয়া মই মোৰ প্ৰিয়াৰ সমুখত থিয় হওঁ, তেতিয়া মই এনে এক দিব্য মঙ্গলানুভূতিৰেই অংশ পোৱা যেন অনুভব কৰো।

সূৰ্যৰ প্ৰতাপৰ দৰে তেওঁৰ দৃষ্টিৰ সম্মুখত, বসন্তৰ তপ্ত সমীৰণৰ দৰে তেওঁৰ প্ৰশ্বাসৰ সম্মুখত আমাৰ তুহিন-শীতল দীৰ্ঘ অনমনীয় অহংবোধ গলি গলি নোহোৱা হৈ যায়, কোনো অহং-ইচ্ছা, কোনো স্বাৰ্থবুদ্ধি তিষ্ঠি থাকিব নোৱাৰে—তেওঁৰ আগমনৰ লগে লগেই সেই সকলোবোৰ মৰহি নিশ্চিহ্ন হৈ যায়।

তেওঁ যেন আমাক কয়, “প্ৰতিটো দয়াবান প্ৰহৰে প্ৰহৰে আমালৈ আগ বঢ়োৱা হৈছে জীৱনৰ উপহাৰ ; আমাৰ পাৰ হৈ যোৱা দিনবোৰে পিছলৈ বুলি বিশেষ একো চিন ৰাখি থৈ নাযায়, আহিব ধৰা দিনবোৰ কেনেকুৱা হব সেই বিষয়ে জানিবলৈকো অধিকাৰ নাই। আৰু যদি কেতিয়াবা, সন্ধিয়া পৰত, মোৰ হৃদয়ে মোক বিভ্ৰান্ত কৰে, তেতিয়াও মোক এসময়ত আনন্দিত কৰা সমস্ত দৃশ্যৰাজিৰ ওপৰত বৰ্ষিত হয় অস্তমিত সূৰ্যৰ কিৰণপ্ৰপাত।

“তেন্তে মই যি কৰো তুমিও ঠিক তাকেই কৰা—আনন্দ আৰু সজ্ঞান আগ্ৰহেৰে সৈতে, দীৰ্ঘসূত্ৰিতা পৰিহাৰ কৰি, মুহূৰ্তটোৰ মুখামুখি হোৱা। কৰ্ম বা সম্ভোগ, যিহৰ মাজতেই নহওক কিয়—নিৰ্মল আৰু জীৱন্ত ইচ্ছাৰে সৈতে তুৰন্তে তাৰ মুখামুখি হোৱা। হে

প্ৰিয়, তুমি য'তেই আছা তাতেই থাকা, আৰু তাতেই থাকা সমগ্ৰভাৱে,—চিৰকাল তুমি শিশুৰ নিচিনা হোৱা, তেতিয়াহে তুমি হবা সৰ্বাত্মা আৰু অপৰাজেয়।

তুমি অৱশ্যে নিশ্চয় তেনেকৈ ক'ব পাৰা ( মই ভাবিলো ): কোনোবা দেৱতাৰ আশীৰ্বাদত তোমাৰ দৃষ্টিত বৰ্ষিত হয় পুণ্যপ্ৰভা, আৰু তোমাৰ মধুৰ উপস্থিতিত, তোমাৰ দৃষ্টিৰ বিদ্যুৎচমকত, প্ৰত্যেক মানুহেই নিজকে অনুভৱ কৰে বিধাতাৰ বৰপুত্ৰ বুলি। কিন্তু মোৰ কাৰণে এতিয়া আহিব ধৰিছে তোমাৰপৰা চিৰবিচ্ছেদৰ সেই ভয়ংকৰ মুহূৰ্ত,—তেনে স্থলত এই সমস্ত জ্ঞান-গম্ভীৰ কথা শিকি মোৰনো বাৰু কিটো লাভ হ'ব ?

মই তোমাৰপৰা এতিয়া বহু নিলগত। এই বৰ্তমানৰ মুহূৰ্তটো —কি দাবী কৰে সি ? মই ক'ব নোৱাৰো। মোলৈ সি আগবঢ়াইছে বহুতো ভাল আৰু সুন্দৰ উপহাৰ ; কিন্তু সেই সকলোবোৰেই একো একোটা বোজা মাত্ৰ, আৰু সেইবোৰ মই প্ৰত্যাখ্যান কৰিবই লাগিব। এটা অপ্ৰতিৰোধ্য বাসনাই মোক ইফালে সিফালে খেদি ফুৰিছে ; অন্তহীন অশ্ৰুধাৰাই মোৰ একমাত্ৰ সান্ত্বনা।

তেন্তে, হে অশ্ৰুধাৰা, তুমি অন্তহীনভাৱে বৈয়েই থাকা—যদিও তুমি কেতিয়াও মোৰ বুকুৰ মাজৰ জুইকুৰা নুমুৱাব নোৱাৰা। ইতিমধ্যেই এক ভয়ংকৰ যন্ত্ৰণাই, এক মৰ্মঘাতী জীৱন-মৰণ সংগ্ৰামে মোৰ হৃদয় চিৰাচিৰ কৰি পেলাইছে। দেহৰ যন্ত্ৰণা প্ৰশমিত কৰিব পৰা কিবা বনৌষধি থাকিব পাৰে, কিন্তু নিজে কিবা এটা ইচ্ছা কৰিবলৈ বা সিদ্ধান্ত লবলৈ মনৰ কোনো শক্তি নাই।

অথবা মনৰ শক্তি নাই তেওঁৰ অবিহনে জীয়াই থকাৰ কথা কল্পনা কৰিবলৈ। সহস্ৰবাৰ ই নিজৰ ভিতৰতে জগাই তোলে তেওঁৰ মূৰ্তি—কেতিয়াবা সি উদয় হয় খুব ধীৰে ধীৰে, কেতিয়াবা সি পলকতে অদৃশ্য হৈ যায়, কেতিয়াবা সি অস্পষ্ট, কেতিয়াবা

উজ্জলভাৱে স্পষ্ট। এই জোৱাৰ আৰু ভাটাই, এই অহা আৰু যোৱাই কেনেকৈ বাৰু দিব পাৰে সামান্যতম সান্ত্বনা?

মোৰ বিশ্বস্ত সংগীসকল, তোমালোকে মোক ইয়াতেই এৰি থৈ যোৱা। মোক অকলে এৰি থৈ যোৱা শিলনি আৰু পিটনি আৰু শেলুৰৈৰ মাজত। নিজৰ বাটত তোমালোক আগ বাঢ়ি গৈ থাকা। তোমালোকৰ কাৰণে উন্মুক্ত হৈ আছে বিশ্ব-চৰাচৰ, বিপুলা এই পৃথিৱী, জ্যোতির্ময় আৰু সুবিশাল নভোমণ্ডল; পৰীক্ষা কৰা, অনুসন্ধান কৰা, পুংখানুপুংখ তথ্য সংগ্ৰহ কৰা, আৰু ধৈৰ্য-সহকাৰে উদ্‌ঘাটন কৰিবলৈ চেষ্টা কৰা প্ৰকৃতিৰ ৰহস্য।

মই হেৰুৱালো সমগ্ৰ বিশ্ব-জগত, মই হেৰুৱালো নিজকে—সেই মই, যি মাত্ৰ সৌ সিদিনালৈকে আছিলো দেৱতাসকলৰ নয়ন-মণি। তেওঁলোকে মোৰ পৰীক্ষা চাইছিল, তেওঁলোকে মোক দিছিল পাণ্ডোৰাক ( Pandora ) তেওঁৰ অজস্ৰ মঙ্গলময় উপহাৰ আৰু ততোধিক অজস্ৰ ভয়ংকৰ বিপদৰাজিৰে সৈতে। তেওঁলোকে মোক বিশাল ঐশ্বৰ্যৰ ওষ্ঠ-লগ্ন কৰিছিল, তাৰ পিছত তেওঁলোকেই মোক তাৰপৰা টানি-আজুৰি আনি ধ্বংস কৰিলে।

## শান্তি

প্ৰেমৰ প্ৰচণ্ড আবেগে সদায় লগত লৈ আহে যন্ত্ৰণা। অ' মোৰ বেদনা-বিধুৰ হৃদয়, তুমিযে কিমান কি হেৰুৱালা, তোমাক সান্ত্বনা দিব কোনে? কাঁড়ৰ বেগেৰে যিবোৰ প্ৰহৰ পাৰ হৈ অদৃশ্য হৈ গ'ল, সেই প্ৰহৰবোৰ এতিয়া ক'ত? বৃথাই তোমাক সেই পৰমতম সৌন্দৰ্যই জীৱনত এবাৰ দৰ্শন দিছিল! এতিয়া তোমাৰ হৃদয় অসাৰ, তোমাৰ উদ্দেশ্য বিভ্ৰান্ত। আৰু জগতৰ সমস্ত সৌন্দৰ্য-গৰিমা, কেনেকৈ সি তোমাৰ চেতনাৰপৰা ক্ৰমে ক্ৰমে অস্পষ্ট হৈ নিশ্চিহ্ন হৈ গ'ল!

কিন্তু এতিয়া দেৱদূতৰ ডেউকাত ভৰ দি ওপৰলৈ উঠি আহিছে

সংগীত ; সি সৃষ্টি কৰিছে লক্ষ লক্ষ সুৰ-সমলয়, মানুহৰ অন্তৰতম সত্তাত সি প্ৰবেশ কৰিছে, পাৰাপাৰ প্লাবিত কৰা অনন্ত সৌন্দৰ্যেৰে সি তেওঁক কৰি তুলিছে পৰিপূৰ্ণ। তেওঁৰ দুনয়ন ভৰি উঠিছে অশ্ৰুধাৰা আৰু অনুভৱেৰে, মহতী বাসনাৰে, সংগীত আৰু অশ্ৰুধাৰাৰ স্বৰ্গীয়তাৰে।

আৰু এইদৰে ভাৰমুক্ত হোৱা তেওঁৰ হৃদয়ে হঠাৎ লক্ষ্য কৰিছে যে ই এতিয়াও জীৱন্ত আৰু স্পন্দমান, স্পন্দিত হৈ থাকিবলৈ ই এতিয়াও ইচ্ছুক, আৰু এই উদাৰ উপহাৰৰ প্ৰতিদানত ই নিজকে নিৰ্মল কৃতজ্ঞতাত উছৰ্গা কৰিবলৈ প্ৰস্তুত। আৰু ঠিক এনে অৱস্থাতে ই অনুভৱ কৰিছে যে হৃদয়ৰ এই অভিজ্ঞতা যেন চিৰকাল স্থায়ী হয়! সংগীত আৰু প্ৰেমৰ এই যুগল আনন্দানুভূতি।"

এইটোৱেই হ'ল গ্যেটেৰ 'মেৰিয়েন্‌বাদ ইলিজী'—সকলো কাব্য-ৰসিকৰ মতে বিশ্ব-সাহিত্যৰ অন্যতম সৰ্বশ্ৰেষ্ঠ প্ৰেমৰ কবিতা। টিকা-টিপ্পনী নিষ্প্ৰয়োজন। কেৱল দুটামান কথালৈ পাঠকসকলৰ দৃষ্টি আকৰ্ষণ কৰিব খোজো। গ্যেটে আধুনিক কালৰ একমাত্ৰ কবি—যাক হোমাৰ, ডাণ্টে আৰু শ্বেক্‌ছ্‌পীয়েৰৰ লগত একেশাৰীতে বহুৱাব পাৰি। কিন্তু এটা বিষয়ত গ্যেটেৰ লগত আমাৰ আত্মীয়তা নিবিড়তৰ। পশ্চিমৰ সাহিত্য-সংস্কৃতিৰ সুপ্ৰাচীন আৰু মহত্তম ঐতিহ্য সম্পূৰ্ণভাৱে আত্মসাৎ কৰিও তেওঁ বিস্ময়কৰভাৱে আধুনিক। তেওঁৰ ৰচনাত প্ৰতিফলিত হৈছে আধুনিক মানুহৰ অভিজ্ঞতা, বিশ্ব-বীক্ষা আৰু জীৱন-জিজ্ঞাসা। মধ্যযুগৰ মুখপাত্ৰ হ'ল ডাণ্টে, ৰেণেছাঁ বা নৱজাগৰণৰ যুগৰ সৰ্বশ্ৰেষ্ঠ কবি শ্বেক্‌ছ্‌পীয়েৰ, আৰু ৰোমাণ্টিক আন্দোলন সূচনা কৰা আধুনিক যুগৰ সৰ্বশ্ৰেষ্ঠ কবি গ্যেটে। তেওঁক যদিও একে আষাৰে ৰোমাণ্টিক কবি বুলি অভিহিত কৰিব নোৱাৰি, তেওঁ নিজেই ঘোষণা কৰিছিল যে Classicism is health and Romanticism is sickness, তথাপি তেওঁৰ জীৱন আৰু

ৰচনাতেই ৰোমান্টিক আন্দোলনৰ মহত্তম বৈশিষ্ট্যবোৰৰ পৰিপূৰ্ণ প্ৰকাশ ঘটিছিল। তেওঁ আছিল ব্যক্তিত্ববাদৰ পূজাৰী। কিন্তু তেওঁ ব্যক্তিৰ মাজত বিচাৰিছিল সৌন্দৰ্য, মহত্ত্ব আৰু ভাৰসাম্য। তেওঁ বিশ্বাস কৰিছিল যে জীৱনৰ ঘাই চালিকা-শক্তি হ'ল অনুভূতি। তেওঁৰ জীৱনৰ লক্ষ্য আছিল বিশ্ব-প্ৰকৃতি আৰু মানৱ-প্ৰকৃতিৰ চিৰন্তন ৰহস্যৰ অন্বেষণ আৰু দুয়োটাৰ মাজত সমন্বয়-সাধন। এই কাৰণেই তেওঁ সাহিত্য আৰু বিজ্ঞানৰ সাধনাৰ মাজত কোনো বিৰোধ বা পাৰ্থক্য ৰখা নাছিল। এজন লিখকে কোৱাৰ দৰে সমস্ত জীৱন তেওঁ বিজ্ঞান আৰু সাহিত্যক দুই বাহুৰে আলিংগন কৰি ধৰি ৰাখিছিল। ৰোমান্টিকসকলে প্ৰকৃতিক নতুন ৰূপত আৰু অৰ্থত আৱিষ্কাৰ কৰিছিল, প্ৰকৃতিৰ লগত মানৱ-জীৱনৰ অবিচ্ছেদ্য সংলগ্নতা বিচাৰি পাইছিল। সেই প্ৰকৃতিৰ মহত্তম বন্দনা ধ্বনিত হৈছিল গ্যেটেৰ কাব্যত। এমাৰ্ছনে কৈছিল যে প্ৰকৃতিৰ বিষয়ে কব লগা সকলো কথা গ্যেটেই কৈ শেষ কৰি গৈছে, সেই বিষয়ে নতুনকৈ কবলৈ কাৰো একো কথা নাই। ফাউষ্টৰ মুখেদি গ্যেটেই যি প্ৰকৃতি-বন্দনা গোৱাইছে, সেই চিত্তোন্মাথী কবিতা পঢ়ি আঁদ্ৰে জিদেই জীৱনৰ নতুন অৰ্থ আৱিষ্কাৰ কৰিছিল, তেওঁ উপলব্ধি কৰিছিল যে ইন্দ্ৰিয়ৰ যোগেদিও ঈশ্বৰে কথা কব পাৰে। কিন্তু অন্যান্য ৰোমান্টিক কবি-সকলৰ লগত গ্যেটেৰ এটা ডাঙৰ মৌলিক পাৰ্থক্য আছিল। শ্বেলী, কীটছ্ আৰু ওৱৰ্ড্‌ছ্‌ৱৰ্থৰ নিচিনা সৰ্বশ্ৰেষ্ঠ ৰোমান্টিক কবিসকলৰো দৃষ্টিভংগী আছিল সংকীৰ্ণ, জীৱনৰ দৰ্শন আৰু অভিজ্ঞতা খণ্ডিত। আনহাতে গ্যেটেৰ অভিজ্ঞতাৰ পৰিধি আছিল বিশাল আৰু বৈচিত্ৰ্য-ময়,—এক বিৰাট আলিংগনেৰে তেওঁ জীৱন আৰু প্ৰকৃতিৰ সকলো বৈপৰীত্যক আঁকোৱালি লৈ সেইবোৰক এটা অখণ্ড আৰু সুসংহত ৰূপ দিবলৈ চেষ্টা কৰিছিল। তেওঁৰ জীৱনৰ দৰ্শন আছিল সুগভীৰ আৰু সৰ্বাত্মক। মানুহৰ জীৱনটো হ'ল নানা বিপৰীতমুখী শক্তি আৰু প্ৰকৃতিৰ অন্তহীন ৰণক্ষেত্ৰ। গ্যেটেই বিশ্ব-প্ৰকৃতিত যেনেকৈ 'বহুৰ

মাজত এক'ৰ সন্ধান কৰিছিল, ঠিক তেনেকৈ তেওঁ নিজৰ মাজতো এনে এক গোপন মূল-কেন্দ্ৰ আৱিষ্কাৰ কৰিবলৈ চেষ্টা কৰিছিল— য'ত সকলো বিৰোধ আৰু বৈপৰীত্যৰ অৱসান ঘটি এক প্ৰশান্ত ঐক্যতান বা সুৰ-সমন্বয়ৰ সৃষ্টি হব পাৰে। গ্যেটে-সাহিত্যৰ এজন পণ্ডিতে সম্প্ৰতি আঙুলিয়াই দিছে যে গ্যেটেৰ সেই সাধনাই মানৱ-মনৰ অন্ধকাৰ অন্তৰ্লোকলৈ এনে কিছুমান নতুন পথ নিৰ্মাণ কৰিছিল—যিবোৰ পথেদি আগবাঢ়ি এক শতাব্দীৰ পিছত ফ্ৰয়েড আদি মনোজগতৰ আধুনিক অভিযাত্ৰীসকলে এখন নতুন অন্ধকাৰ মহাদেশ আৱিষ্কাৰ কৰিছিল। ৰোমাণ্টিক আন্দোলনৰ ঢৌ কেতিয়াবাই মাৰ গ'ল যদিও সি পেলাই থৈ যোৱা পলসৰ বুকুতেই বিংশ শতাব্দীৰ সৰহভাগ চিন্তা আৰু জীৱন-দৰ্শনৰ বীজ অংকুৰিত হৈছিল। ফলত পৃথিৱীৰ সকলো 'মহাকবি'ৰ ভিতৰত গ্যেটেই হ'ল সম্পূৰ্ণভাৱে আধুনিক মানুহৰ কবি।

* * *

ওপৰত সম্পূৰ্ণভাৱে উদ্ধৃত কৰা গ্যেটেৰ প্ৰেমৰ কবিতাটিত দুটা কথা বিশেষভাৱে লক্ষ্যণীয়। পৃথিৱীৰ বহু কবিয়ে ব্যৰ্থ প্ৰেমৰ মৰ্মঘাতী যন্ত্ৰণা তেওঁলোকৰ কবিতাত প্ৰকাশ কৰিছে। গ্যেটেৰ কবিতাতো সেই যন্ত্ৰণাৰ উন্মুক্ত প্ৰকাশ ঘটিছে, কিন্তু তেওঁৰ কাৰণে যন্ত্ৰণাই শেষ কথা নহয়। আঁদ্ৰে মাল্ৰোৱে তেওঁৰ আত্ম-জীৱনীত লিখিছিল: "The metamorphosis of a fate undergone into a fate transcended is one of the most profound that man can create."—সেইটো কৰাৰ অন্যতম উপায় হ'ল শিল্পৰ সৃষ্টি বা সম্ভোগৰ জৰিয়তে জীৱনৰ এক ভিন্নতৰ বা উচ্চতৰ স্তৰলৈ উত্তৰণ। তাৰ মাজতেই কলাৰ মুক্তিদায়িনী শক্তি প্ৰমাণিত হয়। গ্যেটেই যেতিয়া কৈছিল—"একমাত্ৰ কলাৰ সহায়তেই পৃথিৱীক সম্পূৰ্ণভাৱে পৰিহাৰ কৰি চলিব পাৰি, আৰু একমাত্ৰ কলাৰ যোগেদিয়েই পৃথিৱীৰ লগত নিবিড়তমভাৱে সংযুক্ত হ'ব

পাৰি”—তেওঁ তেতিয়া ভিন্ন ভাষাৰে ঠিক এই কথাকেই বুজাব খুজিছিল। গ্যেটেই তেওঁৰ সৰ্বশেষ প্ৰেমৰ কবিতাত নিজৰ ভগ্ন হৃদয়ৰ সমস্ত দুঃসহ যন্ত্ৰণা ঢালি দিছে, কিন্তু সামৰণিত তেওঁ নিজেই ঘোষণা কৰিছে যে সংগীত-সুধা পান কৰি তেওঁৰ মৃতপ্ৰায় হৃদয় পুনৰ সঞ্জীৱিত হৈ উঠিছে।

সমস্ত জীৱন ধৰি সংগীত আছিল গ্যেটেৰ আত্মাৰ নিভৃত আশ্ৰয়। (প্ৰসংগতঃ উল্লেখ্য যে গ্যেটেই যন্ত্ৰ-সংগীত বিশেষ ভাল নাপাইছিল, তেওঁৰ প্ৰধান আকৰ্ষণ আছিল কণ্ঠ-সংগীতৰ প্ৰতি।) লগৰীয়াৰ লগত বা প্ৰকৃতিৰ কোলাত খেল-ধেমালি কৰি আপোন-পাহৰা হৈ থকা শিশুৱে কাৰোবাৰ লগত কাজিয়া কৰি বা কেনেবাকৈ আঘাত পাই কান্দি-কাটি ঘৰলৈ ঘূৰি আহি মাকৰ কোলাত আশ্ৰয় বিচৰাৰ দৰে গ্যেটেয়ো বাহিৰৰ সংসাৰত পোৱা দুখ-বেদনাৰ সান্ত্বনা আৰু উপশম বিচাৰিছিল সংগীতৰ মাজত। এই অৰ্থত তেওঁৰ কবিতাৰ সামৰণিত উল্লেখিত সংগীতৰ সঞ্জীৱনী-শক্তি তেওঁৰ ব্যক্তিগত অভিজ্ঞতাৰ আক্ষৰিক প্ৰকাশ মাত্ৰ। কিন্তু গভীৰতৰ অৰ্থত ই হ'ল জীৱনৰ অভিজ্ঞতাৰ স্তৰৰপৰা কলাৰ অভিজ্ঞতাৰ স্তৰলৈ উত্তৰণৰ প্ৰতীক। গ্যেটেৰ ব্যৰ্থ প্ৰেমৰ কবিতাত ৰোমাণ্টিক বেদনাৰ চীৎকৃত প্ৰকাশ নাই, আছে আনন্দ-বেদনা, দুখ-সুখ আদি সমস্ত অভিজ্ঞতাক আত্মসাৎ আৰু অতিক্ৰম কৰি এক পৰম প্ৰশান্তিৰ স্তৰলৈ উত্তৰণৰ মহতী বাসনা—যি উত্তৰণ মহৎ কলা আৰু মহৎ প্ৰেমৰ মাজেদি সম্ভৱ।

দ্বিতীয় যিটো কথা লক্ষ্যণীয়, সেইটো হ'ল মানৱতাৰ লগত গ্যেটেৰ গভীৰ একাত্মবোধ, মানুহৰ অন্তহীন বিকাশ আৰু সম্ভাৱনাৰ প্ৰতি তেওঁৰ চিৰসজাগ দৃষ্টি। ওপৰতে কৈ অহা হৈছে যে গ্যেটেই ওৰে জীৱন সমান নিষ্ঠাৰে সৈতে সাহিত্য আৰু বিজ্ঞানৰ সাধনা কৰিছিল, বিজ্ঞান আৰু সাহিত্যক তেওঁ দুই বাহুৰে আলিংগন কৰি ৰাখিছিল। এইক্ষেত্ৰত একমাত্ৰ লিওনাৰ্ডো দা-ভিঞ্চিৰ লগতেই তেওঁ

তুলনীয়। ব্যাপক অধ্যয়ন আৰু সূক্ষ্ম পৰ্যবেক্ষণ—এই দুটাই আছিল তেওঁৰ জীৱনৰ প্ৰধান বৈশিষ্ট্য। বাল্যকালতেই তেওঁৰ এই বিজ্ঞান-নিষ্ঠা প্ৰকাশ পাইছিল। তেওঁ যেতিয়া এটা সৰু ল'ৰা, তেতিয়াই তেওঁ এদিন ক'ৰবাৰপৰা এটা হাতীৰ লাওখোলা বিচাৰি আনি তাক পৰীক্ষা কৰিবলৈ লাগিল। কিন্তু জানোছা তেওঁৰ গৱৰ্ণেছে হাতীৰ লাওখোলাটো দেখি তেওঁক পাগল বুলি ভাবে, সেইকাৰণে তেওঁ লাওখোলাটো অতি সযতনে লুকুৱাই ৰাখিছিল। সেইযে তেওঁৰ বিজ্ঞানৰ সাধনা আৰম্ভ হ'ল, মৃত্যুৰ দিনলৈকে তাৰ বিৰাম নঘটিল। ভাবিলে বিস্ময়ত হতভম্ব নহৈ নোৱাৰি যে যিজন মানুহ আছিল আধুনিক যুগৰ সৰ্বশ্ৰেষ্ঠ মহাকবি, যিজন মানুহ ৰাজ-বিষয়া ৰূপে নানা কামত ব্যস্ত হৈ থাকিব লগা হৈছিল, যিজন মানুহে ছবি আঁকিছিল, সংগীত-চৰ্চা কৰিছিল, মঞ্চ-পৰিচালনা কৰিছিল, সেই একেজন মানুহেই শৰীৰ-বিদ্যা, প্ৰাণী-বিজ্ঞান, ভূ-তত্ত্ব, কৃষি-বিজ্ঞান আৰু পোহৰতত্ত্ব আদি বিজ্ঞানৰ বিভিন্ন ক্ষেত্ৰত সমস্ত জীৱন বিচৰণ কৰি ফুৰিবলৈ সময় পাইছিল। কেৱল সিয়েই নহয়, বিজ্ঞানৰ একাধিক ক্ষেত্ৰত তেওঁ কেইবাটাও মৌলিক আৱিষ্কাৰ কৰি যাবলৈকো সমৰ্থ হৈছিল। সেইবোৰৰ ভিতৰত বিশেষভাৱে উল্লেখযোগ্য হ'ল ১৭৮৪ চনত তেওঁ কৰা মানৱ-দেহত intermaxilary bone-ৰ আৱিষ্কাৰ। এই আৱিষ্কাৰে গ্যেটেক ডাৰউইনৰ জন্মৰ বহু আগতেই ডাৰউইনৰ বিবৰ্তনবাদৰ বাটকটীয়াৰূপে প্ৰতিষ্ঠিত কৰিছিল। ১৫০টা খণ্ডত বিভক্ত গ্যেটেৰ সমস্ত ৰচনাৱলীৰ ভিতৰত ১৪টা খণ্ডই হ'ল বিজ্ঞানবিষয়ক ৰচনা।

তেসত্তৰ বছৰ বয়সত সৰ্বশেষবাৰৰ কাৰণে গ্যেটে প্ৰেমত পৰিল। প্ৰেমৰ প্ৰতিদান তেওঁ নাপালে, ব্যৰ্থ প্ৰেমৰ যন্ত্ৰণাই তেওঁৰ বৃদ্ধ হৃদয় ৰক্তাক্ত আৰু ক্ষত-বিক্ষত কৰি পেলালে। সেই যন্ত্ৰণাৰপৰা পৰিত্ৰাণ পাবৰ মনেৰে তেওঁ ৰচনা কৰিবলৈ আৰম্ভ কৰিলে তেওঁৰ ৰ্বশেষ প্ৰেমৰ কবিতা, তেওঁৰ বিদায়-সংগীত। এই কবিতা তেওঁৰ

সমস্ত জীৱনৰ প্ৰেমৰ অভিজ্ঞতাৰ নিৰ্যাস। তাত তেওঁ অকপটভাৱে প্ৰকাশ কৰিছে ব্যৰ্থ প্ৰেমৰ দুঃসহ যন্ত্ৰণা, লগতে প্ৰকাশ কৰিছে সেই পাৰ্থিব যন্ত্ৰণাময় অভিজ্ঞতাৰ স্তৰৰপৰা এক উচ্চতৰ আধ্যাত্মিক অভিজ্ঞতাৰ স্তৰলৈ উত্তৰণৰ মহতী বাসনা। যন্ত্ৰণাই মানুহক সম্পূৰ্ণ নিঃসংগ কৰি তোলে। গ্যেটেই তেনে এটা অৱস্থাতে জীৱনৰপৰা আৰু পৃথিৱীৰপৰা বিদায় মাগিছে। তেওঁ কৈছে, "Leave me here, faithful Comrades! leave me alone amid rocks and marsh and moss!" কিন্তু সেই পৰম বেদনাৰ মুহূৰ্ততো গ্যেটে কেৱল ব্যক্তিগত যন্ত্ৰণাৰ ৰক্ত-পংকতে নিমজ্জিত হৈ আছিলনে? যন্ত্ৰণাৰ ঘন-কুঁৱলীয়ে তেওঁৰ অশ্ৰু-পূৰ্ণ দৃষ্টিৰ সমুখৰপৰা মানুহ আৰু প্ৰকৃতিৰ এই বিশাল জগতখন অদৃশ্য কৰি পেলাই-ছিলনে? সেই প্ৰশ্নৰ উত্তৰ বিচাৰিবলৈকে এই দীঘল প্ৰসংগৰ অৱতাৰণা। গ্যেটে যে গ্যেটে, তেওঁযে সৰ্ব-মানবৰ কবি, যি মানুহে বাৰম্বাৰ নিজকে নিঃসীমভাৱে আৰু অন্তহীনভাৱে অতিক্ৰম কৰি যায়, তেওঁ সেই মানুহৰ কবি, মানুহৰ ভৱিষ্যতৰ কবি—সেই কাৰণে ব্যক্তিগত যন্ত্ৰণাত আত্মবিস্মৃত হৈ নাথাকি গ্যেটেই জীৱনৰপৰা বিদায় লোৱাৰ পৰম বেদনাময় মুহূৰ্ততো সমস্ত মানুহক উদ্দেশ্য কৰি কলে: "Leave me here, faithful Comrades! leave me alone amid rocks and marsh and moss! Hold to your course! To you the world lies open, the earth is wide, the heavens splendid and great; examine, investigate, collect details, and slowly spell out Nature's mystery."

গ্যেটেৰ এই কবিতা কিয় বিশ্ব-সাহিত্যৰ অন্যতম সৰ্বশ্ৰেষ্ঠ প্ৰেমৰ কবিতা, সেই কথা ইয়াৰ পিছত আৰু বুজাই কোৱাৰ কোনো প্ৰয়োজন নাই।

# হাইন্‌ৰিখ্‌ হাইনে

মৰা মানুহৰদৰে নিঠৰ হৈ তেওঁ বিচনাত শুই আছে। দুইটা চকু মুদ-খোৱা, মুখৰ মাংসপেশীত লেশমাত্ৰ জীৱনৰ স্পন্দন নাই, ডিঙিলৈকে কাপোৰেৰে ঢাক খাই থকা দেহটো মৰা-শৰদৰে নিশ্চল। কেৱল তেওঁ কাণ দুখন থিয় কৰি ৰাখিছে—দুৱাৰ-মুখত কাৰোবাৰ ভৰিৰ খোজৰ শব্দ শুনিবলৈ পোৱাৰ আশাত।

বহুপৰ ধৰি এটা কবিতা তেওঁৰ মনলৈ আহি আছে, কেৱল মনলৈকে, জিভালৈ নহয়। মুখৰ ভিতৰতে কবিতাটো যে বিৰ্‌বিৰকৈ আবৃত্তি কৰিব, তাৰো উপায় নাই। পক্ষাঘাতে তেওঁৰ গোটেই মুখমণ্ডল অসাৰ কৰি এতিয়া জিভাখনো আক্ৰমণ কৰিছে। ইতিমধ্যেই জিভাৰ সোৱাদ লোৱা শক্তি লোপ পাইছে। এতিয়া কথা ক'বলৈকো জিভাখন ঘূৰিব নোখোজে। তথাপি কবিতাৰ শ্ৰুতলিপি দিবৰ সময়ত তেওঁ কিছু সময়ৰ কাৰণে এটা অমানুষিক শক্তি ঘূৰাই পায়। অজস্ৰ শব্দ আহি তেওঁৰ মনৰ মাজত ভিৰ কৰিছে, কিন্তু এজাক অবাধ্য চঞ্চল ল'ৰা-ছোৱালীৰদৰে সিহঁতে চাৰিওফালে পিয়াপি দি ঘূৰি ফুৰিছে। অৱশ্যে এবাৰ শ্ৰুতলিপি দিবলৈ আৰম্ভ কৰিলেই সকলো ঠিক হৈ যাব, শব্দবোৰে ড্ৰিল কৰা সৈনিকৰদৰে শাৰী পাতি পাতি যথাস্থানত থিয় হৈ পৰিব। শ্ৰুতলিপি দিবলৈ তেওঁ অধীৰ হৈ পৰিছে, কিন্তু এতিয়ালৈকে কেমিলিৰ দেখা-সাক্ষাৎ নাই।

অৱশেষত দুৱাৰখন মেল খোৱাৰ শব্দ আহি তেওঁৰ কাণত পৰিল। তেওঁৰ পক্ষাঘাত-গ্ৰস্ত অৰ্ধমৃত শৰীৰৰ মাজেদি এটা আনন্দৰ শিহৰণ বৈ গ'ল। নিশ্চয় কেমিলি আহিছে। কিন্তু সেই বিষয়ে সুনিশ্চিত

হ'বলৈ দুৱাৰৰ ফালে চাবলৈকে তেওঁৰ শক্তি নাই। তেওঁ যে কেবল গাটোকেই লৰচৰ কৰিব নোৱাৰে এনে নহয়। চকু দুটায়ো তেওঁক সহায় নকৰে। এটা চকু ইতিমধ্যেই সম্পূৰ্ণ অন্ধ হৈ পৰিছে। সামান্য দৃষ্টিশক্তি অৱশিষ্ট থকা আনটো চকুৰো অৱস্থা তথৈবচ। চকুটোৰ পতা নিজে নিজে মেল নাখায়, চকুটো ব্যৱহাৰ কৰিবৰ সময়ত হাতেৰে পতাখন দাঙি ধৰিব লাগে। অৱশ্যে চকুৰে নেদেখিলেও তেওঁ কোঠাটোৰ ভিতৰত কেমিলিৰ উপস্থিতি সম্পূৰ্ণভাৱে অনুভৱ কৰিলে। সেই পৰিচিত পদধ্বনি, সেই পৰিচিত দেহগন্ধ, সেই নব-জীৱন-সঞ্চাৰিণী উষাৰ উল্লাস। হৃদয়ৰ আনন্দ প্ৰকাশ ক ৰবলৈ তেওঁ কাপোৰৰ তলৰপৰা অস্থি-চৰ্মসাৰ হাতখন উলিয়াই চকুৰ মণিটো ঢাকি ৰখা পতাখন দাঙি ধৰিলে। কেমিলি বিচনাৰ ওচৰত আহি থিয় হ'ল। পক্ষাঘাতত আক্ৰান্ত হৈ যিজন মানুহ যোৱা আঠবছৰে এফালৰপৰা ক্ৰমে ক্ৰমে মৰি আহিছে, সুদীৰ্ঘ আঠটা বছৰ ধৰি বিচনাত ওপৰ-মুৱা হৈ শুই থকাৰ ফলত যিজন মানুহৰ গোটেই পিঠিত বখলা-বখলে ঘা লাগিছে, যিজন মানুহৰ শৰীৰৰ প্ৰতিটো লোম-কূপত কেৱল যন্ত্ৰণাৰ আৰ্তনাদ, সেই মানুহজনৰ মুখলৈ কেমিলিয়ে চাই পঠিয়ালে। এটা অবিশ্বাস্য দৃশ্য! আঠ বছৰ ধৰি নিজৰ 'matress grave'—শয্যা-সমাধিত শুই শুই জীয়াতে মৰি থকা মানুহজনে হাতৰ শুকান আঙুলিৰে চকুৰ পতাখন মেলি ধৰিছে, মুখত এটা দুষ্টামিৰ হাঁহি, নিস্পন্দ, শিলীভূত মুখত মৃত্যু আৰু যন্ত্ৰণাৰ প্ৰতি এটা বেপৰোৱা উদ্ধত প্ৰত্যাহ্বান, লগতে কোমলতম মধুৰতম প্ৰেমৰ নিমন্ত্ৰণ। সেই নিমন্ত্ৰণ কেমিলি ছেল্‌ডেনৰ প্ৰতি।

মানুহজনে ইমান পৰে মনতে ৰচনা কৰি থকা কবিতাটো এইবাৰ শ্ৰুতলিপি দিবলৈ আৰম্ভ কৰিলে:

"বিদায় বেলাত: মোৰ বুকুৰ মাজত সমস্ত নিষ্ফল বাসনাৰ এতিয়া মৃত্যু ঘটিছে। আনকি সমস্ত অমঙ্গলৰ প্ৰতি ঘৃণা, আনকি মোৰ নিজৰ আৰু আনৰ দুখ-যন্ত্ৰণাৰ প্ৰতি অনুভূতি—এই সকলো-

বোৰৰে মৃত্যু ঘটিছে। মোৰ মাজত এতিয়া জীয়াই থকা একমাত্ৰ বস্তুটো হ'ল মৃত্যু।

"আঁৰ-পট পেলাই দিয়া হ'ল, নাটক সমাপ্ত হ'ল, আৰু মোৰ প্ৰিয় জাৰ্মান দৰ্শকসকলে হাঁমি-হিকতি কাঢ়ি ঘৰমুৱা হৈ খোজ লৈছে। ভাল মানুহ এই জাৰ্মানসকল, তেওঁলোক মূৰ্খ নহয়, তেওঁলোকে এতিয়া সুখেৰে ৰাতিৰ আহাৰ খাইছে, ঢোকা-ঢোকে মদ খাই গলা চাফা কৰিছে, হাঁহি-মাতি গল্প-গুজব কৰিছে। হোমাৰৰ কাব্যত সেই মহৎ বীৰ-পুৰুষজনে কেইবা হাজাৰ বছৰৰ আগতে কোৱা কথা-ষাৰেই সঁচা। তেওঁ কৈছিল,—'মই, পেলিউছৰ পুত্ৰ, মৃত চেম্পিয়ন, পাতালৰ অন্ধকাৰৰ সম্ৰাট, মোতকৈ নেকাৰৰ পাৰৰ ষ্টুটগাৰ্টত বাস কৰা দৰিদ্ৰতম ফিলিষ্টিনজনো অনেকগুণে বেছি সুখী।"

হয়, অসহ্য শাৰীৰিক যন্ত্ৰণাই মন দুৰ্বল কৰি তোলা মুহূৰ্তবোৰত মাজে মাজে তেওঁ এনেকুৱা দুখৰ কবিতা লেখে, যেনেকৈ মাত্ৰ কেইদিনমানৰ আগতে 'মৰ্ফিন' নামৰ এটা কবিতাত তেওঁ লেখিছিল :

"টোপনি ভাল, কিন্তু মৃত্যু তাতোকৈ বেছি ভাল। কিন্তু আটাইতকৈ বেছি ভাল হ'লহেঁতেন—যদি মোৰ কেতিয়াও জন্মই নহ'লহেঁতেন।······মোৰ বাহুদুখন ক্ৰমে ক্ৰমে নিশকতীয়া হৈ আহিছে, পাণ্ডুৰ মৃত্যুৱে এফালৰপৰা মোক গ্ৰাস কৰি আনিছে।"

কিন্তু এনে দুৰ্বল মুহূৰ্তবোৰ আছিল নিচেই ক্ষণস্থায়ী। এই কথা আজি সকলোৰেই জানে যে পৃথিৱীৰ অন্যতম শ্ৰেষ্ঠ কবি হাইন্‌ৰিখ্‌ হাইনেই তেওঁৰ সৰ্বশ্ৰেষ্ঠ কবিতাবোৰ লেখিছিল তেতিয়া—যেতিয়া তেওঁ পক্ষাঘাতগ্ৰস্ত হৈ সুদীৰ্ঘ আঠোটা বছৰ শয্যাশায়ী হৈ পৰি আছিল। অসহ্য মূৰৰ বিষে একমুহূৰ্তৰ কাৰণেও তেওঁক লগ এৰা দিয়া নাছিল, একেৰাহে আঠটা বছৰ বিচনাত পৰি থকাৰ ফলত তেওঁৰ গোটেই পিঠিখন পৰিণত হৈছিল এডোখৰ প্ৰকাণ্ড ৰক্তাক্ত ঘাত। কিন্তু অন্তহীন যন্ত্ৰণাৰ সেই দীঘল ৰাতিত তেওঁ পৰাজয়, হতাশা, আত্মসমৰ্পণ বা বিষাদৰ কবিতা লেখা নাছিল, তেওঁ কবিতা লেখিছিল

অপৰাজেয় মানবাত্মাৰ জয়গান গাই, পৃথিৱীৰ সকলো দেশৰ সকলো যুগৰ মানুহৰ মুক্তিৰ কাৰণে অবিৰাম সংগ্ৰাম চলাই যাবলৈ সকলো মানুহকে উদাত্ত আহ্বান জনাই। মানুহৰ মুক্তি-সংগ্ৰামৰ অন্যতম সৰ্বশ্ৰেষ্ঠ চাৰণ-কবি আছিল হাইনৃৰিখ্‌ হাইনে, আৰু জীৱনৰ শেষ মুহূৰ্ত পৰ্যন্ত তেওঁৰ সংগ্ৰামী আত্মা নীৰব বা ক্লান্ত হৈ পৰা নাছিল। আত্মাৰ বলেৰে বলীয়ান হৈ যি মানুহে মৃত্যুক জয় কৰে, যন্ত্ৰণাক জয় কৰে, নিজৰ মৰ্তসীমাক অতিক্ৰম কৰে, তেনে মানুহৰ এটা মহৎ চানেকি আছিল হাইনৃৰিখ্‌ হাইনে।

জাৰ্মানীৰ তিনিজন মহৎ কবি হ'ল গ্যেটে, হাইনে আৰু ৰিল্‌কে। ১৭৯৭ চনত জাৰ্মানীৰ ডুছেল্‌দৰ্ফ চহৰৰ এটা ইহুদী পৰিয়ালত হাইনেৰ জন্ম হয়। হাইনেৰ জন্মৰ সময়ত গ্যেটেৰ বয়স ৪৯ বছৰ। গ্যেটেই তেতিয়া কেৱল জাৰ্মানীৰে নহয়, সমগ্ৰ বিশ্বসাহিত্যৰ আকাশত মধ্যাহ্ন-সূৰ্যৰদৰে বিৰাজ কৰিছে। আন এখন আকাশত প্ৰচণ্ড দীপ্তিৰে সৈতে বিৰাজ কৰিছিল নেপোলিয়ন। নেপোলিয়নৰ প্ৰতি গ্যেটেৰো প্ৰশংসাৰ সীমা নাছিল; তেওঁ নেপোলিয়নৰ মাজত দেখা পাইছিল প্ৰকৃতিৰ এক বিৰাট অন্ধ শক্তিৰ দৰে দুৰ্দমনীয় মানবিক শক্তিৰ প্ৰকাশ। কিশোৰ হাইনেই নেপোলিয়নক দেৱতাৰ দৰে পূজা কৰিছিল। তাৰ অৱশ্যে এটা ব্যক্তিগত কাৰণো আছিল। য়ুৰোপত যুগ যুগ ধৰি নিৰ্যাতিত হৈ থকা ইহুদীসকলে নেপোলিয়নৰ শাসনত কিছু পৰিমাণে স্বস্তিৰ নিশ্বাস ল'ব পাৰিছিল। তেওঁ আইন কৰি ইহুদীসকলৰ ওপৰত থকা বহুতো সামাজিক বাধা-নিষেধ তুলি দিছিল। নেপোলিয়নৰ এই কাৰ্যই মানুহৰ মুক্তিৰ পূজাৰী হাইনেৰ মনত তেওঁৰ প্ৰতি শ্ৰদ্ধা শতগুণে বঢ়াই তুলিছিল।

অতি সৰু বয়সতে হাইনেৰ দেউতাকৰ মৃত্যু হয়। তেওঁৰ এজন ধনী খুড়াকে হাইনেৰ সকলো ভাৰ গ্ৰহণ কৰে। কিন্তু হাইনেৰ ভাৰ লোৱা বা তেওঁক তুলি-তালি মানুহ কৰা বৰ সহজ কাম নাছিল। সৰু বয়সৰেপৰা তেওঁ আছিল নিশকতীয়া, নিঃসংগতা-প্ৰিয় আৰু

উচ্ছৃংখল। নিজৰ সংকুচিত প্ৰকৃতিৰ কাৰণে তেওঁ কাৰো লগত সহজভাৱে মিলা-মিছা কৰিব নোৱাৰিছিল। পঢ়া-শুনাত তেওঁ বেচ চোকা-বুদ্ধিৰ পৰিচয় দিছিল, কিন্তু পঢ়াশালিৰ পৰীক্ষাত সুনাম অৰ্জন কৰাতকৈ সাহিত্যৰ অধ্যয়ন আৰু কাব্য-ৰচনাৰ প্ৰতি তেওঁৰ অনুৰাগ আছিল বেছি। চাৰ্ভেণ্টিছৰ 'ডন কিখতে' আৰু জ'নাথন ছুইফ্‌টৰ 'গালিভাৰৰ ভ্ৰমণ-কাহিনী' আছিল তেওঁৰ বিশেষ প্ৰিয় গ্ৰন্থ। পঢ়াশলীয়া শিক্ষাত তেওঁ বিশেষ কৃতিত্ব দেখুৱাব নোৱাৰিলে, কিন্তু সেই বয়সতে তেওঁ ফৰাচী আৰু ইংৰাজী ভাষা ভালকৈ আয়ত্ত কৰিলে। ভালে-বেয়াই পঢ়াশলীয়া শিক্ষা সমাপ্ত কৰাৰ পিছতে খুড়াকে তেওঁক পৰিয়ালৰ ব্যৱসায়ত এজন কৰ্মচাৰী হিচাপে নিযুক্ত কৰিলে, কিন্তু কবিতা-পাগল হাইনেই ব্যৱসায়লৈ সম্পূৰ্ণ পিঠি দি কবিতা ৰচনাতে সৰহভাগ সময় খৰচ কৰিবলৈ ধৰিলে।

ব্যৱসায়ত ফেল মাৰি হাইনেই বন্‌ বিশ্ববিদ্যালয়ত আইন পঢ়িবলৈ গ'ল। কিন্তু আইনৰ অধ্যয়নেও তেওঁৰ মন ভৰাব নোৱাৰিলে। ইতিমধ্যেই তেওঁ আন এজন ধনী খুড়াকৰ জীয়েকৰ প্ৰেমত পৰিছিল। কিন্তু সেই সুন্দৰী কিশোৰীৰ দ্বাৰা নিৰ্মমভাৱে প্ৰত্যাখ্যাত হৈ হাইনেৰ হৃদয় ভাগি গ'ল। ব্যৰ্থ প্ৰেমৰ সেই যুগমীয়া যন্ত্ৰণা তেওঁ গোটেই জীৱন বুকুৰ মাজত নীৰৱে বহন কৰি লৈ ফুৰিছিল। বিশ্ববিদ্যালয়ত আইনৰ পৰিবৰ্তে তেওঁ সাহিত্য আৰু ইতিহাসৰ অধ্যয়নতে বেছিভাগ সময় ডুবি থাকিল। লগতে ৰচনা কৰিবলৈ ধৰিলে কবিতাৰ পিছত কবিতা। তাৰে এটা কবিতা তেওঁ গ্যেটেলৈকো পঠাইছিল, কিন্তু গ্যেটেই কোনো উত্তৰ বা মন্তব্য দিয়াৰ প্ৰয়োজন অনুভব নকৰিলে। হাইনেৰ এই সময়ৰ ৰচনা 'গ্ৰেনেডিয়াৰ্‌ছ' নামৰ কবিতাটো জাৰ্মান ভাষাৰ অন্যতম সৰ্বশ্ৰেষ্ঠ কবিতা।

খুড়াকৰ প্ৰতি কৰ্তব্যবোধৰ দ্বাৰা তাড়িত হৈ হাইনেই অৱশেষত আইনৰ পৰীক্ষা পাছ কৰিলে আৰু আইনৰ উপাধি লৈ গটিংগেনলৈ ঘূৰি আহিল। আইন-ব্যৱসায়ৰ অধিকাৰ অৰ্জন কৰিবৰ কাৰণে

তেওঁ স্বধৰ্ম ত্যাগ কৰি খ্ৰীষ্টান ধৰ্মত দীক্ষিত হব লগা হ'ল, কিন্তু তাৰ ফলত তেওঁ মনে মনে এনে এটা তীব্ৰ অপৰাধবোধ আৰু অনুশোচনা অনুভব কৰিবলৈ ধৰিলে যে গোটেই জীৱনতে তেওঁ তাৰপৰা মুক্তি নাপালে। কিন্তু যি আইন-ব্যৱসায়ৰ কাৰণে। তেওঁ স্বধৰ্ম ত্যাগ কৰিলে, সেই আইন-ব্যৱসায়তো তেওঁ কৃতকাৰ্যতা লাভ কৰিব নোৱাৰিলে। ব্যৱসায়ৰ দৰে আইন ব্যৱসায়তো তেওঁ ফেল মাৰিলে। এইবাৰ তেওঁ এখন স্কুলত শিক্ষকতাৰ চাকৰি ল'লে। কিন্তু কোনো নীতি-নিয়ম আৰু অনুশাসন মানি চলাটো হাইনেৰ ধৰ্ম নাছিল, দন্দুৰা আৰু স্পৰ্শ-কাতৰ স্বভাৱৰ কাৰণে তেওঁ কাৰো লগত মিলি চলিব নোৱাৰিছিল। কিছুদিন কাম কৰাৰ পিছতে তেওঁ শিক্ষকৰ চাকৰিৰপৰাও খেদা খালে। জীৱিকা-অৰ্জনৰ সকলো চেষ্টাত ব্যৰ্থ হৈ তেওঁ অৱশেষত সাহিত্য-ৰচনা আৰু সাংবাদিকতাকেই শেষ আশ্ৰয় হিচাপে গ্ৰহণ কৰিলে।

সাংবাদিক হিচাপে হাইনে আছিল অসাধাৰণ প্ৰতিভাৰ অধিকাৰী। General Political Annals নামৰ এখন জাৰ্মান পত্ৰিকাৰ সহযোগী সম্পাদক ৰূপে তেওঁ বিপুল খ্যাতি অৰ্জন কৰিলে। সেই সময়তে তেওঁ জাৰ্মানীত বিপ্লৱী ভাব-ধাৰা প্ৰচাৰ কৰিবলৈ চেষ্টা কৰা 'তৰুণ জাৰ্মান পাৰ্টি' নামৰ এটা বিপ্লৱী সংগঠনৰো সদস্য হ'ল। 'মানৱ জাতিৰ মুক্তি-সংগ্ৰামেই' আছিল হাইনেৰ একমাত্ৰ ব্ৰত, একমাত্ৰ ধ্যান-ধাৰণা। অগ্নিবৰ্ষী ভাষাৰে তেওঁ বিভিন্ন আলোচনী আৰু বাতৰি কাকতত ৰাষ্ট্ৰ, ধৰ্ম, গোড়ামী আৰু প্ৰতিক্ৰিয়াশীল শক্তিসমূহৰ বিৰুদ্ধে অবিৰামভাৱে প্ৰবন্ধ লেখিবলৈ ধৰিলে। সেই সময়ৰ কাৰণে তেওঁৰ লেখনী ইমান উগ্ৰ বিপ্লৱী ভাবাপন্ন আছিল যে উনৈশ শতিকাৰ মাজ ভাগৰ জাৰ্মানীৰ কাৰণে তেওঁৰ ৰচনা হজম কৰা টান হৈ পৰিল। জাৰ্মানীৰ শাসক-চক্ৰ তেওঁৰ বিৰুদ্ধে ইমান খড়্গ-হস্ত হৈ পৰিল যে তেওঁ স্বদেশৰপৰা পলাই কিছুদিনৰ কাৰণে ইংলেণ্ডত আশ্ৰয় লব লগা হ'ল।

১৮২৭ চনত হাইনেই ইংলেণ্ডৰ মাটিত ভৰি দিলে। কিন্তু প্ৰথম দৰ্শনতেই তেওঁ ইংলেণ্ডৰ প্ৰতি এটা প্ৰবল বিৰাগ অনুভৱ কৰিলে। "বৃটিছসকলৰ সংকীৰ্ণতাক মই ঘৃণা কৰোঁ"—তেওঁ ঘোষণা কৰিলে—"ইয়াত দুটা বস্তু নথকা হ'লে মই ইংলেণ্ডতেই স্থায়ীভাৱে বসবাস কৰিব পাৰিলোহেঁতেন; বস্তু দুটা হ'ল কয়লাৰ ধোঁৱা আৰু ইংৰাজসকল। এই দুটাৰ এটাকো মই সহ্য কৰিব নোৱাৰোঁ।" তেওঁ আকৌ জাৰ্মানীলৈ ঘূৰি আহিল আৰু তাত ১৭৮৯ চনৰ ফৰাচী-বিপ্লৱৰ মৃতপ্ৰায় আদৰ্শ পুনৰুজ্জীৱিত কৰিবলৈ চেষ্টা কৰিলে।

এইবাৰ আগতকৈ দুগুণ তেজেৰে সৈতে হাইনেই প্ৰতিক্ৰিয়াশীল ৰাষ্ট্ৰ-যন্ত্ৰ, সামাজিক শোষণ আৰু ধৰ্মীয় গোড়ামীৰ বিৰুদ্ধে তেওঁৰ জেহাদ আৰম্ভ কৰিলে। কিন্তু তেওঁৰ লেখনী যিমানেই হিংস্ৰ হৈ উঠিল, সিমানেই তেওঁৰ বিৰুদ্ধে আক্ৰমণো প্ৰবল হৈ উঠিল। সৰুৰে পৰাই হাইনেৰ স্বাস্থ্য আৰু স্নায়ু আছিল অতি দুৰ্বল, এতিয়া তেওঁৰ বিৰুদ্ধে হোৱা এই প্ৰবল প্ৰতিৰোধত ঠাৰৰিব নোৱাৰি হাইনেই মদ আৰু উচ্ছৃংখল জীৱনৰ মাজত আশ্ৰয় ললে। ফলত তেওঁৰ স্বাস্থ্য সম্পূৰ্ণৰূপে ভাগি পৰিল। তেওঁৰ হাওঁফাওঁ কঠিন ৰোগত আক্ৰান্ত হ'ল। ঠিক সেই সময়তে জাৰ্মানীত তেওঁৰ ৰচনা নিষিদ্ধ কৰি দিয়া হ'ল। চৰকাৰীভাৱে ঘোষণা কৰা হ'ল যে হাইনে "নাস্তিক, অশ্লীল আৰু ৰাষ্ট্ৰদ্ৰোহী"। তেওঁ দ্বিতীয়বাৰৰ কাৰণে জাৰ্মানীৰপৰা পলাবলৈ বাধ্য হ'ল।

১৮৩১ চনত হাইনেই স্বদেশৰপৰা পলাই এইবাৰ আশ্ৰয় বিচাৰিলেহি পেৰিছত—'সাম্য, মুক্তি আৰু ভ্ৰাতৃত্ব'ৰ আদৰ্শৰ পুণ্য-পীঠ যি পেৰিছে তেওঁক চিৰকাল প্ৰবলভাৱে আকৰ্ষণ কৰি আহিছিল। পেৰিছৰ মাটিত ভৰি দিয়েই তেওঁ এক বিৰাট মুক্তি আৰু আনন্দৰ উল্লাস অনুভৱ কৰিলে। ইংলেণ্ডত ভৰি দি তেওঁ ঘোষণা কৰিছিল: "মই ইংৰাজসকলক ঘিণ কৰোঁ"। পেৰিছত ভৰি দি তেওঁ কলে, "ফৰাচীসকল হ'ল নব্য-ধৰ্মৰ নিৰ্বাচিত উদ্‌গাতা। তেওঁলোকৰ

ভাষাতেই এই নব্য-ধৰ্মৰ প্ৰথম নীতি আৰু বাণীবোৰ ৰচিত হৈছে। পেৰিছেই হ'ল নতুন জেৰুজালেম, আৰু ৰাইন নদীয়েই হ'ল স্বাধীনতাৰ পুণ্য-পীঠক ফিলিষ্টিনসকলৰ দেশৰপৰা পৃথক কৰি ৰখা জৰ্দান নদী।"

পেৰিছৰ জীৱনে হাইনেক যি সীমাহীন মুক্তি আৰু আনন্দৰ আস্বাদ দিলে, সেই অভিজ্ঞতা পৰম উচ্ছ্বাসপূৰ্ণ ভাষাত তেওঁৰ নিজৰ 'স্মৃতিকথা'ত লিপিবদ্ধ কৰি থৈ গৈছে। পেৰিছত তেওঁৰ কাব্য-সাধনাৰ এটা নতুন অধ্যায়ৰ সূচনা হ'ল। তেওঁ তাত প্ৰেম আৰু ইন্দ্ৰিয়সম্ভোগৰ অবৰ্ণনীয় আনন্দ আবিষ্কাৰ কৰিলে, তেওঁ আবিষ্কাৰ কৰিলে সৌন্দৰ্যৰ দিব্য-শুচিতা। হাইনেৰ যি প্ৰেম-গীতিকা বিশ্ব-সাহিত্যৰ অমূল্য সম্পদ, সেইবোৰ কবিতা তেওঁ ৰচনা কৰিবলৈ আৰম্ভ কৰিলে পেৰিছত। 'আছ্‌ৰাৰ জনজাতীয় ডেকাজন' নামৰ এটি অকণমানি কবিতাত হাইনেই লেখিছিল:

"উদ্যানৰ যিটো ফোৱাৰাত শ্বেত জল-ধাৰা উৎসাৰিত হয়, প্ৰতিদিন সন্ধিয়া তাৰ পাৰত চুলতানৰ সুন্দৰী কন্যাই খোজ কাঢ়ি ঘূৰি ফুৰে।

শ্বেত জল-ধাৰা উৎসাৰিত হোৱা সেই ফোৱাৰাৰ কাষত প্ৰতিদিন সন্ধিয়া ডেকা ক্ৰীতদাসজন থিয় হৈ ৰৈ থাকে; দিনে দিনে তেওঁ আগতকৈ শেঁতা পৰি গৈ থাকে।

এদিন সন্ধিয়া চুলতানৰ সুন্দৰী কন্যাই তেওঁৰ ওচৰলৈ গৈ হঠাতে সুধিলে: 'তোমাৰ নাম কি, ধাম কি, কুল কি, মই জানিব খোজো।'

আৰু ক্ৰীতদাসজনে উত্তৰ দিলে: 'মোৰ নাম মহম্মদ, মোৰ ঘৰ ইয়েমেনত, আৰু মোৰ কুল হ'ল সেই আছ্‌ৰাসকল—প্ৰেমত পৰিলেই যিবোৰ মানুহৰ মৃত্যু ঘটে।'

পেৰিছত হাইনেই আবিষ্কাৰ কৰিলে মৃত্যুক প্ৰত্যাহ্বান জনাব পৰা প্ৰেমৰ সংৰাগ, নাৰীদেহৰ অনিৰ্বচনীয় সৌন্দৰ্য, ইন্দ্ৰিয়-সম্ভোগৰ

নতুন উজ্জ্বল মহাদেশ। লগতে তেওঁ আবিষ্কাৰ কৰিলে পেৰিছৰ গুণী-জ্ঞানী বিদগ্ধ সমাজখন। বিশ্বজগতৰ ৰাজধানী পেৰিছৰ কবি, শিল্পী আৰু বুদ্ধিজীৱীসকলৰ ঘনিষ্ঠ সংস্পৰ্শলৈ আহি হাইনেৰ আত্মা নতুন তেজ আৰু প্ৰেৰণাৰে সঞ্জীৱিত হৈ উঠিল। পেৰিছেও এই অনুপম প্ৰতিভাশালী, তেজশালী বিদ্ৰোহী মানুহজনক পৰম আদৰেৰে নিজৰ এজন বুলি আঁকোৱালি ললে। আনকি হাইনেই যাতে নিশ্চিন্তমনে সাহিত্য-সাধনা কৰিব পাৰে, তাৰ কাৰণে তেওঁক এটা পেন্‌ছনো দিয়া হ'ল। তেতিয়াৰপৰা পেৰিছেই হ'ল হাইনেৰ ঘৰ। ইয়াৰ পিছত মাত্ৰ দুবাৰ তেওঁ স্বদেশ জাৰ্মানীলৈ ফুৰিবলৈ গৈছিল।

পেৰিছত হাইনেই আৰু এটা বস্তু আবিষ্কাৰ কৰিলে। সেইটো হ'ল তেওঁৰ ভাবী-পত্নী। এদিন এখন জোতাৰ দোকানত জোতা কিনিবলৈ গৈ হাইনেই তাত কাম কৰা এজনী ছোৱালী লগ পালে। ছোৱালীজনীৰ নাম ক্ৰিশ্চেন্টিয়া ইউজিনি মিৰাট্‌। ছোৱালীজনীৰ বয়স মাত্ৰ উনৈশ বছৰ। হাইনেৰ বয়স তেতিয়া ৩৭ বছৰ। প্ৰথম দৰ্শনতেই হাইনে ছোৱালীজনীৰ প্ৰতি প্ৰেমত পাগল হৈ উঠিল। দুয়ো একেলগে কাম কৰিবলৈ আৰম্ভ কৰিলে। কিন্তু কিছুদিনৰ ভিতৰতে হাইনেই আবিষ্কাৰ কৰিলে যে যাৰ প্ৰেমত পাগল হৈ তেওঁ জীৱন-যৌৱন সকলো সমৰ্পণ কৰি দিলে সেই গাভৰু গৰাকীৰ দেহৰ ৰূপৰ বাহিৰে আন একোৱেই নাই; ক্ৰিশ্চেন্টিয়া সম্পূৰ্ণভাবে নিৰ্বোধ, দন্দুৰী, ঈৰ্ষাপৰায়ণা আৰু ধোঁৱাখুলীয়া। নানাবিধ ৰোগ-ব্যাধি আৰু দুৰ্বল স্নায়ুৰ কাৰণে হাইনে এনেয়ে অতি স্পৰ্শকাতৰ, কোন সময়তে মূৰৰ বিষে তেওঁক লগ এৰা নিদিয়ে, আনকি বেৰৰ ঘড়ীটোৰ টিক্‌টিক্‌ শব্দটোও তেওঁ সহ্য কৰিব নোৱাৰে, তেনেহেন মানুহজনৰ প্ৰেমিকা আৰু সংগিনী হ'ল ক্ৰিশ্চেন্টিয়াৰ নিচিনা এজনা দন্দুৰী, মুখচোকা, হৃদয়হীনা তিৰোতা। হাইনেৰ মোহভংগ হ'ল; তেওঁ ক্ৰিশ্চেন্টিয়াৰপৰা পলাই সাৰিবলৈ বাৰম্বাৰ চেষ্টা কৰিবলৈ ধৰিলে। কিন্তু ক্ৰিশ্চেন্টিয়াই কোনোপধ্যেই তেওঁক নিস্কৃতি নিদিলে।

চিৰ-ৰুগ্ন স্পৰ্শকাতৰ হাইনেৰ জীৱন দুৰ্বিসহ কৰিও তেওঁ হাইনেৰ লগতেই থাকি ৰ'ল। এনেদৰে সাতবছৰ একেলগে থকাৰ পিছত হাইনেই অৱশেষত তেওঁক বিয়া কৰালে। তেতিয়া হাইনেৰ বয়স ৪৪ বছৰ। উচ্ছৃংখল প্ৰতিভা আৰু উচ্ছৃংখল নিবুৰ্দ্ধিতাৰ এনে ধৰণৰ বিবাহৰ আৰু এটা মাত্ৰ উদাহৰণ থাউকতে মনলৈ আহে—সেইটো হ'ল এগৰাকী নিৰ্বোধ ৰান্ধনী লিগিৰীৰ লগত ৰুছোৰ বিবাহিত জীৱন।

১৮৪৮ চনৰ বিপ্লৱৰ বছৰত হাইনেৰ ৫৩ বছৰ পূৰ্ণ হ'ল। ভাগ্যৰ কি করুণ পৰিহাস! সেই বছৰতে তেওঁক কঠিন হৃদৰোগে আক্ৰমণ কৰি পক্ষাঘাতগ্ৰস্ত কৰি পেলালে। সেই যে তেওঁ বিচনাৰ আশ্ৰয় ললে, তাৰপৰা তেওঁ আৰু কোনোদিন মুৰ দাঙি উঠিব নোৱাৰিলে। ভৰিৰপৰা আৰম্ভ কৰি এফালৰপৰা তেওঁৰ দেহটো মৰি আহিবলৈ ধৰিলে। ক্ৰমে ক্ৰমে তেওঁৰ সৰ্বাংগ অসাৰ হ'ল, গাটো ইকাটি সিকাটি পৰ্যন্ত কৰিব নোৱৰা হৈ পৰিল, গোটেই পিঠিত ঘা লাগিবলৈ ধৰিলে, অৱশেষত তেওঁৰ মুখমণ্ডলো পক্ষাঘাত-গ্ৰস্ত হৈ পৰিল। এটা চকু কণা হ'ল, আনটো চকুৰ পতা নিজে নিজে মেল নোখোৱা হ'ল। জিভাৰ স্বাদ-শক্তি লোপ পালে। আটাইতকৈ শোকাবহ ঘটনা হ'ল—যিখন জিভাৰে এদিন আখৈ ফুটাৰ দৰে কথা ফুটিছিল, প্ৰেম, সৌন্দৰ্য আৰু মানৱ-মুক্তিৰ বন্দনাগান উচ্চাৰিত হৈছিল, সেই জিভাৰ বাক্-শক্তিও তেতিয়া প্ৰায় লোপ পালে। সমস্ত জীৱনৰ অনাচাৰ-অত্যাচাৰৰ ভয়াবহ পৰিণাম হাইনেই এতিয়া ভোগ কৰিবলৈ আৰম্ভ কৰিলে। বন্ বিশ্ববিদ্যালয়ত ছাত্ৰ হৈ থাকোঁতে তেওঁ নিজৰ লাজকুৰীয়া স্বভাবৰ কাৰণে কোনো তিৰোতাৰ কাষ চাপিব নোৱাৰিছিল, ফলত দেহৰ তাড়নাত তেওঁ গণিকাৰ সংসৰ্গ বিচাৰি ফুৰিছিল। খুব সম্ভৱ তেতিয়া তেওঁৰ দেহ যৌনৰোগৰ দ্বাৰাই আক্ৰান্ত হৈছিল। তদুপৰি তেওঁ জন্মাবধি আছিল ৰুগ্ন। তেওঁৰ স্নায়ু আছিল অতিশয় দুৰ্বল। শৰীৰৰ সেই দুৰ্বল অৱস্থাতেই

ডেকা বয়সত তেওঁ নিজৰ ওপৰত ভীষণ অত্যাচাৰ কৰিছিল। মদ-মাইকী সম্ভোগ কৰি বে-পৰোৱা আৰু বে-হিচাপীভাৱে নিজৰ দেহ ক্ষয় কৰিছিল। এতিয়া সেই অত্যাচাৰ আৰু আতিশয্যৰ মাচুল দিয়াৰ পালা আৰম্ভ হ'ল।

কিন্তু এইখিনিতেই হাইনেৰ বীৰত্ব যে অসহ্য ৰোগ-যন্ত্ৰণাই তেওঁক বিন্দুমাত্ৰও কাবু কৰিব নোৱাৰিলে। জীৱনৰ সৰ্বশেষ যি আঠটা বছৰ তেওঁ পক্ষাঘাতগ্ৰস্ত হৈ অৰ্ধমৃত জীৱন যাপন কৰিছিল, সেই আঠটা বছৰতেই তেওঁৰ আত্মা পৰিপূৰ্ণভাৱে জীৱন্ত হৈ উঠিছিল, তেওঁৰ সৃজনী-শক্তিয়ে সু-উচ্চ আধ্যাত্মিক মহিমা লাভ কৰিছিল। প্ৰচণ্ড সাহস আৰু মনোবলেৰে সৈতে তেওঁ ক্ষয়ংকৰ ৰোগ আৰু যন্ত্ৰণাৰ সম্মুখীন হৈছিল, বিচনাত শুই শুই তেওঁ নিজৰ বেমাৰৰ বিষয়ে অজস্ৰ মেডিকেল কিতাপ অধ্যয়ন কৰিছিল। অম্লান হাঁহি-মুখেৰে সৈতে তেওঁ কৈছিল: "নিজৰ বেমাৰৰ বিষয়ে ইমানবোৰ কিতাপ পঢ়ি মোৰনো কিটো লাভ হৈছে সেই কথা মই কব নোৱাৰো। এটা লাভ অৱশ্যে হৈছে। স্বৰ্গলৈ গৈ মই ডাক্তৰ-সকলক মানুহৰ ৰাজহাড়ৰ বেমাৰৰ বিষয়ে এলানি বক্তৃতা নিশ্চয় দিব পাৰিম।"

পক্ষাঘাতগ্ৰস্ত হৈ শয্যাশায়ী হৈ থকা সময়তে হাইনেৰ জীৱনত আৰু এটা আচৰিত ঘটনা ঘটিল। তেওঁৰ কবিতা পঢ়ি মুগ্ধ হোৱা কেমিলি ছেল্‌ডেন নামৰ এগৰাকী জাৰ্মান গাভৰুৱে তেওঁকসেই অৱস্থাতে এদিন দেখা কৰিবলৈ আহিল। প্ৰথম দেখা হোৱাৰ মুহূৰ্তৰ-পৰাই কাব্যানুৰাগিণী সুন্দৰী যুৱতী কেমিলি আৰু পক্ষাঘাত-গ্ৰস্ত অৰ্ধমৃত কবি হাইনেৰ মাজত এক ৰহস্যময় গভীৰ প্ৰেমৰ সম্পৰ্ক গঢ়ি উঠিল। তাৰ পিছৰেপৰা কেমিলিয়েই হৈ পৰিল হাইনেৰ জীৱনৰ একমাত্ৰ অৱলম্বন। কেমিলি হৈ পৰিল তেওঁৰ মাতৃ, ধাত্ৰী আৰু আত্মাৰ সংগিনী। চলচ্ছক্তি-হীন হাইনেই তেওঁৰ জীৱনৰ শেষ বয়সৰ সকলো কবিতা কেমিলিক শ্ৰুতলিপি দিছিল। সেই কবিতা-পুঞ্জৰ

মাজত আছে জগতৰ গীতি-কাব্যৰ অমূল্য সম্পদ Romancero, Nouste Gedichte আৰু কেমিলিৰ উদ্দেশ্যে ৰচিত অপাৰ্থিব প্ৰেমৰ কবিতা-মালা।

প্ৰেমেই আছিল হাইনেৰ জীৱনৰ একমাত্ৰ ধ্যেয় বিষয়। তিৰোতাৰ প্ৰতি প্ৰেম, সৌন্দৰ্যৰ প্ৰতি প্ৰেম, মানুহৰ প্ৰতি প্ৰেম। প্ৰেমৰ কবি হিচাপেই হাইনে অমৰ। কিন্তু সৰ্বমানৱৰ মুক্তিৰ আকাংক্ষাই গোটেই জীৱন ধৰি হাইনেক এনেভাৱে উদ্বুদ্ধ কৰি ৰাখিছিল যে তেওঁ এবাৰ কৈছিল: "কবি হিচাপে মোৰ খ্যাতি বা গৌৰৱক মই বিশেষ একো মূল্য নিদিওঁ। মই ৰচা গীতবোৰ মানুহে প্ৰশংসাই কৰিলে নে নিন্দাই কৰিলে তাৰ প্ৰতি মই ভ্ৰূক্ষেপ নকৰো। কিন্তু মোৰ শবাধাৰৰ ওপৰত যেন এখন তৰোৱাল ৰাখিবলৈ নাপাহৰা, কাৰণ মানুহৰ মুক্তিসংগ্ৰামত মই আছিলো এজন উৎসৰ্গীকৃত সৈনিক।"

হাইনেৰ সেই ইচ্ছা অপূৰণ হৈ থকা নাই। হাইনেৰ কথা মনত পৰিলেই মানুহৰ মনলৈ আহে এখন তৰোৱালৰ কথা—যিখন তৰোৱাল মানুহৰ মুক্তিৰ হকে আৰু মানুহৰ সকলো শত্ৰুৰ বিৰুদ্ধে সদা-সৰ্বদা উদ্যত। মানুহৰ সেই মুক্তি-সংগ্ৰাম হাইনেৰ জীৱন-কালত আধৰুৱা হৈ ৰ'ল, আজিও সি সম্পূৰ্ণ হোৱা নাই। মানুহৰ মুক্তি-সংগ্ৰামৰ চূড়ান্ত বিজয় দেখি যাবলৈ নাপাই হাইনেৰ হৃদয় ভাগি গৈছিল, কিন্তু সেই ভগ্ন-হৃদয়ৰ বেদনা আৰু মোহভংগ আৰু কোনে হাইনেৰ নিচিনাকৈ এনে বীৰ্যবান ভাষাত প্ৰকাশ কৰিছে?

হাইনেই তেওঁৰ এটা কবিতাত লেখিছিল:

"সুদীৰ্ঘ ত্ৰিশ বছৰ ধৰি মই স্বাধীনতাৰ গৌৰৱময় সংগ্ৰামত সকলো আশা-ভৰসা ত্যাগ কৰিও অংশ লৈ আহিছো। মই জানো যে মই কেতিয়াও জয়ী হব নোৱাৰো। কিন্তু মই ঘূৰি আহিব লাগিব ৰণ-ক্লান্ত আৰু ক্ষত-বিক্ষত হৈ।

"অহর্নিশে মই জাগি আছিলো। তথাপি আনসকল লগৰীয়াই যেনেকৈ টোপনি যাব পাৰিছিল, তেনেকৈ টোপনি যাব পৰাটো মোৰ ভাগ্যত নাছিল। ( মোৰ লগৰীয়াসকল, ভাল মানুহ বেচেৰাহঁত, টোপনিত সিহঁতৰ নাক বজাৰ শব্দই মোৰ শৰীৰৰ অৱসন্ন অৱস্থাতো মোৰ চকুৰপৰা টোপনিক দূৰতে খেদি ৰাখিছিল )।

"শ্ৰান্ত-ক্লান্ত হৈ মই যেতিয়া ৰাতি পহৰা দি আছিলো, তেতিয়া মাজে মাজে মই ভয়ত আতংকিত হৈ পৰিছিলো। ( কেৱল মূর্খ ইহে কেতিয়াও ভয় নোখোৱাকৈ থাকিব পাৰে )। সেই মুহূর্ত্তত ভয়ক দূৰত ৰাখিবলৈ মই কৃত্ৰিম সাহ দেখুৱাই সুহুৰি বজাই গান গাইছিলো।

"কিন্তু তথাপি মই সদা-সতর্ক হৈ পহৰা দিয়াৰ কামত নিযুক্ত আছিলো। কোনোবা সন্দেহজনক মানুহ চকুত পৰিলেই তেওঁৰ ৰক্ষা নাছিল। মোৰ অব্যর্থ গুলীৰ আঘাতত তেওঁ থিতাতে ধৰাশায়ী হৈছিল।

"কিন্তু এই কথাও স্বীকাৰ কৰিব লাগিব যে সেই শিয়ান মানুহ-বোৰেও বন্দুকৰ বিদ্যা ভালকৈয়ে জানিছিল। সেই কথা গোপন কৰি লাভ নাই। মোৰ শৰীৰৰ ঘাবোৰে মুখ মেলি আছে, তাৰপৰা হোলোকা-হোলোকে তেজ ওলাইছে।

"ঘাবোৰে বহলকৈ মুখ মেলিছে, খালি হোৱা পহৰাৰ চকীবোৰে চিঞৰি মাতিছে। এজন পৰিলেই আনজনে ততালিকে তেওঁৰ ঠাই লয়। কিন্তু একমাত্ৰ ময়েই পৰিলো অপৰাজিত হৈ, একমাত্ৰ মোৰেই তৰোৱাল হৈ ৰ'ল অভগ্ন। মোৰ একমাত্ৰ যিটো বস্তু ভাগিল, সি হ'ল মোৰ হৃদয়।"

সংগ্ৰাম অসমাপ্ত হৈ ৰোৱাৰ বেদনাত হাইনেৰ হৃদয় ভাগিব পাৰে, কিন্তু তেওঁৰ তৰোৱাল নাভাগিল। যিমান দিন ধৰি মানুহৰ মুক্তিৰ সংগ্ৰাম চলিব, সিমান দিনলৈ সেই তৰোৱাল মুক্তি-সৈনিকৰ

হাতে হাতে দেখা যাব। সেই তৰোৱালেই হাইনেৰ চিৰযুগমীয়া স্মৃতি-চিহ্ন।

১৮৫৬ চনত, ভাৰতৰ চিপাহী বিদ্ৰোহৰ ঠিক আগৰ বছৰত, হাইনেৰ মৃত্যু হ'ল। বে-পৰোৱা, বে-হিচাপী, চিৰ-বিদ্ৰোহী হাইনেই চিৰকাললৈ চকু মুদাৰ আগ মুহূৰ্ত্ততো ক'লে, "ঈশ্বৰে নিশ্চয় মোক ক্ষমা কৰিব, কাৰণ ক্ষমা কৰাই তেওঁৰ কাম।"

# ডাগ্ হেমাৰ্শ্বল্ড

১৯৫৩ চনত ডাগ্ হেমাৰ্শ্বল্ড সন্মিলিত ৰাষ্ট্ৰসংঘৰ সচিবপ্ৰধান নিযুক্ত হয়। তেতিয়া তেওঁৰ বয়স হৈছিল মাত্ৰ ৪৭ বছৰ। ১৯৬১ চনত এটা বিমান দুৰ্ঘটনাত তেওঁৰ মৃত্যু হয়। সেই সময়ত কংগোত (এতিয়া জায়াৰ) ৰক্তাক্ত গৃহ-যুদ্ধ চলি আছিল। ৰাষ্ট্ৰসংঘই তাত শান্তি-স্থাপনৰ চেষ্টা কৰিছিল। কংগোত শান্তি-স্থাপনৰ কামত নিযুক্ত ৰাষ্ট্ৰসংঘৰ বিষয়াসকলৰ কাম-কাজ পৰিদৰ্শন কৰি ঘূৰি আহোঁতে ডাগ্ হেমাৰ্শ্বল্ডৰ বিমানখন উত্তৰ ৰোডেছিয়াৰ পাৰ্বত্য-অঞ্চলত ভূপতিত হয় আৰু হেমাৰ্শ্বল্ডকে ধৰি আটাইকেইজন আৰোহীয়ে প্ৰাণ হেৰুৱায়। এই বিমান-দুৰ্ঘটনাৰ কাৰণ ৰহস্যাবৃত বুলি বহুতে অনুমান কৰে আৰু সেই সম্পৰ্কে বিভিন্নজনৰ নানা পৰস্পৰ-বিৰোধী মতামত ইতিমধ্যেই প্ৰকাশ পাইছে। কিন্তু আলোচ্য প্ৰসংগত সেইবোৰ কথা অবান্তৰ।

হেমাৰ্শ্বল্ডৰ এই আকস্মিক মৃত্যুৰ কেইদিনমানৰ পিছত তেওঁৰ নিউইয়ৰ্কৰ বাস-গৃহৰ বস্তু-বাহানিবোৰ ঠান-থিত লগাবলৈ পৰীক্ষা কৰোতে সেইবোৰৰ মাজত এখন ডায়েৰী-জাতীয় কিতাপৰ পাণ্ডুলিপি পোৱা গ'ল। ছুইডিশ্ ভাষাত লিখা কিতাপখনৰ নাম আছিল Vagmarken—ইংৰাজী অনুবাদত Markings। ডায়েৰীখনৰ লগতে আছিল এখন তাৰিখ নোহোৱা চিঠি। হেমাৰ্শ্বল্ডে তেওঁৰ বন্ধু আৰু ছুইডেনৰ পৰৰাষ্ট্ৰ বিভাগৰ স্থায়ী আণ্ডাৰ-চেক্ৰেটাৰী লেইফ্ বেল্‌ফ্ৰেজলৈ সেই চিঠিত লেখি থৈ গৈছিল:

"প্ৰিয় লেইফ্,

এসময়ত মই তোমাক কৈছিলো যে মোৰ সমস্ত কাম-কাজৰ

মাজতো মই এখন ডায়েৰী লেখি আছিলো আৰু সেই ডায়েৰীখনৰ দায়িত্ব এদিন তুমি লোৱাটো মই বিচাৰিছিলো। এই কথা তোমাৰ বোধহয় মনত আছে।

"কোনোবাই এদিন এই ডায়েৰী পঢ়িব সেই কথা ভাবি মই ডায়েৰীখন লেখিবলৈ আৰম্ভ কৰা নাছিলো। কিন্তু মোৰ জীৱনৰ পৰবৰ্তী ইতিহাস আৰু মোৰ বিষয়ে বিভিন্ন মানুহে কোৱা আৰু লেখা নানা কথাই গোটেই পৰিস্থিতিটো সলনি কৰি দিলে। এই ডায়েৰীখনত লিপিবদ্ধ কথাবোৰৰপৰাহে মোৰ একমাত্ৰ সত্য 'আলেখ্য' অংকন কৰাটো সম্ভৱ। সেই কাৰণেই যোৱা কেইবছৰমানত মই ডায়েৰীখন প্ৰকাশ কৰাৰ সম্ভাৱনাৰ বিষয়ে চিন্তা কৰি চাইছো— যদিও মই আন কাৰো কাৰণে নহয়, কেৱল মোৰ নিজৰ কাৰণেহে ডায়েৰীখন লেখি আছিলো।

"যদি তুমি ডায়েৰীখন প্ৰকাশৰ উপযোগী বুলি ভাবা, তেন্তে সেইখন প্ৰকাশ কৰিবলৈ মই তোমাক অনুমতি দিলো। তুমি ধৰি ল'বা যে এই ডায়েৰীখন হ'ল মোৰ নিজৰ লগত—আৰু লগতে ঈশ্বৰৰ লগত, মোৰ বুজাবুজি স্থাপনৰ চেষ্টাৰ এখন প্ৰামাণ্য দলিল।"

হেমাৰ্‌শ্বল্ডৰ অনুৰোধ ৰক্ষা কৰি লেইফ্‌ বেল্‌ফ্ৰেজে সেই ডায়েৰীখন প্ৰকাশ কৰিলে। বিখ্যাত কবি ডব্লিউ এইচ্ছ্‌ অ'ডেনে কৰা অনবদ্য ইংৰাজী অনুবাদৰ যোগেদি আমিও এতিয়া আমাৰ যুগৰ এজন অসাধাৰণ মানুহৰ আধ্যাত্মিক আত্মজীৱনী বা স্বীকাৰোক্তিৰ সোৱাদ লব পৰা হৈছো। সাহিত্য-সৃষ্টি হিচাপে ইয়াৰ মূল্য কি-- সেই বিষয়ে মতদ্বৈধৰ অবকাশ থাকিব পাৰে; কিন্তু চক্ৰেটিছৰ আপ্ত-বাক্য স্মৰণ কৰি যিসকল লোকে বিশ্বাস কৰে যে Unexamined life is not worth living, অৰ্থাৎ অপৰীক্ষিত জীৱন জীয়াই থাকিবৰ যোগ্য নহয়, তেওঁলোকে ডাগ্ হেমাৰ্‌শ্বল্ডৰ এই অন্তৰ্জীৱনৰ ইতিহাসৰ মাজত বিচাৰি পাব নিজৰ অজস্ৰ ৰক্তাক্ত জীৱন-জিজ্ঞাসা,

অনুভব কৰিব জীৱনৰ কণ্টকাকীৰ্ণ পথৰ এজন ক্লান্ত কিন্তু অকুতোভয় পথিকৰ লগত নিবিড় একাত্মতা।

বাহিৰৰপৰা দেখি আমি এজন মানুহৰ অন্তৰ্জীৱনৰ প্ৰকৃত স্বৰূপ কল্পনা কৰিব পাৰোনে? এডুইন্ আৰ্লিংটন্ ৰবিন্‌ছনে তেওঁৰ 'ৰিচাৰ্ড ক'ৰী' নামৰ এটা কবিতাত লেখিছে: "যেতিয়াই ৰিচাৰ্ড ক'ৰীয়ে চহৰৰ ৰাস্তাইদি ফুৰিবলৈ যায়, আমি পেভ্‌মেণ্টৰ মানুহবোৰে তেওঁৰ ফালে ৰ লাগি চাই থাকো। লাহী, সুঠাম, চিকন দেহেৰে সৈতে তেওঁ আছিল মূৰৰ তালুৰপৰা ভৰিৰ তলুৱালৈকে এজন ভদ্ৰলোক। তেওঁৰ পোছাক-পৰিচ্ছদ আছিল অতি সাধাৰণ ধৰণৰ, তেওঁৰ কথাবাৰ্তা আছিল অতি বিনয়ী। তথাপি তেওঁ কাৰোবাক 'সুপ্ৰভাত' বুলি সম্ভাষণ কৰিলেই মানুহৰ দেহত শিহৰণ জাগিছিল, খোজ কাঢ়ি গৈ থাকোতে তেওঁৰ গাৰপৰা এটা জেউতি ওলাইছিল। আৰু তেওঁ আছিল খুব ধনী, এজন ৰজাতকৈয়ো বেছি ধনী। তেওঁ আছিল সকলো ধৰণৰ সুৰুচি আৰু সুশোভনতাৰ প্ৰতিমূৰ্তি। সংক্ষেপে কবলৈ গ'লে, মানুহে জীৱনত পাবলৈ বিচৰা সকলোবোৰ গুণ আৰু সম্পদেই তেওঁৰ আছিল। তেওঁৰ তুলনাত আমি আছিলো কিমান দুৰ্ভগীয়া! গতিকে সুদিনৰ আশাত আমি কেৱল কাম কৰি গৈছিলো, জীৱনত সু-খাদ্যৰ জুতি লৈ পোৱা নাছিলো, শুকান ৰুটিক দিছিলো সদায় অভিশাপ। আৰু ৰিচাৰ্ড ক'ৰীয়ে কি কৰিলে? এদিন গ্ৰীষ্মকালৰ শান্ত ৰাতি তেওঁ ঘৰলৈ গ'ল আৰু মূৰৰ মাজেদি এটা পিষ্টলৰ গুলী মাৰি পঠিয়ালে।"

ডাগ্ হেমাৰ্শ্বল্ডৰ জীৱনটো আছিল সাংসাৰিক কৃতকাৰ্যতাৰ জীৱন্ত প্ৰতীক। ছুইডেনৰ এটা অভিজাত বংশত তেওঁৰ জন্ম হয়। চাৰিশ বছৰ ধৰি তেওঁৰ পৰিয়ালে ছুইডেনৰ সামাজিক আৰু ৰাজনৈতিক জীৱনত উচ্চতম পদমৰ্যাদা আৰু প্ৰতিপত্তি ভোগ কৰি আহিছে। প্ৰথম বিশ্বযুদ্ধৰ ঠিক আগে আগে ডাগ্ হেমাৰশ্বল্ডৰ দেউতাক আছিল ছুইডেনৰ প্ৰধানমন্ত্ৰী। উপ ছালা বিশ্ববিদ্যালয়ত

অতি সুখ্যাতিৰে অৰ্থনীতিৰ অধ্যয়ন সমাপ্ত কৰাৰ পিছত মাত্ৰ ত্ৰিশ বছৰ বয়সতে ডাগ্ হেমাৰশ্‌ল্ড ছুইডেনৰ বিত্ত বিভাগৰ প্ৰধান সচিবৰ পদত নিযুক্ত হয়। প্ৰশাসক হিছাপে হেমাৰ্‌শ্বল্ডৰ দক্ষতা প্ৰায় কিম্বদন্তীত পৰিণত হৈছে। ছুইডেনৰ যি ওৱেলফেয়াৰ ষ্টেট্ বা জন-কল্যাণমূলক ৰাষ্ট্ৰ-ব্যৱস্থা সমগ্ৰ পশ্চিম য়ুৰোপৰ ঈৰ্ষাৰ বস্তু, তাৰ নিৰ্মাণত হেমাৰ্‌শ্বল্ডৰ অবদানেই আছিল সৰ্বাধিক। ৩৬ বছৰ বয়সত তেওঁ ছুইডেনৰ ৰাষ্ট্ৰীয় বেংকৰ চেয়াৰমেন নিযুক্ত হয়। হেমাৰশ্বল্ডৰ বিষয়ে লেখা এটা প্ৰৱন্ধত ইংৰাজ লেখক চি. পি. স্ন'ই মন্তব্য কৰিছে যে ইমান কম বয়সতে এনেবোৰ গুৰুত্বপূৰ্ণ পদ পোৱাটো ছুইডেনৰ বাহিৰে য়ুৰোপৰ আন কোনো দেশতে সম্ভব নহয়, ইংলেণ্ডততো এনে কথা কল্পনাই কৰিব নোৱাৰি। কিন্তু হেমাৰ্‌শ্বল্ডৰ কাৰণে ই আছিল এটা সফল গৌৰবোজ্জ্বল কেৰিয়াৰৰ আৰম্ভণি মাত্ৰ। ৪১ বছৰ বয়সত তেওঁ য়ুৰোপীয় অৰ্থ নৈতিক পৰিষদত ছুইডেনৰ প্ৰতিনিধি নিযুক্ত হ'ল, ৪৩ বছৰ বয়সত নিযুক্ত হ'ল বৈদেশিক দপ্তৰৰ চেক্ৰেটাৰী-জেনেৰেল আৰু ৪৬ বছৰ বয়সত ছুইডেনৰ মন্ত্ৰীপৰিষদৰ অন্যতম সদস্য। তাৰ পিছৰ বছৰতে, ৪৭ বছৰ বয়সত, ডাগ্ হেমাৰ্‌শ্বল্ড হ'ল সন্মিলিত জাতিসংঘৰ চেক্ৰেটেৰী-জেনেৰেল।

হেমাৰ্‌শ্বল্ডৰ এই ব্যস্ততাপূৰ্ণ কৰ্মজীৱন বিশ্লেষণ কৰি চালে দেখা যায় যে তেওঁ সংসাৰ-বিৰাগী সন্ন্যাসী বা কৰ্ম-বিমুখ ভাবুক নাছিল। তেওঁ আছিল অকল্পনীয় পৰিশ্ৰম-শক্তিৰ অধিকাৰী, তেওঁ সদায় কামৰ মাজত ডুবি থাকিব খুজিছিল, আৰু ক্ষমতাৰ প্ৰতি আছিল তেওঁৰ বিশেষ মোহ। সৌভাগ্য, প্ৰতিভা আৰু পৰিশ্ৰম-শক্তিৰ বিৰল সমন্বয়ে অৰ্জন কৰিব পৰা সমস্ত প্ৰকাৰৰ পাৰ্থিব কৃতকাৰ্যতা—যশ, খ্যাতি, ক্ষমতা, পদমৰ্যাদা—তেওঁ লাভ কৰিছিল। অৰ্থাৎ এক কথাত কবলৈ গ'লে ই আছিল এজন অতি ভাগ্যবান মানুহৰ এটা অতি সাধাৰণ জীৱন।

কিন্তু আচল হেমাৰ্শ্বল্ড এইজন মানুহ নাছিল। তেওঁ নিজেই কৈ গৈছে যে কেবল তেওঁৰ ডায়েৰীখনত লেখি থৈ যোৱা কথা-খিনিৰপৰাহে তেওঁৰ প্ৰকৃত 'আলেখ্য' অংকন কৰাটো সম্ভৱ হব। অৰ্থাৎ তেওঁ অন্তৰৰ গভীৰত এটা স্বকীয়া গোপন জীৱন যাপন কৰিছিল, সেই জীৱনটোৱেই আছিল তেওঁৰ আচল জীৱন, আৰু তাৰ ইতিহাস লিপিবদ্ধ হৈ আছে তেওঁৰ ডায়েৰীখনত। শীৰ্ষস্থানীয় আন্তৰ্জাতিক চিভিল চাৰ্ভেণ্ট হিচাপে তেওঁ সমগ্ৰ পৃথিবীৰ হাজাৰ হাজাৰ মাইল পথ ঘূৰি ফুৰিছিল, কিন্তু তেওঁৰ কাৰণে 'দীৰ্ঘতম ভ্ৰমণ আছিল নিজৰ অন্তৰৰ ভিতৰলৈ কৰা ভ্ৰমণ' ( The longest journey is the journey inwards )। হেমাৰ্শ্বল্ডৰ ডায়েৰীত তেওঁৰ অন্তৰ্জীৱনৰ কি ছবি ফুটি উঠিছে? তেওঁৰ 'দীৰ্ঘতম ভ্ৰমণ'ৰ কি অভিজ্ঞতা ইয়াত লিপিবদ্ধ হৈ আছে?

হেমাৰ্শ্বল্ডে তেওঁৰ এই ডায়েৰী বা অন্তৰ্জীৱনৰ ইতিহাস ( My negotiations with myself—and with God ) লেখিবলৈ আৰম্ভ কৰে তেওঁৰ ১৯ বছৰ বয়সত—যেতিয়া তেওঁ আছিল উপ্ছালা বিশ্ববিদ্যালয়ৰ বিৰল প্ৰতিভাবান আণ্ডাৰ-গ্ৰেজুৱেট ছাত্ৰ। সুদীৰ্ঘ ৩৬ বছৰ ধৰি, বিমান দুৰ্ঘটনাত মৃত্যুৰ মাত্ৰ কেইদিনমান আগলৈকে, তেওঁ এই ডায়েৰী লেখি আছিল। তেওঁ যেতিয়া ডায়েৰীখন প্ৰকাশ কৰাৰ কথা চিন্তা কৰিলে, তেতিয়া তেওঁ নিশ্চয় ডায়েৰীখন নিজে সম্পাদনা কৰি কেতবোৰ নিৰ্বাচিত অংশহে প্ৰকাশৰ কাৰণে এৰি থৈ গৈছিল। কাৰণ Markings নামত গ্ৰন্থাকাৰে প্ৰকাশিত ডায়েৰীখনৰ কলেবৰ নিচেই ক্ষুদ্ৰ।

ছুইডেনৰ অভিজাত বংশৰ সন্তান ডাগ্ হেমাৰ্শ্বল্ড যেতিয়া য়ুৰোপৰ অন্যতম শ্ৰেষ্ঠ শিক্ষা-কেন্দ্ৰ উপ্ছালা বিশ্ববিদ্যালয়ৰ প্ৰতিভা-বান গ্ৰেমাৰাছ ছাত্ৰ, বয়স মাত্ৰ উনৈশ বছৰ, সমুখত উজ্জ্বল সোণালী ভবিষ্যতৰ নিমন্ত্ৰণ, সেই সময়তে তেওঁ তেওঁৰ গোপন ডায়েৰী আৰম্ভ কৰিলে এটা কবিতাৰে—

"এখন অজ্ঞাত দেশলৈ মোক কোনোবাই খেদি নি আছে। সংকীর্ণ গিৰি-পথ ক্রমাৎ উচ্চতৰ হৈ গৈ আছে, বতাহ হৈছে শীতলতৰ আৰু তীক্ষ্ণতৰ। কোনো এক অজ্ঞাত লক্ষ্য-স্থলৰপৰা বৈ অহা বতাহে প্রত্যাশাৰ তন্ত্রীবোৰ কৰি তুলিছে ঝংকৃত।

তথাপি প্রশ্ন:

মই তাত গৈ উপনীত হমনে কেতিয়াবা?
তাত—য'ত জীৱন কলৰৱ-মুখৰ,
নীৰৱতাৰ মাজত
এটা স্পষ্ট বিশুদ্ধ বাণী।

* * *

হাস্য-মুখৰ, আন্তৰিক, অপাপবিদ্ধ—
সংযম-শুদ্ধ আৰু দৃঢ়-পেশী তেওঁৰ শৰীৰ।
তেওঁৰ যি হ'ব পৰাৰ ক্ষমতা আছিল তাকেই হ'ল তেওঁ,
তেওঁ যি আছিল সিয়েই হৈ থাকিল,
এনে এজন মানুহ আছিল তেওঁ—
জীৱনৰ সমস্ত সম্পদ এটা সহজ উৎসর্গত পৰিণত কৰিবলৈ
তেওঁ আছিল প্রত্যেক মুহূর্তেই প্রস্তুত।

* * *

কালিলৈ আমি মুখামুখি হম,
মৃত্যু আৰু মই—।
আৰু তেওঁৰ তৰোৱালে বিদ্ধ কৰিব এনে এজন মানুহৰ
হৃদ্‌পিণ্ড—
যি সম্পূর্ণৰূপে জাগ্রত।
কিন্তু ইতিমধ্যে কিমান মর্মন্তুদ
অজস্র অপচয়িত প্রহৰৰ স্মৃতি।" (১৯২৫)

সুদীর্ঘ ৩৫ বছৰৰ পিছত, বিমান-দুর্ঘটনাত মৃত্যুৰ মাত্র কেইটামান

মুহূর্তৰ আগতে, হেমাৰশ্বল্ডে তেওঁৰ ডায়েৰীত সর্বশেষ বাৰৰ কাৰণে লেখিছিল :

“ই কি এখন নতুন দেশ
দিনতকৈ বেলেগ
বাস্তৱতাৰ আন এখন জগতত যাৰ অৱস্থিতি ?
অথবা দিন যেতিয়া আছিল তাৰ আগতেই
মই কি তাত বাস কৰিছিলো ?
বাস্তাৰপৰা প্ৰতিফলিত ধূসৰ পোহৰৰ
এটা সাধাৰণ ৰাতিপুৱাত
মই সাৰ পাই উঠিলো,
কিন্তু তথাপি মোৰ মনত আছিল
অৰণ্য-শীর্ষৰ ওপৰৰ
কৃষ্ণ-নীল ৰাতি,
জোনাকত মুকলি শূন্য প্ৰান্তৰ,
ছাঁয়াৰ মাজত গিৰি-শীর্ষ।
মনত আছিল সেই পার্বত্য-দেশৰ
আৰু অন্যান্য বহুতো স্বপ্ন ঃ
দুবাৰ মই ইয়াৰ শীর্ষত থিয় দিছিলো,
ইয়াৰ দূৰতম হ্ৰদৰ পাৰত মই আছিলো,
আৰু অনুসৰণ কৰিছিলো নৈখন
তাৰ আদিম উৎসলৈকে।
ঋতুবোৰ সলনি হৈছে,
আৰু পোহৰ,
আৰু বতৰ,
আৰু প্ৰহৰ।
কিন্তু তথাপি ই একেখনেই দেশ।
আৰু মই মানচিত্ৰখন চিনি পাবলৈ আৰম্ভ কৰিছো

আৰু বিচাৰি পাইছো মোৰ গন্তব্য-স্থলৰ দিক্-চিহ্ন।

* * *

কালিলৈ আমি মুখামুখি হ'ম—
মৃত্যু আৰু মই— ।"

উনৈশ বছৰ বয়সত, যৌৱনৰ সোণালী প্ৰভাতত, হেমাৰশ্বল্ডে মৃত্যুৰ লগত এই এপইন্টমেণ্ট্ ঠিক কৰিছিল, আৰু তেওঁৰ বাকী সমগ্ৰ জীৱনৰ প্ৰতিটো মুহূৰ্ত আছিল এই মৃত্যুৰ কাৰণে প্ৰতীক্ষা। তেওঁৰ ডায়েৰীৰ এটা বৃহৎ অংশৰ শিৰোনামা হ'ল Night is drawing nigh— 'ৰাতি ওচৰ চাপি আহিছে'। কিন্তু ই সেই মৃত্যু নহয়— যি মৃত্যুৱে মানুহক আতংকিত কৰে, ভূত-গ্ৰস্ত কৰে, জীৱনৰ অৰ্থহীনতাৰ উপলব্ধিৰে মানুহক উন্মাদ কৰি তোলে। ১৯৫৭ চনৰ ৬ অক্টোবৰত তেওঁ লেখিছিল : 'মৃত্যুক বিচাৰি নুফুৰিবা। মৃত্যুৱে নিজেই তোমাক বিচাৰি উলিয়াব। কিন্তু বিচাৰিবলৈ চেষ্টা কৰা সেই পথ— যিটো পথে মৃত্যুৰ মাজত তোমাক জীৱনৰ পৰিপূৰ্ণতা দিব।' আন এঠাইত তেওঁ লেখিছে : 'পুৰণি দিনবোৰত মৃত্যু আছিল বহুতৰ মাজত এজন মাত্ৰ। কিন্তু এতিয়া আহাৰৰ টেবুলত তোমাৰ কাষৰ আসনখনতেই তেওঁ বহি আছে : মই তেওঁৰ লগত বন্ধুত্ব কৰিব লাগিব।'

আৰ্থাৰ কোৱেষ্ট্লাৰে লেখিছে : "আধ্যাত্মিক জীৱন হ'ল মৃত্যুক গ্ৰহণ কৰাৰ প্ৰশিক্ষণ মাত্ৰ।" হেমাৰ্শ্বল্ডৰ গোটেই জীৱনটো আছিল এনে এটা প্ৰস্তুতি। কিন্তু তেওঁৰ এই মৃত্যুৰ-চেতনাৰ প্ৰকৃত ব্যাখ্যা পাবলৈ হ'লে আমি এটা কথা মনত ৰাখিব লাগিব যে হেমাৰ্শ্বল্ড আছিল এজন নিষ্ঠাবান খ্ৰীষ্টীয়ান, এজন God-intoxicated বা ঈশ্বৰোন্মাদ মানুহ, খ্ৰীষ্টীয় জীৱন-দৰ্শনতেই তেওঁ জীৱনৰ অৰ্থ আৰু পথ বিচাৰি পাইছিল। তেওঁৰ মাকৰ ধৰ্মৰ প্ৰতি আছিল অচল আৰু গভীৰ আনুগত্য। গভীৰ ধৰ্মীয় বিশ্বাসৰ পৰিৱেশত হেমাৰ্শ্বল্ডৰ বাল্যকাল অতিবাহিত হৈছিল, কিন্তু ডেকাকালত তেওঁ ঈশ্বৰ-বিশ্বাস

সম্পূর্ণৰূপে হেৰুৱাই পেলাইছিল। জাৰনৰ মাজ বয়সত তেওঁ পুনৰ ধৰ্ম আৰু ঈশ্বৰ-বিশ্বাসৰ মাজতেই জীৱনৰ একমাত্ৰ সান্ত্বনা আৰু অর্থ বিচাৰি পালে। কিন্তু তেওঁৰ ধৰ্ম-বিশ্বাসত সন্ন্যাস, সংসাৰ-বিমুখতা বা ভক্তি-ভাবোন্মাদনাৰ কোন স্থান নাছিল। তেওঁ আছিল এজন কৰ্ম-যোগী। তেওঁৰ ডায়েৰীৰ আটাইতকৈ তাৎপৰ্যপূর্ণ এটা বাক্য হ'ল : "In our era the road to holiness necessarily passes through the world of action."—ভল্‌টেয়ৰ্ আৰু গ্যেটেয়ো তেওঁলোকৰ নিজৰ নিজৰ পথেৰে আগবাঢ়ি এই সত্যতেই উপনীত হৈছিল। কিন্তু হেমাৰ্শ্বল্ডৰ ক্ষেত্ৰত অধিক প্ৰাসংগিক হ'ব আঁদ্ৰে জিদৰ লগত তেওঁৰ তুলনা। জিদেও জীৱনৰ ষাঠিবছৰ ধৰি এখন জাৰ্ণাল বা অন্তৰ্জীবনৰ ইতিহাস লেখিছিল। জিদৰ জাৰ্ণালৰ বিষয়ে আলোচনা কৰি আল্‌ফ্ৰেড কাজিনে লেখিছেঃ "কামেই সকলো শূন্যতা পূর্ণ কৰে আৰু তেওঁ ( জিদে ) যদি কাম কৰিব নোৱাৰে, তেন্তে কাম কৰিব নোৱৰাৰ কাৰণ তেওঁ অক্লান্তভাৱে বিশ্লেষণ কৰিবলগা হয়। আধুনিক মানুহৰ জীৱনত ইহলোকৰ কামে পৰলোকত বিশ্বাসৰ ঠাই কিমান গভীৰভাৱে অধিকাৰ কৰিছে, সেই কথা জিদৰ নিচিনাকৈ দীৰ্ঘ জীৱন যাপন নকৰা মানুহৰ পক্ষে উপলব্ধি কৰা সঁচাকৈয়ে কঠিন ; জিদ্ আটাইতকৈ প্ৰটেষ্টাণ্ট্ তেতিয়া—যেতিয়া তেওঁ জীৱনৰ প্ৰতিটো মুহূৰ্তৰ হিচাপ লয় ; আটাইতকৈ আধুনিক তেতিয়া—যেতিয়া তেওঁ বিশ্বাস কৰে যে একমাত্ৰ কামেইহে মানুহৰ আধ্যাত্মিক শূন্যতাক পূর্ণ কৰিব পাৰে।"

হেমাৰ্শ্বল্ডেও জাৰনৰ সমস্ত শূন্যতাক পূর্ণ কৰিব খুজিছিল কামেৰে। অস্তিত্ববাদীসকলে বিশ্বাস কৰে যে জীৱনটো অর্থহীন হ'ব পাৰে, কিন্তু তাক অর্থপূর্ণ কৰি তোলাৰ দায়িত্ব একান্তভাৱে মানুহৰ। কিন্তু ছেক্ৰ্যলাৰ অস্তিত্ববাদীসকলৰ লগত হেমাৰ্শ্বল্ডৰ জীৱন-দৰ্শনৰ পাৰ্থক্য আছে। এইসকল অস্তিত্ববাদীয়ে ভাবে যে

মানুহে স্বাধীন ইচ্ছাৰে নিজৰ পথ বাছি লব পাৰে আৰু তাকে কৰি মানুহে নিজেই নিজকে বা নিজৰ ভাগ্যক গঢ় দিয়ে। কিন্তু হেমাৰ্‌শ্বল্ডে তেওঁৰ ডায়েৰীৰ এঠাইত লেখিছেঃ "আমাৰ ভাগ্যৰ আধাৰ কি হ'ব তাক বাছি ল'বলৈ আমাক অনুমতি দিয়া হোৱা নাই। কিন্তু সেই আধাৰ আমি যিহেৰে পূৰ্ণ কৰো সেই গোটেইখিনি আমাৰ নিজৰ। অভিযান কৰিবলৈ যাৰ ইচ্ছাশক্তি আছে, তেওঁ অভিযানৰ অভিজ্ঞতা লাভ কৰিব—আৰু তাকে কৰিব নিজৰ সাহসৰ অনুপাতে। যি আত্মোৎসৰ্গ কৰিব বিচাৰে—তেওঁ উৎসৰ্গিত হ'ব, নিজৰ হৃদয়ৰ পবিত্ৰতাৰ অনুপাতে।"

নিজৰ ধৰ্ম-বিশ্বাস ব্যক্ত কৰি হেমাৰ্‌শল্ড ৫৯ বছৰ বয়সত লেখিছিলঃ "মোৰ মাতৃৰ ফালৰ পণ্ডিত আৰু যাজকসকলৰপৰা মই এই বিশ্বাস উত্তৰাধিকাৰ হিচাপে লাভ কৰিছিলো যে 'গছ্‌পেল'ৰ অতি-বৈপ্লৱিক বা মৌলিক অৰ্থত ঈশ্বৰৰ সন্তান হিচাপে সকলো মানুহেই সমান, আৰু আমি তেওঁলোকক সেই চকুৰেই চাব লাগিব আৰু আমাৰ প্ৰভু বুলি গণ্য কৰিব লাগিব। উত্তৰাধিকাৰ হিচাপে লাভ কৰা এই বিশ্বাসবোৰ মই এতিয়া মনৰ কোনো সন্দেহ বা সংশয় নোহোৱাকৈ সম্পূৰ্ণভাৱে সত্য বুলি গ্ৰহণ কৰিছো। ধৰ্মৰ ভাষা হ'ল এলানি মূলসূত্ৰ, আৰু সেইবোৰৰ মাজত বিধৃত হৈ আছে এটা মৌলিক আধ্যাত্মিক অভিজ্ঞতা। দাৰ্শনিক পৰিভাষাত সি সংজ্ঞায়িত হ'ব নোৱাৰে, সি কেৱল ইন্দ্ৰিয়-গ্ৰাহ্য বাস্তৱতা নহয়, বা যুক্তিৰ সঁজুলিৰে আমি তাক বিশ্লেষণ কৰিবও নোৱাৰো। ইয়াৰ অৰ্থ বুজোতে মোৰ বহুতো পলম হ'ল। যেতিয়া অৱশেষত মই বুজাৰ অৱস্থাত উপনীত হ'লো, তেতিয়া মই অনুভৱ কৰিলো যে যিবোৰ বিশ্বাসৰ মাজত এসময়ত মই লালিত হৈছিলো, আৰু মোৰ বুদ্ধিয়ে সেইবোৰৰ অভ্ৰান্ততাক বাৰে বাৰে প্ৰত্যাহ্বান জনোৱা সত্ত্বেও যিবোৰ বিশ্বাসে মোৰ জীৱনক দিক্-দৰ্শন দিছিল, আজি সেইবোৰ বিশ্বাসক মই নিজৰ স্বাধীন ইচ্ছাৰে আৰু সেইবোৰৰ স্বীয় অধিকাৰতে মোৰ

বুলি গ্ৰহণ কৰিছো। আধ্যাত্মিক বিশ্বাস-সম্পন্ন লোক-সংঘৰ এজন সদস্য হিচাপে নিজৰ লগত সম্পূৰ্ণ সামঞ্জস্য ৰক্ষা কৰি এজন মানুহে কেনেকৈ সক্ৰিয় সমাজ-সেৱাৰ জীৱন যাপন কৰিব পাৰে, তাৰ ব্যাখ্যা মই বিচাৰি পালো মধ্যযুগৰ ৰহস্যবাদী সন্তসকলৰ লেখনীত ; তেওঁলোকৰ কাৰণে 'আত্ম-সমৰ্পণে'ই আছিল আত্মোপলব্ধিৰ পথ ; একনিষ্ঠতা আৰু অন্তৰ্মুখিতাৰ জোৰতে তেওঁলোকে তেওঁলোকৰ প্ৰতিবেশীৰ সমস্ত প্ৰয়োজনৰ দাবীৰ প্ৰতি সঁহাৰি জনাবলৈ আৰু ভাগ্যই তেওঁলোকৰ কাৰণে যিহকে কঢ়িয়াই আনে তাকে গ্ৰহণ কৰিবলৈ শক্তি পাইছিল।"

'অন্তৰ্মুখিতা' শব্দটোৰ ওপৰত হেমাৰ্শ্বল্ডে আৰোপ কৰা গুৰুত্ব বিশেষভাৱে লক্ষ্যণীয়।

কৰ্ম-সাধনা বা 'সক্ৰিয় সমাজ-সেৱা'ক হেমাৰ্শ্বল্ডে গভীৰ আধ্যাত্মিক তাৎপৰ্যৰে মণ্ডিত কৰি লৈছিল। কামেই একমাত্ৰ পৰিত্ৰাণ। মানুহে নিশ্চয় কাম কৰিব লাগিব। কিন্তু কেনেকৈ কাম কৰিব লাগিব ? কিয় কৰিব লাগিব ?

বিভিন্ন সময়ত তেওঁ ডায়েৰীত লেখিছে ঃ

"তোমাৰ যিমানখিনি শক্তি আছে, জীৱনে কেৱল সিমানখিনিয়েই দাবী কৰে। এটা মাত্ৰ বীৰত্ব তোমাৰ পক্ষে সম্ভৱ—কেতিয়াও পলাই নাযাবা।"

"সম্পূৰ্ণতা আয়ত্ত কৰিবলৈ হ'লে আমি প্ৰত্যেকেই এজন এজনকৈ আত্ম-বিলুপ্তিৰ মৃত্যুৰ মাজেদি পাৰ হৈ যাব লাগিব।"

"কেৱল জীৱনেহে জীৱনৰ দাবী পূৰ্ণ কৰিব পাৰে। মোৰ জীৱনৰ ক্ষুধা সহজেই তৃপ্ত কৰিব পাৰি। তাৰ সহজ যুক্তি হ'ল—জীৱনৰ প্ৰকৃতি এনেকুৱাই যে মই আনৰ কাৰণে সেতু-বন্ধনৰ কাম কৰি, সদাচাৰৰ মন্দিৰত এটুকুৰা শিল হৈ, মোৰ ব্যক্তিত্বক বাস্তৱ ৰূপ দিব পাৰো।"

"নিজকে কেতিয়াও ভয় নকৰিবা, জীৱন-যাপনৰ প্ৰক্ৰিয়াত

নিজৰ ব্যক্তিত্বক সম্পূৰ্ণৰূপে বিকশিত কৰি তুলিবা—কিন্তু তাকে কৰিবা আনৰ মঙ্গলৰ কাৰণে।”

“নিসংগতাৰ যন্ত্ৰণা-নাশক প্ৰতিষেধক হিচাপে কাম, মানুহৰ সংগৰ বিকল্প হিচাপে কিতাপ। তুমি কব খোজা যে তুমি অপেক্ষা কৰিছা, কব খোজা যে দুৱাৰখন মুকলি হৈ আছে। কিহৰ কাৰণে? মানুহৰ কাৰণে? যি এটনাৰ কাৰণে এম্‌পিডক্‌ল্‌ছে অপেক্ষা কৰি আছে, সি মানবীয় সংগীত্বই ঢুকি পোৱাৰ অতীতৰ এটা ভাগ্য নহয়নে?”

“সততা এটা অতিশয় সৰল বস্তু: সদায় আনৰ কাৰণে জীয়াই থাকিবা, কেতিয়াও নিজৰ সুবিধা নিবিচাৰিবা।”

“যিসকল লোকে ঈশ্বৰৰ মাজত আৰু ঈশ্বৰৰ দ্বাৰাই জীয়াই থাকে, তেওঁলোকৰ মনলৈ কেতিয়াও অহংকাৰৰ ভাব আহিব নোৱাৰে; কাৰণ তেওঁলোকে ঈশ্বৰে দিয়া দান ঈশ্বৰকেই পুনৰ ঘূৰাই দিয়ে, তেওঁলোকে পৰস্পৰৰ গুণানুকীৰ্তন নকৰে, কিন্তু সকলো কাম কেৱল ঈশ্বৰৰ গৰিমা-বৃদ্ধিৰ কাৰণেই কৰে।” (টমাছ্ একিনাছ ১১: ১০)”

“মই হ’লো পাত্ৰ। জল হ’ল ঈশ্বৰৰ। তৃষাৰ্ত হ’ল ঈশ্বৰ।”

“টমাছ একিনাছ: তুমি বিশ্ৰাম বিচাৰিছা কিয়? কেৱল কাম কৰিবলৈকে তোমাৰ সৃষ্টি হৈছে।”

“ ‘ৰহস্যবাদী অভিজ্ঞতা’। সদায়: ইয়াত আৰু এতিয়াই—। সেই অভিজ্ঞতা অৰ্জিত হয় সেই স্বাধীনতাৰ মাজত—যি স্বাধীনতা নীৰৱতাৰপৰা ওপজা স্তব্ধতাৰ মাজত দূৰত্বৰ সৈতে একাত্ম। কিন্তু ই হ’ল এনে এক স্বাধীনতা—যাৰ অৱস্থিতি কৰ্ম-প্ৰবাহৰ কেন্দ্ৰস্থলত; ই হ’ল এনে এক স্তব্ধতা—যি বিৰাজ কৰে জন-সমাগমৰ সোঁ-মাজত।

“আমাৰ যুগত পুণ্যৰ পথ অৱশ্যেই আগ বাঢ়িব লাগিব কামৰ জগতৰ মাজেদি।”

“ ‘মহৎ’ দায়বদ্ধতাই অতি সহজেই ‘ক্ষুদ্ৰ’ দায়বদ্ধতাক অদৃশ্য

বা নিষ্প্ৰভ কৰি দিয়ে। কিন্তু যি কেইজন সীমিত-সংখ্যক মানুহৰ লগত তুমি ব্যক্তিগতভাৱে জড়িত, তেওঁলোকৰ লগত যদি তোমাৰ নম্ৰতা আৰু মমতাৰ সম্পৰ্ক গঢ়ি নুঠে, তেন্তে তুমি বহুত মানুহৰ কাৰণে কেতিয়াও কোনো কাম কৰিব নোৱাৰিবা। তেওঁলোকক বাদ দি তুমি বাস কৰিবা কেৱল এখন বিমূৰ্ত ধাৰণাৰ জগতত— য'ত তোমাৰ অহং-বোধ, তোমাৰ ক্ষমতা-লিপ্সা আৰু তোমাৰ মৃত্যু-কামনাই সিহঁতকৈ অধিক পৰাক্ৰমী বিৰুদ্ধ-শক্তিৰ মুখামুখি হ'বলৈ কেতিয়াও সুযোগ নাপাব। সেই শক্তি হ'ল প্ৰেম। যি প্ৰেমৰ কোনো লক্ষ্য বা আধাৰ নাই, যি প্ৰেম আত্মসমৰ্পণৰপৰা নিগৰি চাৰিওফালে উপচি পৰা এটা শক্তি—সি কেৱল হৈ ৰব এক ধৰণৰ মহৎ অতি-মানবিক আত্ম-ঘোষণা মাত্ৰ—যদিহে তাৰ মানুহৰ লগত ঘনিষ্ঠ সাহচৰ্য বা বন্ধুত্বৰ যুঁৰলিৰে পোহ মনোৱা নাযায় আৰু কৰুণাৰ দ্বাৰা তাক অভিসিঞ্চিত কৰা নাযায়। তোমাৰ নিজৰ ভিতৰতে থকা নেতি-বাচক শক্তিবোৰৰ বিৰুদ্ধে সেই প্ৰেম হব সম্পূৰ্ণৰূপে শক্তিহীন। 'সমগ্ৰ মানবজাতিৰ কাৰণে নিজকে উছৰ্গা কৰাতকৈ, এজন মাত্ৰ মানুহৰ মঙ্গল কৰাটোও আত্মাৰ স্বাস্থ্যৰ কাৰণে বেছি ভাল।"

মূঠতে কামৰ মাজত হেমাৰ্শ্বল্ডে জীৱনৰ অৰ্থ আৰু জীৱনটোক সহনীয় কৰি তোলাৰ শক্তি বিচাৰি পাইছে। ই কোনো এটা অভিনব মৌলিক জীৱন-দৰ্শন নহয়। তেওঁৰ উপলব্ধিয়ে যদি আমাৰ হৃদয় নতুনকৈ আলোড়িত কৰে, তেন্তে তাৰ একমাত্ৰ কাৰণ হ'ল সেই উপলব্ধিৰ মাজত তেওঁ সঞ্চাৰিত কৰি দিয়া তীব্ৰ ব্যক্তিগত অনুভূতি। কেৱল বাস্তৱ ব্যক্তিগত অভিজ্ঞতাইহে সত্যৰ বিমূৰ্ত ধাৰণা আৰু নৈতিক আদৰ্শক চিৰ-নতুন আৰু হৃদয়-সংবেদ্য কৰি ৰাখিব পাৰে। কৰ্মসাধনাক তেওঁ যদি আধ্যাত্মিক তাৎপৰ্যৰে মণ্ডিত কৰিব খুজিছে, নিজকে 'ঈশ্বৰৰ হাতৰ সঁজুলি' বুলি কল্পনা কৰিছে, সিও একো নতুন আধ্যাত্মিক সত্য নহয়। হিন্দুৰ গীতায়ো মানুহক ঠিক তেনেকৈয়ে কৰ্মত প্ৰবৃত্ত হবলৈ শিক্ষা দিছে : "হে

ঈশ্বৰ। তুমি মোৰ হৃদয়ত থাকি যিভাৱে মোক কৰ্মত নিযুক্ত কৰিবা, ঠিক সেইভাৱেৰেই মই কাম কৰিম।” ওপৰত এবাৰ আঁদ্ৰে জিদৰ কথা উল্লেখ কৰি অহা হৈছে। আঁদ্ৰে জিদেও তেওঁৰ ‘জাৰ্ণাল’ত নিজৰ কাৰণে এখন আচৰণ-বিধি তৈয়াৰ কৰিছে এনেভাৱে :

প্ৰথম কথা : এটা নিয়মৰ প্ৰয়োজনীয়তা।

২। নৈতিকতা হ’ল বিভিন্ন কথা বা আদৰ্শৰ মাজত ক্ৰমানুসৰি অগ্ৰাধিকাৰ নিৰূপণ কৰা আৰু ডাঙৰটোক লাভ কৰিবৰ কাৰণে সৰুটোক ব্যৱহাৰ কৰা। ই এটা আদৰ্শনীয় কৌশল।

৩। লক্ষ্যৰ কথা কেতিয়াও পাহৰি নাথাকিবা। লক্ষ্যতকৈ উপায়ক বেছি গুৰুত্ব নিদিবা।

৪। নিজকে সদায় এটা উপায় বুলি গণ্য কৰিবা। সেই কাৰণে যিটো লক্ষ্য বা যিটো কাম বাছি লোৱা, তাতকৈ নিজকে বেছি গুৰুত্ব নিদিবা।

( এইখিনিতে এডোখৰ খালি ঠাই আছি পৰে—য’ত প্ৰশ্ন উঠে কামৰ বাছনিৰ বিষয়ে, আৰু সেই কামৰ স্বাধীন ইচ্ছাপ্ৰসূত বাছনিৰ বিষয়ে।……মানুহে নিজে কিবা বাছি লব পাৰেনে ? )

মানুহৰ চিৰন্তন অভিজ্ঞতাৰ নিৰ্যাস আৰু আধ্যাত্মিক জিজ্ঞাসাৰ আটাইতকৈ অৰ্থপূৰ্ণ উত্তৰ হ’ল এইটোৱেই যে একমাত্ৰ পৰাৰ্থে জীৱন পাত কৰাৰ মাজতেই মানুহে শান্তি আৰু জীৱনৰ অৰ্থ বিচাৰি পাব পাৰে। ঈশ্বৰক পাবলৈ হ’লে যে মানুহে নিজকে হেৰুৱাব লাগিব, তাৰো একমাত্ৰ বুদ্ধি-গ্ৰাহ্য ব্যাখ্যা এইটোৱেই হব পাৰে। গভীৰ ধ্যান আৰু ব্যক্তিগত অভিজ্ঞতাৰ মাজেদি হেমাৰ্‌শ্বল্ডে এই সত্য নতুনকৈ আবিষ্কাৰ কৰিছে। কিন্তু চি. পি. স্ন’ই কবৰ দৰে—“ধৰ্মীয় অনুষংগ বাদ দি চালে বিংশ-শতাব্দীৰ বহুতো মানুহৰ কাৰণে হেমাৰশ্বল্ডৰ এই উক্তিৰ ( In our era the road to

holiness necessarily passes through the world of action ) এটা গভীৰ অৰ্থ আছে। নিজৰ সাধ্য অনুসৰি কামৰ মাজেদি কিবা এটা কৰিবলৈ চেষ্টা নকৰাকৈ আমাৰ জগতত কোনোবা মানুহে আনকি দূৰতমভাৱেও নিজৰ লগত আত্মীয়তা অনুভব কৰিব পাৰেনে? ই এনে এটা প্ৰশ্ন—যিটো প্ৰশ্নই আমাৰ বহুতৰেপৰা উত্তৰ দাবী কৰে: ই আধুনিক মানুহৰ পৰিস্থিতিৰ এটা অংশ। ই অৱশ্যে এটা নতুন প্ৰশ্ন নহয়। গ্যেটেই এই প্ৰশ্ন তুলিছিল, একেটা প্ৰশ্ন উচ্চাৰিত হৈছিল ভিক্টোৰিয়ান বুদ্ধিজীৱী-সকলৰ মুখতো।"

হেমাৰ্শ্বল্ডে নিজৰ জীৱনৰ আৰু অন্তৰ্জীৱনৰ ইতিহাসেৰে আধুনিক মানুহৰ হৈ এই প্ৰশ্নৰ এটা উত্তৰ দিবলৈ চেষ্টা কৰিছে।

* * *

কিছুমান মানুহ ভাবুক, কিছুমান কৰ্মী। কৰ্মীয়ে যে চিন্তা নকৰে বা ভাবুকে কাম নকৰে সেই কথা নহয়। কিন্তু বাহিৰৰ জগতত সীমাহীন কৰ্ম-ব্যস্ততা আৰু অন্তৰৰ জগতত নিবিড়তম অনুধ্যান—দুয়োটা সাধাৰণতে একেলগে নঘটে। হেমাৰ্শ্বল্ডৰ জীৱনৰ আটাইতকৈ মন কৰিবলগীয়া বৈশিষ্ট্য এইটোৱেই যে তেওঁ একেটা জীৱনৰ মাজতে কৰ্মীৰ আৰু ভাবুকৰ জীৱনৰ সমন্বয় ঘটাবলৈ চেষ্টা কৰিছিল। যিজন মানুহে প্ৰায় সমগ্ৰ জীৱন ধৰি দিনে সোতৰ-ওঠৰ ঘণ্টাকৈ কাম কৰিছিল আৰু জীৱনৰ প্ৰতিটো মুহূৰ্ত জটিলতম ৰাজনৈতিক আবৰ্ত্ত আৰু সংকটৰ মাজত যাপন কৰিছিল, তেওঁ কিন্তু মুহূৰ্ততে নিজকে বাহিৰৰ জগতৰপৰা সম্পূৰ্ণৰূপে বিচ্ছিন্ন কৰি ধ্যানৰ দ্বৈপায়ন হ্ৰদৰ তলদেশত আশ্ৰয় লব পাৰিছিল। আৰব-ইজ্ৰায়েলৰ সংঘৰ্ষৰ সময়ত যেতিয়া চুয়েজ-সংকটে এখন তৃতীয় বিশ্বযুদ্ধ প্ৰায় আসন্ন কৰি তুলিছিল আৰু ৰাষ্ট্ৰসংঘৰ সচিব-প্ৰধান হিচাপে হেমাৰ্শ্বল্ডে চৌবিশ ঘণ্টাৰ প্ৰায় প্ৰতিটো মুহূৰ্ত সেই সংকটৰ সমাধানৰ কাৰণে কাম কৰিব লগা হৈছিল, তেতিয়াও ৰাতি তেওঁ

ঘৰলৈ গৈ দুৱাৰ বন্ধ কৰি দিয়াৰ লগে লগে মুহূৰ্ততে তেওঁৰ চেতনাৰ-পৰা বাহিৰৰ জগতখন বিলুপ্ত হৈ গৈছিল। ঘৰলৈ গৈ তেওঁ ডায়েৰীত লেখিছিল ঃ

"শত্ৰুৰ শেষ ঘাটি। যি আমাৰ ঢুকি পোৱাৰ বাহিৰত, যি আমাৰ বহু ওপৰত, তাৰ কাৰণে আমি নিজকে সম্পূৰ্ণৰূপে উছৰ্গা কৰিব পাৰো—আৰু তেতিয়াও আমি আশা কৰিব পাৰো যে আমি নিজে বাছি লোৱা স্মৃতি আমাৰ নামৰ লগত সংযুক্ত হৈ থাকিব, বা অন্ততঃ আমি কিয় আৰু কেনেকৈ কাম কৰিছিলো সেই কথা উত্তৰ-পুৰুষে উপলব্ধি কৰিব পাৰিব। যদি তুমি তেনে আশা কৰা, তেন্তে এই কথা একেবাৰেই স্পষ্ট হৈ নপৰেনে যে তুমি এতিয়াও তোমাৰ কামৰ ক্ষেত্ৰত 'উত্তৰ-পুৰুষ'ৰ বিষয়ে সেই নিস্ফল মৃত স্বপ্নৰ দ্বাৰা প্ৰভাবিত হৈছা ?"

প্ৰশ্নটো উত্থাপন কৰি তেওঁ নিজেই তাৰ উত্তৰ দিছে ঃ

"মই বিশ্বাস কৰো যে আমি এনে সুৰুচিসন্মতভাৱে মৃত্যু বৰণ কৰা উচিত—যাতে অন্ততঃ সুৰুচি জীয়াই থাকে।"

'সুৰুচিসন্মত মৃত্যু'! হেমাৰশ্বল্ডে সুদীৰ্ঘ পয়ত্ৰিশ বছৰ ধৰি অন্তৰ্জীৱনৰ যি ইতিহাস লেখিছিল, তাৰ এটা প্ৰধান ধ্যেয় বিষয় আছিল মৃত্যু। মৃত্যুৰ চিন্তা বা মৃত্যুৰ ধ্যানে জীৱনত এক মুহূৰ্তৰ কাৰণেও তেওঁক লগ এৰা দিয়া নাছিল। তেওঁৰ এই অবিৰাম মৃত্যু-চেতনা আৰু লগতে কৰ্মীৰ জীৱনৰ লগত ধ্যানী বা ভাবুকৰ জীৱনক সমন্বিত কৰা তেওঁৰ চেষ্টাই ইতিহাসৰ আৰু এজন মাত্ৰ মানুহৰ কথা আমাক মনত পেলাই দিয়ে। তেওঁ হ'ল ৰোমান সম্ৰাট মাৰ্কাছ্ অৰেলিয়াছ্। মাৰ্কাছ্ অৰেলিয়াছ্ আছিল সম্ৰাট, যোদ্ধা, প্ৰশাসক আৰু সংস্কাৰক। তেওঁৰ প্ৰায় সমগ্ৰ জীৱন অতিবাহিত হৈছিল যুদ্ধক্ষেত্ৰত। বিদেশী শত্ৰুৰ বিৰুদ্ধে যুদ্ধ, আভ্যন্তৰীণ বিদ্ৰোহ দমন কৰিবৰ কাৰণে কৰা যুদ্ধ। তদুপৰি তেওঁৰ ৰাজত্বকালতে প্লেগ্ মহা-মাৰীয়ে ৰোমান সাম্ৰাজ্য প্ৰায় বিধ্বস্ত কৰাৰ উপক্ৰম কৰিছিল।

কিন্তু এই ৰক্তাক্ত কৰ্মব্যস্ততাৰ মাজতো তেওঁ প্ৰশান্ত-চিত্তেৰে লেখি আছিল তেওঁৰ Meditations—'ষ্টইক্ দৰ্শনৰ পূৰ্ণ-প্ৰস্ফুটিত আৰু সুন্দৰতম নিৰ্যাস'। তেওঁৰ Meditations-ৰ বিষয়েও জেকৃছ কৰণে লেখিছে : "মৃত্যুৱে তেওঁৰ সমগ্ৰ বিশ্ব-বীক্ষাক ছাঁয়াচ্ছন্ন কৰি ৰাখিছিল আৰু সি ব্যক্তিগত নিয়তিৰ চিন্তা অতিক্ৰম কৰি সমগ্ৰ মানব জাতিৰ নিয়তিকে সামৰি লৈছিল।······তেওঁৰ ধ্যান মৃত্যুৰ বাহিৰে আন একোৰে বিষয়েই ধ্যান নাছিল।"

# অৰ্ধ-পশু অৰ্ধ-দেৱতা

১

মানুহজনৰ ভৰিত এডোখৰ সৰু ঘা হৈছিল, তেওঁ ভাবিছিল যে দৰব-জাতি দিলে দুদিনমানৰ ভিতৰতে ঘা ডোখৰ শুকাই যাব। কিন্তু দিনৰ পিছত দিন যাবলৈ ধৰিলে, ঘা শুকোৱাৰ কোনো লক্ষণেই নাই! বৰং সি বেছিকৈহে উৱলি-বিয়লি যাবলৈ ধৰিলে। অৱশেষত তেওঁৰ চিকিৎসকে ৰায় দিলে—মানুহজনে দীৰ্ঘ দিন ধৰি গোপনে তেওঁৰ শৰীৰত যি মাৰাত্মক ছিফিলিছ ৰোগ লালন কৰিছে, তাৰেই শেষ পৰিণাম হ'ল এই দুৰাৰোগ্য দুষ্ট-ক্ষত। এই ঘা কেতিয়াও নুশুকায়, গতিকে ভৰিখন কাটি পেলোৱাৰ বাহিৰে আন কোনো উপায় নাই।

ভৰিখন কটোৱাবলৈ তেওঁ যাব লাগিব য়ুৰোপলৈ। উনৈশ শতিকাৰ নৱম দশকৰ আবিছিনিয়াত তেনে উন্নত শল্য-চিকিৎসাৰ ব্যৱস্থা স্বপ্নৰো অগোচৰ।

প্ৰায় বাৰ বছৰৰ আগতে তেওঁ য়ুৰোপৰপৰা, ফ্ৰান্সৰপৰা—ঐতিহ্য ভাৰ-ক্লান্ত পাশ্চাত্য সভ্যতাৰপৰা আৰু সৰ্বোপৰি নিজৰপৰা পলাই আহিছিল অন্ধকাৰ মহাদেশ আফ্ৰিকালৈ: তেওঁ আশ্ৰয় লৈছিল দুৰ্গম অৰণ্যৰ কোলাত আৰু আপোন হৃদয়ৰ গভীৰ অন্ধকাৰত। সমস্ত অতীত আৰু তাৰ লগতে য়ুৰোপকে তেওঁ নিজৰ চেতনাৰপৰা সম্পূৰ্ণভাবে মচি পেলাইছিল। এতিয়া তেওঁ ঘূৰি যাব লাগিব সেই য়ুৰোপলৈকে?

বিচিত্ৰ জীৱন আৰু জীৱিকাৰ অভিজ্ঞতাৰে তেওঁৰ অতীত ভাৰাক্ৰান্ত জীৱনৰ বিভিন্ন সময়ত তেওঁ আছিল শিক্ষক, সৈনিক,

শিল ভঙা বহুৱা, চাৰ্কাছৰ লগুৱা, বন্দৰ শ্ৰমিক—অৱশেষত ভাগ্যৰ সন্ধানত তেওঁ আহি পালেহি আফ্ৰিকা। তেতিয়া তেওঁৰ বয়স পঁচিশ পাৰ হৈছে মাত্ৰ। আন বহুতো য়ুৰোপীয় ভাগ্যান্বেষীৰ দৰে তেওঁ আৰম্ভ কৰিলে সোণ আৰু হাতী-দাঁতৰ ব্যৱসায়। কৰ্মক্ষেত্ৰ হিছাপে তেওঁ বাছি ললে আবিছিনিয়াৰ ওৱেব নদীৰ বিস্তীৰ্ণ তীৰভূমি আৰু ওগাদেন অঞ্চল। অৱশ্যে কেৱল সোণ আৰু হাতী-দাঁতৰ ব্যৱসায় কৰিয়েই তেওঁ বেছিদিন সন্তুষ্ট হৈ নাথাকিল; প্ৰায় লগে লগেই তেওঁ আৰম্ভ কৰিলে দাস-ব্যৱসায় আৰু থলুৱা আফ্ৰিকানসকলক চোৰাং বন্দুক-বাৰুদ যোগান দিয়াৰ ব্যৱসায়। অতি সোনকালেই তেওঁ বেছ ধনী মানুহ হৈ উঠিল। এটা প্ৰাসাদোপম ঘৰত আমীৰী চালত তেওঁ জীৱন কটাবলৈ আৰম্ভ কৰিলে, শয্যা-সংগিনী হিছাপে তেওঁ বাছি ললে এগৰাকী আবিছিনিয়ান গাভৰু।

এনেকুৱা শ শ য়ুৰোপীয় ভাগ্যান্বেষী সেই সময়ত অন্ধকাৰ আফ্ৰিকাৰ গহন অৰণ্যত পিয়াপি দি ঘূৰি ফুৰিছিল। এই ভদ্ৰলোকো মাত্ৰ সেইসকলৰ ভিতৰৰে এজন আছিলনে? তাৰ বেছি তেওঁ একো নাছিলনে? স্পিৰ'চিটা পেলিদাই (Spirochaeta Pallida—the parasite of syphilis) এফালৰপৰা পচাই পেলোৱা ভৰিখন কটোৱাই ছিঙাই পেলাবৰ কাৰণে তেওঁ যেতিয়া য়ুৰোপলৈ যোৱাৰ কথা চিন্তা কৰিব লগা হ'ল, তেতিয়াও অতীতৰ কোনো স্মৃতিয়েই আহি তেওঁৰ মনত জুমুৰি দি ধৰা নাছিলনে? অথবা হেৰমান্ হেছৰ Flute Dream গল্পৰ নায়কৰ দৰে তেওঁৰো অনুভৱ হৈছিলনে যে তেওঁৰ সমস্ত অতীত জীৱন এটা স্বপ্ন মাত্ৰ, একমাত্ৰ বাস্তৱ হ'ল তেওঁৰ বৰ্তমানৰ দিবা-স্বপ্ন? "মোৰ ধাৰণা হ'ল যে এনি-তেনি ভ্ৰমি ফুৰাৰ সেই সুন্দৰ দিনটো আৰু ব্ৰিজিট্ আৰু মোৰ দেউতা আৰু মোৰ জন্মভূমি এই সকলোবোৰেই সপোন মাত্ৰ, আৰু মই বৃদ্ধ আৰু শোকাৰ্ত, আৰু এই নৈশ নদীত মই অনন্ত কাল ধৰি নাও বাই গৈ আছো!"

খুব সম্ভৱ অতীতৰ কোনো কথাই তেওঁৰ মনত পৰা নাছিল, কাৰণ নিজৰ অতীতক এনে সম্পূৰ্ণভাৱে বিসৰ্জন দিয়া দ্বিতীয় এজন মানুহ পৃথিৱীত কেতিয়াবা আছিল বুলি ধাৰণা নহয়। আৰু তেৱেঁই বোধহয় পৃথিৱীৰ একমাত্ৰ মানুহ যিজনে মাত্ৰ উনৈশ বছৰ বয়সতে যুগান্তকাৰী কবিতা লেখি তাৰ পিছত জীৱনৰ অবশিষ্ট ওঠৰটা বছৰত কবিতাৰ নামত এটা শব্দও নিলিখিলে। নতুনকৈ কবিতা লেখা দূৰৰ কথা, উনৈশ বছৰ বয়সতে লিখি সমাপ্ত কৰা নিজৰ অমৰ কবিতাৰ অস্তিত্ব পৰ্যন্ত তেওঁ পাহৰি গ'ল। ভূ-গৰ্ভস্থ মদ্য-ভাণ্ডাৰত সুদীৰ্ঘ বিশ বছৰ ধৰি কবিতাৰ পাণ্ডুলিপিখন অযত্নত পৰি থকাৰ পিছত হঠাৎ কেনেবাকৈ সি আৱিষ্কৃত হৈ প্ৰকাশ হ'ল— 'Une Saison en Enfer' 'নৰকত এটা ঋতু'। ফৰাচী ছ্যুৰ-ৰিয়ালিষ্ট বা অতি-বাস্তৱবাদী কবিসকলৰ বাইবেল। কবিজনৰ নাম হ'ল আৰ্থাৰ ৰ্যাবো।

ৰ্যাবো য়ুৰোপলৈ ঘূৰি গৈছিল, তেওঁৰ ভৰিত কৰা অস্ত্ৰোপচাৰো কৃতকাৰ্য হৈছিল, কিন্তু লগে লগে সত্য বুলি প্ৰমাণিত হৈছিল চিকিৎসকসকলৰ মাজত প্ৰচলিত সেই প্ৰাচীন করুণ আপ্ত বাক্য: The operation was successful but the patient is dead.—ৰ্যাবোৰ অযত্ন-লালিত দেহত ছিফিলিছৰ ৰাজত্ব ইমান বেছি বিস্তৃত হৈছিল যে তেওঁৰ ৰোগ-দুষ্ট ভৰিৰ ওপৰত কৰা অস্ত্ৰোপচাৰ সফলভাৱে সম্পন্ন হোৱাৰ পিছতো তেওঁ পুনৰ হাস্পতালৰ বাসিন্দা হব লগা হ'ল। কিছুদিনৰ ভিতৰতে মাৰ্ছাইৰ এখন হাস্পতালত ৰ্যাবোৰ বিভীষিকাময় জীৱনৰ অবসান ঘটিল, 'মাতাল তৰণী'য়ে অৱশেষত নদী-গৰ্ভত চিৰ শান্তি লাভ কৰিলে। তেতিয়া তেওঁৰ বয়স মাত্ৰ ৩৭ বছৰ।

১৮৯১ চনত ৰ্যাবোৰ মৃত্যু হৈছিল। যোছেফ কন্ৰাডৰ সৰ্বশ্ৰেষ্ঠ গল্প Heart of Darkness প্ৰথম প্ৰকাশ হয় ১৯০২ চনত। কন্ৰাডৰ গল্পৰ নায়ক ক্ৰুৎজও আছিল আফ্ৰিকাৰ অৰণ্যত হাতী-

দাঁতৰ ব্যৱসায় কৰা এজন ৰহস্যময় প্ৰকৃতিৰ য়ুৰোপীয়। ৰ্‍যাবোৰ আবিছিনিয়ান প্ৰেমিকাৰ নিচিনাকৈ ক্ৰুৎজৰো আছিল এগৰাকী কৃষ্ণাংগী আফ্ৰিকান সংগিনী। ৰ্‍যাবোকে মডেল হিছাপে লৈ কন্‌ৰাডে ক্ৰুৎজৰ চৰিত্ৰ অংকন কৰিছিল নেকি বা তেওঁৰ দৃষ্টিৰ সন্মুখত আন কোনোবা জীৱন্ত মডেল আছিল নে নাই, সেই বিষয়ে নিশ্চিতভাৱে কব পৰাকৈ ইংৰাজী সাহিত্য সম্পৰ্কে বিস্তৃত জ্ঞান মোৰ নাই। কিন্তু কন্‌ৰাডৰ এই বিখ্যাত গল্পটো পঢ়িলেই মোৰ ধাৰণা হয় যে জ্ঞাত বা অজ্ঞাতসাৰে কন্‌ৰাডে যেন ৰ্‍যাবোৰ আৰ্হিতেই—সেই দ্ৰষ্টা, কবি, দিব্য উন্মাদ, ইন্দ্ৰিয়পৰায়ণ, দাস ব্যৱসায়ী ৰ্‍যাবোৰ আৰ্হিতেই তেওঁৰ ভয়ংকৰ ক্ৰুৎজৰ চৰিত্ৰ নিৰ্মাণ কৰিছিল। 'নবকৰ এক ঋতু'ৰ ঊনৈশ বছৰীয়া সুন্দৰ সুকুমাৰ তৰুণজন কেনেকৈ আফ্ৰিকাৰ অৰণ্যত চিৰন্তন নবকৰ সম্ৰাটত পৰিণত হৈছিল—তাৰ এটা ব্যাখ্যা যেন কন্‌ৰাডৰ গল্পতেই বিচাৰি পাওঁ: "I tried to break the spell—the heavy, mute spell of the wilderness—that seemed to draw him to its pitiless breast by the awakening of forgotten and brutal instincts, by the memory of gratified and monstrous passions. This alone, I was convinced, had driven him out to the edge of the forest, to the bush, towards the gleam of fires, the throb of drums, the drone of weird incantations; this alone had beguiled his unlawful soul beyond the bounds of permitted aspirations. And don't you see, the terror of the position was not in being knocked on the head—though I had a very lively sense of that danger, too—but in this, that I had to deal with a being to whom I could not appeal in the name of anything high or low. I had, even like the niggers, to invoke himself

—his own exalted and incredible degradation. There was nothing either above or below him, and I knew it. He had kicked himself loose of the earth. Confound the mad! he had kicked the very earth to pieces. He was alone........"

২

ঠিক যি সময়ত ৰ্যাবোৰ দেহ আৰু আত্মা আফ্রিকাৰ অৰণ্যত পচিবলৈ আৰম্ভ কৰিছিল, সেই একে সময়তে পেৰিচৰ কুখ্যাততম কাফেবোৰত এজন প্রায় ৫০ বছৰীয়া ভগ্ন-স্বাস্থ্য মানুহে ভিক্ষা কৰি কৰি ঘূৰি ফুৰিছিল। তেওঁৰ প্রার্থনীয় বস্তু মাত্র দুটা ঃ হয় অলপ মদ, নহ'লে এটা ডাক-টিকট। ডাক-টিকট কিয় ? কাৰণ ডাক-টিকট এটা পালেই তেওঁ কোনোবা সহৃদয় বন্ধুলৈ অর্থ ভিক্ষা কৰি বা আৰু দুটামান ডাক টিকট খুজি চিঠি লেখিব পাৰিব। যোৱা দহ-বাৰ বছৰ ধৰি এয়েই তেওঁৰ জীৱন। ভগ্ন-স্বাস্থ্য উচ্ছৃংখল জীৱন, অত্যধিক সুৰাপান—এই সকলো মিলি তেওঁৰ মুখৰ চেহেৰা এনে হৈছিল যে তিৰোতা মানুহে তেওঁক দেখিলেই ভয়তে কাম্পি পেলাইছিল। তেওঁৰ এনে অৱস্থা হোৱাৰ অন্যতম কাৰণ আছিল আমি ওপৰত যাৰ বিষয়ে কৈ আহিছো সেই মানুহজন—ৰ্যাবো। মাত্র ২০ বছৰ বয়সতে বিখ্যাত 'পার্নেছিয়ান্‌ছ' গোষ্ঠীৰ অন্যতম কবি হিছাপে পল ভেৰ্‌লেইন ফ্রান্সত বিখ্যাত হৈ উঠিছিল। কেৱল শব্দ-বিন্যাসৰ দ্বাৰাই কি পৰমাশ্চর্য মোহময় সংগীত সৃষ্টি কৰিব পাৰি আৰু কেৱল তাৰ দ্বাৰাই কেনেকৈ ৰূপ-ৰস-গন্ধ-শব্দ-স্পর্শৰ অভিজ্ঞতাক ইন্দ্রিয়-গ্রাহ্য কৰি তুলিব পাৰি, ভেৰ্‌লেইনৰ কবিতা আছিল তাৰ অনুপম চানেকি। ("বিষণ্ণ কৰুণ উচুপনিৰ শব্দ কৰি বহু দূৰৰপৰা বৈ অহা বতাহৰ বেহেলাৰ নিচিনা যি শব্দই স্মৃতি-ৰোমন্থনত মগ্ন হৃদয়ত বেদনাৰ হাঁহাকাৰ তোলে, ভেৰ্‌লেইনৰ কবিতাত তাৰ আভাসেই মাত্র ফুটি উঠা নাছিল, তেওঁৰ কবিতাৰ

বিস্ময়কৰ ধ্বনি-সাদৃশ্যই বতাহৰ সেই শব্দ পাঠকৰ শ্ৰুতিগ্ৰাহ্যও কৰি তুলিছিল।"—লুই উণ্টাৰ্ মেয়াৰ )

কুৰিৰ দেওনা পাৰ নৌ হওঁতেই বিস্ময়কৰ কবি-প্ৰতিভাৰ পৰিচয় দিলেও মানুহ হিচাপে কিন্তু ভেৰ্লেইন আছিল এজন সম্পূৰ্ণ-ৰূপে নষ্ট-চৰিত্ৰ যুবক। দেউতাকৰ মৃত্যুৰ পিছত মাকৰপৰা অন্তহীন প্ৰশ্ৰয় পাই তেওঁৰ স্বভাবৰ আটাইবোৰ বদগুণ কলা কলাকৈ বাঢ়ি গৈছিল। সেইবোৰৰ ভিতৰত ভেৰ্লেইনৰ জীৱনত আটাইতকৈ সৰ্বনশীয়া বুলি প্ৰমাণিত হৈছিল তেওঁৰ অত্যধিক সুৰাসক্তি আৰু সমকামিতা।

২৫ বছৰ বয়সত ভেৰ্লেইনে মেথিল্‌ডে নামৰ এগৰাকী সুন্দৰী গাভৰুক লগ পালে। দুয়োৰে মাজত প্ৰেম হ'ল আৰু লগে লগে বিয়াও হ'ল। বিয়াৰ প্ৰথমটো বছৰ পৰম সুখত অতিবাহিত হ'ল। ভেৰ্লেইনে আনকি মদ খাবলৈকো এৰি দিলে। সুন্দৰী আৰু পতি-পৰায়ণা মেথিল্‌ডেৰ আদৰ সোহাগে তেওঁক বেলেগ এবিধ সুখ আৰু আনন্দৰ আস্বাদ দিলে।

ইংৰাজ প্ৰাৰম্ভিক হেজ্‌লীটৰ জীৱনৰ বিষয়ে আলোচনা কৰি ৰবাৰ্ট লীণ্ডে এটা প্ৰবন্ধত লেখিছে ঃ "Hazlitt was not born for good fortune. He was the possessor of a demon that fought against his happiness." —কিন্তু কেৱল হেজ্‌লীট কিয়, আৰু বহু মানুহৰ বিষয়েই এই কথা কব পাৰি। ভেৰ্লেইনৰ বুকুতো স্থায়ী বাসিন্দাৰূপে বিৰাজ কৰিছিল এনে এজন পিশাচ বা অপদেৱতা। মাত্ৰ এবছৰৰ নিৰবচ্ছিন্ন সুখেই তেওঁক আমুৰাবলৈ ধৰিলে। পুনৰ তেওঁ মদত ধৰিলে প্ৰচণ্ডভাৱে। দুদিনমানৰ ভিতৰতে তেওঁ কেৰাণীৰ চাকৰিটোৰপৰাও খেদা খালে। ঠিক এনে সময়তে তেওঁৰ জীৱনৰ ভয়ংকৰ দুৰ্ভাগ্যৰ আগজাননী-ৰূপে তেওঁলৈ আহিল এখন চিঠি। লিখিছে এজন অচিনাকী চেঙেলীয়া ডেকাই। চিঠিখনৰ লগতে কেইটামান কবিতা।

কবিতা কেইটা পঢ়ি ভেৰ্‌লেইন ইমান চমৎকৃত হ'ল যে তেওঁ ততালিকে সেই অচিনাকী ডেকাজনক তেওঁৰ ঘৰলৈ নিমন্ত্ৰণ কৰি এখন চিঠি লিখিলে।

ভেৰ্‌লেইনৰ নিমন্ত্ৰণ ৰক্ষা কৰিবলৈ দিনদিয়েকৰ ভিতৰত সেই ডেকাজন তেওঁৰ ঘৰ ওলালহি। নিষ্পাপ, সুন্দৰ মুখশ্ৰীৰ এজন সুন্দৰ কিশোৰ। নাম আৰ্থাৰ ৰ্‍যাবো। অদূৰ ভবিষ্যতত এদিন তেৰেঁই 'নৰকত এক ঋতু' নামৰ অনুপম আৰু ৰহস্যময় কবিতা-গুচ্ছৰ কবি ৰূপে জগদ্বিখ্যাত হব। কিন্তু সম্প্ৰতি তেওঁ হ'ল ভেৰ্‌লেইনৰ জীৱনৰ চৰমতম দুৰ্ভাগ্যৰ নিমিত্ত। সমকামী ভেৰ্‌লেইন ৰ্‍যাবোক দেখা মাত্ৰেই উন্মত্তভাৱে তেওঁৰ প্ৰেমত পৰিল।

ইয়াৰ পিছৰ ইতিহাস যেনে কৰুণ, তেনে অবিশ্বাস্য। ৰ্‍যাবোৰ লগত ভেৰ্‌লেইন এনে প্ৰকাশ্যভাৱেই বিকৃত যৌনাচাৰত লিপ্ত হ'ল যে তেওঁৰ পক্ষে ঘৰত থকা অসম্ভৱ হৈ পৰিল। এদিন ৰ্‍যাবোক লগত লৈ তেওঁ ঘৰ ত্যাগ কৰিলে। এই ৰহস্যময় 'দম্পতী'য়ে কিছুদিন দিহিঙে-দিপাঙে ঘূৰি ফুৰাৰ পিছত অৱশেষত তেওঁলোক বেলজিয়ামৰ ৰাজধানী ব্ৰুছেল্‌ছ ওলালগৈ। ইতিমধ্যে প্ৰায় এটা বছৰ পাৰ হৈ গৈছে। অবিৰাম সুৰাপান, প্ৰচণ্ড ঈৰ্ষা-জনিত মান-অভিমান, হিংস্ৰ হাই-কাজিয়া, তাৰ মাজে মাজে কবিতা ৰচনা—এয়েই আছিল প্ৰেমিক-যুগলৰ জীৱন। ভেৰ্‌লেইন ৰ্‍যাবো সম্বন্ধে ইমান বেছি ঈৰ্ষা-পৰায়ণ আছিল যে কোনো পুৰুষৰ পক্ষেও নিজৰ সুন্দৰী প্ৰেমিকাৰ ক্ষেত্ৰত ইমান ঈৰ্ষাপৰায়ণ হোৱা সম্ভৱ নহয়। ঈৰ্ষাত উন্মাদ হৈ এদিন ভেৰ্‌লেইনে ব্ৰুছেলছৰ এখন হোটেলত ৰ্‍যাবোক গুলী কৰিলে। এইবাৰ গুলীৰ আঘাত খুব বেছি নহ'ল। কিন্তু তাৰ কেই দিনমানৰ পিছত যেতিয়া তেওঁৰ মাক আৰু ঘৈণীয়েক আহি ভেৰ্‌লেইনক পেৰিছলৈ ঘূৰাই নিবৰ কাৰণে ট্ৰেইনত তুলিলে, তেতিয়া তেওঁ তেওঁলোকক ষ্টেশ্যনত বিদায় জনাবলৈ অহা ৰ্‍যাবোক লক্ষ্য কৰি পুনৰ গুলী কৰিলে।

ভেৰ্‌লেইনৰ দুবছৰ কাৰাদণ্ড হ'ল। তেওঁ কাৰাগাৰত থাকোঁতেই

মৈণীয়েকে তেওঁৰ লগত বিবাহ-বিচ্ছেদ কৰিলে। একত্ৰিশ বছৰ বয়সত ফাটেকৰপৰা ওলাই আহি ভে্ৰলেইনে একৈশ বছৰীয়া ৰ্যাবোক জাৰ্মানীত বিচাৰি উলিয়ালে। কিন্তু ৰ্যাবোৱে তেওঁৰ লগত আগৰ সম্পৰ্ক স্থাপন কৰিবলৈ ৰাজী নহ'ল। তাৰ পিছৰ-পৰাই আৰম্ভ হ'ল ভেৰ্লেইনৰ তিল তিলকৈ আত্ম-হননৰ পৰ্ব। উচ্ছৃংখল জীৱনৰ উদ্দাম সোঁতত তেওঁ নিজকে সম্পূৰ্ণভাৱে এৰি দিলে। দিনে-ৰাতিয়ে তেওঁ ডুবি থাকিবলৈ ধৰিলে আব্ছিথেৰ মাজত। ( আব্ছিথে হ'ল পৃথিবীৰ উগ্ৰতম সুৰা, শতকৰা ৮৫ ভাগ এল্‌কহল। বাঙালী লেখক চৈয়দ মুজতবা আলীৰ এটা প্ৰবন্ধত পঢ়িছিলোঁ যে নিয়মিতভাৱে আব্ছিথে খোৱা মানুহ তিনি বছৰতকৈ বেছি জীয়াই নাথাকে। কিন্তু ভেৰ্লেইনে তেওঁৰ জীৱনৰ শেষ কুৰিটা বছৰ কেৱল আব্ছিথে খায়েই জীয়াই আছিল )। এদিন মদৰ নিচাত তেওঁ নিজৰ মাককেই এনেভাৱে পিটিলে যে প্ৰায় এমাহ কাল তেওঁ ফাটেকত থাকিব লগা হ'ল। ফাটেক, হাস্পতাল, কাফে, নৰ্দমা—ভেৰলেইনৰ সমস্ত যৌবনকাল আৰু মধ্যবয়স আবৰ্তিত হ'ল কেৱল এই চাৰিখন ঠাইৰ মাজত। অৱশেষত ১৮৯৬ চনৰ ৮ জানুৱাৰীৰ দিনা ৫১ বছৰ বয়সত যেতিয়া পল ভেৰ্লেইনৰ জ্বৰদগ্ধ আৰু ভূতগ্ৰস্ত জীৱনে মৃত্যুৰ মাজত চিৰশান্তি লাভ কৰিলে, তেতিয়া তেওঁ পৰিণত হৈছিল নামহীন, খ্যাতিহীন, কপৰ্দকহীন, সকলোৰে পুতৌ আৰু ঘৃণাৰ পাত্ৰ এটা কংকাল-সদৃশ ভিক্ষাৰীত। সেইদিনা খুব কম মানুহেহে কল্পনা কৰিব পাৰিছিল যে এদিন এই মানুহজনেই আধুনিক জগতৰ অন্যতম শ্ৰেষ্ঠ কবিৰূপে পৰিগণিত হব আৰু তেওঁৰ প্ৰভাৱ পৰিব দেশ-দেশান্তৰৰ বহু কবিৰ ওপৰত।

৩

মানুহতো নহয়, যেন পশু ; কিন্তু এই পশুৱে গান গাইছিল দেৱতাৰ দৰে, সৃষ্টি কৰিছিল স্বৰ্গীয় সুৰ-মদিৰা। সেয়েহে আনাটোল

ফ্ৰ'াই তেওঁক আখ্যায়িত কৰিছিল 'half brute and half demigod'—'অৰ্ধ-পশু আৰু অৰ্ধ-উপদেৱতা' বুলি।

মানুহৰ ইতিহাসৰ এইটো এটা অতি আচৰিত ৰহস্যময় কথা যে তেওঁলোকৰ মাজত যিসকল লোক সৰ্বশ্ৰেষ্ঠ কবি, গায়ক আৰু চিত্ৰকৰ, যিসকলৰ সৃষ্টিয়ে মানুহৰ আত্মাক ঋদ্ধ কৰিছে, তেওঁলোকৰ বহুতৰেই নিজৰ জীৱন অংকুৰিত বীজৰ দৰে পচি যায়। তেওঁলোকৰ শিল্পী-সত্তাই যেন সঞ্জীৱনী ৰস আহৰণ কৰে যন্ত্ৰণাৰ এক অন্তহীন উৎসৰপৰা। মধ্যযুগৰ এজন মহান কবি টাচ্ছোৰ করুণ জীৱন-কাহিনীক কেন্দ্ৰ কৰি ৰচনা কৰা 'টৰকুৱেটো টাচ্ছো' নামৰ নাট্য কাব্যত গোটেই এক শ্ৰেণীৰ শিল্পীৰ এই মৌল সমস্যাৰ বিষয়েই আলোচনা কৰিছে ; তেওঁলোকৰ সমস্যা হ'ল যন্ত্ৰণাদীৰ্ণ স্বাধীনতাৰ সমস্যা, সমাজৰ আইন-কানুন মানি সমাজত বাস কৰাৰ অক্ষমতাৰ সমস্যা। তেওঁলোকৰ জীৱনত দুখ-যন্ত্ৰণা অনিবাৰ্য, অৱধাৰিত ; কিন্তু তথাপি তেওঁলোকৰ গৌৰৱ আৰু সান্ত্বনা এয়েই যে যিস্থলত আন সকলো মানুহেই তেওঁলোকৰ সমস্ত যন্ত্ৰণা সহ্য কৰিব লগা হয় নীৰৱে, তেনেস্থলত ঈশ্বৰে একমাত্ৰ এই কবিসকলকেই দিছে তেওঁ-লোকৰ যন্ত্ৰণা কবিতাত, গানত, ছবিত প্ৰকাশ কৰাৰ বাণী। আনকি ইয়েট্‌ছে যেতিয়া কয় :

> I could recover if I shrieked
> My heart's agony
> To passing bird, but I am
> Dumb from human dignity.

তেতিয়াও জানো তেওঁ নিজৰ যন্ত্ৰণা আৰু বেছি হৃদয়-দ্ৰাৱী ৰূপত প্ৰকাশ নকৰে ?

অৱশ্যে উনৈশ শতিকাৰ ফৰাচী কবি-শিল্পীসকলৰ কথা আছিল সম্পূৰ্ণ স্বকীয়া। ৰ‍্যাবো, বোড্‌লেয়ৰ, ভেৰ্‌লেইন, মোপাঁছা, পেৰিছ-নিবাসী ওলন্দাজ শিল্পী ভেন গগ্—ৰক্তাক্ত, ক্ষত-বিক্ষত, যন্ত্ৰণা-

বিলাসী এই জীৱনৰ মিছিল এক ভয়ংকৰ দৃশ্য। পাৰ্থিৱ যন্ত্ৰণাৰ চৰম সীমা বুলি কলে মোৰ মনলৈ আহে মাত্ৰ এটা দৃশ্য : উনৈশ শতিকাৰ সৰ্বশ্ৰেষ্ঠ কবি আৰু সাহিত্যত আধুনিক যুগৰ উদ্গাতা বোড্‌লেয়ৰ সুদীৰ্ঘ দুবছৰ ধৰি পক্ষাঘাত-গ্ৰস্ত হৈ পেৰিছৰ এখন হাস্পতালত পৰি আছে; দীৰ্ঘদিন ধৰি লালিত ছিফিলিছৰ শেষ প্ৰতিশোধ এই পক্ষাঘাত। তেওঁ মুখেৰে কথা কব নোৱাৰে, গাটো অকণো লৰচৰ কৰিব নোৱাৰে। এদিন এখন আয়না আনি তেওঁৰ মুখৰ আগত দাঙি ধৰা হ'ল। আয়নাত প্ৰতিবিম্বিত হ'ল বোড্‌লেয়ৰৰ মুখ, কিন্তু সেই মুখ তেওঁ চিনি নাপালে।

এই ভয়ংকৰ ভাগ্য! অথচ এই কথাও কব নোৱাৰি যে ভেৰ্‌লেইন বা বোড্‌লেয়ৰে নিজৰ অসংযত আচৰণৰ দ্বাৰা কণামুনাকৈ এই ভাগ্যৰ ফান্দত ধৰা দিছিল। বৰং এইটোৱেই সত্য যে বিশুদ্ধ জীৱন-শিল্পীৰ নিৰ্মল অকুতোভয় কল্পদৃষ্টিৰে তেওঁলোকে নিজৰ ভবিতব্য আগতেই দেখা পাইছিল। আঁদ্ৰে মাল্‌ৰোৱে তেওঁৰ আত্ম-জীৱনীৰ এঠাইত লিখিছে—"Nobody needs to be reminded that Victor Hugo wrote Marion Delorme before meeting Juliette Drouet. No doubt that whatever prompted him to write it made him more susceptible to the life of Juliette Drouet than a man who kept actresses would have been. But are such premonitory creations to be explained by the fact that the virus of day-dreaming also stimulates to action, as T. E. Lawrence affirms? And what if there is no action, but simply those prophetic lines which claudel so agonisingly garnered or in which Baudelaire or Verlaine presage their disasters? 'My soul sets sail towards terrible shipwrecks."

গ্যেটেৰ নাটকতো সাগৰত জাহাজ ডুবাৰ পিছত শিলাময়

পাহাৰেই টাচ্ছোৰ শেষ আশা—য'ত আছাৰ খাই পৰি তেওঁ প্ৰাণ হেৰুৱাব।

উনৈশ শতিকাৰ কবি-শিল্পীসকলৰ বিষয়ে কবি-সমালোচক অডেনে কৰা এষাৰ মন্তব্যও এইখিনিতে উল্লেখ কৰি থোৱাটো প্ৰাসংগিক হব। 'ভিনচেণ্ট ভেন্ গগৰ পত্ৰগুচ্ছ' নামৰ গ্ৰন্থৰ আলোচনা প্ৰসংগত অডেনে কৈছিল :

"The 19th century created the myth of the artist as hero, the man who sacrifices his health and happiness to his art and in compensation claims exemption from all social responsibilities and norms of behaviour."

৪

সকলো ৰসবেত্তাৰ মতেই ভেৰ্লেইনৰ কবিতাৰ ভাষান্তৰ অসম্ভৱ, কাৰণ তেওঁৰ কবিতাৰ আবেদন সম্পূৰ্ণৰূপে ধ্বনি-নিৰ্ভৰ। কিন্তু তথাপি ভেৰলেইনৰ সমসাময়িক ইংৰাজ কবি আৰ্ণেষ্ট ডছনে কৰা ইংৰাজী অনুবাদে সামান্য পৰিমাণে হ'লেও ভেৰ্লেইনৰ কবিতাৰ সৌন্দৰ্য আভাসিত কৰিব পাৰিছে বুলি বহুতে কয়।

ভেৰলইনক প্ৰায়েই ফৰাচী সাহিত্যৰ প্ৰথম মহৎ কবি ফ্ৰাচোঁৱা ভিয়োঁৰ ( Francois Villon ) লগত তুলনা কৰা হয়—যদিও তেওঁ নিজে সেই তুলনা সমূলি ভাল পোৱা নাছিল। অৱশ্যে এনে তুলনা সমূলি অসংগত নহয়। ভিয়োঁৱেও ডেকা বয়সত নৰহত্যাৰ অপৰাধত অভিযুক্ত হৈ কাৰাগাৰত থাকিব লগা হৈছিল আৰু তেওঁৰ স্বীকাৰোক্তিমূলক সৰ্বশ্ৰেষ্ঠ কবিতাবোৰ ৰচিত হৈছিল কাৰাগাৰত। ভেৰ্লইনৰো কবি-প্ৰতিভাৰ মহত্তম বিকাশ ঘটিছিল কাৰাগাৰৰ অন্ধকাৰত। ডুয়োজন কবি সমগ্ৰ জীৱন ধৰি নানাবিধৰ পাপ, অনাচাৰ আৰু অপকৰ্মত লিপ্ত আছিল, আৰু ডুয়োজন কবিয়ে নিজৰ

কবিতাত আৰ্তনাদ কৰি উঠিছিল অনুশোচনাৰ গ্লানিত। ভেৰ্লেইন অৱশ্যে ঘড়ীৰ দোলকৰ দৰে সদায় দোলায়িত হৈ আছিল দুটা জীৱনৰ মাজত: কিছুদিন যদি তেওঁ আবছিথেত আকণ্ঠ ডুব গৈ থাকে, তাৰ পিছৰ কিছুদিন অশ্ৰু-গদগদ হৈ পৰি থাকে ভাৰ্জিন মেৰীৰ পদপ্ৰান্তত; কিছুদিন যদি তেওঁ ঘূৰি ফুৰে পেৰিছৰ গণিকা-অধ্যুষিত কুখ্যাত কাফেবোৰৰ দুৱাৰে দুৱাৰে, তাৰ পিছৰ কিছুদিন ঘূৰি ফুৰে নিজৰ পাপৰ স্বীকাৰোক্তি কৰিবৰ কাৰণে ধৰ্ম-যাজকৰ দুৱাৰে দুৱাৰে। তেওঁৰ জীৱন আৰু তেওঁৰ আত্মা পৰিণত হৈছিল এক অন্তহীন কুৰুক্ষেত্ৰত।

নিজৰ গভীৰ মৰ্ম-পীড়া আৰু নিৰাশা প্ৰকাশ কৰি ভেৰ্লেইনে এটা কবিতাত লেখিছিল:

"প্ৰকৃতি, তুমি মোৰ হৃদয়ক অকণো আলোড়িত কৰিব নোৱাৰা, মানুহৰ পালন-কৰ্ত্ৰী শস্যক্ষেত্ৰবোৰ, দক্ষিণৰপৰা ভাহি অহা কোমল বনগীতৰ গুলপীয়া প্ৰতিধ্বনিবোৰ, উজ্জ্বল মেৰুপ্ৰভা, সূৰ্যাস্তৰ বিষাদ-গম্ভীৰ প্ৰশান্তি—তোমালোকেও মোৰ হৃদয়ক বিন্দুমাত্ৰ বিচলিত কৰিব নোৱাৰা।

"মই কলাক উপহাস কৰো, আৰু ঘৃণা কৰো মানুহক, কবিতাক, গানক, গ্ৰীক মন্দিৰবোৰক, গিৰ্জাৰ গগন-চুম্বী চূড়াবোৰক; মোৰ কাৰণে সৎ আৰু অসতৰ কোনো পাৰ্থক্য নাই।

"ঈশ্বৰত মোৰ বিশ্বাস নাই। চিন্তাক মই ঘিণ কৰো আৰু পৰিহাৰ কৰি চলো; আৰু প্ৰেম—সেই প্ৰাচীন অসত্য কাহিনী—তাৰ কথা নোকোৱাই বেছি ভাল।

"মই জীৱনৰ দ্বাৰা ক্লান্ত, মৃত্যুৰ ভয়ত আতংকিত; সমুদ্ৰত দিশহাৰা হৈ এটা অকণমানি পুতলাৰ দৰে জোৱাৰ আৰু উপকূলৰ মাজত নিক্ষিপ্ত হৈ থকা জাহাজ এখনৰ দৰে মোৰ আত্মাও এতিয়া ভাগ্যৰ সৰ্বশেষ ধুমুহাৰ লগত যুঁজ কৰিবলৈ প্ৰস্তুত হৈছে।"

# পরিশিষ্ট

# গ্যেটে

## ( 'ফাউষ্ট'ৰপৰা অংশ-বিশেষ )

### ( গদ্যানুবাদ )

## পঢ়া-কোঠাত ফাউষ্ট

মই দৰ্শন, ব্যৱহাৰশাস্ত্ৰ, চিকিৎসাবিদ্যা, আৰু হাঁয়, লগতে ধৰ্ম-তত্ত্বও আদিৰপৰা অন্তলৈকে অশেষ কষ্ট স্বীকাৰ কৰি আৰু পৰম নিষ্ঠাৰে সৈতে অধ্যয়ন কৰিলো। কিন্তু মহামূৰ্খ মই, মই আগতে যি আছিলো, এতিয়াও সেই একেই থাকিলো। আচাৰ্য, পণ্ডিত আদি উপাধিৰে মই বিভূষিত; আৰু প্ৰায় দহবছৰ ধৰি মই মোৰ ছাত্ৰসকলক নাকত ধৰি চাকত ঘূৰাই ফুৰিছো। কিন্তু আজি মই উপলব্ধি কৰিছো যে আমি প্ৰকৃততে একোকেই জানিব নোৱাৰো! এই উপলব্ধিয়ে মোৰ হৃদয় প্ৰায় ভাঙি পেলাইছে।

এই কথা সঁচা যে সেই মূৰ্খসকলতকৈ— সেই আচাৰ্য, পণ্ডিত আৰু পুৰোহিতসকলতকৈ মোৰ বোধশক্তি কিছু বেছি আছে। কোনো ধৰণৰ নৈতিক দ্বিধা বা সন্দেহে মোক পীড়িত নকৰে; মই নৰক বা ছয়তান কাকো ভয় নকৰো; —কিন্তু ঠিক সেই কাৰণেইতো মোৰ মাজত কোনো আনন্দও অৱশিষ্ট নাই। মই নিজকে এই বুলি ফাঁকি দিব নোৱাৰো যে জনাৰ যোগ্য কিবা কথা মই জানো; মই ফাঁকি দিব নোৱাৰো যে মোৰ শিক্ষাই মানব-সমাজক অধিক সৎ আৰু মহৎ কৰিব পাৰিব। তদুপৰি, মোৰ নাই ধন, নাই সম্পত্তি, নাই একো পাৰ্থিব গৌৰব আৰু সন্মান। বাটৰ ফপৰা কুকুৰেো যেন এনে এটা জীৱন নহওক! সেই কাৰণেই মই এতিয়া যাদু-বিদ্যাৰ সাধনা কৰিছো; মই পৰীক্ষা কৰি চাব খুজিছো—অশৰীৰী

দেৱতাসকলকৰ ক্ষমতা আৰু অভিভাবকত্বই মোক এনে কিবা ৰহস্য-বিদ্যাৰ শিক্ষা দিবনে— যাৰ ফলত মই আৰু গলদঘৰ্ম হৈ সমুলি নজনা কথাবোৰৰ বিষয়ে একো কথা ক'ব লগা নহব; যাৰ ফলত মই বুজিব পাৰিম কি অন্তঃশক্তিয়ে পৃথিবীখনক একেলগ কৰি ধৰি ৰাখিছে; যাৰ ফলত মই জীৱনৰ বীজ আৰু শক্তিনিচয় নিজ চকুৰে দেখিম আৰু শব্দপুঞ্জক চালনা আৰু ফেৰি কৰি ফুৰাৰ ব্যৱসায় চিৰকাললৈ ত্যাগ কৰিব পাৰিম।

অ' পূৰ্ণিমাৰ জোনাক, মই কি কাতৰভাবে প্ৰাৰ্থনা কৰিছো মোৰ যন্ত্ৰণাৰ ওপৰত তুমি যেন সৰ্বশেষবাৰৰ কাৰণে দৃষ্টিপাত কৰিছা! অ' মোৰ বিষণ্ণ বন্ধু, মোৰ এই কিতাপ-কাকতৰ স্তূপ পাৰ হৈ তুমি মোৰ চকুৰ আগত উদয় নোহোৱালৈকে মই কতদিন মাজৰাতি এই মেজৰ কাষতে বহি বহি তোমালৈ বাট চাই আছিলো! মোৰ প্ৰবল ইচ্ছা হৈছে— মই যেন তোমাৰ মধুৰ স্নিগ্ধ পোহৰত পৰ্বতৰ শিখৰে শিখৰে খোজ কাঢ়ি ঘূৰি ফুৰিম, পৰ্বতৰ কুৰুংবোৰৰ চাৰিওফালে বিদেহী আত্মাবোৰৰ লগত বতাহত ভাহি ফুৰিম, তোমাৰ আধা-পোহৰত বননিৰ ওপৰত বাগৰি ফুৰিম, মোক হেঁচি ধৰা জ্ঞানৰ এই ঘন কুঁৱলী জোকাৰি পেলাম, আৰু তোমাৰ নিয়ৰত নিজকে নিৰাময় কৰিম, ধৌত কৰিম!

## ফাউষ্ট আৰু গ্ৰেৎচেন

গ্ৰেৎচেন : তুমি ঈশ্বৰত বিশ্বাস কৰানে?

ফাউষ্ট : মোৰ চেনেহীজনী, "মই ঈশ্বৰত বিশ্বাস কৰো"—এনে কথা কোনে সঁচাকৈয়ে ক'ব পাৰে? যি কোনো পুৰোহিত বা জ্ঞানী মানুহক সোধা, দেখিবা যে তেওঁলোকৰ উত্তৰ প্ৰশ্নকৰ্তাক কৰা ভেঙুচালিৰ বাহিৰে আন একো নহয়।

গ্ৰেৎচেন : তেন্তে তুমি ঈশ্বৰত বিশ্বাস নকৰা?

ফাউষ্ট : মোৰ আদৰিণী প্ৰিয়া, তুমি মোক ভুল নুবুজিবা। কাৰ এনে সাধ্য আছে যে তেওঁক এটা নাম দিব আৰু ঘোষণা কৰিব—"মই তেওঁত বিশ্বাস কৰো"? কোন এনে মানুহ আছে—যি অনুভব কৰে আৰু ক'বলৈ সাহস কৰে—"মই তেওঁত বিশ্বাস নকৰো"? যিজনে সমস্তকে ধাৰণ আৰু ৰক্ষণ কৰি আছে, তেওঁ তোমাক, মোক আৰু নিজকো ধাৰণ আৰু পালন কৰি থকা নাইনে? আমাৰ মূৰৰ ওপৰত স্বৰ্গৰ ধনুকাকৃতি বিশাল খিলান আৰু ভৰিৰ তলত সুদৃঢ় পৃথিৱী থকা নাইনে? সহৃদয় প্ৰভা বিকিৰণ কৰি শাশ্বত তাৰকা-মণ্ডলী উদিত নহয়নে? মোৰ চকুযুৰিয়ে তোমাৰ চকুযুৰিলৈ নাচায়নে, আৰু তোমাৰ হৃদয়-মন গ্ৰাস কৰি নধৰেনে, আৰু দৃশ্য আৰু অদৃশ্য, চিৰন্তন আৰু ৰহস্যময়, তোমাৰ চাৰিওফালে সিহঁতে প্ৰদক্ষিণ কৰি নাথাকেনে? এই বৃহৎ অনুভৱ, ইয়াৰে তোমাৰ অন্তৰ ভৰাই লোৱা, আৰু তোমাৰ মাজত সি যেতিয়া পৰিপূৰ্ণ আনন্দৰ ৰূপ ল'ব, তেতিয়া তোমাৰ যেনে খুচি যেই নামেৰেই তাক মাতা— তাক নাম দিয়া সুখ! হৃদয়! প্ৰেম! ঈশ্বৰ! মোৰ কিন্তু তাৰ কাৰণে কোনো নাম নাই! অনুভৱেই সকলো: নাম স্বৰ্গৰ পোহৰ আবিল কৰি তোলা ধ্বনি আৰু ধূম্ৰৰ বাহিৰে আন একো নহয়।

গ্ৰেৎচেন : তুমি কোৱা সকলো কথাই খুব ভাল আৰু খুব চমৎকাৰ; আমাৰ গীৰ্জাৰ যাজকজনেও ঠিক একে কথাকেই কয়—যদিও তেওঁ ঠিক একেবোৰ শব্দকে ব্যৱহাৰ নকৰে।

ফাউষ্ট : পৃথিৱীৰ প্ৰতিখন হৃদয়েই, স্বৰ্গৰ আলোক-দীপ্ত প্ৰতিটো দিনতে, সৰ্বত্ৰ ঠিক এই কথাকেই কয় নিজৰ নিজৰ ভাষাত; মই তেন্তে কিয় নকম মোৰ নিজৰ ভাষাত?

# ইষ্টাৰৰ ৰাতিপুৱা—ফাউষ্ট

বসন্তৰ মধুৰ আৰু জীৱন-দায়িনী দীপ্তিত নৈ আৰু জান-জুৰিবোৰে বৰফৰ গ্ৰাসৰপৰা মুক্তি লাভ কৰিলে। সমগ্ৰ উপত্যকা আশা আৰু সুখেৰে শ্যামল হৈ উঠিছে। দুৰ্বল হৈ পৰা বৃদ্ধ শীতে অৰণ্যাচ্ছাদিত পৰ্বতৰ আঁৰত গৈ আত্মগোপন কৰিছে, আৰু তাৰপৰা সি হৰিৎ শস্য-ক্ষেত্ৰৰ ওপৰত আক্ৰমণ চলাবলৈ পঠিয়াব পাৰে কেৱল অক্ষম শিলাবৃষ্টি। কিন্তু শুভ্ৰ একো বস্তুৰেই অস্তিত্ব সূৰ্যই এতিয়া আৰু সহ্য নকৰে: দশোদিশ আলোড়িত হৈ উঠিছে বৃদ্ধি আৰু সৃজনৰ কৰ্ম-চাঞ্চল্যৰে, আৰু সূৰ্যই প্ৰত্যেকটো বস্তুকে বিচিত্ৰ বৰ্ণচ্ছটাৰে জীৱন্ত কৰি তুলিবলৈ চেষ্টা কৰিছে। গ্ৰামাঞ্চলত বেচি ফুল পাবলৈ নাই, সেই কাৰণে তাত ফুলৰ পৰিবৰ্তে ৰং-বেৰঙৰ সাজপাৰ পিন্ধা মানুহকে ব্যৱহাৰ কৰা হৈছে। চাৰিওফালে চকু ফুৰাই চোৱা, সেই ওখ ঠাইখিনিৰপৰা চহৰখনলৈ ঘূৰি চোৱা! ছাঁয়াচ্ছন্ন প্ৰবেশ-পথৰপৰা এজাক আনন্দ-মুখৰ মানুহ ওলাই আহিছে। প্ৰত্যেকৰে মনত আজি সূৰ্যটোক সম্পূৰ্ণৰূপে পাবলৈ ব্যাকুল বাসনা জাগিছে:। তেওঁলোকে আজি পুনৰুজ্জীৱিত প্ৰভুৰ তিথি উদ্‌যাপন কৰিছে, কাৰণ তেওঁলোকৰ নিজৰেই পুনৰুজ্জীৱন ঘটিছে। সৰু সৰু ঘৰৰ ৰুদ্ধশ্বাস কোঠালীবোৰৰপৰা, জীৱিকাৰ কাৰণে কৰিব লগা হোৱা নানা শ্ৰমৰ দাসত্ব-বন্ধনৰপৰা, বেৰ আৰু ছালৰ নিষ্পেষণৰপৰা, টেটু চেপি ধৰিব খোজা ঠেক আলিবাটবোৰৰপৰা, গীৰ্জাৰ ভক্তিভাজন বিমৰ্ষ অন্ধকাৰৰপৰা তেওঁলোক সকলোকে আজি পোহৰলৈ উলিয়াই অনা হৈছে। চোৱা, কেৱল চাই থাকা! ফুলৰ বাগিছা আৰু মুকলি পথাৰবোৰত মানুহৰ জাকবোৰ কিমান দ্ৰুতগতিৰে সিঁচৰতি হৈ পৰিছে, নৈখনৰ ইপাৰৰপৰা সিপাৰলৈ আৰু ভাটিলৈ প্ৰাণ-চঞ্চল নাওবোৰ অহা-যোৱা কৰিছে,

আৰু একেবাৰে শেষত এৰা এই নাওখনৰতো মানুহৰ ভৰত ডুবো ডুবো অৱস্থা ! আনকি সৌ দূৰণিৰ পাহাৰেদি নামি অহা বাটটোতো আমি দেখিবলৈ পাইছো বিচিত্ৰ-বৰ্ণ সাজ-পোছাকৰ দীপ্তিৰেখা। গাঁৱৰপৰা ভাহি অহা কোলাহল মই ইতিমধ্যেই স্পষ্টভাবে শুনিবলৈ পাইছো। এইখনেই হ'ল মানুহৰ প্ৰকৃত স্বৰ্গ—সৰু-বৰ সকলোৱেই পৰিতৃপ্ত, সকলোৱেই আনন্দত চিঞৰি উঠিছে : "ইয়াত মই মানুহ, ইয়াত মই মানুহ হ'ব পাৰো !"

## ওৱেগ্নাৰৰ লগত ফাউষ্ট

এই ভয় আৰু সংশয়ৰ সমুদ্ৰৰপৰা উত্তৰণ লাভ কৰিবলৈ যি মানুহে আশা কৰিব পাৰে, তেওঁ নিশ্চয় ভাগ্যবান। কোনো মানুহেই যি কথা নাজানে, কেৱল সেই কথাইহে আমাক জ্ঞানী কৰিব পাৰে ; আমি যিবোৰ কথা জানো সেই জ্ঞান আমাৰ নহ'লেও হয়। কিন্তু সেই কথা এতিয়া থাকক ; এই মধুৰ আনন্দৰ মুহূৰ্তবোৰ পাৰ্থিৱ দুঃখ-কষ্টৰ চিন্তাৰে মই নষ্ট কৰিব নোখোজো। চোৱাচোন, সৌ দূৰত, সূৰ্যাস্তৰ সোণালী পোহৰত, গছে-বনে ঢাকি ৰখা ঘৰবোৰ কেনেকৈ জ্বলমলাই উঠিছে। এতিয়া সেই জ্বলন্ত দেৱতা দ্ৰুতগতিৰে পশ্চিমৰ ফালে ধাৱিত হৈছে, দূৰৱৰ্তী কোনো নতুন জীৱন তেওঁৰ কাম্য। ময়ো যেন ক্লান্তিহীন কোনো ডেউকাত এই ভূ-পৃষ্ঠৰপৰা উঠি তেওঁৰ অভিযানত যোগ দিম। তেতিয়া মই চিৰন্তন সান্ধ্য-আলোকত সদায় দেখিবলৈ পালোহেঁতেন মোৰ পদপ্ৰান্তত মূৰ্চ্ছিত হৈ পৰি থকা পৃথিৱীখন, আৰু দেখিবলৈ পালোহেঁতেন শান্ত উপত্যকা-বোৰ, অগ্নি-স্পৃষ্ট গিৰিশীৰ্ষবোৰ, স্বৰ্ণস্ৰোতা নদীৰ লগত মিলি যোৱা ৰূপালী নিজৰাবোৰ। তেতিয়া পৰ্বতবোৰে সিহঁতৰ ভয়াল গিৰিসংকট আৰু দুৰ্গম গিৰিপথেৰে মোৰ এই দেৱতাসদৃশ অভিযানক কেতিয়াও

বাধা দিব নোৱাৰিলেহেঁতেন। মোৰ বিস্মিত দৃষ্টিৰ সম্মুখত সমুদ্ৰই তাৰ উষ্ণ আৰু শান্ত উপসিন্ধুৰে সৈতে তাৰ সমস্ত সৌন্দৰ্য উন্মোচিত কৰি ধৰিলেহেঁতেন। সূৰ্য-দেৱতাই এতিয়া ধীৰে ধীৰে বিদায় লৈছে, কিন্তু তেওঁ মোৰ হৃদয় আলোড়িত কৰি থৈ গৈছে নৱ-জাগ্ৰত শক্তিৰে; মই পান কৰিবলৈ বিচাৰো সেই অফুৰন্ত আলোক-ধাৰা, মোৰ সমুখত দিন, বহুত পিছত নিশা, মূৰৰ ওপৰত নীল গগন, তলত উৰ্মিমালা : এটা সুন্দৰ সপোন, কিন্তু সূৰ্যাস্তৰ লগে লগে সিও বিদায় ল'লে। হাঁয়, মানবাত্মাৰ এই বলবান কল্পনাৰ লগত সমানে উৰিবলৈ মানুহৰ দেহতো ডেউকা নাই কিয়? যেতিয়া ভৰত-পক্ষীয়ে উজ্জ্বল নীল গগনৰ বহু ওপৰত, দৃষ্টিৰ অগোচৰত, চাৰিওফালে গানৰ শৰ নিক্ষেপ কৰে, অথবা যেতিয়া দেৱদাৰু আৰু অন্যান্য পাৰ্বত্য বৃক্ষ-মালাৰ বহু ওপৰত ঈগল চৰায়ে বিশাল পক্ষ বিস্তাৰ কৰি আকাশত উৰি ফুৰে, উন্মুক্ত প্ৰান্তৰ আৰু সাগৰৰ ওপৰেদি বহু দূৰৰপৰা হংস-বলাকা আপোন নীড়লৈ ঘূৰি আহে, তেতিয়া এটা সহজাত আবেগে এটা বলবান আৰু অবিচল আকাংক্ষাৰে আমাকো উদ্দীপিত কৰি তোলে ওপৰলৈ, আৰু ওপৰলৈ উঠিবলৈ।

## ফাউষ্ট আৰু মেফিষ্টোফেলিছ

মেফিষ্টোফেলিছ : তোমাৰ সকলো মানসিক বিকাৰ আৰু বিমৰ্ষতা যাতে দূৰ কৰি দিব পাৰো, সেই উদ্দেশ্যে মই আজি এজন অভিজাত পুৰুষৰ পোছাক পিন্ধি আহিছো; ৰঙাৰ ওপৰত সোণালী গুণাৰে বন-কৰা মোৰ এই কোট, মহামূল্য ৰেচমৰ এই আলখাল্লা, মূৰৰ ওপৰত চৰাইৰ পাখীৰ টুপি, আৰু কঁকালত তৰোৱাল। তুমিও ঠিক এই ধৰণৰে এটা পোছাক পৰিধান কৰা উচিত। বন্ধন-মুক্ত হৈ দেৱ-দত্ত স্বাধীনতাক

মোৰ জগত ভ্ৰমণত ওলোৱা, জীয়াই থকাৰ আনন্দ তেতিয়াহে আবিষ্কাৰ কৰিব পাৰিবা।

ফাউষ্ট : জীৱনৰ যি যন্ত্ৰণাই আমাৰ সংকীৰ্ণ পথ আকীৰ্ণ কৰি ৰাখে, কোনো পোছাক পিন্ধিয়েই মই তাৰপৰা নিস্তাৰ পাব নোৱাৰো। মোৰ বয়স ইমান বাঢ়িছে যে কেৱল খেলা কৰিয়েই মই সন্তুষ্ট হৈ থাকিব নোৱাৰো ; এতিয়াও মই ইমান তৰুণ হৈ আছো যে বাসনাৰ যন্ত্ৰণাৰপৰা মই এতিয়াও মুক্ত হ'ব পৰা নাই। এই অগভীৰ জগতখনে মোক কি সান্ত্বনা দিব পাৰে? ত্যাগ! ত্যাগ কৰিবলৈ শিকা! সকলোৰে কাণৰ কাষত অহৰহ গুঞ্জিত হৈ থাকে কেৱল এই গান ; সোনকালেই হওক বা পলমকৈয়ে হওক, সি তাৰ শক্তিৰ পৰিচয় দিবই ; সি লুকাই থাকে আমাৰ সকলো স্বপ্নৰ মাজত, সি কৰ্কশভাৱে ধ্বনিত হয় জীৱনৰ প্ৰতিটো প্ৰহৰৰ কণ্ঠত। অথচ প্ৰত্যেকটো নতুন ৰাতি-পুৱাতে মই যেতিয়া সাৰ পাই উঠো আৰু তিক্ত অশ্ৰুৰে অবিচল মোৰ দৃষ্টিৰ সমুখত সূৰ্যই দেখা দিয়ে, তেতিয়া মোৰ সৰ্বদেহ কঁপি উঠে ; কাৰণ মই জানো যে সূৰ্যৰ আজিৰ এই ভ্ৰমণকালত মোৰ এটা মাত্ৰ আশাও পূৰণ নহ'ব, এটা মাত্ৰ সপোনো পৰিণত নহ'ব দিঠকত। হৃদয়ত আনন্দৰ বিন্দুমাত্ৰ উন্মেষ হোৱা মাত্ৰে মনৰ আত্ম-সচেতন ভাৱ-স্বৰূপ সংশয়ৰ দ্বাৰা সি বিনষ্ট হোৱা দেখিবলৈ পোৱা আৰু সৃষ্টিৰ আবেগত উদাৰ-হৃদয় আলোড়িত হোৱা মাত্ৰে জীৱনৰ বিদ্ৰূপ-মুখৰ জ্বালা-যন্ত্ৰণাৰ ওচৰত তাৰ পৰাভৱ অনুভৱ কৰা—এয়েই হ'ল মোৰ ভাগ্য। কোমল ৰাতিয়ে যেতিয়া পশ্চিম আকাশ লাহে লাহে ঢাকি ধৰে, মোৰ ক্লান্ত হৃদয়ে তেতিয়া প্ৰাৰ্থনা কৰে কেৱল চৰম শান্তি ; কিন্তু শান্তি মোৰ অধৰা হৈ ৰয়, কাৰণ মই যি উদ্দাম ভয়ংকৰৰ

সপোন দেখো, সিয়েই মোৰ বিশ্ৰাম কৰি তোলে চূৰ্ণীকৃত ; মোৰ হৃদয়-সিংহাসনত যিজন দেৱতা অধিষ্ঠিত, তেওঁ মোৰ হৃদয়ৰ গোপনতম স্বপ্নৰ গভীৰতম উৎস খুলি দিব পাৰে ; কিন্তু মোৰ সমস্ত শক্তি যাৰ নিৰ্দেশৰ অধীন, বাহিৰৰ কোনো শক্তিৰ ওপৰত তেওঁৰ নিয়ন্ত্ৰণ নাই। দুঃখ ভাৰাক্ৰান্ত এই জীৱনে এই ভাবেই মোক শিকাইছে মৃত্যুক কামনা কৰিবলৈ আৰু জীৱন-দায়িনী পোহৰক ঘৃণা কৰিবলৈ।

* * * *

মেফিষ্টোফেলিছ ঃ সকলো ভয় বা অনুগ্ৰহৰ অতীত বিপুল ঐশ্বৰ্য মই তোমাক দান কৰিম। উৰি উৰি তুমি সেই সমস্ত আনন্দ ভোগ কৰা। যিয়েই তোমাৰ ইন্দ্ৰিয়ক পুলকিত কৰে, তাকেই তুমি ভোগ কৰা আৰু ভোগ কৰি সুখী হোৱা। তোমাৰ মনে যিহকে বিচাৰে তাকেই মোৰপৰা খুজি লোৱা, খুজিবলৈ অকণো সংকোচ নকৰিবা।

ফাউষ্ট ঃ তুমি কি শুনা নাই ?— মই আনন্দ নিবিচাৰো। মই লব খোজো সেই পথ— যি পথত আছে তীব্ৰতম অশান্তি আৰু চাঞ্চল্য, আছে প্ৰেমাকুল ঘৃণা, যন্ত্ৰণাৰ মূল্য দি কিনা ইন্দ্ৰিয়ৰ জাগৰণ। বিদ্যাৰ্জনৰ দাসত্ব-বন্ধনৰপৰা মুক্ত মোৰ হৃদয়ে আৰু কেতিয়াও বেদনাৰ অনুভূতিক পৰিহাৰ কৰি নচলিব, বৰং সি মানুহৰ ভাগ্যত লব্ধ সকলো দুঃখ-দুৰ্দশা বৰণ কৰি ল'ব আৰু মোৰ আত্মাৰ পাৰ্থিব বিষাদক পৰিপুষ্ট কৰিব। মানুহে জানিব পৰা সমস্ত উচ্চতা আৰু গভীৰতাক মই আয়ত্ব কৰিম, আৰু সৰ্ব-মানবৰ আত্মা মোৰ লগত একাত্ম হ'ব ; মোৰ অন্তৰ মই ভৰাই তুলিম সমস্ত মানব-কুলৰ দুঃখ আৰু বেদনাৰে, আৰু অৱশেষত মই হ'ম তেওঁলোকৰ চৰম সৰ্বনাশৰ অংশীদাৰ।

মেফিষ্টোফেলিছ ঃ যুগৰ পিছত যুগ ধৰি মই বিচৰণ কৰি ফুৰিছো

আৰু এই সুকঠিন খাদ্য চৰ্বণ কৰিছো ; মোৰ কথা শুনা : জন্মৰপৰা অন্তিম মুহূৰ্তলৈকে কোনো মৰণশীল মানুহেই এই তিক্ত খাদ্য পৰিপাক কৰিব নোৱাৰে ; কেৱলমাত্র দেৱতাৰ পক্ষেহে এই ঐক্যবোধ ধাৰণ কৰা সম্ভৱ। একমাত্র ঈশ্বৰেই এক শাশ্বত আলোকচ্ছটাত সমগ্ৰৰ প্ৰশান্ত ৰূপ দেখিবলৈ পায় ; আমাক তেওঁ পৰিচালিত কৰে অন্ধকাৰ বন্ধুৰ পথত, আৰু তোমালোকৰ কাৰণে তেওঁ সৃষ্টি কৰিছে ৰাতিৰ দ্বাৰা খণ্ডিত ভগ্ন দিন।

ফাউষ্ট : তথাপি মই কৃতসংকল্প।

## ফাউষ্ট

পৃথিৱীত কেৱল মই ঢপলিয়ায়েই ফুৰিলো ! প্ৰত্যেকটো ভোগৰ সামগ্ৰীক মই খামুচি ধৰিছিলো ; যি মোক তৃপ্ত কৰিব পৰা নাছিল, তাক মই ত্যাগ কৰিছিলো ; যি মোৰ হাতৰ মুঠিৰপৰা সৰকি গৈছিল, তাক মই যাবলৈ দিছিলো। মই কেৱল কামনা কৰিছিলো, কাম্য-বস্তুক আয়ত্ব কৰিছিলো, তাৰ পিছত আকৌ নতুনকৈ কামনা কৰিছিলো। ঠিক এইদৰে এটা প্ৰচণ্ড ধুমুহাৰ দৰে মই জীৱনৰ মাজেৰে প্ৰবল বেগেৰে আগ বাঢ়িছিলো : প্ৰথমতে বিশাল আৰু বলবান, কিন্তু এ তয়া মই জ্ঞানী, এতিয়া মই জাপ দিয়াৰ আগতে ভালকৈ চাই লওঁ। পৃথিৱীখন এতিয়া মোৰ কাৰণে খুব ভালকৈ পৰিচিত। পৃথিৱীৰ সিপাৰলৈ আমাৰ দৃষ্টি প্ৰতিহত ; কেৱল মূৰ্খবোৰেহে দূৰৰ উৰ্ধলৈ সিহঁতৰ লোভাতুৰ দৃষ্টি নিক্ষেপ কৰে, আৰু মেঘৰ ওপৰত মানব ৰূপ লৈয়েই বিৰাজ কৰি থকাৰ সপোন দেখে ! আহাঁ, আমি ইয়াতেই দৃঢ়ভাবে ঠিয় হওঁ আৰু আমাৰ চাৰিওফালে চকু ফুৰাই চাওঁ : যিজন দেহে-মনে সুস্থ, তেওঁক কৰলৈ

এই পৃথিবীৰ বহুত কথা আছে ! কিয় আমি অনন্তৰ মাজলৈ ফালৰি কাটি যাব লাগে ? আমাৰ মনে যি কথা ঢুকি পায়, আমাৰ হাতে তাকেই খামুচি ধৰিব পাৰে। মানুহে এইদৰে পৃথিবী-আৰু-দিবা-লোকৰ পথেদিয়েই আগবাঢ়ি গৈ থাকক ; ভূত-প্ৰেতে যি কৰে কৰক, কিন্তু মানুহ তাৰ গন্তব্য-পথত আগবাঢ়ি গৈ থাকক ; আগ-বাঢ়ি গৈ থকাৰ মাজতেই মানুহে তাৰ আনন্দ আৰু বেদনা বিচাৰি পাওক,—এই মানুহ—যাক একোৱেই চিৰকালৰ কাৰণে সন্তুষ্ট কৰিব নোৱাৰে !

## এ'ল্‌ফ্‌সকলৰ গান

চাৰিওফালে সেউজীয়া হাবিয়ে ঘেৰি ৰখা মুকলি ঠাইখিনিত যেতিয়া মৃদু আৰু মধুৰ বতাহ ব'বলৈ ধৰে, গধূলিৰ লগে লগে মধুৰ সুৰভি আৰু কুৰঁলীৰ ওৰণি নামি আহে, আৰু সি অফুট মাতেৰে মধুৰ শান্তিৰ কথা কয়, তেতিয়া সি হৃদয়খনক এটি শিশুৰ দৰে দোল্লা দি দি শুৱাই দিয়ে আৰু এই মানৱ-পথিকৰ চকুৰ ওপৰত দিনটোৰ দুৱাৰখন জপাই দিয়ে।

ইয়াত ইতিমধ্যেই সাঁজ লাগি ভাগিল ; এটা শুচি বিন্যাসত তৰাৰ লগত তৰাবোৰ যোগ হৈছে, বিশাল জ্যোতিঃপুঞ্জ আৰু ক্ষুদ্ৰ দীপ্তি-কণিকাবোৰে ওচৰৰপৰা তিৰ্‌বিৰাইছে আৰু দূৰৈৰপৰা পোহৰ বিলাইছে ; সৰোবৰত প্ৰতিবিম্বিত হৈ সিহঁতে ওচৰত তিৰ্‌বিৰাইছে আৰু উৰ্দ্ধৰ নিৰ্মম নৈশ গগনৰপৰা পোহৰ বিলাইছে ; আৰু গভীৰতম প্ৰশান্তিৰ আনন্দক আৱেষ্টন কৰি চন্দ্ৰৰ পৰিপূৰ্ণ উজ্জ্বল গৰিমা চাৰিওফালে বিয়পি পৰিছে।

প্ৰহৰবোৰ ইতিমধ্যে অতিক্ৰান্ত হ'ল, আৰু যন্ত্ৰণা আৰু আনন্দও পাৰ হৈ গ'ল ; ঘটনাটো ঘটাৰ আগতে এতিয়াই অনুভৱ

কৰা যে তুমি নিৰাময় লাভ কৰিবা! নতুন দিনৰ মঙ্গল-প্ৰভাতক বিশ্বাস কৰা! উপত্যকাবোৰে শ্যামল ৰূপ ধাৰণ কৰিছে, দূৰৈত পাহাৰবোৰ ছঁয়ামগ্নাকৈ দেখা গৈছে, জিৰণি লব পৰাকৈ ছাঁৰে সৈতে জোপোহা গছবোৰ পাহাৰৰ ওপৰত গজি উঠিছে, আৰু কণ কণ ৰূপোৱালী ঢউ তুলি শস্যবোৰ পৰিপূৰ্ণতাৰ ফালে প্ৰবাহিত হৈছে।

তাত দেখা দিয়া উজ্জ্বলতাৰ ফালে একান্ত দৃষ্টিৰে চাই থাকাচোন! তোমাৰ প্ৰত্যেকটো মনোৰথ সিদ্ধ হব। নিদ্ৰা কেৱল এটা বহিৰাবৰণ মাত্ৰ, তাক আঁজুৰি দলিয়াই দিয়া! যেতিয়া সাধাৰণ ইতৰ মানুহবোৰে দ্বিধাগ্ৰস্ত হৈ ইফালে-সিফালে ঘূৰি ফুৰে, তুমি সেই সময়ত দুঃসাহসী অভিযানৰ পথত দ্ৰুতগতিৰে আগবাঢ়া! মহৎ-হৃদয় মানুহে কৰিব নোৱৰা কাম একোৱেই নাই—যদিহে তেওঁ তেওঁৰ সুযোগবোৰ বুজি পায় আৰু তাৰ সদ্ব্যৱহাৰ কৰে।

# কেইটামান কবিতা

## প্ৰকৃতি আৰু কলা

প্ৰকৃতি আৰু কলা ঃ যি মুহূৰ্ত্তত সিহঁত পৰস্পৰৰপৰা বিচ্ছিন্ন হৈ যোৱা যেন লাগে, ঠিক সেই মুহূৰ্ত্ততে সিহঁত পৰস্পৰৰ লগত মিলিত হয়। মোৰ মাজতো প্ৰকৃতি আৰু কলাৰ পৰস্পৰ-বিৰোধিতা নোহোৱা হৈছে, আৰু সিহঁতে মোক সমান জোৰেৰে আকৰ্ষণ কৰিছে।

সমগ্ৰ ৰহস্যটো হ'ল, মোব মতে, সৎ আৰু আন্তৰিক পৰিশ্ৰম। আমি যদি নিয়মিতভাৱে আৰু বুদ্ধি-সহকাৰে কঠোৰ শ্ৰম কৰি কেইঘণ্টামান সময় কলাৰ সাধনাত উছৰ্গা কৰো, তেন্তে তাৰ পিছত আমি প্ৰকৃতিক আমাৰ হৃদয়ৰ মাজত উজ্জ্বল আনন্দত খেলা কৰিবলৈ দিব পাৰো।

সকলো সাধনাৰ ক্ষেত্ৰত সেই একেই কথা খাটে ঃ অশৃংখলিত আত্মাই পৰোৎকৰ্ষৰ বিমলিন শীৰ্ষ-দেশত আৰোহণ কৰিবলৈ কৰা সকলো চেষ্টা ব্যৰ্থ হবলৈ বাধ্য।

মহৎ কাৰ্য সাধিবলৈ মন মেলাজনে কঁকালত টঙালি বান্ধিবই লাগিব; কেৱল সীমাবদ্ধতাৰ মাজতেই কৰ্তৃত্বৰ পৰিচয় ফুটি উঠে, আৰু কেৱল আইনেহে আমাক দিব পাৰে স্বাধীনতা।

## আনন্দ আৰু বাসনা

জ্ঞানীজনৰ বাহিৰে আন কাকো এই কথা নকবা, কাৰণ ইতৰজনে এই কথা শুনি ভেঙুচালিহে কৰিব। যিসকল জীৱন্ত

বস্তুৰে অগ্নিদগ্ধ হৈ মৰিবলৈ কামনা কৰে, মই সেইবোৰ বস্তুৰ গুণানুকীৰ্তন কৰিম।

প্ৰেমৰ যিবোৰ ৰাতিয়ে তোমাক জন্ম দিছিল আৰু যিবোৰ ৰাতিত তুমি জননী হৈছিলা, সেইবোৰ ৰাতিত তোমাৰ আবেগ আৰু বাসনা শীতল হৈ অহাৰ পৰত নীৰব মম-বাত্তিডালৰ মৃদু পোহৰে তোমাৰ অন্তৰ এক আচহুৱা ৰহস্যময় আবেগেৰে ভৰাই তুলিছিল।

তুমি আৰু তেতিয়া অন্ধকাৰৰ দীৰ্ঘায়িত ছাঁয়াত বন্দিনী হৈ থকা নাছিলা ; এক নতুন বাসনাই এক মহত্তৰ মিলনৰ কাৰণে তোমাক ওপৰলৈ তুলি লৈ গৈ আছিল।

কোনো দূৰত্বই তোমাক দ্বিধাগ্ৰস্ত কৰিব পৰা নাছিল, মোহাবিষ্ট হৈ তুমি লৰি আহিছিলা, আৰু অৱশেষত, পোহৰৰ পিয়াসী এটি চগা, তুমি জীৱন্ততে দগ্ধ হৈছিলা।

"মৃত্যু বৰণ কৰা আৰু নতুনকৈ ৰূপ লোৱা"—এই অনুজ্ঞাৰ অৰ্থ যেতিয়ালৈকে তুমি হৃদয়ঙ্গম কৰিব নোৱাৰিবা, তেতিয়ালৈকে তুমি এই বিষাদ-গম্ভীৰ পৃথিৱীত হৈ থাকিবা মাত্ৰ এজন বিষণ্ণ অতিথি।

## অনিত্যৰ মাজত নিত্য

বতৰৰ প্ৰথম এই ৰাশি ৰাশি ফুল মাত্ৰ এটা প্ৰহৰৰ কাৰণেও যদি স্থায়ী হ'লহেঁতেন! কিন্তু তপত পছোৱা বতাহে ইতিমধ্যেই সিহঁতক জোকাৰি পেলাইছে আৰু বৰষুণৰ দৰে মুষলধাৰেৰে সিহঁত সৰি পৰিছে। মাত্ৰ সিদিনাও যি সেউজীয়া পাতবোৰৰ ছাঁত মই ঠিয় হৈছিলো, সেই পাতবোৰক লৈ মই এতিয়া আনন্দ কৰিমনে? শৰতৰ স্পৰ্শত অতি সোনকালেই সিহঁতে বিবৰ্ণ হৈ কঁপিবলৈ

আৰম্ভ কৰিব আৰু ধুমুহাই সিহঁতকো এনি-তেনি সিঁচৰতি কৰি পেলাব।

যদি তুমি ফল খাবলৈ ইচ্ছা কৰা, তেন্তে তোমাৰ ভাগটো লবলৈ খৰ-খেদা কৰা। কাৰণ কিছুমান ফল পকিবলৈ আৰম্ভ কৰিছে আৰু কিছুমানৰ নতুনকৈ গজালিয়েই ওলাইছে। প্ৰত্যেক জাক বৰষুণৰ লগে লগে তোমাৰ মধুৰ উপত্যকাটোৱে দ্ৰুতগতিৰে ৰূপ সলাইছে; আৰু হাঁয়, একেখন নদীতে তুমিতো কেতিয়াও দ্বিতীয়বাৰ সাঁতুৰিবলৈ নোপোৱা।

আৰু তুনি নিজে! যিবোৰ বস্তু কঠিন শিলাখণ্ডৰ দৰে তোমাৰ সমুখত ঠিয় হৈ আছে, সেই সকলোবোৰ প্ৰাসাদ আৰু প্ৰাকাৰকে তুমি নিত্যপৰিবৰ্তনশীল দৃষ্টিৰে নিৰীক্ষণ কৰিছা। যি দুটি ওঁঠৰ ব্যথা এদিন তুমি চুমাৰে নিৰাময় কৰিছিলা, যি দুখনি ভৰিয়ে এদিন পৰ্বতীয়া ছাগলীৰ সাহসেৰে গিৰিশীৰ্ষৰ প্ৰত্যাহ্বান গ্ৰহণ কৰিছিল, সিহঁত কেতিয়াবাই নিশ্চিহ্ন হৈ গৈছে।

সেই হাতখন, সেই বাহুময় ৰূপবন্ধ, এদিন যি আনক সুখ দিবলৈ উদাৰ আৰু আনন্দিতভাৱে প্ৰসাৰিত হৈছিল, আজি সি এটা সম্পূৰ্ণ বেলেগ বস্তু। তাৰ ঠাইত আজি যিটো বস্তুৱে নিজকে তোমাৰ নামেৰে পৰিচয় দিয়ে, সি ইয়ালৈ আহিছিল এটা ঢউৰ নিচিনাকৈ, আৰু ঢউৰ নিচিনাকৈয়ে সি তাৰ উৎসৰ লগত মিলি যাবলৈ লৰালৰিকৈ আঁতৰি গ'ল।

এতেকে আৰম্ভণি আৰু সমাপ্তিক একেটা মাত্ৰ বিন্দুত মিলিত হবলৈ দিয়া আৰু তুমি নিজে এই বস্তুপুঞ্জতকৈ অধিক দ্ৰুতবেগেৰে পাৰ হৈ যোৱা। কলাৰ অধিষ্ঠাত্ৰী দেৱীৰ কৃপাক এই কাৰণেই ধন্যবাদ দিয়া যে তেওঁ তোমাক এক অবিনশ্বৰ উপহাৰৰ প্ৰতিশ্ৰুতি দিছে: তোমাৰ হৃদয়ত অৰ্থ আৰু তোমাৰ মনত ৰূপবন্ধ।

## প্ৰেম আৰু কৰ্তব্য

যিহেতু সকলোবিধৰ কবিতাৰে এটা প্ৰধান উদ্দেশ্য হৈছে আমাৰ মানসিক উৎকৰ্ষ-সাধন, সেই কাৰণে ময়ো সেই জনপ্ৰিয় পন্থাকে অনুসৰণ কৰিম আৰু এই কবিতাবোৰৰ প্ৰকৃত অৰ্থ মই স্বেচ্ছাই তোমাৰ আগত ব্যক্ত কৰিমঃ জীৱনৰ যাত্ৰাপথত মাজে মাজে আমাৰ পদ-স্খলন হব পাৰে, কিন্তু তথাপি এই উন্মাদ পৃথিবীত দুটা প্ৰবল শক্তি মানৱ-জীৱনত নিৰন্তৰ ক্ৰিয়াশীল ; কৰ্তব্যৰ অমোঘ শক্তি আৰু তাতোকৈ অনন্ত-গুণ অধিক প্ৰবলতৰ প্ৰেমৰ শক্তি !

## বিচিত্ৰা

প্ৰকৃতিৰ ৰহস্য-উদ্ঘাটনৰ লক্ষ্য কি হোৱা উচিত ? বাহিৰত আৰু ভিতৰত ঈশ্বৰৰ আবিষ্কাৰ।

তুমি যদি অনন্তৰ মাজত প্ৰবেশ কৰিব খোজা, তেন্তে সকলো দিশতে সান্তৰ অনুসৰণ কৰা।

ৰাতি যেতিয়া পুণ্যাত্মাসকলে উৰ্দ্ধ গগনত বিচৰণ কৰি ফুৰে আৰু তোমাৰ চকুৰপৰা টোপনি মচি দিয়ে, আৰু যেতিয়া নিত্যকালৰ এই বিশ্ব-ভুবন জোনৰ পোহৰত আৰু তৰাৰ তিৰবিৰণিৰ মাজত তোমাৰ চাৰিওফালে জ্বলমল কৰি উঠে, তুমি তেতিয়া ইতিমধ্যেই দেহৰ বন্ধন-মুক্ত হোৱা যেন অনুভৱ কৰা আৰু ঈশ্বৰৰ সিংহাসনৰ কাষ চাপিবলৈ তোমাৰ মনত দুৰ্জয় সাহসৰ সঞ্চাৰ হয়।

কিন্তু দিনৰ পোহৰত জগতখন যেতিয়া পুনৰ কৰ্মব্যস্ত হৈ পৰে, তেতিয়া প্ৰভাতৰ সমস্ত সদিচ্ছাৰে সৈতেও জগতৰ পক্ষে তোমাৰ আকাংক্ষা পূৰণ কৰা কঠিন হৈ পৰে ; দিনাৰম্ভৰ সকলো সপোন দুপৰীয়াই চিনিব নোৱৰাকৈ সলনি কৰি পেলায়।

চকু যদি সূৰ্য-সদৃশ নহয়, তেন্তে সি সূৰ্যক দেখা নাপায় ; আমি যদি নিজৰ মাজতে দেৱতাৰ শক্তি বহন নকৰো, তেন্তে দেৱতা-সদৃশ যি কোনো বস্তুৱে আমাক আনন্দ দিব কেনেকৈ ?

যেনে মানুহ তেনে ঈশ্বৰ ; সেইটোৱেই হ'ল ঈশ্বৰ প্ৰায়েই উপহাসৰ পাত্ৰ হোৱাৰ কাৰণ।

মানুহে নিজৰ অন্তৰতম সত্তাক বাহিৰলৈ উলিয়াই আনি তাকেই ঈশ্বৰ বুলি পূজা কৰে।

"তেন্তে তোমাৰ পাপৰ সংজ্ঞা কি ?" "সকলোৰে যি সংজ্ঞা, মোৰো সেই একেই ঃ যিটো কাম মানুহে নকৰাকৈ থাকিব নোৱাৰে, সিয়েই হ'ল পাপ।"

গভীৰতম অৰ্থত জীৱনটো হ'ল আনন্দ-দায়ক চিন্তা আৰু মধুৰ স্মৃতি-ৰোমন্থন।

যি সৎ তাৰ স্মৃতিয়ে আমাৰ চিত্তক প্ৰফুল্লিত কৰি ৰাখে। যি সুন্দৰ তাৰ স্মৃতিয়েই নশ্বৰ মানুহৰ মুক্তি। যি প্ৰিয় তাৰ স্মৃতিয়েই সুখ। সেই একমেবাদ্বিতীয়মৰ স্মৃতিয়েই হ'ল মই জনাৰ ভিতৰত সৰ্বোত্তম সুখ।

তুমি যদি মোৰ সমান দীঘল আয়ুস পাইছা, তেন্তে মোৰ নিচিনাকৈয়ে জীৱনটোক ভাল পাবলৈ চেষ্টা কৰা।

মৃত্যুক পৰিহাৰ কৰিবলৈ যেতিয়া কোনো উপায়েই নাই, তেন্তে জীৱনটোক দুখেৰে পূৰ্ণ কৰি লাভ কি ?

যদি তুমি নিজৰ কাৰণে জীৱনটো সুন্দৰ কৰি তুলিব খোজা, তেন্তে তুমি অতীতৰ কথা পাহৰি যাবই লাগিব ; আনকি যদি তুমি কিবা হেৰুৱাইছাও, তেতিয়াও তুমি আচৰণ কৰিব লাগিব নতুনকৈ জন্ম হোৱা মানুহৰ দৰে। নিজকে তুমি সুধিব লাগিব ঃ প্ৰত্যেকটো দিনেই তোমাৰপৰা কি দাবী কৰে ? প্ৰত্যেকটো দিনে তোমাৰপৰা কি দাবী কৰে, সেই কথা সি নিজেই তোমাক কৈ দিব। তুমি নিজে যিবোৰ কাম কৰা, সেইবোৰত তুমি আনন্দ পাবলৈ শিকিব

লাগিব,—তেতিয়া তুমি আনৰ কামক মূল্য দিবলৈ শিকিবা।' সৰ্বোপৰি, তুমি কোনো মানুহকে ঘৃণা কৰিব নালাগিব, আৰু বাকী সকলো কথা ঈশ্বৰলৈ এৰি দিব লাগিব।

লেঠাৰি নিছিগা সুখৰ দিনবোৰৰ বাহিৰে পৃথিবীত আন যি কোনো কথাকেই সহ্য কৰিব পাৰি।

যি মানুহে জীৱনটোক লৈ খেলা কৰে, তেওঁ জীৱনত কেতিয়াও উন্নতি কৰিব নোৱাৰে। যি মানুহে নিজকে শাসন কৰিব নোৱাৰে তেওঁ সদায় দাস হৈয়েই থাকিব।

দাপোনখনে তোমাক কি জগৰ লগালে? দাপোনখনলৈ এনেকৈ পোন্দোৱাকৈ নাচাবা।

যি মানুহে হতাশ হব নেজানে, তেওঁৰ জীয়াই থকাৰো একো সকাম নাই।

সম্পত্তি হেৰালে কিবা অলপ হেৰায়; খৰকৈ চিন্তা কৰি তুমি তাক নতুনকৈ ঘটি লব লাগিব। সন্মান হেৰালে বহুখিনি হেৰায়; তুমি যশস্যা আৰ্জিব লাগিব, আৰু তেতিয়া মানুহে পুনৰ তোমাক বেলেগ চকুৰে চাব। সাহস হেৰালে সকলো হেৰায়; তেনে মানুহে জন্ম নোলোৱাই বেচি ভাল আছিল।

বাৰ্ধক্য এজন সদাচাৰী ভদ্ৰলোক: তেওঁ দুৱাৰত দুবাৰ টোকৰ মাৰে, কিন্তু কোনেও তেওঁক 'ভিতৰলৈ সোমাই আহক' বুলি নকয়। কিন্তু তেওঁ বাহিৰত ঠিয় হৈ থাকিব নোখোজে। সেই কাৰণে তেওঁ লৰালৰিকৈ দুৱাৰখন খুলি ভিতৰলৈ সোমাই আহে। তেতিয়া মানুহে কয় যে তেওঁ সজ আচৰণ নজনা এজন অমাৰ্জিত মানুহ।

অতৃপ্ত প্ৰেমৰ বিস্ময়কৰ বিষ-ক্ৰিয়াৰ বিষয়ে কিবা জানানে? ই দগ্ধ কৰে আৰু পুনৰুজ্জীৱিত কৰে, ই মজ্জা ভক্ষণ কৰে আৰু তাক নতুনকৈ সৃষ্টি কৰে।

অৱশেষত যি প্ৰেম তৃপ্ত হ'ল, তাৰ চমৎকাৰ পৰিণামৰ বিষয়ে

'কিবা জানানে? ই এক সুন্দৰ বন্ধনেৰে দেহক বন্দী কৰে আৰু আত্মাক মুক্ত কৰি দিয়ে।

নিজৰ প্ৰাৰ্থনা পূৰ হওক বা নহওক, যি প্ৰেম চিৰকাল একেই থাকে সিয়েই প্ৰকৃত প্ৰেম।

মই পৃথিৱীৰ সকলো বস্তুৰে গৰাকী হব খোজো—যাতে মোৰ প্ৰিয়াক সকলো বস্তুৰে ভাগ দিব পাৰো; মোৰ জীৱন-সৰ্বস্ব প্ৰিয়াক যদি নিজৰ কৰি পাওঁ, তেন্তে মই সকলো বস্তুকে বিসৰ্জন দিব পাৰো।

সৌন্দৰ্যই প্ৰশ্ন কৰিলে: "মোৰ কিয় বিনাশ হবই লাগিব, হে দেৱাধিৰাজ?" "কাৰণ কেৱল নশ্বৰ বস্তুকহে মই সৌন্দৰ্য দান কৰো।"—দেৱতাই উত্তৰ দিলে।

যি সমগ্ৰ সিয়েই সদায় হওক তোমাৰ লক্ষ্য; তুমি নিজে যদি সমগ্ৰ হব নোৱাৰা, তেন্তে যি কোনো এটা সমগ্ৰৰ লগত নিজকে জড়িত কৰা আৰু তাৰ সেৱা কৰা।

মানুহে কাক বিশ্বাস কৰিবই লাগিব? মোৰ সৎ বন্ধু, মই তোমাক কওঁ শুনা: জীৱনক বিশ্বাস কৰিবা; বক্তা বা গ্ৰন্থতকৈ জীৱন শ্ৰেষ্ঠতৰ শিক্ষক।

ফল যাতে এদিন আনন্দ-দায়ক হব পাৰে সেই অৰ্থে ফুল জহি-খহি যাবই লাগিব; হে কলাৰ অধিষ্ঠাত্ৰী দেৱী, একমাত্ৰ তুমিয়েই একেসময়তে ফুল আৰু ফল দান কৰিব পাৰা।

এটা দৰকাৰী ভুলতকৈ ক্ষতিকাৰক সত্যকেই মই বেচি পছন্দ কৰো। সত্যই যদি আমাক যন্ত্ৰণা দিয়ে, তেন্তে সি সেই যন্ত্ৰণাৰ নিৰাময়ো কৰে।

কোনোৱেই আন কাৰো নিচিনা হব নালাগে; প্ৰত্যেকেই হওক সেই উচ্চতমৰ নিচিনা। সেইটো কেনেকৈ কৰিব পাৰি? প্ৰত্যেকেই নিজৰ ভিতৰতে পৰোৎকৰ্ষ সাধন কৰি।

তুমি যদি নিজে কিবা মৌলিক আবিষ্কাৰ কৰিব পাৰা, সেইটো

বৰ সুন্দৰ কথা ; কিন্তু ভাগ্যৰ বলত আন কোনোবাই যদি কিবা এটা নতুন বস্তু আবিষ্কাৰ কৰে আৰু তুমি যদি সানন্দ-চিত্তে তাক প্ৰশংসা কৰিব আৰু মূল্য দিব পাৰা, তেন্তে সেই বস্তুটোও তোমাৰ নিজৰেই নহ'লনে ?

আটাইতকৈ সুখী মানুহ কোন ? যি মানুহে আনৰ প্ৰতিভাৰ মোল বুজে আৰু আনৰ আনন্দক নিজৰ আনন্দৰ দৰেই উপভোগ কৰে।

## হাইনৰিখ্ হাইনে

### অকলশৰীয়া পাইন গছজোপা

সুদূৰ উত্তৰৰ গিৰি-শিখৰত এজোপা পাইন গছ অকলে ঠিয় হৈ আছে। চাৰিওফালে চপৰা-চপৰে শুকুলা বৰফ পৰিব ধৰিছে, আৰু তাৰ মাজত গছজোপাই টোপনিয়াই আছে।

আৰু পাইন গছজোপাই স্বপ্ন দেখিছে এজোপা তালগছৰ—যি জোপা তালগছ নীৰৱে আৰু অকলে ঠিয় হৈ আছে দক্ষিণৰ কোনো এখন দেশৰ জুই-যেন বালিৰ মাজত।

### লৰেলী

কি অমঙ্গলীয়া ঘটনা ঘটিব ধৰিছে মই নাজানো, কিন্তু মোৰ মন বিষাদেৰে ভৰি পৰিছে। পুৰণি দিনৰ এটি গীতি-কাহিনী মোৰ মূৰৰ মাজত গুণগুণাই ঘূৰি ফুৰিছে, কোনোমতেই মই তাক বাহিৰ কৰিব পৰা নাই।

বতাহ জুৰ পৰিছে, সন্ধিয়া নামি আহিছে, আৰু ৰাইন নৈ শান্তভাৱে বৈ গৈছে। সান্ধ্য-ৰবিৰ সোণালী পোহৰত পৰ্বতৰ শিখৰবোৰ জ্বলমলাই উঠিছে।

আটাইতকৈ ধুনীয়া সাজ পিন্ধা ৰূপহী গাভৰুগৰাকী ওপৰত বহি আছে; তেওঁৰ সোণৰ গহনাবোৰ তিৰ্‌বিৰাই আছে আৰু তেওঁ তেওঁৰ সোণালী চুলিবোৰ আঁচুৰি আছে।

এখন সোণালী কাকৈৰে তেওঁ মূৰ আঁচুৰিছে আৰু লগে লগে এটা গান গাই আছে। অতি সুমধুৰ আৰু মায়াময় সেই গানৰ সুৰ।

গানৰ সুৰে নাৱৰীয়াজনক মন্ত্ৰমুগ্ধ কৰি পেলালে ; তেওঁৰ বুকুত জাগি উঠিল এক বন্য বিষাদময় প্ৰেম। পানীৰ তলত লুকাই থকা ডাঙৰ শিলবোৰ তেওঁৰ চকুত নপৰিল, তেওঁৰ দৃষ্টি নিৰদ্ধ হৈ ৰ'ল কেৱল ওপৰৰ ৰূপহী গাভৰু গৰাকীৰ ওপৰত।

অৱশেষত, যদিহে মোৰ ঠিককৈ মনত আছে,৷ ঢউবোৰে নাও আৰু নাৱৰীয়া দুয়োকে গিলি পেলালে। লৰেলী আৰু তেওঁৰ সুমধুৰ গানৰ এয়েই হ'ল পৰিণাম।

## তাঁতী

সিহঁতৰ চকুৰ পতাবোৰ ওলমি পৰিছে, তাৰ তলত এটোপাও পানী নাই ; তাঁতশালৰ ওচৰত ঠিয় হৈ থাকি সিহঁতে দাঁত কৰ্তাচছে ; "যি দুবাৰকৈ মৰিছে সিহঁতৰ কাৰণে আমি শ-ঢাকনী বৈছো, আৰু ইয়াৰ প্ৰত্যেকডাল সুতাতে আছে তিনিটাকৈ অভিশাপ ;—আমি তাঁত বৈছো, এতিয়াও বৈয়েই আছো।

"শ-ঢাকনীত আমি সেই ঈশ্বৰৰ কাৰণে এটা অভিশাপ বৈ দিছো —যাৰ আগত ক্ষুধা আৰু শীতৰ জ্বালাত আমি মুৰ দোঁৱাইছিলো ; বৃথাই আমি আশা কৰিছিলো আৰু বৃথাই প্ৰাৰ্থনা কৰিছিলো ; তেওঁ আমাক কেৱল ভেঙুচালি কৰিলে আৰু উপহাস কৰিলে, বিক্ৰী কৰিলে আৰু বিশ্বাসঘাতকতা কৰিলে ;—আমি তাঁত বৈছো, এতিয়াও বৈয়েই আছো।"

"শ-ঢাকনীত আমি ধনী আৰু গৰ্বিত সেই ৰজাৰ কাৰণে এটা অভিশাপ বৈ দিছো—যাৰ হৃদয়ত আমাৰ কাৰণে নাই কোনো কৰুণা ; আমি যেতিয়া কুকুৰৰদৰে মৰো, তেতিয়া আমাৰ সৰ্বশেষ কপৰ্দক-টোকো তেওঁ কাঢ়ি লৈ যায় নিজৰ ধনৰ মোনা স্ফীততৰ কৰিবলৈ ; —হয়—এটা অভিশাপ—আমি তাঁত বৈছো, এতিয়াও বৈয়েই আছো।"

"শ-ঢাকনীত আমি আমাৰ সেই দেশৰ কাৰণে এটা অভিশাপ বৈ দিছো—যিথন দেশৰ কাপুৰুষ জনগণে দেশৰ লজ্জাকেই সম্মানৰ আসনত অধিষ্ঠিত কৰে ; যি দেশৰ ফুলবোৰ কলিতেই বিনাশ আৰু নিধন কৰা হয়, যি দেশৰ ময়লা আৰু দুৰ্নীতিয়ে কেৱল কৃমিৰ জন্ম দিয়ে—আমি তাঁত বৈছো, এতিয়াও বৈয়েই আছো।"

"তাঁতৰ মাকো ইফালৰপৰা সিফাললৈ বিজুলী বেগেৰে চলি থাকে, তাৰ চলাৰ কোনো বিৰাম নাই ; দিনে-ৰাতিয়ে আমি এই শ-ঢাকনী বব ধৰিছো ; মৃতকতকৈয়ো যিসকল লোক নিকৃষ্টতৰ, আমি এই শ-ঢাকনী বব ধৰিছো তেওঁলোকৰ কাৰণে; আৰু ইয়াৰ প্ৰত্যেক-ডাল সূতাতেই আছে তিনিটাকৈ অভিশাপ—আমি তাঁত বৈছো, এতিয়াও বৈয়েই আছো।"

# জৰ্জ লুই বৰ্খেছ্

## মেথ্যু ২৫ : ৩০

কন্‌ষ্টিটিউচনৰ ওপৰত প্ৰথমখন দলং। মোৰ ভৰিৰ তলত
লাইন সলোৱা ৰেলগাড়ীবোৰে
সৰ্পিল লৌহ পথ-সমষ্টিৰ মাজত পাক-ঘূৰণি খাই ঘূৰি ফুৰিছে।
ধোঁৱাবোৰ ফুচ্‌ফুচাই উঠি গৈছে ওপৰলৈ, ওপৰলৈ, ৰাতিৰ মাজলৈ—
সেই ৰাতি একেটা আঘাততে হৈ পৰিছে শেষ বিচাৰৰ ৰাতি।
অদৃশ্য দিগন্তৰপৰা,
আৰু মোৰ সত্ত্বাৰ গভীৰ কেন্দ্ৰৰপৰা,
এক অসীম কণ্ঠস্বৰে ঘোষণা কৰিলে এই বস্তুখিনি—
শব্দ নহয়, বস্তু। যি আছিল একেটামাত্ৰ সীমাহীন শব্দ,
এয়া তাৰেই মই কৰা দুৰ্বল অনুবাদ, সময়ৰ দ্বাৰা সীমিত:
"তৰাবোৰ, ৰুটি, পুব আৰু পশ্চিমৰ পুথি-ভঁৰালবোৰ,
তাচপাত, ডবাখেলৰ ফলি, গেলেৰি, স্কাইলাইট, চেলাৰ,
পৃথিৱীত খোজ কাঢ়ি ফুৰিবলৈ এটা মানব-শৰীৰ,
আঙুলিৰ নখ, ৰাতি আৰু মৃত্যুৰ মাজত ক্ৰমবৃদ্ধি,
পাহৰি যাবলৈ ছাঁবোৰ, নিজকে অন্তহীনভাৱে বঢ়াই নি থকা
আয়নাবোৰ,
সংগীতৰ অবৰোহণ, সময়ৰ নম্ৰতম অবয়ব,
ব্ৰাজিল, উৰুগোৱেৰ সীমান্ত, ঘোঁৰা আৰু ৰাতিপুৱাবোৰ,
এটা ব্ৰঞ্জৰ ওৱেইট, 'গ্ৰেট্ৰিৰ গাথা'ৰ এটা কপি,
বীজগণিত আৰু জুই, তোমাৰ ৰক্তত জুনিনৰ ৰণক্ষেত্ৰৰ দামামা,
বাল্‌জাকতকৈয়ো বেছি জনাকীৰ্ণ দিনবোৰ, বনফুলৰ সুৰভি,

প্ৰেম আৰু প্ৰেমৰ আসন্নতা, আৰু অসহনীয় সৌৰৰণ,
পুতি থোৱা সম্পত্তিৰদৰে সপোনবোৰ, সুপ্ৰসন্ন ভাগ্য,
আৰু স্বয়ং স্মৃতি, য'ত এটা ভুমুকিয়েই মানুহক কৰি তুলিব পাৰে
হতবুদ্ধি—
এই সকলোবোৰেই দিয়া হৈছিল তোমাক, আৰু লগতে,
বীৰৰ পুষ্টিৰ প্ৰাচীন উপাদানবোৰ—
বিশ্বাসঘাতকতা, পৰাজয়, অবমাননা।
সপ্ত-সমুদ্ৰৰ জলৰাশি তোমাৰ কাৰণে অপচয় কৰা হ'ল বৃথাই,
বৃথাই অপচয় কৰা হ'ল হুইট্‌মেনৰ বিস্ময়-বিমুগ্ধ চকুৰে দেখা সূৰ্যক।
তুমি বছৰবোৰ ব্যৱহাৰ কৰি শেষ কৰিলা আৰু সিহঁতে ব্যৱহাৰ কৰি
শেষ কৰিলে তোমাক,
আৰু-এতিয়াও, আৰু এতিয়াও, তুমি নিলিখিলা সেই কবিতাটো।

## সীমা

ভাৰ্‌লেইনৰ এশাৰী কবিতা আছে যাক আৰু মই
কেতিয়াও মনত নেপেলাম,
ওচৰতে এটা ৰাস্তা আছে য'ত আৰু মোৰ ভৰিৰ খোজ নপৰিব,
এখন আয়না আছে যি মোক সৰ্বশেষবাৰৰ কাৰণে দেখিছিল,
এখন দুৱাৰ আছে যাক মই শেষ প্ৰলয়ৰ দিনলৈকে
জপাই পেলালো।
মোৰ পুথিভঁৰালৰ কিতাপবোৰৰ মাজত (মোৰ সমুখতে আছে
সেইবোৰ)
কিছুমান কিতাপ আছে যিবোৰ মই আৰু কেতিয়াও নুখুলিম।
এই গ্ৰীষ্মকালত মোৰ পঞ্চাশ বছৰ পূৰ্ণ হ'ল:
মৃত্যুৱে মোক ক্ষয় কৰি আনিছে অবিৰামভাবে।

# আনটো বাঘ

And the craft createth a semblance,
—Morris, Sigurd the Volsung (1876).

মই এটা বাঘৰ কথা ভাবিছো। আধৰুৱা পোহৰে বিশাল আৰু কষ্টসহিষ্ণু পুথিভঁৰালটোৰ আকাৰ বঢ়াই তুলিছে আৰু কিতাপৰ খাপবোৰ দূৰলৈ লৈ যোৱা যেন লাগিছে;
সবল, নিষ্পাপ, নব-নির্মিত, ৰক্ত-ৰঞ্জিত,
ই বিচৰণ কৰি ফুৰিব তাৰ অৰণ্য আৰু তাৰ ৰাতিপুৱাৰ মাজেৰে, আৰু এখন অজ্ঞাত, নামহীন নদীৰ (তাৰ জগতখনত কোনো নাম নাই, অতীত নাই, ভবিষ্যৎ নাই, আছে মাত্র পাৰ হৈ যোৱা মুহূর্ত্তটোৰ নিশ্চয়তা) বোকা পানী-যুৰলিত ৰাখি যাব তাৰ পদচিহ্ন; আৰু ই দূৰত্বৰ অৰণ্য অতিক্রম কৰি যাব আৰু ঘনকৈ বোৱা গন্ধৰ নির্গমন-পথহীন জটাজালত শুঙি ফুৰিব ৰাতিপুৱাৰ বিশেষ গোন্ধটো আৰু তৃপ্তিদায়ক হৰিণৰ গোন্ধ। বাঁহৰ ফালিবোৰৰ মাজত মই দেখিছো ইয়াৰ ৰঙীন ডোৰা, আৰু ঈষৎ কঁপি থকা ছালখনৰ উজ্জ্বল গৰিমাৰ অন্তৰালত মই অনুমান কৰিব পাৰিছো ইয়াৰ কংকালটো। উত্তল (convex) সমুদ্র আৰু মৰুভূমিয়ে বৃথাই আমাৰ দুয়োৰে মাজত নিজকে সমগ্র পৃথিবীজুৰি ব্যাপ্ত কৰে; দক্ষিণ আমেৰিকাৰ এটা সুদূৰ বন্দৰৰ এই এটা ঘৰৰপৰা মই তোমাৰ স্বপ্ন দেখো, তোমাক অনুসৰণ কৰো, গঙ্গাৰ তীৰভূমিত বাস কৰা অ' বাঘ!

মোৰ অন্তৰাত্মাৰ মাজলৈ আবেলিটো বগুৱা বাই সোমাই আহিছে আৰু মই ভাবি আছো যে মোৰ কবিতাত মন্ত্রবলেৰে সৃষ্টি কৰা বাঘটোৰ উপাদানবোৰ হ'ল প্রতীক আৰু ছাঁয়া, ছন্দোগত চৰণৰ এটা অনুক্রম, বিশ্বকোষৰপৰা মনত ৰখা টুকুৰা-টুকুৰ

কথা, আৰু সি সেই ভয়ংকৰ বাঘ, সেই ভাগ্যহত ৰত্ন নহয়—যি বঙ্গদেশ আৰু সুমাত্ৰাত, সূৰ্যালোকত বা ছলনাময় চন্দ্ৰালোকত, প্ৰেমৰ, আলস্যৰ, মৰণৰ পথ অনুসৰণ কৰি ফুৰে। প্ৰতীকী বাঘটোৰ বিপৰীতে মই প্ৰকৃত বাঘটোক স্থাপন কৰিলো, সেই বাঘটো, যাৰ ধমনীত উষ্ণ ৰক্তধাৰা প্ৰবাহিত হয়, আৰু আজি, ১৯৫৩, তিনি আগষ্ট, বৃক্ষহীন তৃণভূমিৰ ওপৰেদি এটা মন্থৰ ছাঁয়া বিয়পি পৰিছে, কিন্তু তথাপি, তাৰ নামকৰণে কিংবা তাৰ প্ৰকৃতি আৰু পৰিস্থিতিৰ অনুমানে সৃষ্টি কৰা নাই এটা জীৱন্ত প্ৰাণী, পৃথিৱীত বিচৰণ কৰি ফুৰা এটা প্ৰাণী, সৃষ্টি কৰিছে মাত্ৰ এটা অলীক কাহিনী।

আহাঁহক আমি এটা তৃতীয় বাঘৰ সন্ধান কৰো।

আন সকলোবোৰৰে

নিচিনাকৈ ই মোৰ সপোনত হ'ব এটা ৰূপবন্ধ,
মানবিক ভাষাৰ এটা সূত্ৰবদ্ধ প্ৰণালী আৰু বিন্যাস,
আৰু সি নহব সেই মেৰুদণ্ডী বাঘ—
সকলো পুৰাণ-শাস্ত্ৰৰ অগোচৰ যি বাঘে
পৃথিৱীতবিচৰণ কৰি ফুৰে। এই সকলোবোৰ কথাই মই জানো,
কিন্তু কিহবাই মোক এই প্ৰাচীন আৰু অস্পষ্ট আৰু অযুক্তিকৰ
অভিযানৰ মাজলৈ ঠেলি দিছে, আৰু গোটেই আবেলিটো ধৰি
মই সন্ধান কৰি আছো আনটো বাঘৰ
আনটো বাঘৰ, যিটো বাঘ এই কবিতাটোত নাই।

## এজন বৃদ্ধ কবিলৈ

তুমি ভ্ৰমি ফুৰা কেষ্টিলৰ ভৈয়াম অঞ্চলত
আৰু কাচিৎহে সেই ঠাইবোৰ তোমাৰ চকুত পৰে।

তোমাৰ একান্ত চিন্তাৰ বিষয় হ'ল ছেণ্ট জনৰ
এটা দুৰ্বোধ্য অধ্যায়, আৰু তুমি কাচিৎহে থমকি ৰোৱা

পীতাভ সূৰ্যাস্তত। অঘৰী পোহৰে বিকিৰণ কৰে
উন্মাদনা, আৰু সুদূৰ পূবৰ প্ৰত্যন্তত
স্ফীত হৈ উঠিছে বিদ্ৰূপ-মুখৰ গাঢ় ৰক্ত-বৰ্ণ চন্দ্ৰ,
আৰু সম্ভৱতঃ সি পবিত্ৰ ক্ৰোধৰ দৰ্পণ।

তুমি চকু তুলি তাৰ ফালে চোৱা। এনেতে,
কিহবাৰ এটা স্মৃতি, এদিন যিটো আছিল তোমাৰ,
জাগি উঠে আৰু বাহিৰ হৈ যায়। তুমি

নত কৰা তোমাৰ বিবৰ্ণ মুৰটো আৰু বিষণ্ণভাবে
আগবাঢ়ি গৈ থাকা। এবাৰৰ কাৰণেও তোমাৰ মনত নপৰে
এসময়ত তুমি নিজেই লিখা এই শাৰীটো :
'আৰু তেওঁৰ এপিটাফ্ ৰক্ত-ৰঞ্জিত চন্দ্ৰটো।'

## বিওৱাল্‌ফৰ এটা কপিত লিখা কবিতা

বিভিন্ন সময়ত মই নিজকে সুধিছো, যেতিয়া মোৰ
ৰাতিটো নামি আহিছিল, তেতিয়া আনন্দ-লাভৰ বিশেষ
একো আশা নথকা সত্বেও কিবোৰ যুক্তিয়ে মোক
কৰ্কশ-কণ্ঠ এংলো-ছেক্সনসকলৰ ভাষাটো অধ্যয়ন কৰিবলৈ
উৎসাহিত কৰিছিল ?

যিবোৰ শব্দ মই বৃথাই বাৰম্বাৰ আওৰাই আছিলো, সেই
শব্দবোৰৰ ওপৰত বছৰবোৰে ব্যৱহাৰ কৰি ক্ষয় কৰা
মোৰ স্মৃতিয়ে নিয়ন্ত্ৰণ হেৰুৱাই পেলাইছিল। মোৰ জীৱনটোৱেও

ঠিক সেইদৰেই গ্ৰথিত আৰু বিচ্ছিন্ন কৰে
তাৰ ক্লান্ত ইতিহাস।

তেতিয়া মই নিজকে কওঁ : এই কথা নিশ্চয় সত্য হব লাগিব যে
আত্মাৰ কিবা এটা গোপন ৰহস্য আছে, আছে তাৰ এনে
এটা প্ৰশস্ত উপায় যাৰ সহায়েৰে সি জানিব পাৰে যে
সি অমৰ, যে তাৰ বিশাল সৰ্ববেষ্টনকাৰী বৃত্তই
সকলোকে সামৰি লব পাৰে, সকলোকে আয়ত্ত কৰিব পাৰে।

মোৰ দুশ্চিন্তাৰ সিপাৰত, এই ৰচনাখনৰ সিপাৰত,
অপেক্ষা কৰি আছে বিশ্ব-চৰাচৰ, অফুৰন্ত আৰু চিৰ-মনোহৰ।

## নিজৰ মুখ

বহুবছৰ ধৰি এজন মানুহে এডোখৰ খালি ঠাই ভৰাই
তুলিছে প্ৰদেশ, ৰাজ্য, পৰ্বত, উপসাগৰ, জাহাজ, দ্বীপ,
মাছ, কোঠালী, সঁজুলি, তৰা, ঘোঁৰা আৰু মানুহৰ
ছবিৰে। মৃত্যুৰ মাত্ৰ কেইমুহূৰ্তমানৰ
আগতে তেওঁ আবিষ্কাৰ কৰিলে যে ধৈৰ্যশীল ৰেখাৰ
জটাজালে চিত্ৰিত কৰি তুলিছে তেওঁৰ নিজৰ মুখখন।

## এড্গাৰ লী মাষ্টাৰছ্

### আলেকজেণ্ডাৰ থ্ৰক্মৰ্টন্

যৌবন-কালত মোৰ ডেউকা আছিল শক্তিশালী আৰু অক্লান্ত,
কিন্তু তেতিয়া পৰ্বতবোৰ আছিল মোৰ অজ্ঞাত।
বুঢ়া বয়সত মই পৰ্বতবোৰ চিনি পালো,
কিন্তু তেতিয়া মোৰ দৃষ্টিৰ পিছে পিছে দৌৰিবলৈ
মোৰ ক্লান্ত ডেউকাৰ শক্তি নাছিল।
প্ৰতিভা হ'ল প্ৰজ্ঞা আৰু যৌবনৰ সমাহাৰ।